# এই সংখ্যাত


# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী

সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ দীপিকা কচ্চল
জ্যেষ্ঠ সম্পাদক ঃ ৰাজীৱ লোচন বৰঠাকুৰ

**PAYOBHARA**
**VOL. - 48 No. 5**
অষ্টাচত্বাৰিংশ বৰ্ষ ঃ পঞ্চম সংখ্যা
জুলাই ঃ ২০১৭


শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই


বেটুপাতৰ শিল্পী ঃ
গজানন পি ধোপে



| | | |
|---|---|---|
| ❒ বয়োজ্যেষ্ঠসকলৰ সুৰক্ষা সাধানৰ বাবে সমুচিত ব্যৱস্থা | ✍ সুমতি কুলকাৰ্ণি | ৩ |
| ❒ সকলোৰে বাবে স্বাস্থ্য ঃ ভাৰতৰ | ✍ কে সীতা প্ৰভু | ৮ |
| ❒ বিশেষভাৱে সক্ষমসকলৰ সবলীকৰণ | ✍ সন্ধ্যা লিমায়ে | ১১ |
| ❒ কৃষকৰ কল্যাণ সাধনৰ বাবে সঠিক দৃশ্যপট অংকন আৰু ৰূপায়ণ | ✍ নীলজ্জা ঘোষ | ১৬ |
| ❒ বৃদ্ধাৱস্থাৰ আৰ্থিক নিৰাপত্তা ঃ ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থা | ✍ বদ্ৰী সিং ভাণ্ডাৰী | ২১ |
| ❒ সামাজিক সুৰক্ষা ঃ গোলকীয় দৃশ্যপট | ✍ চন্দ্ৰকান্ত লাহাৰিয়া | ২৭ |
| ❒ পৰিপুষ্টিৰ গতিপথৰ বাবে কৃষিক অগ্ৰাধিকাৰ | ✍ মৌচুমী দাস | ৩৪ |
| ❒ স্বাস্থ্যকৰ শিকন পৰিৱেশ প্ৰতিপালন | ✍ কিৰণ ভাট্টি | ৩৭ |
| ❒ অনুন্নতসকলৰ কাৰণে হস্তক্ষেপকৰণৰ প্ৰচেষ্টা ঃ এটা জোৰাৰৰ নিশ্চিতি | ✍ উৰ্মি গোস্বামী | ৪২ |
| ❒ বহনক্ষম গ্ৰাম্য উন্নয়ন, জীৱিকাৰ নিৰাপত্তা, এম জি এনৰেগাৰ প্ৰণালীবদ্ধ সংস্কাৰ | ✍ খ্যাতি শ্ৰীবাস্তৱ<br>✍ বিদূষী চাহানী | ৪৫ |
| ❒ বিকাশ সাধনৰ প্ৰয়াসক সমৰ্থন প্ৰদানৰ প্ৰতিশ্ৰুতি | ✍ যতীন্দৰ সিং | ৫০ |
| ❒ আবৰ্জনা বনাম স্বচ্ছ ভাৰত অভিযান | ✍ প্ৰদীপ কুমাৰ দাস | ৫৩ |
| ❒ ভাৰতীয় ষ্টেট বেংকৰ বৃহৎ মাত্ৰাৰ একত্ৰীকৰণে কৰা সম্ভাৱনীয়তা আৰু আশংকা | ✍ গায়ত্ৰী গোস্বামী অধ্যাপক | ৫৫ |
| ❒ আলংকাৰিক মাছ ব্যৱসায় আৰু পুঠি-খলিহনাৰ ভৱিষ্যৎ | ✍ মুবিনা আখতাৰ | ৫৭ |
| ❒ উত্তৰ-পূৰ্বাঞ্চল শিক্ষা গণমাধ্যম শিক্ষা | ✍ অংকুৰণ দত্ত | ৫৯ |
| ❒ আৰ্থিক উন্নতিত বজাৰ-সংস্কৃতি আৰু জাতি-জনজাতিৰ বিনিময় প্ৰথা | ✍ ধনেশ্বৰ হুজুৰী | ৬১ |
| ❒ খাদ্য সুৰক্ষা, ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু কিছু প্ৰাসঙ্গিক চিন্তা | ✍ অৰূপজ্যোতি শইকীয়া | ৬৩ |
| ❒ নাৰী শক্তি, মহিলাৰ বাবে সামাজিক সুৰক্ষা | | ৬৬ |
| ❒ উত্তৰ-পূব দিনলিপি | | ৬৮ |
| ❒ মানুহ আৰু পৰিৱেশ | ✍ অন্নজ্যোতি গগৈ | ৬৯ |
| ❒ আপুনি জানেনে? | | ৭২ |


পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব


পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ ডি কে গ্ৰাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প
য়ো
ভ
ৰা

## এই সংখ্যাৰ প্ৰসংগত

# সামাজিক সুৰক্ষাৰ এটা বুজাবুজি

ভাৰতৰ ক্ৰমবৰ্ধমান যুৱ জনসংখ্যাই দেশখনত সোনকালেই বিশ্ব অৰ্থনীতিৰ অগ্ৰণী ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ পৰা আৰম্ভ কৰি এই ক্ৰমবৰ্ধমান যুৱ জনসংখ্যাই সময়ত দেশখনত ব্যাপক নিবনুৱাৰ সৃষ্টি কৰি অৰ্থনীতিৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব পৰালৈকে ভাৰতবৰ্ষৰ বিশাল জনসমুদ্ৰৰ লাভালাভ বিষয়ক বিভিন্ন যুক্তিতৰ্ক বৰ্তমান চলি আছে।

জনসংখ্যাৰ সুফল বিষয়ক এই উচ্ছ্বাসিত বিতৰ্কৰ মাজত ভাৰতৰ অৰ্থনীতিবিদ, পৰিকল্পনাকাৰী আৰু সমাজ সচেতন শ্ৰেণীটোৱে এটা বিশেষ কথা মনত ৰখা ভাল হ'ব যে ভাৰতবৰ্ষত বয়োজ্যেষ্ঠসকলৰ সংখ্যাও ক্ৰমাৎ বৃদ্ধি পাইছে। অনুমান কৰা হৈছে যে ২০২৬ চনলৈ ভাৰতবৰ্ষৰ বয়োজ্যেষ্ঠ নাগৰিকৰ সংখ্যা ১৭ কোটি ৩০ লাখৰ সংখ্যা চুবগৈ। ইয়াৰে অধিকাংশই দৰিদ্ৰ, সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণী আৰু মহিলা হোৱা হেতুকে তেওঁলোকৰ বাবে প্ৰয়োজন হ'ব বিত্তীয় আৰু মনস্তাত্বিক সহায়ক হাতৰ। তদুপৰি এই জনসংখ্যাৰ মাজত থাকিব বিশেষভাৱে সক্ষম, উপান্ত, অসংগঠিত খণ্ডৰ শ্ৰমিক আৰু কেও-কিছু নোহোৱা মহিলাৰ দৰে বিপৰ্যস্ত শ্ৰেণীৰ লোক— যিসকলৰ বহনক্ষম জীৱন যাপনৰ বাবে প্ৰয়োজন হ'ব যিকোনো ধৰণৰ চৰকাৰী সাহায্যৰ। সমাজৰ এই বিপৰ্যস্ত শ্ৰেণীসমূহক সহায় কৰা ক্ষেত্ৰত সামাজিক সুৰক্ষা আঁচনিসমূহে এটা বুজাবুজিৰ ইংগিত বহন কৰে, যি বুজাবুজি কোনো এখন গণতান্ত্ৰিক চৰকাৰে ভংগ নকৰে বা কৰাটো অনুচিত। সৌভাগ্যবশতঃ ভাৰতীয় সংবিধানৰ প্ৰণেতাসকলে সংবিধানৰ ৪৩ অনুচ্ছেদত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ সমাজিক সুৰক্ষাৰ কথা সন্নিৱিষ্ট কৰি থৈ গৈছে আৰু সেয়েহে দেশৰ সকলো সময়ৰ চৰকাৰেই সংবিধানৰ এই ভাবধাৰাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি আহিছে।

ইন্দিৰা গান্ধী বৃদ্ধ পেঞ্চন আঁচনি আৰু ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধৱা পেঞ্চন আঁচনিৰ দৰে আঁচনিসমূহে বয়োজ্যেষ্ঠসকলৰ সামাজিক সুৰক্ষা সুনিশ্চিত কৰিছে। চৰকাৰী চাকৰিৰ পৰা অৱসৰৰ পাছত লাভ কৰিবলগীয়া নিশ্চিত পেঞ্চনৰ ব্যৱস্থাই চৰকাৰী চাকৰিৰ প্ৰতি আকৰ্ষণৰ অন্যতম কাৰণ বুলি চিহ্নিত হ'লেও ব্যক্তিগত খণ্ডৰ ক্ষেত্ৰত এনে কোনো সুবিধা নাই। ব্যক্তিগত প্ৰতিষ্ঠানৰ পৰা অৱসৰ গ্ৰহণ কৰা লোকসকল চাকৰি কালত তেওঁলোকে সঞ্চয় কৰা ধনৰ ওপৰতে সম্পূৰ্ণ নিৰ্ভৰশীল হ'ব লাগে। ইয়াৰ অৰ্থ হৈছে অৱসৰ গ্ৰহণৰ পাছত সন্তানৰ উচ্চ শিক্ষা বা কন্যাৰ বিবাহৰ দৰে ব্যয় বহন কৰিবলগীয়া হ'লে এনে কৰ্মচাৰীৰ অৱস্থা তেনেই শোচনীয় হৈ পৰে আৰু দৈনন্দিন খৰচৰ ক্ষেত্ৰত কিম্বা তেওঁ আৰু পৰিয়ালৰ আন সদস্যৰ অসুখ-বিসুখৰ সময়ত চিকিৎসাৰ দৰে প্ৰয়োজনৰ সময়ত ধনৰ টনাটনি হয়। এই সমস্যাটো সমাধানৰ বাবে চৰকাৰে অটল পেঞ্চন যোজনা, ৰাষ্ট্ৰীয় পেঞ্চন আঁচনি, স্বাৱলম্বন আদি আঁচনিৰ জৰিয়তে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ বাবে ধন আগমনৰ এটা স্থিৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে।

পানী যোগানৰ সু-ব্যৱস্থা নথকা, কৃষিৰ বাবে অপকাৰী কীট-পতংগ আৰু এনে সমস্যাবহুল তথা বতৰৰ ওপৰত ফচলৰ কৃতকাৰ্যতা নিৰ্ভৰশীল হোৱা হেতুকে কৃষিকাৰ্যও হৈছে এটা বিপদজনক বৃত্তি। চৰকাৰে প্ৰধান মন্ত্ৰীৰ ফচল বীমা যোজনা, কৃষি সিঞ্চাই যোজনা, কিষাণ ক্ৰেডিট কাৰ্ড আদি সুবিধা প্ৰৱৰ্তনৰ জৰিয়তে কৃষকসকলক বীজ, পশুধনৰ খাদ্য, সাৰ আদি ক্ৰয়ৰ বাবে পুঁজি যোগানৰ ব্যৱস্থা কৰিছে। এইসমূহ আঁচনিয়ে দেশবাসীৰ ক্ষুধা পূৰণৰ কৰ্তব্যত নিয়োজিত কৃষকসকলৰ সামাজিক সুৰক্ষা নিশ্চিত কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ সৈতে জড়িত আন এটা বিষয় হৈছে খাদ্য সুৰক্ষা— যাৰ অৰ্থ হৈছে বজাৰ দৰত চাউল, ঘেঁহু, দাইল আদি কিনিব নোৱাৰা কোটি কোটি পৰিয়াললৈ এইসমূহৰ যোগান নিশ্চিত কৰা। জনসাধাৰণৰ প্ৰয়োজনীয় মৌলিক খাদ্য সামগ্ৰী ৰেহাই মূল্যত যোগান ধৰাৰ বাবেই ৰাজহুৱা বিতৰণ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল। ৰাজহুৱা বিতৰণ ব্যৱস্থাটো বৰ্তমান প্ৰত্যক্ষ সুবিধা হস্তান্তৰণ চমুকৈ ডী বী টীৰ সৈতে যুক্ত কৰা হৈছে— উদ্দেশ্য প্ৰকৃত হিতাধিকাৰীয়ে সাহায্য পোৱাতো সুনিশ্চিত কৰা।

চৰকাৰে গ্ৰহণ কৰা সমন্বিত বিকাশৰ আঁচনিৰ অধীনত মহিলা, উপান্ত আৰু অসংগঠিত খণ্ডৰ বিপৰ্যস্ত শ্ৰেণী আৰু বিশেষভাৱে সক্ষমসকলকো সম অধিকাৰ দিয়াৰ প্ৰয়াস চলোৱা হৈছে। নয়ী মঞ্জিল, উস্তাদ আৰু নয়ী ৰোশ্নীৰ দৰে আঁচনিৰ জৰিয়তে সংখ্যালঘু সম্প্ৰদায় আৰু উপান্ত শ্ৰেণীকো ৰাষ্ট্ৰ নিৰ্মাণৰ অংশীদাৰ হোৱাৰ সুবিধা প্ৰদান কৰা হৈছে। শ্ৰমিকসকলৰ কল্যাণ আৰু সামাজিক সুৰক্ষা সুনিশ্চিত কৰিবলৈ চৰকাৰে অলপতে এটা আইনী ব্যৱস্থা গ্ৰহণ কৰিছে। কন্যা শিশুৰ শিক্ষাৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে বেটী বচাও, বেটী পঢ়াও আৰু সুকন্যা সমৃদ্ধি যোজনা আৰম্ভ কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীসভাই গৰ্ভৱতী আৰু পোৱতী মাতৃলৈ মাতৃত্ব আঁচনিৰ সুবিধা প্ৰদানত ইতিমধ্যে অনুমোদন জনাইছে। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ স্বাস্থ্যৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে চৰকাৰে স্বাস্থ্য বীমা আঁচনিও প্ৰৱৰ্তন কৰিছে।

নাগৰিকসকলৰ সমস্যাসমূহ প্ৰকৃতাৰ্থত অনুধাৱন কৰিব পৰাটোৱেই হৈছে এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ দৰ্শন। সামাজিক সুৰক্ষা সেয়েহে সু-শাসনৰ এটা অন্যতম পূৰ্বচৰ্ত। আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জন এফ কেনেডীয়ে কোৱাৰ দৰে "এখন মুক্ত সমাজে যদি বহুসংখ্যক দৰিদ্ৰক সহায় কৰিব নোৱাৰে তেনেহ'লে সেই সমাজে কেইজনমান চহকীকো বচাব নোৱাৰিব।" দৰিদ্ৰৰ বাবে আৰু দৰিদ্ৰৰ হকে কাম কৰাত বিশ্বাসী এখন চৰকাৰে নিশ্চয়কৈ সমাজৰ বিপৰ্যস্ত শ্ৰেণীসমূহৰ সামাজিক সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে পৰিকল্পনা আৰু নীতি প্ৰস্তুত কৰি ইয়াক কাৰ্যকৰী কৰিব লাগিব।

# বয়োজ্যেষ্ঠসকলৰ সুৰক্ষা সাধনৰ বাবে সমুচিত ব্যৱস্থা

**সুমতি কুলকাৰ্ণি***

সামাজিক নিৰাপত্তাৰ লক্ষ্য হ'ল সেই সকল লোকক ভৰণ-পোষণ দিয়া— যিসকলে নিজৰ জীৱিকা নিৰ্বাহৰ বাবে শাৰীৰিক অসমৰ্থতা হেতু কাম কৰি অৰ্জন কৰিব নোৱাৰে। তেনে অসমৰ্থতা বাৰ্দ্ধক্য কিম্বা চিৰকলীয়া ৰোগে এৰা নিদিয়াৰ বাবেও হ'ব পাৰে। ৰাষ্ট্ৰদ্বাৰা সামাজিক নিৰাপত্তাৰ ব্যৱস্থা কৰাটো হ'ল অধিক উন্নত দেশসমূহত সাধন কৰা জীৱন ধাৰণৰ মান অটুট ৰখা কাৰ্যৰ এটা অংশবিশেষ। কিন্তু কম বিকাশশীল দেশবোৰত সেই ক্ষেত্ৰত সীমাবদ্ধতা আছে। নিবনুৱা সমস্যাৰ উপৰি সামাজিক গাঁথনিৰ অন্তৰ্নিহিত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলত যি স্থিতিয়ে গা কৰি উঠে তেনে পৰিৱেশে সা-সুবিধাৰ পথ ৰোধ কৰে আৰু তেনে ধৰণৰ স্পৰ্শকাতৰ বিষয়ত এই দেশবোৰে আশানুৰূপভাৱে কাম কৰিব নোৱাৰাটো সহজেই অনুমেয়। ইপিনে অধিক উন্নত দেশবোৰত ক্ৰিয়াশীল সামাজিক নিৰাপত্তা পদ্ধতিয়ে তাক সহজতেই সামৰি লয়। কম বিকাশশীল দেশবোৰত এটা তুলনামূলক স্তৰত সামাজিক নিৰাপত্তাৰ অৰ্থনৈতিক সম্ভাৱনাৰ বিষয়টোক সহজে ল'ব নোৱাৰে। আনকি উন্নত দেশবোৰেও ৰাজহুৱা পেঞ্চন পদ্ধতিক বৰ্তাই ৰখাৰ সমস্যাৰ সন্মুখীন হৈছে। তাৰ কাৰণ হ'ল প্ৰজননক্ষম স্থিতি প্ৰকৃত ৰূপত ধৰা নিদিয়া আৰু তাৰ প্ৰবাহ অৱনমিত হোৱাৰ দীৰ্ঘকালৰ ইতিহাস— যিটোৱে হিতাধিকাৰী, অৰ্থাৎ বয়সিয়াল লোকৰ শতাংশ হাৰ বৃদ্ধি হোৱাৰ পিনে গতি কৰিছে। ইপিনে বৰঙণি যোগাওঁতাসকলৰ অৰ্থাৎ কাম কৰিব পৰা বয়স-গোটৰ লোকৰ হাৰ হ্ৰাস পাইছে। একৈশ শতিকাৰ মাজভাগৰ ভিতৰত এই দেশবোৰৰ প্ৰায় এক-তৃতীয়াংশ জনসংখ্যা ৬০ বছৰৰ ওপৰৰ হ'ব বুলি আশা কৰা হৈছে।

কিন্তু ভাৰতৰ দৰে বিকাশশীল দেশবোৰত বয়সিয়াল লোকৰ ক্ষেত্ৰত জড়িত থকা বিষয়বোৰৰ প্ৰকৃতি বহু প্ৰভেদ আছে। তেনে প্ৰভেদৰ কাৰণসমূহ হ'ল— অতি বেছি দৰিদ্ৰ অৱস্থা, নিবনুৱা তথা উপযুক্তভাৱে নিয়োগ লাভ নকৰা আৰু এটা বৃহৎ অনানুষ্ঠানিক খণ্ডৰ উপস্থিতি। অৱশ্যে শেহতীয়াকৈ কম বিকাশশীল দেশবোৰত জনগাঁথনিৰ যি পৰিৱৰ্তন হৈছে সেইটোৱে স্পৰ্শকাতৰ বয়সিয়াল লোকসকলৰ সামাজিক নিৰাপত্তাৰ ব্যৱস্থাৰ সন্দৰ্ভত আলোকপাত কৰিছে। কিছুমান ইউৰোপীয় দেশত (যেনে— ফ্ৰান্স আৰু ছুইডেন) বয়সিয়াল লোকৰ শতাংশ হাৰ যিদৰে বৃদ্ধি পায় তেনে অৱস্থা ভাৰত, চীন আৰু আন কেইখনমান এছীয় দেশতো হ'ব পাৰে। প্ৰায় ৪০ বছৰ কালৰ ভিতৰতেই এনে হ'ব পাৰে। সেই ইউৰোপীয় দেশ-কেইখনত বয়সিয়াল লোকৰ শতাংশ হাৰ মুঠ জনসংখ্যাৰ ভিতৰত ৭ শতাংশৰ পৰা ১৪ শতাংশলৈ বৃদ্ধি পায়; আৰু এই বৃদ্ধিৰ সময় লাগিছিল প্ৰায় ১০০ বছৰৰ পৰা ১২০ বছৰ। কিন্তু ভাৰত আৰু চীনৰ দৰে দেশত ৪০ বছৰৰ ভিতৰত তেনে পৰিৱৰ্তন হোৱাৰ কাৰণ হ'ল খৰতকীয়াকৈ মৃত্যুৰ হাৰ কমি যোৱাটো।

**সমস্যাৰ ধৰণ-কৰণ**

ভাৰত হ'ল বিশ্বৰ জনসংখ্যাৰ এক-পঞ্চমাংশ লোকৰ গৃহভূমি। এই লোকসকলৰ ভিতৰত বিশ্বৰ দুখীয়া লোকৰ তৃতীয়াংশ আৰু বিশ্বৰ বয়সিয়াল লোকৰ এক-অষ্টমাংশ আছে। সৌ সিদিনাখনলৈকে পৰিয়াল আৰু প্ৰাপ্তবয়স্ক ল'ৰা-ছোৱালীবোৰক বৃদ্ধ বয়সৰ লোকৰ নিৰাপত্তা প্ৰদানৰ ক্ষেত্ৰত এটা নিৰ্ভৰযোগ্য উৎসৰূপে বিবেচনা কৰা হৈছিল। কিন্তু বয়সস্থ লোকৰ সুৰক্ষা সাধনৰ এই পৰম্পৰাগতভাৱে চলি অহা কাৰ্যত বিভিন্ন ধৰণে গভীৰ চাপ পৰে— যাৰ ফলত সামাজিক নিৰাপত্তাৰ বিষয়টোকে তেনেদৰে এতিয়া গ্ৰহণ কৰা নহয়। তাৰ কাৰণসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— বয়সিয়াল লোকসকলৰ বৰ্দ্ধিত আয়ুস আৰু অন্যান্য আৰ্থ-সামাজিক তথা সাংস্কৃতিক পৰিৱৰ্তন; আৰু এই

***সুমতি কুলকাৰ্ণি মুম্বাইৰ ইণ্টাৰনেশ্বনেল ইনষ্টিটিউট ফৰ পপুলেশ্বন ছায়েন্সৰ ডেভেলপমেণ্ট ষ্টাডি বিভাগৰ কাৰ্যবাহী সঞ্চালক আৰু মুৰব্বী ৰূপে পূৰ্বতে কাম কৰিছিল। পাঁচটা দশকৰ অভিজ্ঞতাৰে তেওঁ নেশ্বনেল ফেমিলি হেল্থ ছাৰ্ভেৰ সৰ্বভাৰতীয় সমন্বয়ক ৰূপে সেৰা আগবঢ়ায়। ইউনিছেফ, ইউ এন ডি পিৰ দৰে আন্তৰ্জাতিক প্ৰতিষ্ঠানসমূহৰ সৈতে তেওঁ জড়িত।**

পৰিৱৰ্তনৰ ভিতৰত যুটীয়া পৰিয়াল পদ্ধতিৰ সচৰাচৰভাৱে যি সমন্বয়ৰ বান্ধোন থাকে সেইটো বিচ্ছিন্ন হোৱা, বয়সস্থজনক চোৱাচিতা কৰিবলৈ লোক নাথাকে— সদ্যহতে এনে দায়িত্ব পালন কৰা মহিলাসকল অন্য কামত ব্যস্ত হোৱাৰ মাত্ৰা বাঢ়ি গৈছে, বিধৱা হোৱাৰ ঘটনাৱাজি কম, যুৱকসকলৰ আন ঠাইলৈ প্ৰব্ৰজন তথা ল'ৰা-ছোৱালীবোৰৰ অধিক ব্যক্তিমুখী দৃষ্টিভঙ্গী। দুখীয়া ঘৰৰ বয়সিয়াল লোকৰ মাজৰ সমস্যাই অধিক ভীষণ ৰূপ ধাৰণ কৰে। তেওঁলোকৰ স্বাস্থ্যৰ অৱস্থা ক্ৰমাৎ অৱনতি হৈ যোৱা ক্ৰমে উপাৰ্জনৰ অৰ্থে কাম কৰিবলৈ অসমৰ্থ হয় আৰু যদি কিবা তেওঁলোকৰ সাঁচতীয়া ধন আছে তাৰে চলিবলৈ কাচিৎহে হয়। দুখীয়া লোকসকলক সীমিতকৰণ অৱস্থাত স্থিত কৰাৰ ব্যৱস্থা— যিটো গোলকীয়কৰণৰ অদৃশ্য পৰিণামৰ ফল আৰু দৰিদ্ৰতাৰ বৰ্দ্ধিত অভাৱ-অনাটনৰ পৰিস্থিতিয়ে বয়োজ্যেষ্ঠসকললৈ সামাজিক সুৰক্ষা সাধনৰ আৱশ্যকতাক অধিক গুৰুত্বপূৰ্ণ কৰি তুলিছে। সেয়ে ভাৰত চৰকাৰ তথা ৰাজ্য চৰকাৰবোৰেও এই কথাত গুৰুত্ব দিছে আৰু কিছু প্ৰয়াসো কৰিছে। কিন্তু সামাজিক সুৰক্ষা প্ৰদানৰ অৰ্থনৈতিক সম্ভাৱনীয়তা অধিক উন্নত দেশবোৰে গ্ৰহণ কৰা ব্যৱস্থাৰ তুলনাত ভাৰতৰ দৰে কম বিকাশশীল দেশৰ ক্ষেত্ৰত যথেষ্ট সীমাবদ্ধতা আছে।

**এটা যুটীয়া প্ৰচেষ্টাৰ জৰীপ**

অলপতে এটা যোজনাৰ অংশ-স্বৰূপে বয়োজ্যেষ্ঠসকলৰ স্থিতি সম্পৰ্কে জৰীপ কাৰ্য হাতত লোৱা হয়। সেই জৰীপক কোৱা হয় 'ভাৰতৰ বয়সস্থ জনগণৰ সন্দৰ্ভত এটা তথ্যভিত্তিক জ্ঞানৰ আধাৰ গঢ়ি তোলা। এই ক্ষেত্ৰত যুটীয়াভাৱে জড়িত থকা প্ৰতিষ্ঠানসমূহ হ'ল— নতুন দিল্লীৰ ইউ এন এফ পি এ, ইনষ্টিটিউট ফৰ ইক'ন'মিক গ্ৰ'থ, বেংগালুৰুৰ ইনষ্টিটিউট ফৰ ছ'চিয়েল এণ্ড ইক'ন'মিক ছেইঞ্জ আৰু মুম্বাইৰ টাটা ইনষ্টিটিউট অৱ ছ'চিয়েল ছায়েন্সছ। এই জৰীপ কাৰ্য সমাপন কৰা হয় ২০১১ বৰ্ষৰ মেই-ছেপ্টেম্বৰ কালছোৱাত। ইয়াৰ পৰিসংখ্যা ৯৮৫২ জন বয়োজ্যেষ্ঠ লোকৰ; আৰু তেওঁলোকৰ সাতখন নিৰ্বাচিত জিলাৰ ৮৩২৯ ঘৰৰ পৰা লোৱা হয়। ৰাজ্যকেইখন হ'ল— হিমাচল প্ৰদেশ, পঞ্জাব, পশ্চিমবঙ্গ, ওড়িছা, মহাৰাষ্ট্ৰ, কেৰালা আৰু তামিলনাডু। উক্ত ঘৰবোৰত থকা বয়োজ্যেষ্ঠ জনসংখ্যাৰ শতাংশ হাৰ ৰাষ্ট্ৰীয় গড়তকৈ অধিক।

উল্লিখিত জৰীপৰ পৰিসংখ্যা ব্যৱহাৰ কৰি এই প্ৰবন্ধটোত কেইটামান বিষয়ৰ সন্দৰ্ভত আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। বিষয়কেইটা হ'ল— (১) ভাৰতৰ বৃদ্ধ বয়সৰ লোকৰ নিৰাপত্তা সন্দৰ্ভত থকা সমস্যাৰ পৰিমাত্ৰা, (২) সামাজিক নিৰাপত্তা সাধনৰ ব্যৱস্থাৰ বাবে চৰকাৰে হাতত লোৱা বৃহৎ প্ৰয়াসৰাজি, (৩) ভাৰত চৰকাৰৰ দুখন বিখ্যাত পেঞ্চন আঁচনিৰ ক্ষেত্ৰত সজাগতা আৰু তাৰ ব্যৱহাৰ, (৪) বয়োজ্যেষ্ঠসকলে আঁচনি দুখন সীমিতভাৱে ব্যৱহাৰ কৰাৰ কাৰণ আৰু (৫) বয়োজ্যেষ্ঠ বিষয়ক সাৰ্বজনীন পেঞ্চন আঁচনিৰ সম্ভাৱনীয়তা।

**সমস্যাৰ পৰিমাত্ৰা**

**১। পিয়লৰ পৰিসংখ্যা অনুযায়ী**

২০১১ বৰ্ষৰ লোকপিয়লৰ মতে ভাৰতৰ ১০৪ নিযুত বয়োজ্যেষ্ঠ (৬০ বছৰৰ ঊৰ্দ্ধৰ) লোক আছে আৰু তেওঁলোকৰ সংখ্যা ২০২৬ চনৰ ভিতৰত ১৭৩ নিযুত অতিক্ৰম কৰাৰ আশা আছে। ২০০০ আৰু ২০৫০ বৰ্ষৰ মাজত ভাৰতৰ বয়োজ্যেষ্ঠ লোকৰ সংখ্যা ৩৬০ শতাংশ বৃদ্ধি হোৱাৰ আশা আছে। কিন্তু ইয়াৰ বিপৰীতে সম্ভাৱনাপূৰ্ণ



সমৰ্থনৰ সমানুপাত হাৰ (৬০ ঊৰ্দ্ধৰ বয়স-গোটৰ এজন ব্যক্তিৰ বিপৰীতে ১৫-৫৯ বয়স-গোটৰ কৰ্মঠ লোকৰ সংখ্যাৰ হিচাপত) ২০০১ বৰ্ষৰ ৮.৪ৰ পৰা ২০১১ বৰ্ষত ৭ আৰু ২০২৬ বৰ্ষত মাত্ৰ ৫.২লৈ অৱনমিত হ'ব।

২০৫০ চনৰ ভিতৰত ৬০ বছৰ তথা ততোধিক বয়সৰ মহিলাৰ সংখ্যা

বৃদ্ধ লোকৰ সংখ্যাতকৈ ১৮.৪ নিযুত বৃদ্ধি পাব। ভাৰতীয় মহিলা— যিসকল বিধৱা তেওঁলোকৰ শতাংশ হাৰ ৬০-৬৪ বছৰ বয়স-গোটত ৪৪.৫ৰ পৰা ৮০ তথা ততোধিক বয়সৰ মহিলাৰ সংখ্যা ৮৬.৮লৈ বৃদ্ধি পায়। ইয়াৰ বিপৰীতে ৬০-৬৪ বছৰ বয়স-গোটৰ দহজন পুৰুষৰ ভিতৰত এজন আৰু ৮০ বছৰ ঊৰ্দ্ধৰ এক-তৃতীয়াংশ পুৰুষ পত্নীহীন।

**জৰীপত প্ৰতিফলিত মতে বয়োজ্যেষ্ঠ-সকলৰ পৰিমাত্ৰা আৰু স্পৰ্শকাতৰ বিষয়**

প্ৰায় ৪৫ শতাংশ বয়োজ্যেষ্ঠ বি পি এল অথবা আন্ত্যোদয়া কাৰ্ড থকা ঘৰৰ লোক। এক-তৃতীয়াংশ বয়োজ্যেষ্ঠ ১০০০ টকাৰ তলৰ মাহিলি জনমূৰি ব্যয় কৰা ঘৰৰ লোক। প্ৰায় দুই-পঞ্চমাংশ বয়োজ্যেষ্ঠ লোকৰ ব্যক্তিগত উপাৰ্জন নাই। আধা ভাগ বয়োজ্যেষ্ঠ লোক বিত্তীয়ভাৱে সম্পূৰ্ণৰূপে আনৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ বাহিৰেও প্ৰায় এক-চতুৰ্থাংশ বয়োজ্যেষ্ঠ লোকৰ অৰ্থনৈতিক-ভাৱে সমৰ্থন লাভ কৰাটো খুবেই প্ৰয়োজন, কিয়নো সুৰক্ষা সাধনৰ বাবে তেওঁলোকৰ কোনো উৎস নাই। সেয়ে এইটো প্ৰায় সঠিকভাৱে ক'ব পৰা যায় যে প্ৰায় ৪০-৪৫ শতাংশ বয়োজ্যেষ্ঠ লোক অৰ্থনৈতিক দিশৰ পিনৰ পৰা স্পৰ্শকাতৰ (এই হিচাপ বি পি এলৰ শতাংশক প্ৰয়োগ কৰি অথবা সম্পূৰ্ণৰূপে বিত্তীয়ভাৱে নিৰ্ভৰশীল পৰিমাত্ৰাৰ ওপৰত নিৰ্ণয় কৰি উলিওৱা) আৰু প্ৰায় ২৫ শতাংশৰ বাবে সমস্যা আৰু অধিক জটিল (কোনো ধৰণৰ সম্পত্তি অথবা কোনো ধৰণৰ অৰ্থনৈতিক সমৰ্থন নথকাৰে হেতু)। বয়োজ্যেষ্ঠ মহিলা— বিশেষকৈ বিধৱাসকল— পুৰুষৰ তুলনাত অৰ্থনৈতিকভাৱে অধিক স্পৰ্শকাতৰ। যিবোৰ কাৰণৰ ওপৰত ভিত্তি কৰি ক'ব পৰা যায় সেয়া হ'ল— (১) উপাৰ্জন নাই (২৬ শতাংশ পুৰুষ আৰু ৫০ শতাংশ মহিলা), (২) কোনো সম্পত্তিৰ গৰাকী নহয় (পুৰুষ ১১ শতাংশ, মহিলা ৩৪ শতাংশ, বিধৱা ২৮ শতাংশ আৰু বৰলা ১৪ শতাংশ), (৩) বিত্তীয় দিশত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল (৩৩ শতাংশ পুৰুষ আৰু ৬৬ শতাংশ মহিলা)।

সৌভাগ্যৰ কথা যে ৭০ শতাংশ বয়োজ্যেষ্ঠ লোক তেওঁলোকৰ পুত্ৰ-কন্যাৰ সৈতে বাস কৰে, মাত্ৰ ছয় শতাংশহে অকলে থাকে; কিন্তু এক-তৃতীয়াংশ অতি দুখীয়া বয়োজ্যেষ্ঠ লোক হয় অকলশৰে বাস কৰে নহয় নিজ পত্নীৰ সৈতে থাকে, কিন্তু এওঁলোকৰ সামাজিক নিৰাপত্তা অতি প্ৰয়োজন হয়। প্ৰতি পাঁচজন বয়োজ্যেষ্ঠ পুৰুষ আৰু মহিলাৰ ভিতৰত এজনে এইটো অনুভৱ কৰে যে ৰাজ্যই তেওঁলোকৰ বৃদ্ধ বয়সত সহায়-সমৰ্থন জনোৱা উচিত।

**চৰকাৰৰ প্ৰয়াস**

আমাৰ দেশত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে বয়োজ্যেষ্ঠসকললৈ সুৰক্ষা প্ৰদান ব্যৱস্থাৰূপে নগদ ধন আগবঢ়ায়। এই ক্ষেত্ৰত পেঞ্চন আঁচনি হ'ল— ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ বয়সৰ পেঞ্চন আঁচনি আৰু ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধৱা পেঞ্চন আঁচনি আৰু সেৱা আগবঢ়োৱাৰ ভিতৰত নেশ্বনেল প্ৰ'গ্ৰাম ফৰ দি এলদাৰ্লি তথা বিভিন্ন মন্ত্ৰণালয়ৰদ্বাৰা আগবঢ়োৱা ৰেহাই সুবিধা তথা সেৱাসমূহ আছেই। তদুপৰি ৰাজ্যবোৰেও বিভিন্ন আঁচনি ৰূপায়িত কৰিছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— কেৰালাৰ শ্ৰমিক কল্যাণ বোৰ্ডৰ পেঞ্চন আঁচনি, স্পৰ্শকাতৰ গোটসমূহৰ বাবে তামিলনাডুৰ পেঞ্চন আঁচনি। তেনে গোটসমূহ হ'ল— নিৰাশ্ৰয় লোক, পৰিত্যক্ত পত্নী; পশ্চিমবঙ্গৰ বৃদ্ধাশ্ৰী তথা সঞ্জীৱতী আঁচনি; ওড়িছাৰ মধুবাবু পেঞ্চন আঁচনি; মহাৰাষ্ট্ৰৰ শ্ৰৱণবাল পেঞ্চন আঁচনি আৰু সঞ্জয় গান্ধী দুৰ্দশাগ্ৰস্ত মহিলা পেঞ্চন আঁচনি, পঞ্জাবৰ আট্টা দাল আঁচনি ইত্যাদি। এতিয়া ৰাজ্যৰ বহু আঁচনিক ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ বয়সৰ পেঞ্চন আঁচনি কিম্বা ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধৱা পেঞ্চন আঁচনিৰ লগত চামিল কৰা হয়।

**ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ বয়সৰ পেঞ্চন আঁচনি**

এই আঁচনিখন কেন্দ্ৰীয় চৰকাৰে ১৯৯৫ চনত গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ বয়সৰ



পেঞ্চন আঁচনি ৰূপে প্ৰচলন কৰিছিল। সৰ্বহাৰা বৃদ্ধ লোকক লক্ষ্য কৰিয়েই ইয়াৰ কাম আৰম্ভ কৰা হয় যদিও পৰৱৰ্তী কালত অৰ্থাৎ ২০০৭ চনত ইয়াক ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ বয়সৰ পেঞ্চন আঁচনি ৰূপে পুনৰ নামাংকিত কৰা হয়। পেঞ্চনৰ ধনৰাশি বয়োজ্যেষ্ঠ-সকলৰ বাবে ২০১১ বৰ্ষৰ এপ্ৰিলত বৃদ্ধি কৰা হয়। সেই অনুযায়ী ৬০-৭৯ বছৰ বয়স-গোটৰ লোকৰ কাৰণে মাহিলি ২০০ টকা আৰু ৮০ বছৰ আৰু ঊৰ্দ্ধসকলৰ বাবে মাহিলি ৫০০ টকা কৰা হয়। ইয়াৰ বাবে সমগ্ৰ পুঁজি ৰাজ্যসমূহলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰে আৰু ইয়াৰ আবৰ্তৰ সীমা ৬৫ বছৰৰ ওপৰৰ (সম্প্ৰতি ৬০ বছৰ) ৫০ শতাংশ বি পি এল জনসংখ্যাৰ ক্ষেত্ৰত কৰা হয়। হিতাধিকাৰীসকলৰ নিৰ্বাচন ৰাজ্য চৰকাৰে নিৰ্দ্ধাৰণ কৰা লক্ষ্যৰ ভিত্তিত গাঁও পঞ্চায়তসমূহে কৰে। সংখ্যাৰ সন্দৰ্ভত ছিলিং সীমা আৰু ৰাজ্যসমূহৰ কাৰণে বিত্তীয় অধিকাৰ লাভ কৰা বিষয়টো তলত উল্লেখ কৰা সূত্ৰৰদ্বাৰা ঠিক কৰা হয়।

সাংখ্যিক ছিলিং = ৰাজ্যৰ ৬৫ তথা ততোধিক বয়সৰ জনসংখ্যাৰ দুই ভাগৰ এক আৰু ৰাজ্যৰ দৰিদ্ৰতা সমানুপাতৰ-দ্বাৰা পূৰণফল। ২০০৮ বৰ্ষৰ ভিতৰত এই আঁচনিখনৰ পৰা প্ৰায় ৬.৫ নিযুত বয়োজ্যেষ্ঠ লোক উপকৃত হয়। ২০১১ বৰ্ষৰ জ্যেষ্ঠ নাগৰিক বিষয়ক নতুন ৰাষ্ট্ৰীয় নীতিৰ অধীনত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ বয়সৰ পেঞ্চন আঁচনিৰ ধনৰাশি মাহিলি ১০০০ টকালৈ বৃদ্ধি কৰিবৰ কাৰণে প্ৰস্তাৱ কৰা হয়।

## বিধৱা পেঞ্চন আঁচনি

২০০৯ চনত প্ৰচলন কৰা ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধৱা পেঞ্চন আঁচনিয়ে ৪০-৬৪ বয়স-গোটৰ (পিছত ৪০-৫৯লৈ কৰা হয়) বি পি এলৰ বিধৱাসকলৰ প্ৰতি হিতাধিকাৰীক ২০০ টকাৰ মাহিলি পেঞ্চন প্ৰদান কৰা হয়। ৬০ বছৰৰ পিছত তেওঁলোকে বৃদ্ধ বয়সৰ পেঞ্চন আঁচনিৰ বাবে উপযুক্ত হয়।

## সজাগতা আৰু ব্যৱহাৰ

এইখিনিতে মন কৰিবলগা গুৰুত্ব-পূৰ্ণ বিষয়টো হ'ল এই আঁচনিবোৰে যাক লক্ষ্য কৰি লোৱা হৈছে সেইসকল অভাৱী বয়োজ্যেষ্ঠ লোকক উপকৃত কৰিছে নে নাই। পূৰ্বতে উল্লেখ কৰা জৰীপত প্ৰকাশ পাইছে যে বৃদ্ধ বয়সৰ পেঞ্চন আঁচনি আৰু বিধৱা পেঞ্চন আঁচনিৰ ক্ষেত্ৰত সজাগতাৰ অংশভাগ হ'ল যথাক্ৰমে ৭৯ আৰু ৭২ শতাংশ। সেয়া জৰীপ কৰা বৃদ্ধ লোকসকলৰ মাজৰ স্থিতি, কিন্তু তাৰ সুফল ইন্দিৰা গান্ধী বৃদ্ধ বয়সৰ পেঞ্চন আঁচনিৰ পেঞ্চন মাত্ৰ ১৩ শতাংশ আৰু আনখন আঁচনিৰ অধীনত (অৰ্থাৎ ইন্দিৰা গান্ধী বিধৱা পেঞ্চন আঁচনি) মাত্ৰ ২০ শতাংশ বিধৱাই লাভ কৰে। দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ বয়সিয়াল লোকসকলৰ মাজত বৃদ্ধ বয়সৰ পেঞ্চন আঁচনি সম্পৰ্কে সজাগতা হাৰ পুৰুষৰ মাজত হ'ল ৮১ শতাংশ আৰু মহিলাৰ মাজত ৭১ শতাংশ, কিন্তু এই বি পি এলৰ বয়সিয়াল লোকৰ মাত্ৰ ২২ শতাংশইহে ইয়াৰ সুবিধা ভোগ কৰিছে। মহিলাৰ ক্ষেত্ৰত এই হাৰ হ'ল মাত্ৰ ১৫ শতাংশ। তেনেদৰে ইন্দিৰা গান্ধী বিধৱা পেঞ্চন আঁচনিৰ ক্ষেত্ৰত ৭০ শতাংশ বি পি এলৰ বয়সিয়াল বিধৱা মহিলাসকলে জানে, কিন্তু মাত্ৰ ২০ শতাংশইহে ইয়াৰ সুবিধা লাভ কৰে। সাতখন ৰাজ্যৰ মাজত ইয়াৰ কিছু তাৰতম্য আছে, তথাপি মুঠ-মাঠ হিচাপত ক'বলৈ গ'লে বৃদ্ধ বয়সৰ পেঞ্চন আঁচনিৰ ব্যৱহাৰ পঞ্জাব, ওড়িছা আৰু হিমাচল প্ৰদেশত ভাল। আনহাতে বিধৱা পেঞ্চন আঁচনিৰ ক্ষেত্ৰত কেৰালা, ওড়িছা, পশ্চিমবঙ্গ আৰু হিমাচল প্ৰদেশত সঁহাৰি ভাল।

## আঁচনিৰ কম সুবিধা লোৱাৰ কাৰণ

বিভিন্ন ৰাজ্যত ৰূপায়ণৰ অভিজ্ঞতা সম্পৰ্কে কৰা জৰীপ কাৰ্যৰ সংগৃহীত তথ্যৰাজিৰ পৰা তলত উল্লেখ কৰা কাৰণবোৰ চিহ্নিত কৰে—

★ অশিক্ষিত দুখীয়া বয়সিয়াল লোক-সকলে উপযুক্ততাৰ প্ৰয়োজনীয় নথি-পত্ৰ প্ৰদান কৰাত অসুবিধাৰ সন্মুখীন হয়। তেনে প্ৰমাণ-পত্ৰসমূহ হ'ল— পৰিচয় প্ৰমাণ পত্ৰ, বয়সৰ প্ৰমাণ পত্ৰ, বি পি এল প্ৰমাণ পত্ৰ, পঞ্চায়তৰ সদস্যসকলৰ অনুমোদন। এই অসুবিধাই মধ্যভোগী, উপঢৌকন, দুৰ্নীতি আৰু জাতি, সম্প্ৰদায় আদিৰ অনুগ্ৰহ প্ৰদানৰ পথ মুকলি কৰে।

★ বি পি এলৰ সঠিক তালিকাৰ সন্দৰ্ভত সমস্যা— যিটোৱে ঠগ-প্ৰৱঞ্চনা আৰু ভুৱা উপায় অৱলম্বন কৰাৰ পথ মুকলি কৰে।

★ পেঞ্চন পাবৰ কাৰণে দীৰ্ঘ দিনৰ অপেক্ষা।

★ অপৰ্যাপ্ত পেঞ্চনৰ ধনৰাশি।

★ ৰাজ্যসমূহক আবণ্টন কৰা পুঁজিৰ ব্যৱহাৰ যথেষ্টভাৱে কৰা নহয়। তাৰ কাৰণ হ'ল উপযুক্ত হিতাধি-কাৰীক চিনাক্ত কৰাৰ অপাৰগতা।

এইবোৰ সীমাবদ্ধতা থকা সত্ত্বেও কিছুমান গৱেষক পেঞ্চন আঁচনিৰ কাম-কাজ আৰু প্ৰভাৱ সম্পৰ্কে বেচ আশাবাদী। উড়িছা আৰু তামিলনাডুৰ দৰে কেইখনমান ৰাজ্যই ভাল পুনৰীক্ষণ

ব্যৱস্থা হাতত লোৱাৰ বিষয়ে প্ৰকাশ কৰিছে আৰু তাৰদ্বাৰাই উপযুক্ত বয়সিয়াল লোকসকলৰ ওচৰ গৈ পোৱাৰ ক্ষেত্ৰত কাৰ্য সাধন কৰিছে।

বৰ্তমানে এটা হিচাপ মতে ভাৰতত ৬ নিযুত বয়সিয়াল লোকে বৃদ্ধ বয়সৰ পেঞ্চন আৰু প্ৰায় ৩ নিযুতে বিধৱা পেঞ্চন লাভ কৰে। দিল্লীৰ এন চি এ ই আৰ আৰু আমেৰিকাৰ মেৰীলেড বিশ্ববিদ্যালয়ে কৰা জৰীপত বৃদ্ধ বয়সৰ পেঞ্চনৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰিব্যাপ্তিৰ হাৰ ৭ শতাংশ বুলি (৫ নিযুত পেঞ্চন প্ৰাপ্তিৰ লোক) উল্লেখ কৰে।

**সাৰ্বজনীন পেঞ্চন আঁচনিৰ কাৰণে দাবী**

এই সমস্যাবোৰ অতিক্ৰম কৰিবৰ বাবে পেঞ্চন পৰিষদে এটা সাৰ্বজনীন বিনা বৰঙণিৰ বৃদ্ধ বয়সৰ পেঞ্চন পদ্ধতি ব্যৱস্থা কৰাৰ দাবী জনাইছে। সেই মতে ৫৫ তথা ততোধিক বয়সৰ সকলো পুৰুষ আৰু ৫০ আৰু ঊৰ্দ্ধ বয়সৰ মহিলাৰ বাবে মাহিলি ২০০০ টকাৰ পেঞ্চন প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। অথবা ন্যূনতম বেতনৰ ৫০ শতাংশও হ'ব পাৰে— যিটোৱে সৰ্বাধিক হয়— তাৰ পোষকতা কৰিছে। সকলো বয়সিয়াল লোক— যিসকলৰ স্থিতি আয়কৰ আদায় দিয়াৰ ওপৰ স্তৰত আছে আৰু অন্য উৎসৰ পৰা পেঞ্চন পোৱা লোকক সেই ব্যৱস্থাত ধৰিব নালাগিব।

এটা সহজ হিচাপ-নিকাচ কৰাৰ পৰা এইটো দেখা যায় যে ৬০ উৰ্দ্ধৰ সকলো বয়োজ্যেষ্ঠ লোকক প্ৰতিমাহে ২০০০ টকাৰ পেঞ্চন দিয়াৰ বোজাৰ পৰিমাণ হ'ব প্ৰায় ২,৪৯,২৩৮ কোটি টকা। এনে অৱস্থাত প্ৰকৃত বোজাৰ পৰিমাণ কম হ'ব, কিয়নো বৰ্তমানে থকা পেঞ্চন আঁচনিৰ খৰচখিনি ৰাহি হ'ব। পিছে এইটোও মনত ৰখা প্ৰয়োজন যে পৰিব্যাপ্তি আৰু ধনৰাশি উভয়ৰে বৃদ্ধি কৰিবলৈ লোৱা সকলোবোৰ জনপ্ৰিয় ব্যৱস্থাই চৰকাৰৰ সম্পদৰাজিৰ ওপৰত এটা বোজাস্বৰূপ হৈ পৰিব আৰু তাৰ জোৰা মাৰিবলৈ অধিক কৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কিম্বা তেনে অনাহূত স্থিতিয়ে মুদ্ৰাস্ফীতিৰ হেঁচাৰ পথ মুকলি কৰিব আৰু তেতিয়া বয়সস্থ লোকৰ ওপৰতো বেয়া প্ৰভাৱ পৰিব। গতিকে এটা উপযুক্ত উপায়ৰ ব্যৱস্থা কৰাটো গুৰুত্বপূৰ্ণ বিষয়। আনকি প্ৰস্তাৱিত সাৰ্বজনীন পেঞ্চন আঁচনিয়ে আয়কৰ আদায় দিওঁতাসকলক বাদ দিছে, তথাপি গ্ৰাম্য আৰু কৃষি খণ্ডত বাস কৰা সৰহভাগ বয়সিয়াল লোকৰ কাৰণে বহিৰ্ভূতকৰণৰ দিশটো বাছি ল'বলৈ বৰ কঠিন। তদুপৰি উপাৰ্জনৰ নিৰাপত্তা বিষয়টো প্ৰধান কথা হ'লেও স্বাস্থ্য নিৰাপত্তা তথা খাদ্য নিৰাপত্তা সাধনৰ বাবে দুখীয়া লোকসকলক পোনপটীয়া সেৱাৰ বাবে বিনামূলীয়াকৈ যোগান ধৰিবৰ বাবে ই বিকল্প হ'ব নোৱাৰে।

**শেহতীয়া প্ৰয়াস**

বৰ্তমান চৰকাৰে যিবোৰ আঁচনি প্ৰচলন কৰিছে সেইবোৰ এতিয়ালৈকে আলোচনা কৰা আঁচনিৰ লগত তুলনা নহয়; কাৰণ আলোচনা কৰা আঁচনিবোৰ হ'ল বৰঙণিৰ ওপৰত নিৰ্ভৰশীল আঁচনি আৰু সম্পূৰ্ণৰূপে বয়োজ্যেষ্ঠসকলৰ বাবে অৰ্থ কৰা নহয়। অৱশ্যে বয়সিয়াল জনগণৰ ভৱিষ্যৎ সুৰক্ষা সাধনৰ কাৰণে সহায়ক ব্যৱস্থা নথকা নহয়। সেইবোৰ নিশ্চয় তাৰ কাৰণে প্ৰভাৱপুষ্ট। কিন্তু এতিয়াৰ চৰকাৰৰ আঁচনিবোৰৰ পৰিক্ৰমা বহল। সেই আঁচনিবোৰ হ'ল— অটল পেঞ্চন যোজনা, প্ৰধান মন্ত্ৰী জন ধন যোজনা, জীৱন জ্যোতি যোজনা, প্ৰধান মন্ত্ৰী জন সুৰক্ষা বীমা যোজনা।

অসংগঠিত খণ্ডৰ বাবে উদ্দেশ্য কৰা অটল পেঞ্চন যোজনাই গ্ৰাহক-সকললৈ প্ৰতিমাহে ১০০০ টকাৰ পৰা ৫০০০ টকাৰ পেঞ্চন নিশ্চিত কৰে। চৰকাৰৰ তৰফৰ পৰাও যথেষ্ট বৰঙণি যোগোৱা হয়। কেৱল আয়কৰ আদায় দিব নলগাসকল আৰু কোনো নীতিগত পেঞ্চন আঁচনিৰ পৰিব্যাপ্তিত নপৰা-সকলেহে এই পেঞ্চন যোজনাৰ বাবে উপযুক্ত। যিসকলে ২০১৫ চনৰ ১ জুনৰ পৰা ৩১ ডিচেম্বৰৰ ভিতৰত ইয়াত যোগদান কৰিছে চৰকাৰে তেওঁলোকৰ বাবেহে ৫ বছৰৰ কাৰণে বৰঙণি যোগাব।

জন সুৰক্ষা বীমা যোজনা ২০১৫ চনত প্ৰচলন কৰা হয়। চৰকাৰৰ সমৰ্থিত এই আঁচনিখনে দুৰ্ঘটনাৰ বীমাৰ যোগান ধৰে। ১৮-৭০ বছৰ বয়স-গোটৰ বেংক একাউণ্ট থকা লোকে এই আঁচনিখনৰ সুবিধা লাভ কৰিব পাৰে। তাৰ বাবে বছৰি ১২ টকা প্ৰিমিয়াম দিব লাগে। সেই ধনৰাশি তেওঁলোকৰ বেংক একাউণ্টৰ পৰা স্বয়ংক্ৰিয়ভাৱে জমা দিব পাৰে। যি দুৰ্ঘটনাৰ বাবে এজন ব্যক্তিৰ মৃত্যু হয় কিম্বা সম্পূৰ্ণৰূপে প্ৰতিবন্ধী হৈ পৰে, সেই ক্ষেত্ৰত দুই লাখ টকা দিয়া হয় আৰু আংশিকভাৱে প্ৰতিবন্ধীৰ ক্ষেত্ৰত এক লাখ টকা দিয়া হয়। এই আঁচনিখন প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ লগত সংযোগ কৰা হয়। জন ধন যোজনা ২০১৪ চনত প্ৰচলন কৰা হয়।

জন ধন যোজনাই একাউণ্টৰ গৰাকীক বিভিন্ন বিত্তীয় সেৱাৰ ক্ষেত্ৰত প্ৰৱেশ সুচল কৰে। তেনেবোৰ সেৱা হ'ল— প্ৰয়োজনভিত্তিক ঋণ, বীমা, ধন প্ৰেৰণ, অভাৰ ড্ৰাফ্‌টৰ সুবিধা ইত্যাদি। আঁচনিখনৰ অধীনত একাউণ্ট খোলাৰ নিয়ম অতি সহজ-সৰল কৰা হয়।

**(৪১ পৃষ্ঠাত চাওক)**

# সকলোৰে বাবে স্বাস্থ্য ঃ ভাৰতৰ

**কে সীতা প্ৰভু***

**সামাজিক সুৰক্ষা আৰু স্বাস্থ্য সুৰক্ষা**

অৰ্থনৈতিক অস্থিৰতা আৰু সংকটৰ কালত মূল বিষয় হিচাপে সামাজিক নিৰাপত্তাই এটা বিশেষ গুৰুত্ব লাভ কৰি আহিছে। যদিও ১৯৪২ চনত ঐতিহাসিক বেভেৰিট্‌জ কমিটীয়ে নিজা প্ৰতিবেদনত সামাজিক নিৰাপত্তাৰ বিষয়টোক 'অভাৱৰ পৰা মুক্তি' হিচাপে সংজ্ঞায়িত কৰিছে, সংজ্ঞাটো কিন্তু অনুসৰণ কৰা নহ'ল। অধিক প্ৰভাৱ তথা কাৰ্যকৰণ সম্পৰ্কীয় কাৰ্যপ্ৰণালী আৰু সংকীৰ্ণ ৰাজনৈতিক ব্যাখ্যা-বিশ্লেষণে বিষয়টোক অভাৱনীয় খৰচ অথবা ব্যয় সম্পৰ্কিত প্ৰসংগ হিচাপে তুলি ধৰিলে।

১৯৫০ চনৰ আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংগঠনৰ সন্মিলনত প্ৰভাৱ আৰু সংকীৰ্ণ ৰাজনৈতিক বিশ্লেষণে সামাজিক নিৰাপত্তাৰ বিষয়টোক অভাৱনীয় খৰচৰ বিষয় হিচাপে তুলি ধৰাত কিছু অৰ্থনৈতিক ব্যৱস্থাহে উক্ত বিষয় প্ৰসংগত গ্ৰহণ কৰা হ'ল।

১৯৯০ চনত ড্ৰেজ আৰু সেনে উন্নয়নশীল দেশৰ প্ৰয়োজনত সংজ্ঞাটোৰ এটা বহল ব্যাখ্যাৰ পোষকতা কৰে। ভাৰতৰ বাবে যিটো প্ৰাসংগিক সেইটোৰেই আৰ্থ-সামাজিক নিৰাপত্তাৰ মূল বিষয় আৰু সিয়েই সামাজিক সক্ষমতা আৰু আৰ্থিক নিৰাপত্তা বুলি প্ৰভুৱেও গুৰুত্ব আৰোপ কৰে।

**সকলোৰে বাবে স্বাস্থ্য**

স্বাস্থ্য নিৰাপত্তাৰ বিষয়টো সাৰ্বজনীন স্বাস্থ্য সেৱাৰ সৈতে জটিলভাৱে সাঙোৰ খাই আছে। ১৯৭৮ চনত, ২০০০ চনত 'সকলোৰে বাবে স্বাস্থ্য' শীৰ্ষক আলমা আটা ঘোষণা পত্ৰ স্বাক্ষৰিত। তাৰদ্বাৰা অনুপ্ৰাণিত হৈয়েই আৰু ICSSR — ICMR Report 1981 সম্পৰ্কে অৱগত হৈ ভাৰত চৰকাৰে ১৯৮৩ চনত ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি ঘোষণা কৰে। পিছত ২০০২ চনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি ঘোষিত হয়। ২০০৫ চনৰ ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য নীতি (National Rural Health Policy) সমগ্ৰ দেশতে প্ৰৱৰ্তন কৰা হয়। এই আঁচনিৰ মুখ্য উদ্দেশ্য আছিল গোটেই দেশৰ প্ৰাথমিক স্বাস্থ্য সেৱা ব্যৱস্থাৰ পুনৰুজ্জীৱন। কিন্তু এই নীতিসমূহ গ্ৰহণ কৰা সত্ত্বেও সাৰ্বজনীন স্বাস্থ্য সেৱাৰ বিষয়টোত ভাৰত মূল লক্ষ্যত উপনীত হ'ব পৰা নাই।

সাৰ্বজনীন স্বাস্থ্য সেৱা ভাৰতত এতিয়াও এখন অসম্পূৰ্ণ আঁচনি হৈয়েই আছে আৰু আনকি প্ৰাথমিক সমীক্ষাই দেখুওৱা মতে বাংলাদেশ'ৰ দৰে নিম্ন আয়ৰ দেশতকৈও তলত ভাৰতৰ স্থান।

ভাৰতৰ স্বাস্থ্য সেৱা ব্যৱস্থাই বৈষম্যৰে ভৰা চিত্ৰ এখনকে প্ৰতিফলিত কৰে। উচ্চ হাৰৰ আয় আৰু সম্পদৰ অসমতাই দেশৰ স্বাস্থ্য সেৱা খণ্ডৰ এচলীয়া আৰ্হিটোকেই তুলি ধৰাৰ ফলত শুশ্ৰূষাৰ ক্ষেত্ৰত নিম্ন পৰ্যায়ৰ অৱস্থাটো প্ৰকট হৈ পৰিছে। অৱহেলিত প্ৰাথমিক প্ৰতিৰোধ ব্যৱস্থাৰ যে অধিক বিকাশৰ প্ৰয়োজন সেইটো শোচনীয়ভাৱে ওলাই পৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই চলোৱা এটা সমীক্ষা মতে ২০০৮ চনত ৫.২ নিযুত ভাৰতীয়ৰ মৃত্যু হয় অসংক্ৰামক ৰোগত, যিটো দেশৰ সৰ্বকালৰ মৃত্যুৰ হাৰ ৫.৩ শতাংশ। নগৰ আৰু গ্ৰামাঞ্চলৰ আয়ৰ বৈষম্যয়ো উভয় ক্ষেত্ৰত স্বাস্থ্য সেৱাৰ নিৰাশাব্যঞ্জক ছবি এখনহে তুলি ধৰে। ২০১৫ চনত স্বাস্থ্য অসমতাৰ ফলত ভাৰতৰ স্বাস্থ্য সূচাংক ২৪ শতাংশ হ্ৰাস পায়। ৰাষ্ট্ৰসংঘৰ উন্নয়ন আঁচনি মানৱ উন্নয়ন সূচাংক তালিকাতেই এই তথ্য প্ৰকাশ পাইছে। প্ৰাথমিক স্বাস্থ্য সেৱা আৰু প্ৰতিৰোধমূলক ব্যৱস্থা সন্দৰ্ভত অকাৰ্যকৰী ৰাজনৈতিক প্ৰতিশ্ৰুতিৰ ফলতো দেশৰ স্বাস্থ্য সেৱাৰ ছবিখন পুতৌলগা। সেয়ে 'সকলোৰে বাবে স্বাস্থ্য' আমাৰ দেশত কেতিয়াও এটা গুৰুত্বপূৰ্ণ নিৰ্বাচনী বিষয় হৈ উঠাগৈ নাই; যদিও অন্ধ্ৰ প্ৰদেশৰ দৰে নিৰ্বাচনী সম্ভাৱনীয়তাই তাৰ প্ৰমাণ। স্বাস্থ্য সেৱাৰ প্ৰতি ৰাজনৈতিক দলসমূহৰ বৈষম্যমূলক নীতিৰ প্ৰতিফলন দেখা যায় বাজেটত স্বাস্থ্য খণ্ডৰ ক্ষেত্ৰত ধাৰ্য কৰা নিম্ন অনুদানত। আনহাতে জনসাধাৰণৰো স্বাস্থ্যৰ ক্ষেত্ৰত ব্যয় মুঠ ঘৰুৱা উৎপাদনৰ ১.৫ শতাংশৰ বেছি নহয়।

*লেখিকা কে সীতা প্ৰভু মুম্বাইৰ টাটা ইন্সটিটিউট অৱ ছ'ছিয়েল ছায়েন্সেছৰ টাটা চেয়াৰ প্ৰফেচাৰ। তেওঁ ভাৰত চৰকাৰৰ গ্ৰাম্য উন্নয়ন দপ্তৰৰ প্ৰধান মন্ত্ৰীৰ গ্ৰাম্য উন্নয়ন ফেল' আঁচনিৰ জ্যেষ্ঠ উপদেষ্টাও।

অথচ যোৱা তিনিটা দশকত জন-সাধাৰণৰ অৰ্থনৈতিক বিকাশ যথেষ্ট হৈছে। ইয়াৰ পৰা বুজা যায় যে ৭৫ শতাংশ স্বাস্থ্য সেৱাৰ ব্যয় নিজৰ পকেটৰ পৰা নাযায়। আনহাতে বিশাল চিকিৎসা ব্যয়ে এটা বৃহৎসংখ্যক লোকক দাৰিদ্ৰ্য সীমাৰেখাৰ তললৈ ঠেলি পঠিয়াইছে।

**ভাৰতত স্বাস্থ্য বীমা**

ব্ৰাজিল, বলিভিয়া, ইণ্ডোনেছিয়া, থাইলেণ্ড আদি দেশত সমাজিক অসমতাৰ বাবে স্বাস্থ্য সেৱা ব্যৱস্থা জনসাধাৰণ ধৰা-ছোৱাৰ বাহিৰত আছিল যদিও সেই দেশসমূহে ১৯৮০ চনৰ পৰা নিজৰ নিজৰ স্বাস্থ্য সেৱা খণ্ডৰ বিকাশৰ মাধ্যমেৰে সাৰ্বজনীন স্বাস্থ্য সেৱা গঢ়ি তুলিছে। সম্প্ৰতি থাইলেণ্ডত স্বাস্থ্য সেৱাৰ বিকেন্দ্ৰীকৰণ হৈছে আৰু তাত স্বাস্থ্য সেৱাৰ বাবদ ৩০ বাহ্টৰ আঁচনি লোৱা হৈছে। ইণ্ডোনেছিয়াত সামাজিক স্বাস্থ্য বীমাৰ প্ৰতি চৰকাৰে উদগনি দিছে আৰু ব্ৰাজিলে দেখুৱাইছে কিদৰে সমগ্ৰ জনসাধাৰণে প্ৰাথমিক স্বাস্থ্য সেৱাৰ প্ৰয়োজনখিনি উপলব্ধ কৰিব পাৰে। এই দেশসমূহৰ দৃষ্টান্তই দেখুৱাই দিছে কিদৰে প্ৰাথমিক স্বাস্থ্য সেৱা ব্যৱস্থা সুদৃঢ় কৰাটোৰেই স্বাস্থ্য সেৱা সাৰ্বজনীন কৰাৰ পূৰ্বাৱশ্যকীয় বিধি।

কৰ্মচাৰী স্বাস্থ্য বীমা আঁচনি (ESIS)ৰ পৰাই ভাৰতত স্বাস্থ্য বীমা আঁচনিৰ আৰম্ভণি ঘটে। কেন্দ্ৰীয় চাকৰিয়ালসকলৰ বাবে থকা ছেণ্ট্ৰেল গভৰ্ণমেণ্ট হেল্থ স্কীমো তেনে এটা স্বাস্থ্য বীমাই। এই বীমাই চৰকাৰী কৰ্মচাৰী একোজনৰ লগতে তেওঁৰ পৰিয়ালৰ সদস্যকো সামৰি লয়। এই আঁচনিসমূহে একেবাৰে উচ্চস্তৰৰ পৰা তৃতীয় পৰ্যায় পৰ্যন্ত চিকিৎসা সেৱা সামৰি লয়। পিছে এই ব্যৱস্থাই ভাৰতৰ




মুঠ জনসংখ্যাৰ দহ শতাংশতকৈও কম লোককহে সামৰিব পাৰিছে। চৰ্তসাপেক্ষ জননী সুৰক্ষা যোজনা ২০০5 চনত আৰম্ভ কৰা হয়। এই আঁচনিৰ লক্ষ্য হ'ল গ্ৰামাঞ্চলৰ মহিলালৈ প্ৰতিষ্ঠানিক প্ৰসৱ সেৱা আগবঢ়োৱা। এই আঁচনিৰ অধীনত গ্ৰামাঞ্চলৰ, বিশেষকৈ দুখীয়া পৰিয়ালৰ মহিলাক চিকিৎসালয়ত প্ৰসৱ কৰোঁৱাত কিছু পৰিমাণে সফলতা লাভ কৰিব পৰা গৈছে যদিও ই কিন্তু প্ৰসৱকালিন মৃত্যুৰ হাৰ কমাব পৰা নাই।

২০০৮ চনত ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা আৰম্ভ কৰাৰ উদ্দেশ্য আছিল সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকক বিশাল চিকিৎসা ব্যয়ভাৰৰ পৰা সকাহ দিয়াৰ লগতে দাৰিদ্ৰ্য সীমাৰেখাৰ তলত থকা লোকক মানসম্পন্ন চিকিৎসা সেৱা প্ৰদান কৰা। প্ৰথমাৱস্থাত যদিও আঁচনিখনেৰে কেৱল দাৰিদ্ৰ্য সীমাৰেখাৰ আয়ৰ লোকক সামৰি ল'ব খোজা হৈছিল, পিছলৈ অনানুষ্ঠানিক খণ্ডত কৰ্মৰত, যেনে— ৰিক্সা চলোৱা, আৱৰ্জনা সংগ্ৰহ কৰা মানুহকো সামৰি লোৱা হয়। এই আঁচনিৰ জৰিয়তে ৩০,০০০ টকা পৰ্যন্ত চিকিৎসা ব্যয় সামৰি লোৱা হয়। চিকিৎসালয়ত থাকিবলগীয়া হোৱা ৰোগীৰ বাবে বাৰ্ষিক ৩০ টকা পঞ্জীয়ন মাচুলেৰে ৰোগীৰ পৰিয়ালৰ সদস্যকো সামৰি লোৱা হয়। শেহতীয়াভাৱে এই চিকিৎসা ব্যয় ১,০০,০০০ টকালৈ বৃদ্ধি কৰা হৈছে। ২০১৬ চনৰ মাৰ্চ মাহত ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাৰ অন্ত পৰে। সেই ফালৰ পৰা উক্ত আঁচনিৰ সুবিধা লাভ কৰিব পৰা মুঠ ৭২.৮ নিযুত পৰিয়ালৰ ৪১.৩ নিযুত পৰিয়াল আঁচনিৰ বাহিৰতেই ৰৈ গ'ল। অৱশ্যে মাত্ৰ ১১.৮ নিযুত লোকহে চিকিৎসালয়ত চিকিৎসাধীন হোৱালৈ চাই আঁচনিখনৰ নিম্ন ব্যৱহাৰ্যতা প্ৰতীয়মান হয়। আনহাতে ক্ষেত্ৰভিত্তিক জৰীপৰ পৰা এইটো প্ৰতীয়মান হৈছে যে প্ৰকৃততে যদিও দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ মানুহখিনিক লক্ষ্য কৰিয়েই আঁচনিখন আৰম্ভ কৰা হৈছিল কমসংখ্যক লোকেহে আঁচনিখনৰ সুফল উপলব্ধ কৰিব পাৰিলে। ঔষধ আৰু চিকিৎসাজনিত পৰীক্ষাকে ধৰি আনুষংগিক চিকিৎসা সেৱাৰ সুবিধা ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাত নাছিল। পিছে স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনিসম্ভূত ৰাজ্যত ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা আঁচনিখনে ভালদৰেই সফলতা লাভ কৰিলে।

অন্ততঃ আঠখন ৰাজ্য চৰকাৰে স্বাস্থ্য বীমা আঁচনি সুচাৰুৰূপে চলাই আছে। সেইসমূহৰ ভিতৰত হ'ল বাজপেয়ী আৰোগ্যশ্ৰী আঁচনি, যশস্বীনি কো-অপাৰেটিভ, কৰ্ণাটক ফাৰ্মাছ হেল্থ কেয়াৰ স্কীম, অন্ধ্ৰ প্ৰদেশৰ ৰাজীৱ গান্ধী আৰোগ্যশ্ৰী আঁচনি, তামিলনাডুৰ মুখ্য মন্ত্ৰী স্বাস্থ্য বীমা আঁচনি, মহাৰাষ্ট্ৰৰ ৰাজীৱ গান্ধী জীৱনদায়ী আৰোগ্য যোজনা, গুজৰাটৰ মুখ্য মন্ত্ৰী আশ্ৰুতম যোজনা আৰু ছত্তিশগড়ৰ সঞ্জীৱনী কোষ হেল্থ কেয়াৰ। সি যি কি নহওক, দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ চিকিৎসা সেৱাত মনোনিৱেশ, বিশেষকৈ হৃদৰোগ, কৰ্কট, বৃক্কই কাম নকৰা আদি ৰোগত এই স্বাস্থ্য বীমাসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আনহাতে দেশৰ দৰিদ্ৰতম ৪০ শতাংশৰ শ্বাস-প্ৰশ্বাসত কষ্ট আৰু সংক্ৰমণ, ডায়েৰিয়া, যক্ষ্মা, হৃদযন্ত্ৰলৈ ৰক্তপ্ৰবাহ বন্ধ হোৱা আদি অসুখবোৰ প্ৰাথমিক পৰ্যায়তে চিকিৎসা কৰোৱাটো প্ৰয়োজনীয়। সামগ্ৰিকভাৱে ২০১৫ চনৰ পৰা কিছু প্ৰকাৰৰ স্বাস্থ্য সুৰক্ষা প্ৰদান কৰা হৈছে। তেনে সুৰক্ষা লোৱা লোকৰ সংখ্যা ২৮০ নিযুতৰো বেছি। সি যি কি নহওক, কেন্দ্ৰ অথবা ৰাজ্য কোনো পৰ্যায়তেই স্বাস্থ্য বীমা আঁচনিয়ে প্ৰাথমিক স্বাস্থ্য সেৱাৰ পেকেজ আগবঢ়োৱা নাই। মেঘালয়তহে মাত্ৰ আংশিকভাৱে সুৰক্ষা পেকেজ আগবঢ়োৱা বীমা আঁচনি আছে। স্বাস্থ্য বীমা আঁচনিসমূহে কেৱল দ্বিতীয় আৰু তৃতীয় পৰ্যায়তহে সেৱা আগবঢ়ায়।

**আগলৈ যাবলৈ / অগ্ৰসৰ হ'বলৈ**

ভাৰতৰ নতুন ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি, ২০১৭ চৰকাৰী স্বাস্থ্য সেৱাৰ এটা উজ্জ্বল দৃষ্টান্ত। এই নীতিত প্ৰাথমিক স্বাস্থ্য সেৱাত দুটা দিশত গুৰুত্ব দিয়া



হৈছে। প্ৰথমটো দিশ হ'ল স্বাস্থ্য ভালে ৰখা। ইয়াৰ অৰ্থই হ'ল শৰীৰটো সকলো ৰোগৰ পৰা মুক্ত কৰি ৰখা। দ্বিতীয়তে মুঠ ঘৰুৱা উৎপাদনৰ ২.৫ শতাংশ স্বাস্থ্য ৰক্ষাত ব্যয় কৰা। সেই ক্ষেত্ৰত স্বাস্থ্য খণ্ডত বিনিয়োগ বৃদ্ধিৰ লক্ষ্যৰে পাব্লিক-প্ৰাইভেট পাৰ্টনাৰশ্বিপ (ৰাজহুৱা, ব্যক্তিগত খণ্ডত অংশীদাৰিত্ব) বাঢ়িছে। আনকি বৰ্তমানৰ এই গতিৰে ২০২৫ চনলৈ স্বাস্থ্য খণ্ড বৃদ্ধি পাব বুলি আশা কৰা যায়। কিন্তু সতৰ্ক নহ'লে এই ব্যৱস্থাই স্বাস্থ্য খণ্ডক ব্যক্তিগত খণ্ডৰ প্ৰভাৱাধীন কৰি পেলোৱাৰ আশংকা থাকি যায়। এই ক্ষেত্ৰত কিছু প্ৰমাণো আছে। স্বাস্থ্যই যে পৰম ধন সেইটো অস্বীকাৰ কৰা নাযায়। পশ্চিমতো স্বাস্থ্য বীমাই এটা কথা পৰিষ্কাৰকৈ দেখুৱাইছে যে স্বাস্থ্য বীমা তেতিয়াহে কাৰ্যকৰী হ'ব যেতিয়া স্বাস্থ্যৰ প্ৰাথমিক বিষয়বোৰ ঠিকে থাকে। এই ক্ষেত্ৰত চৰকাৰৰো দায়িত্ব আছে; সেয়া হ'ল— স্বাস্থ্য খণ্ডৰ উন্নতি সাধিবলৈ হ'লে পুঁজিৰ যথোপযুক্ত আগমন হ'ব লাগিব।

ৰাও (২০১৭)এ তেওঁৰ বিশ্লেষণত স্বাস্থ্য খণ্ডৰ উন্নতিৰ বাবে প্ৰয়োজনীয় পুঁজিৰ এটা সম্যক ধাৰণা দাঙি ধৰিছে। তেওঁৰ সমীক্ষা মতে সন্তান জন্মৰ পৰ্যায়ৰ উন্নতকৰণৰ বাবে মুঠ ঘৰুৱা উৎপাদনৰ ১ৰ পৰা ১.৫ শতাংশ ধাৰ্য কৰিব লাগিব। যথোপযুক্ত আন্তঃগাঁথনি গঢ়ি তুলিবলৈ মুঠ ঘৰুৱা উৎপাদনৰ ১ শতাংশ ব্যয় কৰা উচিত হ'ব। জনসংখ্যাৰ ৬০ শতাংশৰ বাবে দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ একো ঢাপ স্বাস্থ্য সেৱা ব্যৱস্থা অনবৰত সাজু ৰাখিব লাগিব। অতিৰিক্তভাৱে মুঠ ঘৰুৱা উৎপাদনৰ অন্ততঃ ২ শতাংশ যাৱতীয় আন্তঃগাঁথনিৰ বাবে সাজু কৰি ৰাখিব লাগিব। এই আন্তঃগাঁথনিৰ ভিতৰত থাকিব ৰাজহুৱা পৰিচ্ছন্নতাৰ ব্যৱস্থা, বৰ্জ নিৰ্গমনৰ ব্যৱস্থা আৰু আবাস।

২০৩০ চনৰ ভিতৰত বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত হ'বলৈ ভাৰতে সাৰ্বজনীন স্বাস্থ্য সেৱাৰ পৰিধি আহৰণ কৰিব পাৰিব লাগিব। এই ক্ষেত্ৰত বহনক্ষম উন্নয়নৰ মাত্ৰ হ'ব লাগিব ৩.৮। ভাৰত এই দিশত সক্ষম হ'লে বিশ্ব মাত্ৰামান পূৰণ কৰিব পাৰিব। ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি ২০১৭ৰ ৰূপায়ণ কৰিব পাৰিলেহে নিজৰ দীৰ্ঘদিনীয়া লক্ষ্য '২০৩০ত সকলোলৈকে স্বাস্থ্য সুৰক্ষা' পূৰণৰ সপোন বাস্তৱায়িত কৰাত ভাৰত সফল হ'ব। ❐

# বিশেষভাৱে সক্ষমসকলৰ সবলীকৰণ

সন্ধ্যা লিমায়ে*

পৰম্পৰাগতভাৱে, পৰিয়ালসমূহ ভাৰতবৰ্ষৰ অনানুষ্ঠানিক সামাজিক সুৰক্ষা ব্যৱস্থা। যৌথ পৰিয়ালবোৰ য'ত পৰিয়ালৰ সকলো সদস্য একত্ৰিতভাৱে বসবাস কৰে, তেনে পৰিয়ালবোৰত কোনো সদস্যৰ কিবা প্ৰয়োজনীয়তাৰ দায়িত্ব পৰিয়ালৰ আন সদস্যসকলে বহন কৰে। ঔদ্যোগিক বিপ্লৱ, আধুনিকীকৰণ আৰু নগৰীকৰণ তথা মহানগৰসমূহত কৰ্ম সংস্থাপনৰ সুবিধা বৃদ্ধি পোৱাৰ বাবে যৌথ পৰিয়াল ব্যৱস্থাৰ পৰম্পৰা ভংগ হয় আৰু ই সামাজিক সুৰক্ষা ব্যৱস্থাকো বিঘ্নিত কৰে। ফলত ৰাষ্ট্ৰই ইয়াৰ নাগৰিকসকলক সুৰক্ষা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হয়।

চৰকাৰে জনসাধাৰণৰ কল্যাণৰ অৰ্থে সামাজিক সুৰক্ষাক এটা গুৰুত্বপূৰ্ণ কাৰ্যসূচী হিচাপে গ্ৰহণ কৰিছে। সামাজিক সুৰক্ষাৰ মূল লক্ষ্য হ'ল শিশু, বৃদ্ধ-বৃদ্ধা আৰু অক্ষম ব্যক্তিসকলৰ জীৱনৰ মান উন্নত কৰাৰ বাবে বিভিন্ন সমৰ্থন আৰু সম্পদ সৃষ্টি কৰা। ভাৰতবৰ্ষত সামাজিক সুৰক্ষা হিচাপে সামাজিক বীমা, ৰাষ্ট্ৰীয় ভৱিষ্য নিধি, সামাজিক সহায়তা, নিয়োগকৰ্তা দায়বদ্ধতা আঁচনি, সামাজিক সুৰক্ষাৰ বাবে সাৰ্বজনীন আঁচনিৰ বিষয়ে উল্লেখ কৰিব পাৰি। (মাৰুতী আৰু মুষ্টিয়েৰী বেগম, ২০১১)

ভাৰতীয় সংবিধানৰ ৪৩ অনুচ্ছেদত এই দেশখনৰ নাগৰিকসকলক সামাজিক সুৰক্ষা প্ৰদান কৰাটো ৰাষ্ট্ৰৰ দায়িত্ব হিচাপে উল্লেখ কৰা হৈছে। অনুচ্ছেদ ১৪ (সপ্তম অনুসূচী)এ নিশ্চিত কৰিছে যে আইনৰ দৃষ্টিত কোনো ব্যক্তি সমান নহয় বুলি উল্লেখ কৰিব নোৱাৰিব। অক্ষম আৰু নিবনুৱাসকলক সাহাৰ্য আৰু সহায় আগবঢ়োৱাৰ বাবে ৰাষ্ট্ৰক নিৰ্দেশনা জাৰি কৰা হৈছে। অনুচ্ছেদ ৪১ত উল্লেখ থকা মতে— ৰাষ্ট্ৰই ইয়াৰ আৰ্থিক সক্ষমতা আৰু উন্নয়নৰ সীমাৰেখাৰ ভিতৰত কাম, শিক্ষা আৰু কৰ্ম সংস্থাপনহীনৰ ক্ষেত্ৰত ৰাজহুৱা সহায়, বাৰ্দ্ধক্য, ৰুগীয়া আৰু বাধাগ্ৰস্ত সকলৰ অধিকাৰ সুৰক্ষাৰ কাৰণে বিভিন্ন ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব (শংকৰ, ২০০৬)। আইন (পাৰ্চন উইথ ডিজএবিলিটিজ এক্ট, ১৯৯৫ আৰু ৰাইটছ অৱ্ পাৰ্ছনছ উইথ ডিজএবিলিটিজ এক্ট, ২০১৬)ত মাতৃ আৰু শিশুৰ প্ৰৱসকালিন যত্ন; নিবনুৱা ভাট্টা আৰু বীমাৰ ব্যৱস্থা, যাতে স্বাধীন জীৱন যাপন কৰিব পাৰে, সকলো ধৰণৰ হিংসাৰ পৰা সুৰক্ষাকে ধৰি সকলো ধৰণৰ সুৰক্ষা প্ৰদানৰ ব্যৱস্থাৱলীৰ প্ৰসংগ আছে।

### সামাজিক সুৰক্ষা আঁচনি

যিসকল বিশেষভাৱে সক্ষম ব্যক্তি দৰিদ্ৰ অথবা নিজকে পোহপাল দিবলৈ সক্ষম নহয় সেইসকলৰ সামাজিক সুৰক্ষাৰ বাবে প্ৰতিখন ৰাজ্যৰ সামাজিক সুৰক্ষা আঁচনি আছে। এইক্ষেত্ৰত সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ নীতি-নিৰ্দেশনা অনুসৰি আৰু আবেদনকাৰীৰ বাৰ্ষিক উপাৰ্জন অনুসৰি মাহিলি তদাৰকী ভাট্টা প্ৰদান কৰাৰ বিধান আছে। সামাজিক সুৰক্ষা আঁচনিৰ অধীনত বিভিন্ন সামাজিক সুৰক্ষা আঁচনি যথা ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বাধাগ্ৰস্ত পেঞ্চন আঁচনি, অক্ষম ব্যক্তিসকলৰ সবলীকৰণৰ বাবে ৰাষ্ট্ৰীয় বঁটা আঁচনি, বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ বাবে বৃত্তি, মুখ্য মন্ত্ৰী নিশক্তিকৰণ শিক্ষা যোজনা আদি আছে আৰু এইবোৰৰ জৰিয়তে সাহাৰ্য-সঁজুলি আৰু কৰ্মক্ষেত্ৰত সংৰক্ষণৰ ব্যৱস্থা কৰা হয়।

ক) প্ৰতিৰোধক সামাজিক সুৰক্ষা আঁচনিবোৰ হ'ল— স্বাস্থ্য সেৱা, ৰোগ প্ৰতিষেধক টীকাকৰণ, মাতৃ আৰু শিশুৰ কাৰণে প্ৰসৱকালিন আৰু প্ৰসৱোত্তৰ যত্ন আদিৰ দৰে সামাজিক সহায়তা আঁচনিবোৰ।

খ) উৎসাহীকৰণ সামাজিক সুৰক্ষা আঁচনিবোৰ হ'ল— সামাজিক আৰু আৰ্থিক কাৰ্যক্ৰমত অংশগ্ৰহণ কৰিব পৰাকৈ বাধাগ্ৰস্ত ব্যক্তিসকলৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰবোৰে গ্ৰহণ কৰা বিভিন্ন আঁচনি, যিবোৰৰ

***লেখিকা সন্ধ্যা লিমায়ে ছেন্টাৰ ফৰ ডিজএবিলিটি ষ্টাডিজ এণ্ড একচন, স্কুল অৱ ছ'চিয়েল ছায়েন্সছ, মুম্বাইৰ সহযোগী অধ্যাপক। এজন নেহৰু-ফুলব্ৰাইট ইৰাছমাছ 'মুনডাছ আৰু ৰ'কিফেলাৰ ফেল' হোৱাৰ উপৰি ব্যক্তিগত আৰু পাৰিবাৰিক ক্ষেত্ৰত ৩২ বছৰৰো অধিক কাল বিশেষভাৱে সক্ষমসকলৰ সৈতে কাম কৰাৰ অভিজ্ঞতাৰে তেওঁ পুষ্ট হোৱাৰ উপৰি বহুতো সামাজিক শৈক্ষিক কাৰ্যসূচী পৰিচালনা কৰিছে।**

জৰিয়তে স্বাস্থ্য, শিক্ষা, পুনঃসংস্থাপন সেৱা আৰু সংৰক্ষণ ব্যৱস্থা আদি লাভ কৰিব পাৰে।

১। **কৰ ঃ** বাধাগ্ৰস্ত ব্যক্তিসকল ধাৰা ৮০ ইউৰ অধীনত বৃত্তিগত কৰ আৰু আয়কৰ বাদ দিয়াৰ বাবে যোগ্য আৰু ধাৰা ৮০ ডি ডিৰ অধীনত সেই বাধাগ্ৰস্ত ব্যক্তিসকলৰ আইনী অভিভাৱক আৰু বাধাগ্ৰস্ত নিৰ্ভৰশীল ব্যক্তিসকলো আয়কৰ বাদ দিয়াৰ বাবে যোগ্য। কৰ হ্ৰাসকৰণ বিশেষভাৱে সক্ষম ব্যক্তি-গৰাকীৰ বাধাগ্ৰস্ততাৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰিব।

২। **শিক্ষা ঃ**

(ক) বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰী— যিসকলে প্ৰাক্ মেট্ৰিক/বৃত্তিগত/কাৰিকৰী পাঠ্যক্ৰমত এবছৰ বা অধিক সময়ৰ বাবে শিক্ষা গ্ৰহণ কৰি আছে তেওঁলোকৰ বাবে ৰাষ্ট্ৰীয় ছাত্ৰবৃত্তিৰ ব্যৱস্থা আছে। শিশুৰ মানসিক ৰোগ/চেৰিব্ৰেল পালচী/মানসিক প্ৰতিবন্ধকতা/ বহুমুখী বাধাগ্ৰস্ততা আদিত ভোগা ছাত্ৰ-ছাত্ৰীয়ে ৯ম শ্ৰেণীৰ পৰাই এই বৃত্তি লাভ কৰিব। এই ছাত্ৰবৃত্তিৰ বাবে অৰ্হতা হ'ল বাধাগ্ৰস্ততা ৪০ শতাংশতকৈ অধিক হ'ব লাগিব আৰু পৰিয়ালৰ মাহিলি আয় ১৫,০০০/- টকাৰ অধিক হ'ব নোৱাৰিব।

(খ) দৃষ্টি/শ্ৰৱণ শক্তিহীন হৈ ব্যক্তিগত পাঠ্যক্ৰমৰ স্নাতক/স্নাতকোত্তৰ পাঠ্যক্ৰম গ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰীয়ে এডিটিং ছ'ফটৱেৰসহ কম্পিউটাৰ ক্ৰয়ৰ বাবে আৰ্থিক সাহায্য লাভ কৰিব আৰু চেৰিব্ৰেল পালচি থকা ছাত্ৰ-ছাত্ৰীয়ে সেই ছ'ফটৱেৰৰ সমৰ্থকো লাভ কৰিব।

(গ) চৰকাৰী আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠানবোৰত বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ বাবে তিনি শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা আছে।

(ঘ) **বাধাগ্ৰস্ত শিশুৰ বাবে সমন্বিত শৈক্ষিক আঁচনি ঃ** এই আঁচনিৰ অধীনত বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গ্ৰহণীয় আৰু মুক্তভাৱে নিৰ্মিত আন্তঃগাঁথনি আৰু যাতায়াতৰ সুবিধা, পাঠ্যপুথি যোগান, সমবেশ (ইউনিফৰ্ম) আৰু অন্যান্য শৈক্ষিক আহিলা যোগান, বিশেষভাৱে শৈক্ষিক আহিলা আৰু জলপানি প্ৰদান আদিৰ ব্যৱস্থা আছে। এই আঁচনিৰ অধীনত অন্যান্য সুবিধাবোৰৰ ভিতৰত দৃষ্টিগত আৰু অস্থিগতভাৱে বাধাগ্ৰস্ত/শিকাত বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ বাবে গণিত আৰু চিত্ৰ প্ৰশ্নৰ উত্তৰ দানৰ পৰা ৰেহাই ব্যৱস্থা, বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ বাবে পৰীক্ষাত অতিৰিক্ত সময়, তৃতীয়-ভাষাৰ পৰা ৰেহাই আৰু শিক্ষাৰ সুবিধাকে ধৰি পাঠ্যক্ৰমৰ উন্নীতকৰণৰ পৰা ৰেহাই আদি।




(ঙ) **মাধ্যমিক স্তৰত বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ কাৰণে সংলগ্ন শিক্ষা (আই ই ডী এছ এছ) ঃ** এই আঁচনি ১৪ বছৰ বা ততোধিক বয়সৰ ছাত্ৰ-ছাত্ৰীয়ে মাধ্যমিক পৰ্যায়ত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ চৰকাৰী, স্থানীয় নিকায় বা চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়ত তেওঁলোকৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষা আহৰণৰ বাবে প্ৰদান কৰা হয়। এই আঁচনিৰ জৰিয়তে তেনে শিশুসকলক প্ৰাথমিকৰ পৰা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়লৈ সঁজুলিৰ সহায়ত অহা-যোৱা কৰা, শৈক্ষিক আহিলা প্ৰদান কৰা, যানবাহনৰ সুবিধা, প্ৰযুক্তি আৰু লেখা আৰু পঢ়াৰ সুবিধা আদি আগবঢ়োৱা হয়।

(চ) **ৰাজীৱ গান্ধী জলপানি আঁচনি ঃ** এই আঁচনিয়ে যিসকল বাধাগ্ৰস্ত ব্যক্তিয়ে পাঁচ বছৰৰ কাৰণে এম ফিল/পি এইচ ডিৰ দৰে উচ্চ শিক্ষাৰ আঁচনি গ্ৰহণ কৰে তেওঁলোকলৈ জলপানি আগবঢ়োৱা হয়। এই আঁচনিয়ে প্ৰতিবছৰে ২০০ জলপানিৰ ব্যৱস্থা কৰে আৰু বিশ্ববিদ্যালয় অনুদান আয়োগে সামৰি লোৱা সকলো বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠান সামৰি লয়।

৩। **নিয়োগ ঃ**

(ক) চৰকাৰে চৰকাৰী সেৱা, ৰাজহুৱা খণ্ডৰ বেংক আৰু চৰকাৰৰ অধীনস্থ প্ৰতিষ্ঠানত বাধাগ্ৰস্ত ব্যক্তিসকলৰ বাবে গ্ৰুপ এ, বি, চি আৰু ডিত পাঁচ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

(খ) চৰকাৰী পদত নিযুক্তিৰ ক্ষেত্ৰত বাধাগ্ৰস্ত ব্যক্তিসকলৰ বাবে বয়সৰ উৰ্দ্ধতন সীমা দহ বছৰলৈ ৰেহাই

ব্যৱস্থা আছে। তেওঁলোকৰ বাবে আবেদন মাচুল আৰু পৰীক্ষা মাচুল আদায়ৰ ক্ষেত্ৰতো ৰেহাই ব্যৱস্থা আছে।

(গ) বাধাগ্ৰস্ত ব্যক্তিসকলে কাৰ্যনিৰ্বাহ কৰিব পৰা পদসমূহ থকা বিভিন্ন বিভাগ আৰু শাখাবোৰ চৰকাৰে চিহ্নিতকৰণ কৰিছে।

(ঘ) গ্ৰুপ চি আৰু ডিত বাধাগ্ৰস্ত ব্যক্তিসকলৰ নিযুক্তিৰ বাবে চৰকাৰে আঞ্চলিক ভিত্তিত নিযুক্তিৰ ব্যৱস্থা কৰিছে। এই ক্ষেত্ৰত প্ৰশাসনিক স্থিতি, তেনে ব্যক্তিসকলৰ বাসগৃহৰ নিকটৱৰ্তী অঞ্চল আদি দিশবোৰৰ প্ৰতি লক্ষ্য ৰখা হ'ব। তদুপৰি বাধাগ্ৰস্ত ব্যক্তি-সকলৰ নিজৰ বাসগৃহৰ নিকটৱৰ্তী কাৰ্যালয়লৈ বদলিৰ ক্ষেত্ৰতো অগ্ৰাধিকাৰ দিয়া হ'ব।

(ঙ) চৰকাৰে চৰকাৰী পদত বাধাগ্ৰস্ত ব্যক্তিসকলৰ সংৰক্ষণ কৰাৰ বাবে ৰাজ্যৰ ৰাজধানীত বিশেষ নিয়োগ বিনিময় কেন্দ্ৰ স্থাপনৰ কোষ স্থাপন কৰিছে। যিবোৰ স্থানত বিশেষ নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰা হোৱা নাই সেইবোৰত নিয়মীয়া নিয়োগ বিনিময় কেন্দ্ৰত বিশেষ নিয়োগ কোষ স্থাপন কৰা হৈছে। বাধাগ্ৰস্ত ব্যক্তিসকলে সংৰক্ষণৰ অধীনত বিনিময় কেন্দ্ৰ/কোষত নাম পঞ্জীয়ন কৰিব পাৰে। বাধাগ্ৰস্ত ব্যক্তিসকলৰ বাবে ১৭টা বৃত্তিমুখী পুনঃসংস্থাপন কেন্দ্ৰতো বিশেষ নিয়োগ পঞ্জীয়ন কৰিব পাৰে।

(চ) চৰকাৰে বাধাগ্ৰস্ত ব্যক্তিসকলক ব্যক্তিগত খণ্ডত নিয়োগ কৰাৰ বাবে নিয়োগকৰ্তাৰ প্ৰচেষ্টাৰ জৰিয়তে নিযুক্তিৰ ব্যৱস্থা কৰিছে। চৰকাৰে তেনে প্ৰতিষ্ঠানত ন্যূনতম ২৫,০০০ টকা মাহিলি দৰমহা পোৱা অক্ষম ব্যক্তিসকলৰ ভৱিষ্যনিধিত কৰ্মচাৰী ভৱিষ্যনিধি শিতানলৈ নিয়োগ-কৰ্তাই আগবঢ়াবলগীয়া বৰঙণিৰ অংশ আৰু কৰ্মচাৰী ৰাজ্যিক বীমা আঁচনিত তিনি বছৰলৈ বৰঙণি আগবঢ়ায়।



(ছ) পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে ৰাজহুৱা খণ্ডৰ তেল কোম্পানীবোৰৰ সকলো ধৰণৰ বিতৰক সংস্থাৰ নিয়োগৰ বাবে ৭.৫ শতাংশ শাৰীৰিকভাৱে বাধাগ্ৰস্ত ব্যক্তিৰ বাবে সংৰক্ষণ কৰে।

(জ) ডী নেশ্বনেল হেণ্ডিকেপ্পড ফাইনেন্স এণ্ড ডেভলপমেণ্ট কৰ্পৰেচনে বাধাগ্ৰস্ত ব্যক্তিসকলৰ স্ব-নিয়োজনৰ বাবে ঋণৰ সুবিধা প্ৰদান কৰি আহিছে। এই আঁচনিৰ ঋণ সেৱা/ বাণিজ্য/ঔদ্যোগিক খণ্ড স্থাপন, উচ্চ শিক্ষা/বৃত্তিগত প্ৰশিক্ষণ, অক্ষম ব্যক্তিসকলৰ বাবে নিৰ্মাণ/ উৎপাদন সামগ্ৰী নিৰ্মাণ, কৃষি কাৰ্যাৱলী, মানসিক প্ৰতিবন্ধকতা, চেৰিব্ৰেল পালচি আৰু শিশু মনোৰোগত আক্ৰান্ত ব্যক্তিৰ আত্মসংস্থাপনৰ সুবিধা আদিও প্ৰদান কৰা হয়।

(ঝ) **ৰাজহুৱা খণ্ডৰ বেংক ঃ** 'স্কীম ফৰ পাব্লিক ছেক্টৰ বেংকছ ফৰ অৰফেনেজ, উইমেনছ হোমছ এণ্ড ফিজিকেলী হেণ্ডিকেপড পাৰ্ছনছ'ৰ অধীনত বাধাগ্ৰস্ত ব্যক্তিৰ কল্যাণৰ কাৰণে বিভিন্ন পৰ্যায়ৰ অনুষ্ঠানগত সুবিধাৰ লগতে সুতৰ হাৰৰ ব্যৱধান আছে। সামাজিক কাৰ্যক্ৰমৰ প্ৰতি লক্ষ্য ৰাখি বাৰ্ষিক ৪ শতাংশ সমহাৰত সুদ নিৰূপণ কৰা হয়। ক্ষুদ্ৰ উদ্যোগলৈ আৰ্থিক সাহায্য প্ৰদান আঁচনিৰ অন্তৰ্গত সৰ্বোচ্চ ২,০০,০০০/- টকাৰ মূলধনী ব্যয় লাভ কৰিবৰ বাবে শাৰীৰিকভাৱে বাধাগ্ৰস্ত ব্যক্তিৰ বাবে সুতৰ হাৰ (০.৫ শতাংশ) ৰেহাই ব্যৱস্থা আছে।

৪। **বাধাগ্ৰস্ত ব্যক্তিৰ আহিলা আৰু সঁজুলি ক্ৰয়/ফিটিঙৰ বাবে সহযোগিতা (এ ডী আই পি আঁচনি) ঃ** এই আঁচনিৰ মুখ্য উদ্দেশ্য হ'ল শাৰীৰিকভাৱে বাধাগ্ৰস্ত ব্যক্তিৰ বাধাগ্ৰস্ততাৰ মাত্ৰা হ্ৰাস কৰি আৰ্থিক সম্ভাৱনীয়তা বৃদ্ধি কৰিবলৈ সহজ ব্যৱহাৰযোগ্য আৰু বিজ্ঞান সন্মতভাৱে নিৰ্মাণ কৰা, আধুনিক

মানসম্পন্ন সঁজুলি আৰু আহিলা ক্ৰয় কৰি তেওঁলোকৰ শাৰীৰিক, সামাজিক আৰু মনস্তাত্বিক মান বৃদ্ধি কৰা।

৫। **ইন্দিৰা আৱাস যোজনা ঃ** ই কেন্দ্ৰীয় পৃষ্ঠপোষকতা প্ৰাপ্ত এখন আঁচনি যি দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা গ্ৰামাঞ্চলৰ লোকক ভৈয়াম অঞ্চলত ২০,০০০ টকা আৰু পাৰ্বত্য/দুৰ্গম অঞ্চলত বাস কৰা লোকৰ ক্ষেত্ৰত ২২,০০০ টকা ব্যয়সাপেক্ষ গৃহ বিনামূলীয়াকৈ আগবঢ়ায়। দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা বাধাগ্ৰস্ত লোকৰ বাবে তিনি শতাংশ নিধি সংৰক্ষণ কৰাৰ ব্যৱস্থা আছে।

৬। **বাধাগ্ৰস্ত ব্যক্তিৰ সবলীকৰণৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ আঁচনি ঃ** বাধাগ্ৰস্ত লোকসকলক তেওঁলোকৰ কামৰ স্বীকৃতি প্ৰদান আৰু উৎসাহ যোগোৱাৰ কাৰণে অতি সক্ষম/ উৎকৃষ্ট বিশেষভাৱে সক্ষম কৰ্মী, উৎকৃষ্ট নিয়োগকৰ্তা, উৎকৃষ্ট নিয়োগ প্ৰতিষ্ঠান/বিষয়া, ৰোল মডেল, মহান সৃষ্টিশীল বাধাগ্ৰস্ত ব্যক্তি, আৰু বিশেষ কাৰিকৰীগত উদ্ভাৱন আৰু উদ্ভাৱনৰ বাবে ব্যয়সাপেক্ষ প্ৰযুক্তি আদি প্ৰদান কৰা হয়। বাধামুক্ত পৰিৱেশ সৃষ্টিৰ বাবে চৰকাৰী খণ্ড, ৰাজহুৱা খণ্ডৰ অধীনস্থ আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানবোৰলৈকো পুৰস্কাৰ আগবঢ়োৱা হয়। সেইদৰে বাধাগ্ৰস্তৰ পুনঃসংস্থাপনৰ ক্ষেত্ৰত উৎকৃষ্ট জিলা, স্থানীয় পৰ্যায়ৰ ৰাষ্ট্ৰীয় পুঁজিৰ সমিতি আৰু উৎকৃষ্ট ৰাজ্য সংযোগকৰণ সংস্থা (এছ চী এ) প্ৰদান কৰা হয়। এই সকলোবোৰ ৰাষ্ট্ৰীয় বাধাগ্ৰস্তসকলৰ



বিত্তীয় উন্নয়ন নিগম (এন এইছ এফ ডী চী)ৰ অধীনত হয়। এই ক্ষেত্ৰত বাধাগ্ৰস্ত মহিলা বিশেষকৈ গ্ৰামাঞ্চল আৰু আত্ম-সংস্থাপিত মহিলাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হয়।

৭। **বাধাগ্ৰস্ত ব্যক্তিৰ সবলীকৰণৰ কাৰণে ন্যাস পুঁজি ঃ** উচ্চতম ন্যায়ালয়ে ১৬ এপ্ৰিল ২০০৪ত দেৱানী আপীল নং ২০০০ৰ ৪৬৫৫ আৰু ৫২১৮ অনুসৰি যিবোৰ বেংকে বাৰ্ষিক ৭২৩.৭৯ কোটি টকাতকৈ অধিক বা সমপৰ্যায়ৰ সুদ কৰ ঋণীৰ পৰা আহৰণ কৰে তেনে বেংকে বাধাগ্ৰস্ত লোকৰ কল্যাণৰ বাবে নিধি ব্যৱহাৰ কৰা প্ৰয়োজন। মন্ত্ৰালয়ে এই ধন শিশু মনোৰোগ, চেৰিব্ৰেল পালচি, মানসিক বাধাগ্ৰস্ত আৰু বহুমুখী বাধাগ্ৰস্ততাৰ কৰ্মক্ষম ব্যৱহাৰৰ বাবে ৰাষ্ট্ৰীয় নিধিলৈ হস্তান্তৰৰ নিৰ্দেশ ন্যায়ালয়ৰ পৰা বিচাৰিছে। মন্ত্ৰালয়ৰ এই অনুৰোধৰ প্ৰতি উচ্চতম ন্যায়ালয়ে মতপোষণ কৰা নাই যদিও একে সময়তে এটা নিধি স্থাপন কৰা হৈছে আৰু বিত্ত মন্ত্ৰালয়ৰ অধীনস্থ বেংকিং বিভাগক ট্ৰাষ্ট একাউণ্টক দিবলগীয়া ধন জমা কৰিবলৈ উপদেশ দিয়া হয়।

৮। **অভিযানমূলক ধৰণত প্ৰযুক্তি উন্নয়ন প্ৰকল্প ঃ** বাধাগ্ৰস্ত লোকসকলক উপযুক্ত আৰু ব্যয়সাপেক্ষ সঁজুলি প্ৰদান কৰি সংস্থাপনৰ সুযোগ বৃদ্ধি আৰু শাৰীৰিক বাধাগ্ৰস্ত লোক-সকলৰ সমাজৰ সমন্বয় ৰক্ষাৰ্থে ১৯৯০-৯১ বৰ্ষত এই আঁচনিখন আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ অধীনত উপযুক্ত গৱেষণা আৰু উন্নয়ন প্ৰকল্প চিনাক্তকৰণ কৰা হয় আৰু আহিলা আৰু সঁজুলি উন্নয়নৰ বাবে নিধি যোগান ধৰা হয়।

৯। প্ৰতিৰোধমূলক সামাজিক নিৰাপত্তা কাৰ্যসূচীৰ অধীনত আন্তৰ্জাতিক শ্ৰম সংস্থাৰদ্বাৰা সংজ্ঞাৰোপিত দৰিদ্ৰতা নিৰ্মূলকৰণৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই আঁচনিয়ে বৃদ্ধ লোকসকলৰ পেঞ্চন, স্বাস্থ্য বীমা, ক্ষতিপূৰণ আদিৰ প্ৰতি যত্ন লয়।

(ক) **উী ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় প্ৰতিবন্ধকতাৰ পেঞ্চন আঁচনি ঃ** ৰাষ্ট্ৰীয় সামাজিক সহায়তা কাৰ্যসূচীৰ অংশ হিচাপে এই আঁচনিখন ২০০৯ চনৰ ১৭ ফেব্ৰুৱাৰীত আৰম্ভ কৰা হৈছিল। আই জি এন ডী পী এছৰ অধীনত ১৮-৭৯ বছৰ বয়সীয়া জটিল বা বহুমুখী বাধাগ্ৰস্ত আৰু ভাৰত চৰকাৰে ধাৰ্য কৰা নিয়ম অনুসৰি দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালৰ ৯ গৰাকী ব্যক্তিক প্ৰতিমাহে ৩০০ টকাৰ কেন্দ্ৰীয় সাহায্য আগবঢ়োৱা হয়।

(খ) **অক্ষমতাৰ লাভালাভ ঃ** কৰ্মচাৰী ক্ষতিপূৰণ আইন, ১৯২৩— যাক পূৰ্বে কাম কৰা সকলৰ ক্ষতিপূৰণ আইন, ১৯২৩ বোলা হৈছিল, সেই আঁচনিৰ জৰিয়তে কৰ্ম অৱস্থাত দুৰ্ঘটনাজনিত মৃত্যু বা বাধাগ্ৰস্ততাৰ বাবে কৰ্মচাৰী বা তেওঁলোকৰ পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা আছে। কৰ্ম অৱস্থাত এগৰাকী শ্ৰমিকে বৃত্তিগত ৰোগৰ বাবে দুৰ্ঘটনাত পতিত হ'লে সেই গৰাকী শ্ৰমিকক ক্ষতিপূৰণ দিবলৈ নিয়োগ-কৰ্তা বাধ্য। কৰ্মচাৰী ক্ষতিপূৰণ আইনৰ অনুসূচী ১ৰ খণ্ড ১ আৰু ২ অনুসৰি সম্পূৰ্ণ বা আংশিক ক্ষতি বা বাধাগ্ৰস্ততাৰ তালিকা দিয়া হৈছে। আনহাতে একে আইনৰ অনুসূচী ৩ৰ খণ্ড ক, খ আৰু গত বৃত্তিগত ৰোগৰ তালিকা কৰা হৈছে।

**প্ৰত্যাহ্বান আৰু অগ্ৰগতি**

ভাৰতবৰ্ষৰ সামাজিক সুৰক্ষা কাৰ্যসূচীবোৰ এতিয়াও বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ পৰ্যাপ্ত ওচৰ চাপিব পৰা নাই। বাধাগ্ৰস্ত লোকসকলৰ ক্ষেত্ৰত থকা সামাজিক বা কায়িক ব্যৱধানৰ বাবে অধিক কল্যাণসূচী আঁচনিবোৰৰ সুফল দিব পৰা নাই। বিশেষভাৱে সক্ষম লোকসকলৰ বাবে দেশখনত বিভিন্ন কাৰ্যসূচী আছে যদিও তাৰ জৰিয়তে সামগ্ৰিকভাৱে সামৰিব পৰা নাই আৰু এই আঁচনিবোৰে বিশেষভাৱে সক্ষম লোকৰ সমস্যাবোৰ সামগ্ৰিকভাৱে মোকাবিলা কৰিব পৰা নাই। এখন খিৰিকিযুক্ত ব্যৱস্থা নথকা বাবে বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ বাবে যিবোৰ সা-সুবিধা আছে সেইবোৰৰ তথ্য আৰু প্ৰয়োগ সম্পৰ্কে অজ্ঞ হৈ থকা যায়। বাধাগ্ৰস্ত লোকসকলৰ সমৰ্থন আৰু কল্যাণৰ বাবে বৰ্তমানৰ প্ৰশাসনিক ব্যৱস্থা এতিয়াও দূৰৰ ব্যৱস্থা হৈ আছে। প্ৰশাসক বা পথ নিৰ্দেশকে সুযোগ সুবিধা আগবঢ়াব পৰাকৈ কোনো একক সংস্থা বা সমধৰ্মী কল্যাণমূলক সূত্ৰ নাই। তেনে পৰিপ্ৰেক্ষিতত বাধাগ্ৰস্তসকলৰ কল্যাণৰ বাবে পৌৰসভাই গ্ৰহণ কৰা কাৰ্যসূচীবোৰ এটা ছত্ৰছায়াতে ৰখা প্ৰয়োজন।

বিশেষভাৱে সক্ষম ব্যক্তি-সকলৰ সবলীকৰণৰ বাবে বিভিন্ন আঁচনিৰ জৰিয়তে আবণ্টিত ধনৰ নিয়মীয়া আগমনৰ বাবে দশম পৰিকল্পনাই বাজেটত বাধাগ্ৰস্তসকলৰ বাবে উপযুক্ত আঁচনি গ্ৰহণ কৰাৰ পোষকতা কৰিছে। দশম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ বিভিন্ন আঁচনিবোৰ ৰূপায়ণৰ বাবে আঁচনিবোৰৰ ৩১ শতাংশ গৃহীত ধনৰাশি ব্যয় কৰা হৈছে।

ইমানৰ পাছতো বাধাগ্ৰস্তসকলৰ সক্ষমতা আহৰণৰ বাবে বিভিন্ন পৰিকল্পনা আৰু আৰ্হি প্ৰস্তুত কৰা প্ৰয়োজন। বাধাগ্ৰস্ত জনসংখ্যাৰ সামাজিক সুৰক্ষা আঁচনি প্ৰতিৰোধৰ কাৰণে সমন্বিত উৎসাহজনক আঁচনি গ্ৰহণ কৰা প্ৰয়োজন। এইক্ষেত্ৰত প্ৰথম স্তৰৰ দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা বিশেষভাৱে সক্ষম অভিভাৱক আৰু শিশুৰ বিতং তথ্য সংগ্ৰহ কৰা প্ৰয়োজন লগতে জটিলভাৱে বাধাগ্ৰস্ত লোকসকলৰ ধাৰাবাহিক তদাৰক তথা সমৰ্থন, ৬০ৰ উৰ্দ্ধৰ বাধাগ্ৰস্ত ব্যক্তি, বাধাগ্ৰস্ত মহিলা, অসংগঠিত খণ্ডত কৰ্মৰত বাধাগ্ৰস্ত ব্যক্তিসকলৰো বিতং তথ্য সংগ্ৰহ কৰা প্ৰয়োজন।

সমন্বিত প্ৰশাসনিক ব্যৱস্থা, বিভিন্ন উৎসৰ পৰা ধন সংগ্ৰহ, বৃত্তিগত তদাৰকৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ আৰু নিয়ন্ত্ৰণ তাৎক্ষণিকভাৱে গ্ৰহণ কৰা প্ৰয়োজন। অতিৰিক্তভাৱে স্থানীয় ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থা, চৰকাৰী আৰু বেচৰকাৰী সংস্থাৰ পৰা বিশেষভাৱে সক্ষম ব্যক্তিসকলক এনে সুবিধা প্ৰদানৰ বাবে একত্ৰিত ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। ❐

*পয়োভৰা ৰাইজৰ আলোচনী—*
*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*
*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# কৃষকৰ কল্যাণ সাধনৰ বাবে সঠিক দৃশ্যপট অংকন আৰু ৰূপায়ণ

নীলজ্জা ঘোষ*

মন্ত্ৰালয়সমূহে প্ৰায়ে নাম পৰিৱৰ্তন ক্ৰমে জড়িত বিষয়বোৰৰ সন্দৰ্ভত নিজস্ব স্থিতি গ্ৰহণ কৰিব পাৰে। কোনোবাই বিভাজিত হ'ব পাৰে আৰু কোনোবাই সেই বিষয়বোৰকেই যথাযথভাৱে মানি ল'ব পাৰে। কিন্তু কৃষি মন্ত্ৰালয়ক কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰূপে পুনৰ নামাংকিত কৰাটো মাথোন কৃষিৰ কাম-কাজ সম্পাদনৰ ক্ষেত্ৰত পুনৰগঠন কৰাটোৱেই নহয়। ২০১৫ চনত সাধন কৰা এই কাৰ্য হ'ল অধিক খাদ্য উৎপাদন কৰাৰ উপৰি উৎপাদকসকলৰ একোটা স্বপ্ন বাস্তৱায়িত কৰি তোলাৰ প্ৰতিও দৃষ্টি আৰোপ কৰা। তেওঁলোকে যাতে সমাজৰ অন্য শ্ৰেণীৰ লোকৰ দৰে সমানভাৱে জীৱন নিৰ্বাহ কৰিব পাৰে তাৰ বাবে কৃষিক স্বীকৃতি দিয়া।

সেই অনুযায়ী নীতিসমূহ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত উদগনি প্ৰদান কৰা হয়, আৰু তাৰ ফলস্বৰূপে মূল খাদ্য-সামগ্ৰীসমূহৰ উৎপাদনৰ স্তৰ বহুগুণে বৃদ্ধি পায়। ১৯৬০ৰ দশকৰ খাদ্যৰ নাটনিৰ দিনৰ পৰা সময় বাগৰি যোৱাৰ লগে লগে ভাৰতে বিশ্বৰ ধান আৰু দুগ্ধ উৎপাদনকাৰী দুই শীৰ্ষ স্থানীয় দেশৰ ভিতৰত স্থান পায়। আৰু খাদ্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হৈ উঠে। তেতিয়া নীতিবিশেষৰ আলোকপাত বিস্তাৰিত কৰা হয় দৈনন্দিন ব্যৱহাৰ্য অন্যান্য খাদ্যশস্যক সামৰি ল'বলৈ। তেনে খাদ্যশস্যৰ ভিতৰত উল্লেখযোগ্য হ'ল দাইল-মাহ, ফল-মূল আৰু শাকপাচলি।

তথাপি এই বৃদ্ধি সাধন কাহিনীত ঘাইকৈ উৎপাদনৰ কামত জড়িত থকা কৃষকৰ বৃহৎ অংশ বঞ্চিত হৈ থাকে। নামৰ উপাৰ্জন কেৱল কমেই নহয়, তাৰ উপৰি অৰ্থনৈতিক অনিশ্চয়তাৰ কিছু অতি বেয়াকৈ ভুক্তভোগী হোৱাসকল হ'ল কৃষক। ২০০৩-০৪ বৰ্ষত কৰা এটা জৰীপ মতে কৃষি কামত জড়িত থকা ৪০ শতাংশ ঘৰে সুকীয়া ধৰণৰ কাম হাতত ল'ব, যদিহে তেওঁলোকক বাছনি কৰিবলৈ দিয়া হয়। তাৰ পিছত ২০১৪ বৰ্ষত কৰা জৰীপ অনুযায়ী সেই লোকসকলৰ সীমিত ব্যৱহাৰ্য আৱশ্যকতা পূৰণ কৰিবৰ বাবে তেনে লোকসকলক অন্যান্য উৎসৰ খেতিৰ পৰা তেওঁলোকে উপাৰ্জন পূৰ কৰাটো আৱশ্যক হয়। সেয়ে এই প্ৰবন্ধটোত কিয় কৃষকসকলে দৰিদ্ৰতাৰ মাজত দিন কটাব লগা হয়, কিয় তেওঁলোক ইমান স্পৰ্শকাতৰ হ'ব লগা হয়, জীৱন ধাৰণৰ মান কিয় ইমান শোচনীয়— এই সকলো বিষয়ত স্বাভাৱিকতেই প্ৰশ্ন জাগে আৰু সেই সম্পৰ্কে কিছু ইয়াত উল্লেখ কৰা হৈছে। কাৰণ আমাৰ উচ্চ উৎপাদনৰ স্তৰ আছে, উদঘাটনৰ পথো আছে— প্ৰচলিত আৰু নতুনত্ব দিশ উভয়ৰে সুবিধা আছে, কাজেই ইয়াৰদ্বাৰাই পৰিস্থিতি উন্নত কৰিবলৈ প্ৰয়াস কৰাটোহে গুৰুত্ব দিব লগা বিষয়।

## কৃষকৰ উপাৰ্জন আৰু স্পৰ্শকাতৰ বিষয় ঃ

কৃষকৰ দুৰ্গতি সম্বন্ধে প্ৰতিবেদনবোৰ প্ৰকাশ হোৱাত কৃষকৰ উপাৰ্জনৰ বিষয়টোৱে দৃষ্টি আকৰ্ষণ কৰে। তাৰ লগতে ২০২২ চনৰ ভিতৰত খাদ্য উৎপাদন কৰোতাসকলৰ উপাৰ্জন দুগুণ হোৱাৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰাৰ পিছত বিষয়টোৱে আৰু অধিক গুৰুত্ব পায়। উক্ত বিবৃতিয়ে কৃষকসকলৰ বিষয়টোক আলোচনাৰ মাজলৈ লৈ আনে। পামৰ উপাৰ্জন ভিন ভিন কাৰণৰ ওপৰত নিৰ্ভৰ কৰে। বিশেষকৈ মাটিৰ উৎপাদনশীল ক্ষমতাকেই অধিক উপাৰ্জনৰ মূল চাবি-কাঠিৰূপে গণ্য কৰা হয়। উৎপাদন-শীলতাৰ মূল কাৰক শক্তি বৃদ্ধি কৰাটোও গুৰুত্বপূৰ্ণ, কিয়নো পানী আৰু সাৰৰ দৰে অন্য উপজ সামগ্ৰীবোৰ অধিক দামৰ হয়। প্ৰযুক্তি আৰু তাৰ প্ৰয়োগৰ উন্নতি সাধনে উৎপাদন বৃদ্ধি কৰে। বজাৰযোগ্য বাকী থকা সামগ্ৰী আৰু তাৰ ক্ষয়-ক্ষতিয়ে বিক্ৰী মূল্যও থিৰ কৰে, কিন্তু উৎপাদনজাত আৰু উপজ সামগ্ৰীৰ মূল্যইহে পামৰ উপাৰ্জন নিৰ্ণয় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

ভাৰতৰ কৃষি-জলবায়ুৰ বিচিত্ৰতা জনাজাত, কিন্তু ফেডাৰেল ব্যৱস্থাত ৰাজ্যসমূহৰ মাজত নীতিৰো প্ৰভেদ থাকে। ফলস্বৰূপে শস্য উৎপাদনৰ হাৰ, আন্তঃগাঁথনি আৰু প্ৰতিষ্ঠানসমূহৰ স্থিতি

*লেখিকা নতুন দিল্লীৰ ইনষ্টিটিউট অব ইকনমিক গ্ৰ'থৰ অধ্যাপিকা। কৃষি, খাদ্য আৰু পৰিবেশ ক্ষেত্ৰৰ কাম-কাজত জড়িত।

ভিন ভিন ধৰণৰ হয়। ভাৰতীয় পামসমূহৰ ক্ষুদ্ৰ আকাৰ আৰু কম পৰিসৰৰ ভিতৰত উৎপাদনৰ সীমাবদ্ধতা আছে, আৰু সেয়ে অৰ্জনৰ পথ খুবেই কঠিন। জনসংখ্যা বৃদ্ধি আৰু তাৰ লগতে ঔদ্যোগিকভাৱে নিয়োগ সঞ্চাৰত নিঃকিন অৱস্থাই মাটিৰ ওপৰত অধিক চাপৰ সৃষ্টি কৰে। ফলত কৃষি ক্ষেত্ৰৰ জনমূৰি উপাৰ্জন নিম্ন হৈয়েই থাকে। এনে অৱস্থা সকলোতে একে নহয়। কিছুমান ঠাইত শস্যৰ খেতি অধিক লাভজনক হয় তাৰ প্ৰাকৃতিক জন-গাঁথনিমূলক তথা প্ৰশাসনীয় সুব্যৱস্থাৰ বাবে। কিন্তু আন কিছুমানত তেনেবোৰ বিষয় সম্বন্ধে ভবাৰ সুবিধা নাথাকে। খণ্ডসমূহৰ মাজত কৰ্মবাহিনীৰ সঞ্চালন কৰাটো হ'ল ঘৰ এখনৰ জনমূৰি আয় বৃদ্ধি কৰাৰ এটা ভাল পথ। তাৰ জৰিয়তে খণ্ডবিশেষলৈ নতুন ভাবৰ সঞ্চাৰ আৰু কৌশল প্ৰয়োগৰ পথ সুগম হৈ পৰে। তেনে গতিশীল ব্যৱস্থাই পামৰ অধিক উপাৰ্জনৰ ফলত সা-সামগ্ৰীৰ চাহিদা বৃদ্ধি কৰে আৰু অনা-কৃষি খণ্ডসমূহক নিজস্বভাৱে উপায় অৱলম্বন কৰিবলৈ সহায় কৰে।

কৃষিৰ কাৰণে অতি আলোচ্য বিষয়টো হ'ল বতৰ। বতৰ অনুকূলত যিমান ইতিবাচক দিশ আছে তাৰ বিপৰীত স্থিতিত তাতকৈ অধিক নেতিবাচক দিশৰ পথ মুকলি হয়। মৌচুমী বতৰ বিৰাজ নকৰিলে কেৱল চলিত উৎপাদনকেই বিকল নকৰে, তাৰ উপৰি ইয়াৰ প্ৰভাৱে পৰৱৰ্তী খেতিৰ বতৰতো কৃষকক অসুবিধাত পেলাব পাৰে। আনকি দুটামান বছৰলৈকে তাৰ প্ৰভাৱৰ নেতিবাচক কাৰ্য অব্যাহত থাকিব পাৰে। জলাধাৰসমূহত জল স্তৰ; নদী, খাল, নাদসমূহতো তেনে স্তৰৰ ন্যূনতম গতি আৰু মাটিৰ ওপৰত পৰা কু-প্ৰভাৱ এইক্ষেত্ৰত মন কৰিবলগা বিষয়। ২০১৪ আৰু ২০১৫ বৰ্ষৰ দৰে



লেঠাৰিকৈ মৌচুমী বতৰৰ আগমন নোহোৱা অৱস্থাই কৃষকক মহা দুৰ্যোগত পেলাব পাৰে। তেওঁলোকে কৰা বিনিয়োগ অথলে যোৱাত নিজৰ অস্তিত্ব হেৰুওৱাৰ দৰে অৱস্থা হ'ব পাৰে। আনকি যেতিয়া ঘাইসুঁতিৰ মানুহখিনিয়ে স্বাভাৱিক মৌচুমী বতৰৰ সুফল পাব পাৰে, তেনেস্থলত আন কিছুমান অঞ্চলত বৃষ্টিপাতৰ ত্ৰুটিপূৰ্ণ বিতৰণে লোকসকলক বিপদত পেলাব পাৰে। অতিমাত্ৰা অথবা অসময়ত হোৱা বৃষ্টিপাতো একোটা ভাবুকিৰ বিষয়। বানপানী সৰ্বনাশকাৰী হ'ব পাৰে। ২০১৬ বৰ্ষত যেতিয়া মৌচুমী বতৰ স্বাভাৱিক আছিল তেতিয়াও অঞ্চল-বিশেষত ইয়াৰ প্ৰভাৱ অধিক হোৱাৰ কাৰণে ৯ খন ৰাজ্য বানপানীৰ সন্মুখীন হৈছিল। বিহাৰত নদীৰ জল স্তৰ বৃদ্ধি হোৱা ক্ৰমে ৫ লাখ লোক স্থানান্তৰিত হ'ব লগা হৈছিল আৰু ৩ হেক্টৰতকৈও অধিক শস্যভূমি আক্ৰান্ত হৈছিল।

মূল্যৰ চাল-চলনেও অৱস্থা স্পৰ্শকাতৰ কৰি তোলে। আনকি স্বাভাৱিক অৱস্থাত বিপননৰ কেইটামান মাহত মূল্যৰ ওপৰত হেঁচা পৰে। আৰু একেই মূল্যত পুনৰ অৱস্থান কৰাৰ উপক্ৰম কৰিলেও কৃষকে সময়ৰ বাবে ৰৈ থকাৰ উপায় নাই। অধিক দিনৰ অপেক্ষাৰ এটা নিশ্চিত ফল আদৰণীয় নহ'ব পাৰে। চৰকাৰে ন্যূনতম বিক্ৰী মূল্য বৃদ্ধি কৰি কৃষকসকলক দেশখনৰ কাৰণে যথেষ্ট খাদ্যবস্তু উৎপাদন কৰাত উৎসাহিত কৰে। আৰু মূল্য লাভজনক তথা স্থিৰ কৰি ৰখাতো ই সহায় কৰে। পিছে এইক্ষেত্ৰত চৰকাৰে পৰ্যাপ্তভাৱে সংগ্ৰহ কৰিব পাৰিলেহে তেনে ব্যৱস্থা টিকি থাকিব পাৰে। অধিক মাত্ৰাৰ যোগানেও মূল্য অৱনমিত কৰায়। ২০১৬-১৭ বৰ্ষত দাইল-মাহৰ বিপুল ফচল উৎপাদন হোৱাত তাৰ মূল্য হ্ৰাস পায় ন্যূনতম বিক্ৰী মূল্য বৃদ্ধি কৰা সত্ত্বেও। সামগ্ৰীৰ চাহিদাৰ ক্ষেত্ৰত উঠা-নমা অৰ্থাৎ কেতিয়াবা অধিক আৰু কেতিয়াবা কম চাহিদা তথা গোলকীয় প্ৰতিযোগিতাৰ ফলত বজাৰবোৰ বিস্তাৰিত হোৱাৰ লগে লগে মূল্যৰ পৰিসৰো বৃদ্ধি পায়।

## গ্ৰাম্য সা-সুবিধা

কল্যাণৰ দিশটো কেৱল উৎপাদনৰ আধাৰত চালে সঠিক চিত্ৰ প্ৰতিফলিত নহয়। মূল্যৰ বিষয়টোও ইয়াত জড়িত হৈ আছে। কাজেই এই সমগ্ৰ ব্যৱস্থালানিৰ পৰা লাভ কৰা সেৱাইহে

দৈনন্দিন জীৱনৰ গতি প্ৰদানত সহায় কৰে। নতুন সুযোগ-সুবিধাৰ পথ মুকলি কৰে আৰু সামৰ্থ্যৰো সূচনা কৰে। সেইবোৰে প্ৰযুক্তিৰ ক্ষেত্ৰত সাধন কৰা অগ্ৰগতিৰ সুফলৰ প্ৰতিও সুচলতা প্ৰদান কৰে। ইয়াৰে বহু বিষয়ক নাগৰিকৰ অধিকাৰ ৰূপে চাব পাৰি। কিন্তু দুৰ্ভাগ্যৰ কথা এই যে ভাৰতৰ বিকাশ সাধনত এটা "চহৰমুখী পক্ষপাতিত্বমূলক ভাৱ-ধাৰা" এতিয়াও বিৰাজ কৰি আছে। ফল-স্বৰূপে অন্য লোকতকৈ কৃষকসকলৰ দশা সন্তোষজনক নহয়।

বহু বছৰৰ পৰা দুখীয়া লোকসকলৰ মানৱ সম্পদ বিকাশ আলোকপাতৰ বিষয় হৈ থকা নাই। সৰহভাগ দুখীয়া লোক বসবাস কৰা গাঁওবোৰ অধিকভাৱে আক্ৰান্ত। আনকি স্কুলত ভৰ্তি হোৱা বিষয়টোৱে গুৰুত্ব লাভ কৰাৰ পাছতো সেই শিক্ষাও গুণগত দিশ আৰু নিয়োগ উপযুক্ত দক্ষতাৰ অভাৱ হৈ থাকে। বাজেটৰ সীমাবদ্ধতা, দুৰ্বল নীতিৰ ৰূপায়ণ আৰু দুৰ্নীতি হ'ল এনেবোৰ অক্ষমতাৰ অৱস্থাৰ কাৰণ। তেনেবোৰ অৱস্থাই জনস্বাস্থ্য সেৱাকো গুৰুত্ব নিদিয়ে যদিও দেশখনৰ বৃহৎসংখ্যক কৃষিজীৱী লোকে তাৰ ওপৰত নিৰ্ভৰ কৰে। পৌষ্টিকতা আৰু পৰিৱেশৰ প্ৰতিও চোৱা নহয় যিটোৱে ভাল স্বাস্থ্যৰ প্ৰতি বৰঙণি যোগায়। ৰাজহুৱা বিতৰণ পদ্ধতিয়ে ক্ষুদ্ৰ খেতিয়কৰ অভাৱ কিছু পূৰণ কৰিলেও তাৰ নিৰ্ণায়ক ভূমিকা সঠিক নহয়। এই বিষয়টো বিভিন্ন সমালোচনাৰ সন্মুখীন হয়। সেয়ে আশীৰ দশকৰ মাজভাগৰ পৰা এই ৰাজহুৱা বিতৰণ পদ্ধতি বহু ধৰণৰ সংশোধন প্ৰক্ৰিয়াৰ মাজেৰে যাব লগা হয়।

যোৱা দশককেইটাত জনগণৰ সুবিধাৰ্থে যদিও বাট-পথ, ৰে'লৰে আদিৰ দৰে যোগাযোগ ব্যৱস্থাৰ ওপৰত



আলোকপাত কৰা হয়, তথাপি ১৬ শতাংশ ভাৰতীয় গাঁৱত সকলো বতৰতে আহ-যাহ কৰিব পৰা পথৰ ব্যৱস্থা নাই। বিদ্যুতৰ উপস্থিতিয়ে জীৱন সহজ কৰে আৰু অৰ্থনৈতিক কাম-কাজত ভালদৰে মনোনিৱেশ কৰাত সুচল কৰে। তেনেদৰে বাসগৃহ, জল আৰু দূষিত পদাৰ্থ আদি সঠিকভাৱে নিষ্কাশন কৰি নিবৰ বাবে পয়ঃপ্ৰণালী স্বাস্থ্য আৰু পৰিৱেশ ৰক্ষাৰ বাবে অতি আৱশ্যক। পিয়লৰ পৰিসংখ্যা বিশ্লেষণৰ পৰা এইটো পৰিলক্ষিত হয় যে ৪৫-৭০ শতাংশ গ্ৰাম্য ঘৰত বিজুলীৰ যোগাযোগ, চৌহদত জল যোগান অথবা শৌচাগাৰৰ সা-সুবিধাৰ অভাৱ আৰু তাৰ ১৮ শতাংশ ঘৰত এই সকলো সা-সুবিধাৰ পৰা লোকসকল বঞ্চিত। ম'বাইল ফোন, ইণ্টাৰনেটৰদ্বাৰা খৰতকীয়াকৈ তথ্য প্ৰেৰণ কৰাত সমৰ্থৱান কৰি তোলে আৰু মহাকাশ প্ৰযুক্তি প্ৰয়োগো এইক্ষেত্ৰত প্ৰয়োজন হয়। ইয়াৰ বাবে কিছুমান মূল আন্তঃগাঁথনিৰ আৱশ্যক। এইবোৰৰ উপযুক্ত ব্যৱস্থা সাধনে কৃষক সমাজৰ লোকসকলৰ সামাজিক জীৱন উন্নত কৰিব পাৰে। উৎপাদনৰ ক্ষমতা বৃদ্ধি, বিপননৰ সা-সুবিধা, উৎপাদিত সামগ্ৰীৰ ক্ষতি হোৱাৰ মাত্ৰা হ্ৰাস, মূল্য সংযোজনত উৎসাহ প্ৰদান তথা সামাজিক আন্তঃগাঁথনি অধিক উপযুক্ত কৰি তোলে।

কৃষি কৰ্মত মহিলাসকলৰ ভূমিকা নুই কৰিব নোৱাৰি। তেওঁলোকে বিভিন্ন ধৰণে পুৰুষক খেতিত সহায় কৰে। কিন্তু দুখীয়া খেতিয়কৰ নিজাববীয়া মাটি নাথাকেই। সেয়ে আনৰ কৃষিকাৰ্যত এই মহিলাসকলে কাম কৰে। পিছে তেওঁলোকক তাৰ বাবে প্ৰায়ে মজুৰি প্ৰদান কৰা নহয়। ধান ৰোপণ কৰাৰ দৰে (অৰ্থাৎ ভুঁই ৰোৱা) কামত কম মজুৰি দিয়া হয়। পিছে নতুন প্ৰযুক্তিৰ আগমনৰ লগে লগে দৃশ্যপটৰ সলনি হয়। পূৰ্বৰ দৰে মহিলাই পূৰ্ণ ৰূপত অংশগ্ৰহণৰ পৰা আঁতৰি থাকে। নিৰ্দিষ্ট ধৰণৰ কামতহে তেওঁলোক জড়িত হ'বলৈ ভাল পায়। ইপিনে অধিক উপাৰ্জনৰ পথ মুকলি হোৱাত ক্ৰমে পুৰুষ অনা-কৃষি কাম-কাজ কৰিবলৈ বাহিৰলৈ ওলাই গ'লে ঘৰখনৰ খেতিবাতিৰ কামৰ দায়িত্ব দুখীয়া মহিলাই লোৱাটো বাধ্যতামূলক হৈ পৰিব। সেই কাৰণে তেওঁলোকক প্ৰশিক্ষণ প্ৰদান কৰাৰ প্ৰয়োজন হ'ব। নিৰ্দিষ্ট ধৰণৰ স্বাস্থ্য বিষয়ক সা-সুবিধা, শিশুৰ তত্বাৱধানৰ সমৰ্থন

সেৱা আদিৰ প্ৰতিও গুৰুত্ব দিয়া আৱশ্যক হ'ব। কিছুমান নজনা কথা জনাৰ সুচল প্ৰৱেশৰ ব্যৱস্থা কৰাটো গুৰুত্বপূৰ্ণ বিষয়। কৃষক মহিলাৰ কল্যাণ সাধন তেতিয়াহে হ'ব।

## কৃষকৰ কল্যাণ ঃ বিকশিত পথ

বহু বছৰৰ পৰা ভাৰতৰ কৃষিৰ ক্ষেত্ৰত বিকাশ সাধনৰ মূল আহিলা-স্বৰূপ হৈ আহিছে কেইটামান বিষয়। সেয়া হ'ল— উন্নত শস্যৰ যোগান, সাৰ ৰাজসাহায্য, সুলভ শক্তি আৰু জলসিঞ্চনৰ কামৰ বাবে ৰেহাইমূলক ঋণ, ন্যূনতম সমৰ্থন মূল্যত শস্যৰ ৰাজহুৱা সংগ্ৰহ আদি। তাৰ লগতে যি উৎপাদন কৰা হয় সেইবোৰ উপভোক্তা-সকলৰ খাদ্য সুৰক্ষা নিশ্চিত কৰিবলৈ অৰ্পিত কৰা হয়। এই প্ৰক্ৰিয়াৰে কৃষিক লাভজনক কৰি তোলাৰো উদ্দেশ্য নিহিত হৈ আছে। আন এটা পৰিলক্ষিত হোৱা বিষয় হ'ল এই সমৰ্থনৰ বহুখিনি প্ৰয়োজনতকৈ অধিক উৎপাদন হোৱা অঞ্চলত উপলব্ধ কৰাটো। আৰু সেই উপলব্ধি ক্ৰমে অন্যান্য শস্যৰ প্ৰতি গুৰুত্ব দিয়া, উৎপাদিত শস্যৰ মজুত ৰখাৰ ব্যৱস্থা কৰা, বৰষুণপুষ্ট অঞ্চলবোৰত উৎপাদনৰ গতিশীলতা অটুট ৰখা তথা থলুৱা প্ৰয়োজনলৈও চকু দিয়া— বিশেষকৈ দেশখনৰ পূব ভাগত। যিবোৰ কাৰ্যসূচীৰ জৰিয়তে তেনে কামবোৰ সাধন কৰিবলৈ লোৱা হয় তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— পূব ভাৰতলৈ সেউজ বিপ্লৱক অনা, তৈলবীজ, দাইল-মাহ, পাম তেল আৰু মাকৈৰ সংহত আঁচনি, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান, ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা, পণ্যাগাৰ বিকাশ আৰু নিয়ামক প্ৰাধীকৰণ। পেৰিছ চুক্তি স্বাক্ষৰ কৰাৰ পিছত ভাৰতে জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে আন্তৰ্জাতিক সংগ্ৰামত অংশগ্ৰহণ কৰে আৰু নিৰন্তৰ বিকাশ সাধনেৰে অধিক বৃদ্ধিৰ দিশত একোটা বিক্ষিপ্ত নীতি-নিৰ্দেশনাও পালন কৰে। জলবায়ু পৰিৱৰ্তন বিশেষকৈ কৃষকৰ বাবে স্পৰ্শকাতৰ বিষয়। ইয়াৰ প্ৰতি বৰ্দ্ধিত সজাগতা সৃষ্টি কৰিবৰ বাবে নীতি-বিশেষত গুৰুত্ব আৰোপ এটা মন কৰিবলগা বিষয়।

বিপদ আশংকা ব্যৱস্থাপনাৰ বাবে বীমা হ'ল এটা স্বাভাৱিক সমাধান সূত্ৰ, কিন্তু শস্য বীমা আঁচনিৰ প্ৰচলন এটা অনিশ্চয়তাৰ ভাব বিৰাজ কৰাৰ পিছতহে কৰা হয়। ৰাষ্ট্ৰীয় কৃষি বীমা আঁচনি ১৯৯৯-২০০০ বৰ্ষৰ কালছোৱাতহে আৰম্ভ কৰা হয়। এই আঁচনিখনে এটি ক্ষেত্ৰভিত্তিক দৃষ্টিভংগী অনুসৰণ কৰে, কাৰণ যিকোনো ক্ষেত্ৰ বা এলেকাত কৃষক বিপদ আশংকাযুক্ত ঘটনাৰ সন্মুখীন হ'ব পাৰে। প্ৰতিষ্ঠানমূলক ঋণ লওঁতাৰ ক্ষেত্ৰত এই কথাত গুৰুত্ব দিয়া হয় যাৰদ্বাৰা অধিক ক্ষেত্ৰ সামৰি ল'বলৈ সুবিধা হয়। পিছে এই বীমা আঁচনিখন এলেকাৰ ক্ষুদ্ৰ গোটসমূহক ক্ষতিগ্ৰস্ত কৰা বিপদাপন্ন অৱস্থাৰ সমস্যা সমাধান কৰিবলৈ অপাৰগ হয়। এলেকাভিত্তিক পৰিসংখ্যাৰ অভাৱৰ বাবেই তেনে কাৰ্য সাধন কৰিব পৰা নহয় বুলি যুক্তি দৰ্শোৱা হয়। সি যি কি নহওক, তাৰ সঁহাৰি ক্ৰমে শস্য বীমা আঁচনিয়ে এলানি সংশোধনৰ ব্যৱস্থা কৰে। ২০১৬ চনৰ জানুৱাৰীত চৰকাৰে প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা আৰম্ভ কৰে। এই আঁচনিখনে কেইবাটাও বিষয় সামৰি লয়। সেইবোৰ হ'ল— বতৰ, কীট-পতঙ্গ, ৰোগৰ আশংকা থকা, বীজ সিঁচা আৰু লহপহকৈ বাঢ়ি অহা শস্য তথা খেতি চপোৱাৰ সময়ত ফচলৰ হানি-বিঘিনি ঘটাৰ আশংকা। কৃষকে দিয়া প্ৰিমিয়ামত চৰকাৰে ৰাজসাহায্যৰ ব্যৱস্থা বাহাল ৰাখে আৰু আনপিনে ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণৰ বাবে দুৱাৰ খোলা ৰাখে। উদ্দেশ্য-পুঁজি শক্তিশালী কৰি নিঃকিন অৱস্থাৰ কৃষকৰ দুৰ্গতি সাধ্য অনুযায়ী দূৰ কৰা। আধুনিক প্ৰযুক্তিয়ে সংগ্ৰহকৰণৰ গতি খৰতকীয়া কৰিছে— যাৰদ্বাৰা জাননীকৃত কৰা "এলেকা"ৰ প্ৰতি সমুচিতভাৱে গুৰুত্ব দিবলৈ অধিক সুবিধা হয়।

জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে শস্য বিনিয়োগ আঁচনি এটা গুৰুত্বপূৰ্ণ ৰক্ষিত উপায় স্বৰূপ হ'ব পাৰে, কিন্তু বতৰৰ দুৰ্যোগ অৱস্থাই বৃহৎ ক্ষেত্ৰক আক্ৰান্ত কৰিব পাৰে। সেয়ে তাৰ পৰা হাত সাৰিবলৈ আগতীয়াকৈ জনাৰ প্ৰয়োজন আছে আৰু তাৰ কাৰণে দেশখনত উপযুক্ত ব্যৱস্থাৰ প্ৰতি গুৰুত্ব দিয়া হৈছে। আগতীয়াকৈ আৰু নিৰ্ভৰযোগ্য সংকেত লাভ কৰিবৰ বাবে উপগ্ৰহ তথা বতৰ বিজ্ঞান বিষয়ক সামৰ্থ্যক শক্তিশালী কৰা হৈছে। দুৰ্যোগ ব্যৱস্থাপনা আইনৰ বিষয়বোৰলৈ গুৰুত্ব দিয়েই এটা দুৰ্যোগ সহাঁৰি বাহিনী প্ৰতিষ্ঠা কৰা হয়। ইয়াৰদ্বাৰা প্ৰয়োজন অনুসাৰে ৰাজ্যসমূহক সহায়-সমৰ্থন জনাবলৈ কেন্দ্ৰীয় বাহিনীক নিয়োগ কৰা হয়। খৰাং বতৰক এবিধ দুৰ্যোগ ৰূপে জ্ঞান কৰা হয় আৰু তাৰ পৰা পৰিত্ৰাণ পাবলৈ কিছু উপায়ৰ বিষয়েও চিন্তা কৰা হয়। ৰাজ্যই খৰাং অৱস্থাৰ বিষয়ে জাননী জাৰি কৰিলে জলসিঞ্চনৰ ক্ষেত্ৰত বিশেষ ৰাজসাহায্য প্ৰদান কৰিবলৈ ব্যৱস্থা লোৱা হয়।

বিপনন ব্যৱস্থা সংস্কাৰ কৰাৰ প্ৰয়োজন হয় যেতিয়া সচৰাচৰভাৱে চলি থকা বিধি-নিয়মবোৰে কাম কৰিব নোৱাৰা হয়। বজাৰসমূহ প্ৰতিযোগিতা-মূলক আৰু উপযুক্ত কৰি তুলিবৰ কাৰণে কৃষি উৎপাদিত সামগ্ৰীৰ বিপণন সমিতি আইনখন সংশোধন কৰা হয় যাতে কৃষকসকলে অধিক বিকল্প ব্যৱস্থা গ্ৰহণ

কৰিব পাৰে। ভাণ্ডাৰত ৰখা আৰু বিতৰণ পদ্ধতিয়ে তদাৰক কৰা তথা বাজেটৰ দিশৰ পৰা প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ বাবে মূল্য নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে হস্তক্ষেপ কৰাৰ আৱশ্যক হয়। উপজ সামগ্ৰী আৰু খাদ্যৰ ৰাজসাহায্য তথা ২০১৩ চনত প্ৰণয়ন কৰা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰদ্বাৰা খাদ্যৰ অধিকাৰ ন্যায়সংগত কৰা হয়। ফলস্বৰূপে অধিক বিত্তীয় হেঁচা আহি পৰে। এনে ব্যৱস্থা গ্ৰহণ কৰা সত্ত্বেও মূল্যবৃদ্ধিৰ বিষয়টোক প্ৰভাৱান্বিত কৰে গোলকীয় বজাৰৰ শক্তিসমূহে। এই-ক্ষেত্ৰত চৰকাৰৰ হস্তক্ষেপে কোনো উৎসাহজনক স্থিতিৰ ইঙ্গিত বহন নকৰে। বৰং কৃষকসকল ভুল পথেৰে প্ৰৰোচিত হোৱাৰ আশংকাহে ঘনীভূত হয়। সি যি কি নহওক, ইতিমধ্যে ভাৰতৰ ৰাজ-সাহায্য পদ্ধতি উত্তৰণ অৱস্থাত স্থিত হয়। "ইউনিক আইডেণ্টিফায়াৰ" আৰু বেংকিং সম্বন্ধীয় কাম-কাজে দূৰণিক স্পৰ্শ কৰা কাৰ্যসূচীয়ে দুখীয়া হিতাধিকাৰীসকলক লাভৰ অংশৰ পৰিমাণ পোনপটীয়াভাৱেই হস্তান্তৰ কৰিবলৈ সমৰ্থবান কৰি তোলে, ৰন্ধন গেছৰ ৰাজসাহায্য প্ৰদান কাৰ্য পৰীক্ষা-মূলকভাৱে আৰম্ভ কৰা লোৱা হয় আৰু তাৰ সফলতা চকুৰ আগতেই ধৰা দিয়ে। ২০১৬-১৭ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষাই সাৰ্বজনীন মৌলিক উপাৰ্জনৰ (ইউ বি আই) নতুন ভাৱধাৰা সন্দৰ্ভত এটা অধ্যায়ত বিস্তাৰিতভাৱে উল্লেখ কৰিছে। এই ইউ বি আই ব্যৱস্থাই ৰাজসাহায্য-সমূহৰ ভূমিকা বেচ সক্ষমভাৱে গ্ৰহণ কৰিব পাৰে।

এতিয়া বহু গ্ৰাম্য বিকাশ আঁচনিয়ে ৰাজসাহায্য কিম্বা বিনিয়োগৰ জৰিয়তে কৃষকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাত সহায় কৰিব পাৰে। যিবোৰ ব্যৱস্থাৰদ্বাৰা এই কাৰ্য সম্ভৱ সেয়া হ'ল— ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা বৃত্তি অভিযান, ইন্দিৰা আবাস যোজনাৰ দৰে বাসগৃহ আঁচনি, প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা, ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য আঁচনি, ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচী আদি। জলসিঞ্চনে এই ক্ষেত্ৰত বিশেষ স্থান অধিকাৰ কৰে, কিয়নো বহনক্ষম জলসিঞ্চন ব্যৱস্থাই খৰাং বতৰে সৃষ্টি কৰা কু-প্ৰভাৱৰ সমস্যা ঠাইবিশেষৰ আৱশ্যকতালৈ চাই আঁতৰ কৰিব পাৰে। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইনখন হ'ল এটা ৰাজহুৱা কাৰ্যসূচী। ইয়াক ২০০৫ বৰ্ষৰ পৰা ৰূপায়ণ কৰা হৈছে। গ্ৰাম্য জনগণৰ বাবে ন্যূনতম উপাৰ্জন নিশ্চিত কৰাৰ ক্ষেত্ৰত এটা মাইলৰ খুঁটিৰূপে বিবেচিত হৈছে। নিয়োগৰ প্ৰতি ই এবিধ ন্যায়িক অধিকাৰকেই প্ৰতিপন্ন কৰাৰ সমতুল্য হৈ পৰিছে। বাজেট সম্বন্ধীয় বিষয় তথা গুণগত দিশৰ পৰা ফলদায়ক আলোচনাৰ বিষয় হ'লেও যদি ইয়াক উদ্দেশ্যপূৰ্ণভাৱে পৰিচালনা কৰা হয় তেনেহ'লে ই গুণগতভাৱে গ্ৰাম্য সম্পদ সৃষ্টি কৰাৰ এটা উপায়স্বৰূপ হ'ব পাৰে। ইয়াৰ বাহিৰেও দক্ষতা বিকাশ তথা এণ্ট্ৰেপ্ৰেনিয়ৰশ্বিপ বিষয়ক ৰাষ্ট্ৰীয় নীতিৰ জৰিয়তে নিয়োগ-যোগ্যতা লাভ কৰা তথা উৎপাদন-শীলতাৰ কাৰ্য প্ৰক্ৰিয়াক উৎসাহিত কৰিবলৈ লোৱা হয়। এই নীতি ২০১৫ চনত প্ৰস্তুত কৰা হৈছিল।

## সামৰণি

বছৰ বছৰ ধৰি কৃষকৰ উপাৰ্জনৰ নিশ্চয়তা এনে ব্যৱস্থাৰদ্বাৰা পৰিচালিত কৰা হৈছিল যে যিবোৰ ঘাইকৈ উপভোক্তাৰ কল্যাণৰ বাবেহে আছিল। এই সমৰ্থিত পদ্ধতিসমূহ সম্প্ৰতি বজাৰ ক্ষেত্ৰখনৰ সংশোধন তথা বাজেট ব্যৱস্থাৰ সৈতে নিমিলে। ইয়াৰ আশু পৰিৱৰ্তন হোৱাৰ আৱশ্যকতা আছিল। সেয়ে এতিয়া সামাজিক সুৰক্ষা সাধন পদ্ধতিৰ এটি ৰূপান্তৰিত ৰেখা দিগন্তত উদ্ভাসিত হোৱা দেখা যায়, য'ত প্ৰতিজন নাগৰিকৰ ন্যূনতম কল্যাণক এবিধ অধিকাৰৰূপে চোৱা হয়। চৰকাৰে উপযুক্তভাৱে পৰিচালনা কৰিবলৈ এখন বজাৰৰ ব্যৱস্থা কৰিব পাৰে; কিন্তু এইক্ষেত্ৰত খোলা বজাৰৰ মূল্য আৰু উপাৰ্জনৰ সন্দৰ্ভত আশানুৰূপ নিয়ন্ত্ৰণ ৰক্ষা কৰিব নোৱাৰে— সেয়া সীমিত অৱস্থাৰহে হয়।

তথাপি ৰাষ্ট্ৰ হ'ল কৃষকৰ সামাজিক সুৰক্ষা সাধনৰ স্বাভাৱিক ৰক্ষক— যেনেদৰে জনগণৰ খাদ্য সুৰক্ষা ব্যৱস্থাৰো ৰক্ষক। তেওঁলোকক প্ৰাকৃতিক বিপদ-আশংকাৰ পৰা ৰক্ষা কৰা, আন্তঃগাঁথনি আৰু সামাজিক সা-সুবিধা সৃষ্টি কৰাৰ দায়িত্ব চৰকাৰৰ হাততেই আছে। লগতে জ্ঞান আহৰণৰ সু-ব্যৱস্থা আৰু তথ্য-পাতি জনমানসৰ আগত দাঙি ধৰাও চৰকাৰৰ কৰ্তব্য। কিন্তু খাদ্য সুৰক্ষা ব্যৱস্থাৰ পৰা উপকৃত হোৱা, কৰ দিওঁতা নাগৰিকসকল তথা সমৃদ্ধিশালী পাম খণ্ডৰ পৰা লাভৱান হোৱা বেচৰকাৰী খণ্ডবোৰেও দায়িত্ববাহী ৰূপে এনে কাৰ্যত যোগ দিয়া আৱশ্যক। অদূৰ ভৱিষ্যতত কৃষিক এবিধ উদ্যোগৰূপে গঢ়ি উঠাৰ লগতে অন্যান্য বিকশিত খণ্ডবোৰৰ সৈতে অধিক সমন্বয় সাধন কৰি আগবাঢ়ি যাবলৈ আশা কৰা হয়— যিটোৱে জীৱিকা নিৰ্বাহৰ বাবে কৃষিভূমিৰ ওপৰত পৰা চাপ লাঘৱ কৰাত সহায় কৰিব। ৰাষ্ট্ৰৰ তদাৰকমূলক কাম-কাজৰ জটিলতাক প্ৰযুক্তি সহায়ক প্ৰশংসনীয় নতুন কাৰ্যব্যৱস্থাৰদ্বাৰা মুক্ত কৰা হয়। তেনেদৰে কৃষককো একোটা সুন্দৰ জীৱন যাপন কৰিবলৈ অধিকাৰসহ এজন নাগৰিকৰূপে বিপণনৰ ব্যৱস্থাত সক্ষম লোকৰূপে প্ৰকাশ লাভ কৰিবলৈ প্ৰয়াস কৰিব। ❐

# বৃদ্ধাৱস্থাৰ আৰ্থিক নিৰাপত্তা ঃ ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থা

**বদ্ৰী সিং ভাণ্ডাৰী***

সামাজিক সুৰক্ষা বলয়ত পেঞ্চন অথবা বৃদ্ধাৱস্থাৰ আৰ্থিক নিশ্চিতিৰ দিশটো এটা গুৰুত্বপূৰ্ণ বিষয়। বাৰ্দ্ধক্য, দাৰিদ্ৰ্যৰ প্ৰত্যাহ্বানৰ মোকাবিলা কৰা আৰু অৱসৰৰ পিছতো জীৱন ধাৰণৰ মানৰ পূৰ্বাৱস্থা বাহাল ৰখাৰ ক্ষেত্ৰত এই পেঞ্চন ব্যৱস্থাই এটা মসৃণ শৈলী হিচাপে কাম কৰে। ব্যাপক বৃত্তিধাৰী গোট আৰু ক্ৰমপৰিৱৰ্তনশীল আয়ৰ বিকাশ ঘটোৱা তথা সেয়া আহৰণ কৰিব পৰাকৈ উপভোক্তাসকলৰ বাবে পেঞ্চন আঁচনিসমূহ আৰ্থিক সংগতিপূৰ্ণ, বহনক্ষম তথা সামৰ্থ্য সীমাৰ ভিতৰত হোৱাটো বাঞ্ছনীয়। বিশ্বজুৰি যোৱা তিনিটা দশকত জনসংখ্যা বৃদ্ধিয়ে— বিশেষকৈ অসংগঠিত তথা অনানুষ্ঠানিক ক্ষেত্ৰত সৃষ্টি কৰা প্ৰত্যাহ্বানৰ মুখত পৰি বহু দেশেই পেঞ্চন ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিছে।

আজি কিছুবছৰৰ আগলৈকে আমাৰ দেশত পৰম্পৰাগতভাৱে অব্যাহত থকা যৌথ পৰিয়াল ব্যৱস্থাই বৃদ্ধাৱস্থাৰ আৰ্থিক সুৰক্ষাৰ দিশটো নিশ্চিত কৰিছিল। প্ৰকৃততে আমাৰ ভাৰতীয় মানসত শিপাই থকা তত্ত্বটোৱেই আছিল পৰিয়ালৰ বয়োজ্যেষ্ঠজনক আৰ্থিক নিৰাপত্তা প্ৰদান কৰা। পিছে বৃত্তিগত ক্ষেত্ৰলৈ অহা পৰিৱৰ্তন, নগৰায়ন আদি কাৰণত পৰম্পৰাগত পাৰিবাৰিক ব্যৱস্থাত ভাঙোন আহি পৰিছে। তদুপৰি জন্ম-মৃত্যুৰ হাৰ ক্ৰমহ্ৰাসমান, চিকিৎসা বিজ্ঞানৰ অগ্ৰগতি আৰু উপাৰ্জনৰ বৰ্দ্ধিত হাৰৰ লগতে মানুহৰ আয়ুসকাল বৃদ্ধি হোৱাৰ ফলত আগৰ দশকবোৰৰ তুলনাত অৱসৰোত্তৰ জীৱনৰ ম্যাদ বৃদ্ধি পাইছে। সেয়ে এহাতে জনসংখ্যা বৃদ্ধি আৰু তাৰ পৰিণতিতেই মানুহৰ ওপৰত পৰা বিত্তীয় বোজাই বহুবোৰ দেশত পেঞ্চনজনিত সংস্কাৰৰ মূল কাৰণ।

পূৰ্বে পেঞ্চনেই হওক বা প্ৰভিডেণ্ট ফাণ্ডেই হওক বা কৰ্মাৱস্থাৰ বাৎসৰিক ধন অথবা অৱসৰকালিন অৰ্থলাভ আদি যি বুলিয়েই কোৱা নহওক কিয় আটাইবোৰ কেৱল সংগঠিত খণ্ডৰ, বিশেষকৈ চৰকাৰী চাকৰিয়াল, ৰাজহুৱা মঞ্চ আৰু কিছু বৃহৎ প্ৰতিষ্ঠানত কাম কৰা কৰ্মচাৰীৰ বাবেহে আছিল। তেওঁলোকহে সেইবোৰৰ পৰা লাভাৱান্বিত হৈছিল। ২০০৪ চনত সাধিত পেঞ্চন সংশোধনীৰ পূৰ্বে ভাৰতীয় পেঞ্চন ব্যৱস্থা নিম্নোল্লেখিত পেঞ্চন/প্ৰভিডেণ্ট ফাণ্ড/বাৎসৰিক বৃদ্ধি —এইসমূহ শিতানৰ পৰিকল্পনাভুক্ত আছিল। সেই অনুযায়ী—

(ক) ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ অধীনত দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ আৰু যাঠিৰ উৰ্দ্ধৰ লোক, শাৰীৰিকভাৱে বাধাগ্ৰস্ত আৰু বিধৱালৈ ন্যূনতম পৰ্যায়ত কৰ আৰোপিত সুৰক্ষা প্ৰদান।

(খ) ১৯৭২ চনৰ কেন্দ্ৰীয় অসামৰিক সেৱা পেঞ্চন আঁচনিৰ জৰিয়তে ২০০৪ চনৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত যোগদান কৰাসকললৈ অৱসৰৰ সময়তে নিৰ্দ্ধাৰিত অৰ্থ সাহায্য প্ৰদান। ৰাজ্য চৰকাৰ আৰু বেংক, বীমা সংস্থাৰ দৰে বিভিন্ন ৰাজহুৱা খণ্ডৰ কৰ্মচাৰীলৈকো এই একে আঁচনিৰ অধীনত সাহায্য প্ৰদান।

(গ) কৰ্মচাৰী ভৱিষ্য নিধি (এমপ্ল'য়িজ প্ৰভিডেণ্ট ফাণ্ড— ই পি এফ) আৰু কৰ্মচাৰী পেঞ্চন আঁচনি (এমপ্ল'য়িজ পেঞ্চন স্কীম— ই পি এছ)ৰদ্বাৰা অন্ততঃ কুৰিজন কৰ্মচাৰী থকা ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ অধিসূচীত প্ৰতিষ্ঠানৰ কৰ্মচাৰীলৈ ১৯৫২ চনৰ কৰ্মচাৰী ভৱিষ্য নিধি আৰু মিশ্ৰ আইন (এমপ্ল'য়িজ প্ৰভিডেণ্ট ফাণ্ড এণ্ড মিছচিলেনিয়াছ এক্ট)ৰ অধীনত সাহায্য।

(ঘ) কয়লা খনি ভৱিষ্য নিধি, সামুদ্ৰিক কৰ্মচাৰী ভৱিষ্য নিধি, অসম চাহ কৰ্মচাৰী ভৱিষ্য নিধিৰ দৰে বিধিসন্মত ভৱিষ্য নিধি।

(ঙ) ভাৰত চৰকাৰে বেংক আৰু ডাকঘৰৰ জৰিয়তে আগবঢ়োৱা পাব্লিক প্ৰভিডেণ্ট ফাণ্ড আৰু বীমা কোম্পানীসমূহে আগবঢ়োৱা বাৰ্ষিক ধন বৃদ্ধি, অৱসৰোত্তৰ পেঞ্চন আঁচনি— যিবোৰত যিকোনো ব্যক্তিয়ে স্বেচ্ছাভিত্তিক যোগদানৰ লগতে প্ৰাথমিকভাৱে কৰ ৰেহাই/বৰঙণি-ভিত্তিক বিয়োজন। অসামৰিক সেৱাৰ বিত্তীয় সুৰক্ষা,

*লেখক বদ্ৰী সিং ভাণ্ডাৰী পেঞ্চন ফাণ্ড ৰেগুলেট'ৰি এণ্ড ডেভেলপ্‌মেণ্ট অথ'ৰিটিৰ পূৰ্ণকালিন সদস্য।

নিৰ্দ্ধাৰিত হিতাধিকাৰী অৰ্থ সাহায্য, অৱসৰৰ লগে লগেই পেঞ্চন প্ৰদান ব্যৱস্থা আৰু অসংগঠিত খণ্ডৰ কৰ্মচাৰীৰ হিত সাধনৰ লগতে বৃদ্ধাৱস্থাৰ আয়ৰ সুৰক্ষাৰ লক্ষ্য আগত ৰাখিয়েই আমাৰ দেশত পেঞ্চন ব্যৱস্থাৰ সংস্কাৰ সাধন প্ৰক্ৰিয়া হাতত লোৱা হয়। ইয়াৰ মূলতে আছে দেশৰ বৃত্তিজীৱী জনসমষ্টিৰ ৮৪ শতাংশক উজ্জীৱিত কৰা। এই ক্ষেত্ৰত বৃদ্ধাৱস্থাৰ সামাজিক আৰু আৰ্থিক নিৰাপত্তা (old age social and income security)ৰ বিশেষজ্ঞ সমিতিৰ ভট্টাচাৰ্য, ৰংগাচাৰীয়ে পেঞ্চন ব্যৱস্থা জনসংখ্যাৰাশি বৃদ্ধি আৰু আৰ্থিক নিয়ন্ত্ৰণৰ দিশটোৰ প্ৰতি দৃষ্টি নিয়ন্ত্ৰণাত্মক নীতি গ্ৰহণৰ পৰামৰ্শ দাঙি ধৰে। সেই পৰামৰ্শসমূহৰ ভিত্তিত প্ৰথম অৱস্থাত নিৰ্দ্ধাৰিত লাভ আহৰণকাৰী নতুন পেঞ্চন ব্যৱস্থা (নিউ পেঞ্চন স্কীম) প্ৰৱৰ্তন কৰা হয় আৰু পিছত এতিয়া তাকে সংশোধিত ৰূপত ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থা (নেশ্বনেল পেঞ্চন স্কীম)ৰ ওপৰত প্ৰৱৰ্তন কৰা হয়। এই ব্যৱস্থা নিৰ্দ্ধাৰিত বৰঙণিসূচক আৰু ই পেঞ্চন পুঁজি নিয়ন্ত্ৰক আৰু বিকাশ কৰ্তৃপক্ষ (নেশ্বনেল পেঞ্চন ফাণ্ড ৰেগুলেটৰী এণ্ড ডেভেলপমেণ্ট অথ'ৰিটি)ৰদ্বাৰা পৰিচালিত। ৰাষ্ট্ৰীয় পেঞ্চন আঁচনি পোন প্ৰথমে সৈন্য বাহিনীৰ বাদে ২০০৪ চনৰ ১ জানুৱাৰীত চৰকাৰী চাকৰিত যোগদান কৰাসকলৰ বাবে বাধ্যতামূলক আছিল আৰু পৰৱৰ্তী পৰ্যায়ত ৰাজ্য চৰকাৰসমূহৰ চাকৰিয়ালসকলকো উক্ত আঁচনিৰ অধীনত সামৰি লোৱা হয়। পিছলৈ ২০০৯ চনৰ ১ মেইৰ পৰা ৰাষ্ট্ৰীয় আৰু ৰাজহুৱা খণ্ডত কৰ্মৰত সকলো ভাৰতীয় লোক স্বেচ্ছাই এই আঁচনিৰ অধীনলৈ আহিব পৰাৰ ব্যৱস্থা হ'ল। সেই সকলৰ ভিতৰত ধৰা হ'ল স্ব-নিয়োজিতকে ধৰি অসংগঠিত/ অনানুষ্ঠানিক ক্ষেত্ৰৰ সকলো কৰ্মচাৰীক। বৰ্তমান ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিয়ে ১৮ৰ পৰা ৬০ বছৰ বয়সৰ সকলো লোককে সামৰি লৈছে। এনে কৰাৰ মূল উদ্দেশ্য হ'ল বয়স থাকোঁতেই অথবা কৰ্মক্ষম হৈ থকা অৱস্থাতেই অৱসৰোত্তৰ কালত পেঞ্চন পাব পৰাকৈ এটা নিশ্চিত ব্যৱস্থা কৰি লোৱা। ৰাষ্ট্ৰীয় পেঞ্চন আঁচনি ব্যৱস্থাত চৰকাৰী চাকৰিয়ালসকলৰ তেওঁলোকৰ দৰমহা (মূল দৰমহাৰ লগত মৰগীয়া বানচ যোগ দি)ৰ ১০ শতাংশ আৰু কৰ্তৃপক্ষৰ পৰা সেই সম পৰিমাণৰ ধন কৰ্মচাৰীৰ পাৰ্মানেণ্ট ৰিটায়াৰমেণ্ট একাউণ্ট নাম্বাৰ (PRAN)ত জমা কৰাটো বাধ্যতামূলক। যিসকল কৰ্মচাৰীয়ে স্বেচ্ছামূলকভাৱে ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিৰ হিতাধিকাৰী হ'বলৈ আগবাঢ়ি আহে তেওঁলোকে বছৰি ন্যূনতম ১০০০/- টকাকৈ বিনিয়োগ কৰিব পাৰে, যি ধন জমাকাৰীৰ উপাৰ্জনৰ ওপৰত ভিত্তি কৰি বৃদ্ধি পাব। পেঞ্চনৰ উক্ত জমা ধনৰাশি পেঞ্চন ফাণ্ড ৰেগুলেটৰী ডেভেলপমেণ্ট অথ'ৰিটি (PFRDA)এ চৰকাৰী ছিকিউৰিটি, কৰ্প'ৰেট ডিবেনছাৰ/বণ্ড আৰু প্ৰতিষ্ঠিত কোম্পানী/সংস্থাসমূহত (যিসমূহ সংস্থা PFRDAৰ পঞ্জীভুক্ত) বিনিয়োগ কৰিব। অৱশ্যে এই ক্ষেত্ৰত বিনিয়োগ কৰিব খোজা সংস্থা নিৰ্বাচনৰ অধিকাৰ জমাকাৰীৰ থাকিব।

ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থা (NPS) এনে এটা ব্যৱস্থা— য'ত পেঞ্চন জমাকাৰীৰ জমাৰ উৎস পঞ্জীৱদ্ধ কৰাৰ পৰা আৰম্ভ কৰি সময়ে সময়ে পেঞ্চনৰ বৰঙণি সংগ্ৰহ কৰা গাইগুটীয়াভাৱে প্ৰতিজন জমাকাৰীৰ জমা পুঁজি বিভিন্ন সংস্থা তথা সংস্থাৰ বিত্তীয় বজাৰত খটুওৱাৰ কাম-কাজ কৰা হয়। এইখিনি সম্পাদন কৰাৰ পথত এন পি এছ-এ বিভিন্ন সংস্থা তথা মাধ্যমৰ অস্তিত্ব সম্পৰ্কে সন্দেহমুক্ত হৈ ল'বলগীয়া হয়। এনে সংস্থা আৰু মাধ্যমসমূহ নিৰ্বাচন কৰা হয় বিস্তৃতি আৰু নৈপুণ্যৰ ওপৰত ভিত্তি কৰি। গোটেই প্ৰক্ৰিয়াটোত নেশ্বনেল পেঞ্চন ছিষ্টেমৰ কাম-কাজৰ সৈতে জড়িত চৰকাৰী কাৰ্যালয়, চৰকাৰী কৰ্মচাৰী, বেংকিং আৰু অনা-বেংকিং বিত্তীয় সংস্থা জড়িত হৈ পৰে, যাক কোৱা হয় 'পইণ্টছ অৱ প্ৰেজেন্স' (POP)। ৰাষ্ট্ৰীয় পেঞ্চন প্ৰক্ৰিয়া (NPS)ৰ অধীনত জমাকাৰীৰ একাউণ্ট খোলা, জমাকাৰীৰ বৰঙণি সংগ্ৰহ আৰু ট্ৰাষ্টী বেংকলৈ জমা ধন প্ৰেৰণৰ কামবোৰ পইণ্টছ অৱ প্ৰেজেন্সেহে কৰিব পাৰে। ছেণ্ট্ৰেল ৰেকৰ্ড কীপিং এজেন্সি (CRA) জমাকাৰীসকলৰ প্ৰত্যেককে জমাৰ তথ্য ৰখা, জমা সন্দৰ্ভত বিভিন্ন কাৰ্যকাৰীৰে সমন্বয় সাধন কৰিবলগীয়া হয়। এই ছেণ্ট্ৰেল ৰেকৰ্ড কীপিং এজেন্সিয়েই একক পাৰ্মানেণ্ট ৰিটায়াৰমেণ্ট একাউণ্ট নাম্বাৰৰ প্ৰতিজন জমাকাৰীলৈ প্ৰেৰণ কৰে। ইয়াৰ লগতে এন পি এই ট্ৰাষ্ট আৰু সংশ্লিষ্ট অন্যান্য সংস্থাৰ সৈতে যোগাসূত্ৰ ৰক্ষাকাৰীৰ কাম কৰে। সেইসমূহৰ ভিতৰত চৰকাৰী ন'ডেল অফিচ, পি এ অ', ডি ডি অ', পি এ পি এগ্ৰিগেটৰ অথবা দায়িত্ব বহনকাৰী, অৱসৰোত্তৰ পৰামৰ্শদাতা, ট্ৰাষ্টী বেংক, পেঞ্চন ফাণ্ড, তত্বাৱধায়ক, ইকুইটি ছাৰ্ভিচ প্ৰভাইডাৰ বা বাৎসৰিক প্ৰাপ্তি সেৱা যোগনিয়াৰ আৰু জমাকাৰী। নেশ্বনেল পেঞ্চন ছিষ্টেমৰ কেন্দ্ৰীভূত তথা ৰক্ষাকাৰীয়ে ভৌগোলিক পৰিৱেশ নিৰ্বিশেষে সমগ্ৰ দেশজুৰি নিজৰ কাম-কাজ অব্যাহত ৰাখে। বৈদুতিন পদ্ধতিৰ গতি, শুদ্ধতা আৰু সক্ষমতাৰ সৈতে খাপ খুৱাব পৰাকৈ এন পি এছ

পৰিচালনা উচ্চ প্ৰযুক্তিক্ষম এটা ব্যৱস্থা। পি এফ আৰ ডি এৰ পঞ্জীভুক্ত পেঞ্চন ফাণ্ডসমূহে পি এফ আৰ ডি এৰ নীতি-নিৰ্দেশনা অনুযায়ী জমা-বৰঙণি দিওঁতাৰ স্বাৰ্থৰ অনুকুলে কাম কৰে।

সমগ্ৰ দেশজুৰি ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ বেংক, ডাকঘৰ, অন্যান্য অ-বেংকিং সেৱা প্ৰতিষ্ঠানৰ ৬০,০০০তকৈও অধিক প্ৰতিষ্ঠান আছে। তাৰে যিকোনো এটাত কে ৱাই চি অৰ্থাৎ 'আপোনাৰ গ্ৰাহকক জানি লওক' (Know your customer) শীৰ্ষক প্ৰ-পত্ৰ পূৰণ কৰি আৰু চৰকাৰী খণ্ডত 'ড্ৰয়িং এণ্ড ডিছবাৰ্ছিং অফিচাৰ (DDO) অথবা 'পে এণ্ড একাউণ্টছ অফিচাৰ' (PAO)ৰ জৰিয়তে নেশ্বনেল পেঞ্চন ছিষ্টেমত এটা একাউণ্ট খুলিব পৰা যায়। www.pfrda.org.in আৰু www.npscra.nsdl.co.in ৱেবছাইটত পে' এণ্ড একাউণ্টছ অফিচাৰৰ সম্পূৰ্ণ তালিকা উপলব্ধ। এন পি এছ প'ৰ্টেলৰ জৰিয়তেও NPS Trust websiteত www.npstust.org.inত যিকোনো লোকেই এটা এন পি এছ একাউণ্ট খুলিব পাৰে। নেশ্বনেল পেঞ্চন ছিষ্টেমত তেওঁৰ 'আধাৰ' অথবা PAN (Permanent Account Number) বা বেংকৰ KYC তথ্য দাখিলৰ জৰিয়তেও ইণ্টাৰনেটৰ মাধ্যমত এটা একাউণ্ট খুলিব পাৰে। এই ক্ষেত্ৰত পইণ্টছ অৱ প্ৰেজেন্স (POP)সকলে তেওঁলোকৰ গ্ৰাহকৰ স্বাৰ্থ ৰক্ষাৰ প্ৰয়োজনত ইণ্টাৰনেট প'ৰ্টেলৰ এই সম্পৰ্কিত সেৱা আগবঢ়াব পাৰে। এন পি এছত যোগদানৰ পিছতে এজন বৰঙণি দিওঁতাই এটা পাৰ্মানেণ্ট ৰিটায়াৰমেণ্ট একাউণ্ট নাম্বাৰ লাভ কৰে আৰু এই নাম্বাৰটোৰে তেওঁ ভৌগোলিক পৰিৱেশ অথবা নিয়োগ নিৰ্বিশেষে সকলোতে নিজৰ দিবলগীয়া বৰঙণি জমা দিব পাৰে। এই ব্যৱস্থা প্ৰযুক্তি নিয়ন্ত্ৰিত হোৱা বাবে জমাকাৰীয়ে ইণ্টাৰনেট যোগে অথবা নিজৰ ম'বাইল যোগে NPS app সংযোজিত কৰি নিজৰ পেঞ্চন সম্পৰ্কিত সকলো তথ্য চাই থাকিব পাৰে।

কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ নেশ্বনেল পেঞ্চন ব্যৱস্থা কাৰ্যকৰীকৰণৰ অৰ্থে ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰণালয়ে ২০০৩ চনৰ ডিছেম্বৰ মাহত এখন অধিসূচনা জাৰি কৰিছিল। ইয়াৰ প্ৰয়োগ কৰিবৰ বাবে ভাৰত চৰকাৰৰ হিচাপ পৰীক্ষণ নিয়ন্ত্ৰক প্ৰবন্ধকে ২০০৪ চনৰ জানুৱাৰী মাহত এটা নিৰ্দেশ জাৰি কৰে। সেই নিৰ্দেশ মৰ্মে ২০০৪ চনৰ জানুৱাৰী মাহৰ পৰা ২০০৮ চনৰ মাৰ্চ মাহলৈকে কৰ্মচাৰীসকলৰ এন পি এছ বৰঙণি ৰাজহুৱা হিচাপ (Public Account)ৰ অন্তৰ্ভুক্ত কৰি তাৰ পৰিচালনাৰ দায়িত্ব কেন্দ্ৰীয় পেঞ্চন হিচাপ-ৰক্ষা কাৰ্যালয়ৰ ওপৰত ন্যস্ত কৰা হয়। পেঞ্চন ফাণ্ড ৰেগুলেটৰী ডেভেলপমেণ্ট অথ'ৰিটিৰ নীতি-নিৰ্দেশনাৰ আধাৰত সেই পুঁজি PFRDA নিয়োজিত ট্ৰাষ্টী বেংকৰ জৰিয়তে ২০০৮ চনৰ মাৰ্চ মাহৰ পিছত বজাৰলৈ প্ৰেৰণ কৰা হয়। ৮ শতাংশ হাৰত সেই ধনৰ সুদ ট্ৰাষ্টী বেংকলৈ ঘূৰি আহে পিছত কণ্ট্ৰলাৰ জেনেৰেল অৱ একাউণ্টছ, চৰকাৰৰ ব্যয় বিভাগ আৰু ছেণ্ট্ৰেল ৰেকৰ্ড কীপিং এজেন্সিয়ে ট্ৰাষ্টী বেংকলৈ ২০০৮ চনৰ ছেপ্টেম্বৰত এন পি এছ বৰঙণি সম্পৰ্কিত বিতং তথ্য প্ৰেৰণ কৰে। সেইদৰে ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী প্ৰশাসন মন্ত্ৰণালয়ৰ ফালৰ পৰা সৰ্বভাৰতীয় সেৱাৰ বিষয়াসকলৰ পেঞ্চন সম্পৰ্কীয় কাৰ্যকৰণৰ বাবে ৰাজ্যসমূহৰ মুখ্য সচিবালয়লৈ নীতি-নিৰ্দেশনা প্ৰেৰণ কৰা হয়।

নেশ্বনেল পেঞ্চন ছিষ্টেমে দুই প্ৰকাৰৰ একাউণ্টছৰ সুবিধা আগবঢ়ায়। টায়াৰ-১ (Tier-I) আৰু টায়াৰ-২ (Tier-II)। টায়াৰ-১ একাউণ্ট খোলাটো কৰ্মচাৰীসকলৰ বাবে বাধ্যতামূলক। আনহাতে টায়াৰ-২ একাউণ্ট বৈকল্পিক। অৰ্থাৎ বাধ্যতামূলক নহয়। টায়াৰ-১ একাউণ্টৰ পৰা আংশিকভাৱে ২৫ শতাংশ সীমা পৰ্যন্ত জমা ধন সন্তানৰ শিক্ষা, বিবাহ, ঘৰ-দুৱাৰ ক্ৰয় অথবা নিৰ্মাণৰ প্ৰয়োজনত, তেওঁৰ ওপৰত নিৰ্ভৰশীল পিতৃ-মাতৃ, সন্তান অথবা জীৱনসংগী/সংগিনীৰ বিশেষ বিশেষ-ভাৱে চিহ্নিত অসুখৰ চিকিৎসা ব্যয়ৰ বাদে জমাকাৰীয়ে উঠাই ল'ব পাৰে। এই ক্ষেত্ৰত মুঠ সঞ্চয়ন পৰ্বত তিনিবাৰ জমা ধন সৰ্বাধিক তিনিবাৰলৈ উঠাই ল'ব পাৰে। সেই ফালৰ পৰা বিনিয়োগ কৰাৰ তিনি বছৰ সম্পূৰ্ণ হোৱাৰ পিছত প্ৰথমবাৰৰ বাবে টায়াৰ-১ একাউণ্টৰ পৰা উঠাই লোৱা ধন সম্পূৰ্ণৰূপে কৰমুক্ত। আনহাতে টায়াৰ-২ একাউণ্টত স্বেচ্ছা-সঞ্চয়ৰ সৈতে বৰঙণি জমা ৰখা আৰু প্ৰত্যাহাৰ কৰিব পৰাৰ সুবিধা আছে। সি যি কি নহওক, এই টায়াৰ-২ একাউণ্টত বৰঙণি জমা অথবা প্ৰত্যাহাৰত কোনো ধৰণৰ কৰ ৰেহাইৰ ব্যৱস্থা নাই।

অৱসৰপ্ৰাপ্তিৰ সময় অথবা ৬০ বছৰ বয়স হোৱাৰ পৰত জমাকাৰী এজনে তেওঁৰ জমা বৰঙণিৰ পৰা ন্যূনতম ৪০ শতাংশ ধন উঠাই লৈ সাময়িক পেঞ্চনৰ বাবে পাৰমানেণ্ট ৰিটায়াৰমেণ্ট একাউণ্ট নাম্বাৰত জমা থ'ব আৰু বাকী ৬০ শতাংশ কৰমুক্ত হিচাপত উঠাই লোৱাৰ ব্যৱস্থা আছে। যদি ষাঠি বছৰ সম্পূৰ্ণ হোৱাৰ পূৰ্বেই জমাকাৰী এন পি এছৰ পৰা ওলাই যায়, তেতিয়া হ'লে তেওঁ মুঠ জমাৰ ৮০ শতাংশ বিনিয়োগ কৰিব

লাগিব আৰু বাকী ২০ শতাংশ মুঠ হিচাপত একেলগে উঠাই ল'ব পাৰিব। আনহাতে ৬০ বছৰ সম্পূৰ্ণ হোৱাৰ আগতেই যদি জমাকাৰীৰ মৃত্যু ঘটে তেতিয়া হ'লে তেওঁৰ উত্তৰাধিকাৰীয়ে মুঠ জমাৰ সমস্ত ধন কৰমুক্ত হিচাপে পোৱাৰ ব্যৱস্থা থাকে। সাম্প্ৰতিক বজাৰ দৰলৈ চাই একোজন জমাকাৰীয়ে তেওঁৰ সঞ্চিত ধন ৭০ বছৰ বয়স পৰ্যন্ত এন পি এছৰ পৰা উঠাই লোৱাৰো সৰ্বাধিক ৩ বছৰ কালৰ বাবে ৰখাই দিব পাৰে। অৱশ্যে এই সময়ছোৱাত তেওঁ ইচ্ছা কৰিলে বৰঙণি জমা কৰি যাব পাৰে।

**প্ৰবাসী ভাৰতীয়ৰ বাবে নেশ্বনেল পেঞ্চন ছিষ্টেম**

নেশ্বনেল পেঞ্চন ছিষ্টেমৰ অধীনত প্ৰবাসী ভাৰতীয়সকলেও তেওঁলোকৰ এন আৰ ই/এফ চী এন আৰ/এন আৰ অ' একাউণ্টৰ জৰিয়তে ধন জমা দি প্ৰত্যাবাসনযোগ্য (Repatriable) আৰু অ-প্ৰত্যাবাসনযোগ্য (Non-Repatriable) ভিত্তিক এন পী এছ একাউণ্ট খুলিব পাৰে। অ-প্ৰত্যাবাসনযোগ্য (Non Repatriable) এ পি এছ একাউণ্টৰ ক্ষেত্ৰত জমাৰ ম্যাদ সম্পূৰ্ণ হোৱাৰ সময়ত বা আংশিক উঠাই লোৱাৰ পৰত সেই ধনৰাশি উপভোক্তাই কেৱল তেওঁৰ এন আৰ অ' একাউণ্টতহে জমা কৰিব পাৰিব। প্ৰবাসী ভাৰতীয় এজনে আমাৰ দেশত এন পি এছ একাউণ্ট এটা কেৱল তেওঁৰ নিজৰ নামতহে খুলিব লাগিব, একাউণ্ট চলাবলৈ কাকো পাৱাৰ অৱ এটৰ্ণি দিয়াৰ ব্যৱস্থা নাই। যদি পইণ্ট অৱ প্ৰেজেন্সৰ জৰিয়তে বিদেশত এটা একাউণ্ট খোলা হয়, তেতিয়া হ'লে বৰঙণিৰ সীমা টায়াৰ-১ত সৰ্বনিম্ন ৬০০০/- আৰু টায়াৰ-২ত সৰ্বনিম্ন ২০০০/- হ'ব। পৰ্যায়ক্ৰমে উক্ত বৰঙণি জমাকাৰীৰ সুবিধা অনুযায়ী বছৰেকীয়া অথবা হ্ৰস্বকালীন হ'ব পাৰে। আনহাতে জমাকাৰীৰ পঞ্জীয়নৰ বাবে পইণ্ট অৱ প্ৰেজেন্সৰ ছাৰ্ভিচ ছাৰ্জ বা সেৱা কৰ ৮ মাৰ্কিন ডলাৰ অথবা স্থানীয় মুদ্ৰাৰ সমতুল্য হোৱাৰ লগতে পৰ্যায়ক্ৰমে বৰঙণিৰ হাৰ সৰ্বনিম্ন ১ মাৰ্কিন ডলাৰ অথবা স্থানীয় মুদ্ৰাৰ সম মূল্যৰ হ'ব লাগিব। সকলো অ-বিত্তীয় লেন-দেনৰ প্ৰতিটোতে ১ মাৰ্কিন ডলাৰ অথবা স্থানীয় মুদ্ৰাৰ সম মূল্য হ'ব লাগিব। যদি একাউণ্টো ভাৰতত খোলা হয়, তেতিয়া হ'লে টায়াৰ-১ একাউণ্টত প্ৰাথমিক আৰু বছৰেকীয়া বৰঙণি যথাক্ৰমে সৰ্বনিম্ন ৫০০/- আৰু ১০০০/- হ'ব। ভাৰতত খোলা একাউণ্ট আৰু তাৰ বৰঙণি মূল্য ভাৰতীয়ৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাৰ দৰে একেই হ'ব। যেনে একাউণ্ট খোলাৰ বাবদ ১২৫/- আৰু ০.২৫ শতাংশ বৰঙণি মূল্যৰে সৰ্বনিম্ন ২০/- আৰু সৰ্বোচ্চ ২৫,০০০/- সকলো অ-বিত্তীয় আদান-প্ৰদানৰ বাবে প্ৰতিটোতে ২০ টকাকৈ সেৱা কৰ ধৰা হয়।

**ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাত কৰৰ সুবিধা**

আয়কৰ আইনৰ অধীনত কৰ্মচাৰীৰ দৰমহাৰ (প্ৰাথমিকৰ লগত মৰগীয়া বানচ যোগ হৈ) ১০ শতাংশ নিজা বৰঙণি হিচাপে থাকিলে ১,৫০,০০০/- কৰ ছিলিং। এজন কৰ্মচাৰীয়ে কৰ্তৃপক্ষৰ পৰা দৰমহাৰ প্ৰাথমিক গাঁথনিৰ লগত মৰগীয়া বানচসহ ১০ শতাংশ বৰঙণি পুঁজি হিচাপে লাভ কৰে। তদুপৰি ৫০,০০০ টকা বিনিয়োগ সীমাৰে আছুতীয়াভাৱে এন পি এছ-লৈ পায়। সেই ফালৰ পৰা ১,৫০,০০০ টকা পৰ্যন্ত ছিলিং লাভ কৰে। সেইফালৰ পৰা এন পী এছ নিজৰ বৰঙণি পুঁজি বাবদ সামগ্ৰিকভাৱে ২ লাখ টকা পৰ্যন্ত কৰ ৰেহাই। তদুপৰি এজন কৰ্মচাৰী আৰু এজন স্ব-নিয়োজিত ব্যক্তিৰ মাজত সমতা অনাৰ বাবে বিত্ত আইন ২০১৭ৰ জৰিয়তে এজন কৰ্মচাৰীৰ মুঠ আয়ৰ ১০ শতাংশ কৰ কৰ্তন আৰু এজন স্ব-নিয়োজিত ব্যক্তিৰ আয়ৰ ২০ শতাংশ কৰ কৰ্তনৰ ব্যৱস্থা ৰখা হৈছে। নিয়োগকৰ্তা-সকলে ব্যৱসায়ৰ ব্যয় হিচাপেই প্ৰতিজন কৰ্মচাৰীৰ এন পী এছ একাউণ্টত দৰমহাৰ প্ৰাথমিক হাৰ আৰু মৰগীয়া বানচ যোগ কৰি ১০ শতাংশ বৰঙণি পুঁজিৰ বাবদ দিব পাৰে আৰু সেই ফালৰ পৰাই নিয়োগকৰ্তাসকলে কোনো সৰ্বোচ্চ সীমা অবিহনেই 36(I)(iv)(a) বা ৩৬(১) চতুৰ্থ (ক)ৰ অধীনত কৰ ৰেহাই পাব পাৰে।

**এন পী এছৰ অধীনত মাচুল আৰু মাননি**

ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাৰ একাউণ্ট খোলাৰ বাবদ পইণ্ট অৱ প্ৰেজেন্সক মাননি আৰু মাচুল আদায় দিয়া, একাউণ্ট নিয়মীয়াকৈ পৰিচালনা কৰা, ছেণ্ট্ৰেল ৰেকৰ্ড কীপিং এজেন্সিক মাচুলৰ আদান-প্ৰদান, এন পি এছ ট্ৰাষ্টৰ সংৰক্ষণ তথা সেৱা মাচুল— এই সকলোবোৰক একেলগে সামৰি ০.৫ শতাংশতকৈও কম পৰিমাণৰ মাচুল পৰিশোধেয়, যিটো বীমা কোম্পানী আৰু মিউচুৱেল ফাণ্ডৰ ক্ষেত্ৰত প্ৰযোজ্য অৱসৰোত্তৰ মাননিতকৈও কম।

**এন পী এছৰ বিনিয়োগ পৰিচালনা আৰু প্ৰতিদান**

**চৰকাৰী খণ্ডৰ জমাকাৰীসকলৰ বিনিয়োগ-আৰ্হি ঃ** এন পী এছত চৰকাৰী খণ্ডৰ কৰ্মচাৰীসকলে তিনি প্ৰকাৰে বিনিয়োগ কৰিব পাৰে। তিনি প্ৰকাৰৰ এই পেঞ্চন ফাণ্ড বিনিয়োজনৰ প্ৰথমটো হ'ল এছ বি আই পেঞ্চন ফাণ্ড, ইউ টী

আই ৰিটায়াৰমেণ্ট ছলিউছনছ্ আৰু এল আই চী পেঞ্চন ফাণ্ড। যোৱা বছৰটোত এই তিনিওটাতে হোৱা প্ৰভিডেণ্ট ফাণ্ডৰ বিনিয়োজনলৈ চাই পেঞ্চন ফাণ্ড ৰেগুলেটৰী এণ্ড ডেভেলপমেণ্ট অথ'ৰিটিয়ে বিনিয়োজনৰ বাবে কিছু নীতি-নিৰ্দেশনা জাৰি কৰিছে। সেইসমূহ হ'ল—

ক) গভৰ্ণমেণ্ট ছিকিউৰিটি (জামানত) আৰু সংশ্লিষ্ট চুক্তিপত্ৰত ৫০ শতাংশ পৰ্যন্ত
খ) বাধ্যতামূলক দলিল (Debt) আৰু সংশ্লিষ্ট চুক্তিপত্ৰত ৪৫ শতাংশ পৰ্যন্ত
গ) ইকুইটি আৰু সংশ্লিষ্ট চুক্তিপত্ৰত ১৫ শতাংশ পৰ্যন্ত
ঘ) হ্ৰস্বম্যাদী বাধ্যতামূলক দলিল সংশ্লিষ্ট চুক্তিপত্ৰত ৫ শতাংশ পৰ্যন্ত
ঙ) সম্পত্তিভিত্তিক, ন্যাস গাঁথনিগত আৰু মিশ্ৰিত বিনিয়োগত ৫ শতাংশ পৰ্যন্ত

চৰকাৰী চাকৰিয়ালৰ বাহিৰে অন্যান্যসকলে আঠটা পেঞ্চন পুঁজিত বিনিয়োগ কৰিব পাৰে। সেইসমূহ হ'ল— এইচ ডী এফ চী পেঞ্চন, মেনেজমেণ্ট কোম্পানী লিমিটেড, আই চী আই চী আই প্ৰুডেন্সিয়েল পেঞ্চন ফাণ্ড মেনেজমেণ্ট কোম্পানী লিমিটেড, কোটাক মাহিন্দ্ৰা পেঞ্চন ফাণ্ড লিমিটেড, এল আই চী পেঞ্চন ফাণ্ড লিমিটেড, ৰিলায়েন্স কেপিটেল পেঞ্চন ফাণ্ড লিমিটেড, এছ বী আই পেঞ্চন ফাণ্ড প্ৰাইভেট লিমিটেড, ইউ ডী আই ৰিটায়াৰমেণ্ট ছলিউছনচ লিমিটেড আৰু বিৰলা ছান লাইফ পেঞ্চন মেনেজমেণ্ট লিমিটেড। তদুপৰি জমা কৰিব খোজাসকলে তেওঁলোকৰ আয়ৰ সীমাৰেখা চাই বিনিয়োগৰ আৰ্হি পছন্দ কৰি ল'ব পাৰে। ইকুইটি অংশ, চৰকাৰী ছিকিউৰিটি আৰু কৰ্পোৰেট বণ্ড গোটেইখনিক একেলগে সামৰি এজন মানুহে ৫০ শতাংশ ইকুইটি অংশত বিনিয়োগ কৰিব পাৰে। যি ক্ষেত্ৰত চৰকাৰী ছিকিউৰিটি অথবা কৰ্পোৰেট বণ্ড/ডিবেন্‌চাৰত প্ৰতিটোতে ১০০ শতাংশ পৰ্যন্তলৈ যাব পাৰে। বিকল্প হিচাপে এজন জমাকাৰীয়ে জীৱন চক্ৰ পুঁজিৰ কথা চিন্তা কৰি তেওঁৰ বয়সৰ ভিত্তিত ৰক্ষণশীল জীৱন চক্ৰত ২৫ শতাংশ বিনিয়োগ কৰিব পাৰে। এই বিনিয়োগ ৩৫ বছৰলৈ হ'ব পাৰে। আনহাতে মধ্যমীয়া জীৱন চক্ৰত ৫০ শতাংশ আৰু দ্ৰুত জীৱন চক্ৰত ৭৫ শতাংশ বিনিয়োগ কৰিব পাৰে।

২০১৭ চনৰ ৩ জুন পৰ্যন্ত ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাত ১০.৭ নিযুত জমাকাৰীয়ে কৰা বিনিয়োগৰ পৰিমাণ ১৪২,২৬৩ কোটি টকা। সামগ্ৰিক সম্পত্তিৰ পৰিমাণ ১৮৪.৯৪৮ কোটি টকা। সমুদায় জমাকাৰীৰ ৪৯ শতাংশ চৰকাৰী কৰ্মচাৰীও ইয়াৰ ভিতৰত আছে। আনহাতে পৰিচালন কৰ্তৃপক্ষৰ/ সংস্থাৰ অধীনত থকা সম্পত্তিৰ মূল্য অংশ ৮৮ শতাংশ। যদি জমাকাৰীৰ পুঁজি বৰঙণি আৰু অটল পেঞ্চন যোজনাৰ পৰিচালন সংস্থাৰ অধীনত থকা সম্পত্তিৰ মূল্য যোগ কৰা হয়, তেতিয়া হ'লে মুঠ জমাকাৰীৰ সংখ্যা হ'বগৈ ১৬,১ কোটি, পুঁজি হ'বগৈ ১৪৪.৩৪০ কোটি টকা আৰু সংস্থাৰ অধীনত থকা সম্পত্তিৰ পৰিমাণ হ'বগৈ

**জমাকাৰী বৰঙণি আৰু এ ইউ এম (এছেট আণ্ডাৰ মেনেজমেণ্ট)**

| খণ্ড | জমাকাৰীৰ সংখ্যা | | সৰ্বমুঠ পুঁজি | | সৰ্বমুঠ এ ইউ এম | |
|---|---|---|---|---|---|---|
| | সম্পূৰ্ণ সংখ্যা | % | কোটি | % | কোটি | % |
| কেন্দ্ৰীয় চৰকাৰ | ১,৮১৯,৪৫৭ | ১৭.০ | ৫১,৩৩২ | ৩৬.১ | ৭০,৯৬৫ | ৩৮.৪ |
| ৰাজ্য চৰকাৰ | ৩,৪১২,৪৮৬ | ৩১.৮ | ৭২,৩৩১ | ৫০.৮ | ৯১,৫৯৬ | ৪৯.৫ |
| মুঠ | ৫,২৩১,৯৪৩ | ৪৮.৮ | ১২৩,৬৬৩ | ৮৬.৯ | ১৬২,৫৬১ | ৮৭.৯ |
| | ৬০৮,৪৩৪ | ৫.৭ | ১২,৯৫০ | ৯.১ | ১৬,০৯১ | ৮.৭ |
| | ৪৬০,৪৬৮ | ৪.৩ | ৩,৩৮৭ | ২.৪ | ৩,৫২০ | ১.৯ |
| | ১,০৬৮,৯০২ | ১০.০ | ১৬,৩৩৭ | ১১.৫ | ১৯,৫১০ | ১০.৬ |
| | ৪,৪২৪,৮০৬ | ৪১.৩ | ২,২৬৩ | ১.৬ | ২,৭৭৭ | ১.৫ |
| | ১১,৭২৫,৬৫১ | ১০০.০ | ১৪২,২৬৩ | ১০০.০ | ১৮৪,৯৪৮ | ১০০.০ |
| | ৫,৩৭২,৫১৮ | | ২,০৭৭ | | ২,২০৩ | |
| | ১৬,০৯৮,২৬৯ | | ১৪৪,৩৪০ | | ১৮৭,১৫১ | |

১৮৭,১৫১ কোটি। এই সম্পৰ্কত বিতং তালিকা দিয়া হ'ল।

সম্পত্তিৰ শ্ৰেণী আৰু ছিকিউৰিটিৰ মাধ্যমত এন পী এছৰ জমানত বৈচিত্ৰ্য পূৰ্ণভাৱে বিভাজিত কৰা হয়। বৰ্তমান এন পী এছৰ মুঠ জমানতৰ প্ৰায় ১৩.৫ শতাংশই ইকুইটি শ্বেয়াৰ, ৪৮ শতাংশ চৰকাৰী ছিকিউৰিটি, ৩৫.৫ শতাংশ কৰ্পোৰেট বণ্ড আৰু বাকীখিনি হ্ৰস্বম্যাদী বজাৰ উৎপাদনমুখী আহিলা হিচাপে ব্যৱহৃত হৈ আছে। অধিকতৰ প্ৰায় কৰ্পোৰেট বণ্ডৰ ৯৮ শতাংশই বাৰ্ষিক গড় অথবা উচ্চ হাৰ ছিকিউৰিটিৰ মাধ্যমত বিনিয়োগ কৰা হৈ আছে।

২০১৭ চনৰ এপ্ৰিল মাহৰ শেষৰ ফালে প্ৰৱৰ্তনৰ দিনৰে পৰা এন পী এছৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহ (মৌলিক বাৰ্ষিক হাৰ বৃদ্ধি)ৰ এন পী এছত ১০ শতাংশৰো বেছি। আঁচনি আৰু পেঞ্চন পুঁজি অনুযায়ী সবিশেষ তলৰ তথ্য তালিকাত সন্নিৱিষ্ট কৰা হ'ল।

এইদৰে ফলপ্ৰসূ কৰ ব্যৱস্থা আৰু ৫০,০০০ টকাৰ আকৰ্ষণীয় কৰ ৰেহাই, সৰল গাঁথনি, স্বচ্ছতা, অৱস্থান আৰু নিয়োগ নিৰ্বিশেষে বহনসাধ্যতা, পেঞ্চন পুঁজি আৰু ব্যয়ৰ আৰ্হি, নিম্ন পৰিচালন ব্যয় আৰু আকৰ্ষণীয় কৰ আৰু ৰেহাই ব্যৱস্থাৰ নেশ্বনেল পেঞ্চন ছিষ্টেম অৰ্থাৎ ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থা জমাকাৰীসকলৰ অৱসৰোত্তৰ জীৱনৰ চালিকা শক্তি হৈ আহিছে।

**আঁচনি আৰু পি এফ ৰিটাৰ্ণ**

| পেঞ্চন ফাণ্ড | এছ বি আই | ইউ টি আই | এল আই চি | কোটাক | ৰিলায়েন্স | আই চি আই চি আই | এইচ ডি এফ চি |
|---|---|---|---|---|---|---|---|
| কেন্দ্ৰীয় চৰকাৰ | ১০.৪৩ | ১০.০৬ | ১০.১৩ | | | | |
| ৰাজ্য চৰকাৰ | ১০.০৪ | ১০.১১ | ১০.২৩ | | | | |
| কৰ্পোৰেট কে:চ: | ১০.৬১ | | ১০.৭৯ | | | | |
| টায়াৰ-১ | ৯.৬৯ | ১১.৮১ | ১৩.৮৯ | ১০.৯৪ | ১১.০১ | ১১.৮৪ | ১৬.৮০ |
| | ১১.১৪ | ৯.৭৯ | ১১.৬১ | ১১.০৬ | ৯.৬৭ | ১১.১১ | ১১.৬৫ |
| | ১০.০৬ | ৮.৭৫ | ১২.৪৪ | ৮.৯৬ | ৮.৬৩ | ৩.০৩ | ১১.০৪ |
| টায়াৰ-২ | ৯.৩৩ | ৯.৬৪ | ৮.৯১ | ১০.০৮ | ৯.৫৯ | ৯.৩১ | ১২.৩১ |
| | ১০.৮০ | ৯.৯৯ | ৯.৯৪ | ৯.৮০ | ৯.৪৪ | ১১.০৪ | ৯.৯০ |
| এন পী এছ | ১০.২৯ | ৯.৮৬ | ১২.৬৩ | ৮.৮২ | ৮.৯৫ | ৯.২০ | ১১.৬৫ |
| | ১১.১০ | ১০.৯৬ | ১০.৯২ | ১১.১৮ | | | |

❒ ❒ ❒


## পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ বিষয় সম্ভাৰ

আগষ্ট ২০১ — **সামগ্ৰী আৰু সেৱা কৰ**

ছেপ্তেম্বৰ ২০১ — **সকলোৰে বাবে গৃহ**

উপৰোক্ত বিষয়ত অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**

পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩

ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# সামাজিক সুৰক্ষা ঃ গোলকীয় দৃশ্যপট

**চন্দ্ৰকান্ত লাহাৰিয়া***

'সামাজিক সুৰক্ষা' শব্দ দুটাৰ বিভিন্ন স্থিতি আৰু প্ৰসঙ্গত 'সামাজিক নিৰাপত্তা', 'সামাজিক কল্যাণ' আৰু আনকেইটামান এনেধৰণৰ একে ভাবধাৰাক প্ৰকাশ কৰিবৰ বাবে অদল-বদলকৈ ব্যৱহাৰ কৰা হয়। কিন্তু 'সামাজিক সুৰক্ষা' শব্দ দুটাহে অতি সাধাৰণতে ব্যৱহাৰ কৰা পৰিভাষা হৈ আহিছে। ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ বিষয়ক সাৰ্বজনীন ঘোষণাৰ ২২ অনুচ্ছেদত সামাজিক সুৰক্ষা ভাবধাৰা সম্বন্ধে (ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ প্ৰস্তাৱ ২১-ক, ১৯৪৮ চন) এনেদৰে উল্লেখ কৰিছে— "সমাজৰ এজন সদস্য ৰূপে প্ৰত্যেকৰে সামাজিক সুৰক্ষাৰ প্ৰতি অধিকাৰ আছে আৰু ৰাষ্ট্ৰীয় প্ৰচেষ্টা তথা আন্তঃৰাষ্ট্ৰীয় সহযোগৰ জৰিয়তে তাক উপলব্ধ কৰাৰো তেওঁৰ অধিকাৰ আছে। প্ৰত্যেক ৰাষ্ট্ৰৰ সংগঠন আৰু সম্পদ অনুসৰি সেয়া প্ৰদত্ত বিষয়— য'ত তেওঁৰ মৰ্যাদা তথা ব্যক্তিত্ব মুক্ত বিকাশৰ বাবে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ অপৰিহাৰ্য।" এই ঘোষণাৰেই ২৩ অনুচ্ছেদত আৰু কোৱা হৈছে— 'কাম কৰা প্ৰতিজন ব্যক্তিকেই পৰিপূৰক কৰিব লাগিব— সামাজিক সুৰক্ষা সাধনৰ অন্য উপায়সমূহৰদ্বাৰা যদিহে আৱশ্যক হয়।' আন্তৰ্জাতিক স্তৰত মানৱ অধিকাৰ বিষয়ক সাৰ্বজনীন ঘোষণাৰ ২২ অনুচ্ছেদক সামাজিক সুৰক্ষাৰ মূল আধাৰ ৰূপে বিবেচনা কৰিব পাৰি।

### সামাজিক সুৰক্ষাৰ ক্ৰমবিকাশ

ইতিহাসবিদসকলে প্ৰাচীন তথা মধ্য যুগৰ কালৰ পৰা সকলো সভ্যতা আৰু সমাজত স্থিতি লাভ কৰা সম্ৰাট তথা ৰজাসকলৰ উদাৰ দৃষ্টিভঙ্গী সম্বন্ধে তথ্যপাতি আগবঢ়াইছে। কিন্তু এনে ভাবধাৰাৰ এটা আধুনিক বিৱৰ্তন ঊনৈশ শতিকাৰ শেহ ভাগতহে আৰম্ভ হয়। জাৰ্মানীক সামাজিক সুৰক্ষা সাধন ব্যৱস্থাৰ পথিকৃৎ দেশ ৰূপে সততেই বিবেচনা কৰা হয়। তেতিয়াৰ ছেঞ্চেলৰ অটো ভন বিছমাৰ্কৰ নেতৃত্বত সেই দেশখনে এলানি জনহিতকৰ কাৰ্যসূচী আৰম্ভ কৰিছিল। সেই কাৰ্যসূচীসমূহ আছিল— কৰ্মীসকলৰ ক্ষতিপূৰণ প্ৰদান কাৰ্যসূচী (১৮৮৪), 'ৰোগ' বীমা কাৰ্যসূচী (১৮৮৮) আৰু সামাজিক বীমা কাৰ্যসূচী (১৯৮৯)। ঊনৈশ শতিকাৰ আগভাগত জাৰ্মানীসকলে এটা সৰ্বাত্মক সামাজিক সুৰক্ষা পদ্ধতিৰ ফল উপভোগ কৰিছিল।

প্ৰায় সেই একে সময়ছোৱাত (১৮৯৭ চন) ব্ৰিটেইনে 'ৱৰ্কমেনছ কম্পেনছেছন এক্ট' প্ৰণয়ন কৰিছিল। তাৰ পিছত ১৯১১ চনত প্ৰণয়ন কৰা আইনখন আছিল 'নেশ্বনেল ইনচুৰেঞ্চ এক্ট'। উক্ত চৰকাৰে দ্বিতীয় বিশ্ব মহাসমৰৰ পাছতেই প্ৰথম একীভূত সামাজিক সুৰক্ষা পদ্ধতিৰ ব্যৱস্থা কৰিছিল। এই সংস্কাৰ সাধন কাৰ্যৰ বাবে উইলিয়াম হেনৰী বিভাৰিজ নামৰ ব্ৰিটিছ অৰ্থনীতিবিদজনে প্ৰায়খিনি বাঃ বাঃ আদায় কৰে। এগৰাকী প্ৰগতিশীল আৰু সামাজিক সংস্কাৰক উইলিয়াম বিভাৰিজে উক্ত বিষয়ৰ সন্দৰ্ভত এখন প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰিছিল। সেই প্ৰতিবেদনক 'বিভাৰিজ প্লেন' ৰূপে জনা যায়। এই আঁচনিৰ ওপৰত আধাৰ কৰি গ্ৰহণ কৰা ব্যৱস্থা ব্ৰিটেইনৰ 'ৰাষ্ট্ৰীয় স্বাস্থ্য ব্যৱস্থা'ক আধুনিক কালৰ স্বাস্থ্য সেৱা প্ৰদান কৰাৰ ক্ষেত্ৰত এটা আৰ্হি ৰূপে বিবেচনা কৰা হয়।

আমেৰিকাই ১৯০০ আৰু ১৯২০ চনৰ ভিতৰত এই দৰ্শনৰ ক্ৰমবিকাশ হোৱা দেখা পাইছিল। সেয়া আছিল বৃদ্ধ বয়সৰ সাহায্য (পেঞ্চন) প্ৰদানৰ পৰা আৰম্ভ কৰি অৰ্থনৈতিক সুৰক্ষা সাধন তথা সদৌ শেষত সামাজিক সুৰক্ষা (সামাজিক বীমা সহ অৰ্থনৈতিক সুৰক্ষা) সাধন ব্যৱস্থা। ৰাষ্ট্ৰপতি ফ্ৰেংকলিন ৰুজভেল্টৰ দিনত 'ছ'চিয়েল চিকিউৰিটি এক্ট' প্ৰণয়ন কৰিছিল (১৯৩৫ চনত)। এই আইনখনেই ১৯৪৩ চনত 'ইউনিফাইড নেশ্বনেল ছ'চিয়েল ইন্সছুৰেঞ্চ চিষ্টেম' আৰম্ভণিৰ সূচনা

*লেখক চন্দ্ৰকান্ত লাহাৰিয়া হ'ল নতুন দিল্লীস্থিত বিশ্ব স্বাস্থ্য সংগঠনৰ সৈতে জড়িত নেশ্বনেল প্ৰফেচনেল অফিচাৰ। এগৰাকী চিকিৎসক হ'লেও ৰাজহুৱা নীতি, প্ৰশাসন, স্বাস্থ্য সম্পৰ্কীয় অৰ্থনীতি তথা জনস্বাস্থ্যৰ ক্ষেত্ৰত আগশাৰীৰ প্ৰশিক্ষণৰে সমৃদ্ধ ব্যক্তি। তেওঁ জনস্বাস্থ্য, সামাজিক সুৰক্ষা সাধন আৰু নিৰন্তৰ বিকাশ আদিৰ ক্ষেত্ৰত বিশেষজ্ঞৰূপে জনাজাত

কৰিছিল। ফ্রান্সতো ১৯৪৬ চনত পীৰে লাৰকিউৰ নেতৃত্বত এটা ৰাষ্ট্ৰীয় সামাজিক সুৰক্ষা পদ্ধতিৰ ব্যৱস্থা কৰিছিল। এটা সামাজিক সুৰক্ষাৰ ছত্ৰছায়াত দেশখনৰ সমগ্ৰ জনগণকেই ই সামৰি লৈছিল।

এই সময়ছোৱাতেই আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংগঠন আৰু ৰাষ্ট্ৰসংঘই আন্তৰ্জাতিক আইন তথা ব্যৱস্থাসমূহত সামাজিক সুৰক্ষা সাধন বিষয়টোক সবলভাৱে আৰু বাৰে বাৰে দোহাৰি উৎসাহ প্ৰদান কৰিছিল। এই ক্ষেত্ৰত ১৯৪৪ চনৰ আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংগঠনৰ ঘোষণাক এটা মূল মাইলৰ খুঁটি ৰূপে বিবেচনা কৰিব পৰা যায়। এই ঘোষণাত সামাজিক সুৰক্ষা সাধনৰ ক্ষেত্ৰত জড়িত থকা প্ৰতিষ্ঠানসমূহৰ মাজত উপযুক্তভাৱে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় কাৰ্য, সহযোগ আৰু জ্ঞান বিনিময়ৰ কাৰণে আহ্বান জনায়। উক্ত ঘোষণাই এইটো স্বীকৃতি প্ৰদান কৰে যে ৰাষ্ট্ৰসমূহে সামাজিক সুৰক্ষা ব্যৱস্থা দিহা কৰাৰ ক্ষেত্ৰত নিশ্চয়েই সমৰ্থন জনোৱা দৰকাৰ। যিসকল লোকৰ এনে সুৰক্ষা ব্যৱস্থাৰ প্ৰয়োজন আৰু চিকিৎসা যতন আৱশ্যক তেওঁলোকৰ সকলোলৈকে এটা মৌলিক উপাৰ্জনৰ ব্যৱস্থা কৰাৰ ক্ষেত্ৰতো দেশবোৰক সমৰ্থন জনোৱা কৰ্তব্য। ১৯৫২ চনত আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংগঠনে 'সামাজিক সুৰক্ষা (ন্যূনতম মানৰ) চনদ' গ্ৰহণ কৰে। এই চনদত সামাজিক সুৰক্ষাৰদ্বাৰা সামৰি ল'ব লগা বিষয়বোৰৰ তালিকা সন্নিৱিষ্ট কৰা হয় (১নং অনুবন্ধনত দ্ৰষ্টব্য)। এই চনদখন হ'ল মূল চনদ। মৌলিক সামাজিক সুৰক্ষাৰ সূত্ৰাৱলীৰ ওপৰত আধাৰিত একমাত্ৰ আন্তৰ্জাতিক ব্যৱস্থা— যি সামাজিক সুৰক্ষা সাধনৰ বাবে বিশ্বব্যাপী সমৰ্থিত ন্যূনতম মানক প্ৰতিষ্ঠা কৰিছে।

**আন্তৰ্জাতিক অভিজ্ঞতা**

সামাজিক সুৰক্ষা সাধনৰ ব্যৱস্থাবোৰক বহুলভাৱে স্বীকৃতি দিয়া হৈছে; কিয়নো ই হ'ল দুৰ্গতি প্ৰশমনকাৰক তথা স্পৰ্শকাতৰ অৱস্থাত পৰা লোকসকলক ৰক্ষা কৰাৰ এটা পদক্ষেপ বিশেষ। সামাজিক অসমতাৰ প্ৰভেদ নোহোৱা কৰা, দৰিদ্ৰতা আৰু ক্ষুধাৰ অৱসান ঘটোৱা তথা মানৱ মৰ্যাদা, সামাজিক ঐক্য আৰু গণতন্ত্ৰক শক্তিশালী কৰাৰ দিশতো ইয়াৰ ভূমিকা অনস্বীকাৰ্য। এনে ব্যৱস্থাবোৰক বিভিন্ন আন্তৰ্জাতিক লক্ষ্য আৰু চনদসমূহত সদায়েই আলোকপাত কৰা হয়। তাৰ ভিতৰত শেহতীয়াকৈ সমাপ্ত হোৱা সহস্ৰাব্দৰ বিকাশ লক্ষ্যৰ কথা ক'ব পাৰি আৰু সম্প্ৰতি অনুষ্ঠিত নিৰন্তৰ বিকাশ লক্ষ্যৰ সন্মিলনতো ই গুৰুত্ব পায়।

নিৰ্দিষ্ট কেইখনমান দেশত আগতীয়াকৈ কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা সত্ত্বেও নিম্ন তথা মজলীয়া ধৰণে উপাৰ্জন কৰা দেশসমূহত সামাজিক সুৰক্ষা ব্যৱস্থাৰ অগ্ৰগতি তেনেদৰে হোৱা নাই। বৰং এই গতি লেহেমীয়া। আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংগঠনে ২০১৪ চনত প্ৰকাশ কৰা প্ৰতিবেদনত বিশ্ব জনসংখ্যাৰ মাত্ৰ ২৭ শতাংশ লোকৰহে সৰ্বাত্মক সামাজিক সুৰক্ষা ব্যৱস্থাৰ সূচল প্ৰৱেশ ঘটিছে বুলি উল্লেখ কৰে। সামাজিক সুৰক্ষা ব্যৱস্থা সাধনৰ প্ৰয়াসত অৱশ্যে প্ৰত্যাহ্বানৰ বিষয়ো আছে আৰু তেনে দুটা প্ৰত্যাহ্বান হ'ল— নিৰন্তৰ গতি অটুট ৰখা আৰু সাৰ্বজনীনকৰণ কৰা।

প্ৰায়ভাগ দেশতেই সামাজিক সুৰক্ষা আঁচনি বছা বছা লোকৰ মাজত আৰম্ভ কৰে আৰু তেনেদৰে তাৰ হিত সাধনৰ দিশটোও সীমিত অৱস্থাৰ; আৰু সময় অতিবাহিত হোৱাৰ লগে লগে তেনে হিত সাধন আৰু জনসংখ্যাৰ পৰিব্যাপ্তি ঘটে। এই ক্ষেত্ৰত মাত্ৰ কেইখনমান দেশেহে আঁচনিখনক প্ৰায় সাৰ্বজনীন কৰি তুলিব পাৰে। কিন্তু নিম্ন তথা মজলীয়া উপাৰ্জনকাৰী দেশসমূহৰ ক্ষেত্ৰত ই এটা প্ৰত্যাহ্বানৰ বিষয় হৈ থাকে। সামাজিক সুৰক্ষা আঁচনিৰ ক্ষেত্ৰত সেই দেশবোৰৰ সীমিত ব্যৱস্থা থকাৰ বাবে অতি কম নিৰ্দিষ্ট লক্ষ্যৰ লোককহে সামৰি ল'ব পাৰে। গ্ৰহণ কৰা আঁচনিবোৰ কাগজতহে প্ৰত্যয়জনক, কিন্তু বৃহৎসংখ্যক লোক কাৰ্যতঃ ইয়াৰ পৰিধিৰ মাজলৈ আহিবলৈ এতিয়াও বাকী আছে। তদুপৰি নিৰ্দিষ্ট লক্ষ্যৰ লোকক চিনাক্ত কৰা বিষয়টোও কাৰ্যসূচী তৈয়াৰ কৰাৰ দিশৰ পৰা এটা ডাঙৰ প্ৰত্যাহ্বান হৈ আছে। সেয়ে এই আঁচনিবোৰ পৰিব্যাপ্তি তথা গভীৰতাৰ দিশত সাৰ্বজনীন ৰূপ ধাৰণ কৰাৰ পৰা বহু দূৰৈত আছে। গতিকে ক্ৰমাগত বিস্তাৰিতকৰণৰ সন্দৰ্ভত ৰাজনৈতিক দিশৰ পৰা মনোযোগ দিয়া প্ৰয়োজন হৈ পৰিছে। আঁচনি ৰূপায়ণ উপযুক্তভাৱে কৰা হৈছে নে নাই তাৰ ওপৰতো নিয়মীয়াকৈ চকু দিয়া কৰ্তব্য— যাতে জনগণৰ আশা আৰু এখন দেশৰ বিত্তীয় ক্ষমতা উভয়ৰেই তাল-মিল ৰাখিব পৰা যায়।

তেনেবোৰ কাৰ্য বৰ্তাই ৰখাৰ ক্ষেত্ৰত যদিও সামাজিক সুৰক্ষা কাৰ্যসূচী দেশভেদে প্ৰস্তুতি আৰু ৰচনাৰ ক্ষেত্ৰত সুকীয়া ধৰণৰ হয়, তথাপি জনগাঁথনি আৰু অৰ্থনৈতিক দিশত যি প্ৰেক্ষাপণ কৰা হৈছে সেইটোৱে ২০৫০ বৰ্ষৰ ভিতৰত সামাজিক সুৰক্ষা প্ৰচেষ্টাৰ বহুখিনি উন্নতি সাধন হ'ব বুলি আশা কৰা হৈছে। তাৰ শতাংশ হাৰ বহুকেইখন উন্নত দেশত মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় এক-পঞ্চমাংশ হ'ব। এই প্ৰসঙ্গত এইটো ক'ব পাৰি যে আয়ুস বঢ়াৰ লগে লগে কামৰ ফলাফলে এটা নিৰ্দিষ্ট ৰূপ ধাৰণ কৰিব আৰু আনহাতে কৰ্মঠ জনসংখ্যাই অৱসৰ গ্ৰহণৰ

বয়স লাভ কৰিব। ফলস্বৰূপে মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত অৱসৰ গ্ৰহণ খৰচৰ সমানুপাত হাৰ বাঢ়ি যাব। গতিকে সামাজিক সুৰক্ষা সাধন আঁচনিৰ পৰিব্যাপ্তি তথা জনগণৰ মাজত অধিক প্ৰৱেশ সাধনৰ ওপৰত মনোযোগ দিয়াৰ উপৰি ৰাষ্ট্ৰীয় চৰকাৰবোৰে জনগাঁথনি পৰিৱৰ্তনৰ লগে লগে সামাজিক সুৰক্ষা ব্যৱস্থাবোৰ যাতে বেয়াকৈ আক্ৰান্ত নহয় তাক নিশ্চিত কৰিবলৈ নিজাববীয়াকৈ বিত্তীয় পৰিকল্পনা কৰিব লাগিব।

বিকাশশীল দেশবোৰত সামাজিক সুৰক্ষা আঁচনিবোৰ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত অন্য এটা প্ৰত্যাহ্বানৰ বিষয় হ'ল সীমিত অৱস্থাৰ গ্ৰাহকক লাভ প্ৰদান কৰিবৰ কাৰণে যি প্ৰশাসনীয় কাৰ্য ব্যৱস্থাৰ আৱশ্যক হয় তাৰ বাবে প্ৰতিষ্ঠানমূলক ক্ষমতাৰ নাটনি হোৱা দেখা যায়। লক্ষ্য কৰা সৰহভাগ হিতাধিকাৰী অনানুষ্ঠানিক খণ্ডত নিয়োজিত হৈ থকাৰ হেতু তেওঁলোক প্ৰায়েই বিধানিক ব্যৱস্থাৰ পৰিসৰৰ পৰা বাদ পৰি যায় আৰু তাৰ ফলত আঁচনিসমূহত অৱিহণা যোগোৱা আৰু অংশগ্ৰহণ কৰাৰ সুবিধা নাপায়। সেই বিষয়টোলৈ মনোযোগ দি এনে নিৰ্দিষ্ট লক্ষ্যৰ সম্ভাব্য হিতাধিকাৰীসকলৰ ওপৰত গুৰুত্ব প্ৰদানৰ অৰ্থে এটা নতুন সমাধানৰ উপায় উলিওৱা হয়। সেই অনুযায়ী বিনা-বৰঙণিৰে সামৰি লোৱাৰ ব্যৱস্থা কৰি আঁচনি ৰূপায়িত হৈছে।

সামাজিক সুৰক্ষা আঁচনিসমূহ বিধিবদ্ধ কৰা এটা গুৰুত্বপূৰ্ণ আহিলা হ'ল দেশৰ সংবিধানে প্ৰদান কৰা নিৰ্দেশৰ জৰিয়তে তাৰ ব্যৱস্থা কৰা। অৱশ্যে যি ক্ষেত্ৰত প্ৰায়বোৰ দেশৰ সংবিধানত সামাজিক সুৰক্ষা সাধন বিষয়টোৱে প্ৰত্যক্ষ বা পৰোক্ষ স্থান পাব পাৰে, তেনে অৱস্থাত এইটোও দেখা গৈছে যে সামাজিক সুৰক্ষা ব্যৱস্থাৰ বাবে স্পষ্টভাৱে উল্লেখ থকা দেশবোৰ অন্য ৰাষ্ট্ৰতকৈ এনে ব্যৱস্থাৰ কাৰ্য ৰূপায়ণ কৰাৰ ক্ষেত্ৰত বহুত আগত আছে।

গোলকীয় স্তৰত সামাজিক সুৰক্ষা পদ্ধতিৰ বিৱৰ্তন সাধন কৰাৰ ক্ষেত্ৰত কেইটামান উদাহৰণ আছে। তাৰ ভিতৰত ফিনলেণ্ড হ'ল এখন দেশ— য'ত বিশ্বৰ ভিতৰত এটা অতি প্ৰগতিশীল আৰু বিক্ষিপ্ত সামাজিক সুৰক্ষা ব্যৱস্থা আছে। ফিনলেণ্ডত বাসিন্দাসকলক সামাজিক সুৰক্ষা আঁচনিৰদ্বাৰা সামৰি লোৱা হয় আৰু নিৰ্দিষ্ট জনসংখ্যাৰ কাৰণে ইয়াৰ সুকীয়া পদ্ধতি আছে। আৱাসিকভিত্তিক সামাজিক সুৰক্ষাৰ কাম কৰৰদ্বাৰা বিত্ত প্ৰদান কৰা হয় আৰু প্ৰশাসনৰ কাম চোৱাচিতা কৰে স্বায়ত্তশাসিত সংস্থাই। নিয়োগভিত্তিক উপাৰ্জন সম্পৰ্কিত সামাজিক সুৰক্ষাৰ বিত্ত বিষয় বেচৰকাৰী বীমা কোম্পানীসমূহৰ বৰঙণি তথা পেঞ্চন পুঁজিৰদ্বাৰা কৰা হয় আৰু প্ৰশাসনৰ দায়িত্বত থাকে ফিনিশ্ব ছেণ্টাৰ ফৰ্ পেঞ্চনছ্ প্ৰতিষ্ঠান। এইবোৰে সামাজিক বীমা তথা কল্যাণ ব্যৱস্থাবোৰকো সামৰি লয়। সামাজিক সুৰক্ষা ব্যৱস্থাৰ অংশ ৰূপে এই দেশখনৰ এটা সৰ্বাত্মক স্বাস্থ্য পদ্ধতি আছে। বিশ্বৰ বিভিন্ন অংশত থকা আন পাঁচখন দেশৰ সামাজিক সুৰক্ষা সাধনৰ ক্ষেত্ৰত কৰা প্ৰয়াস আৰু ব্যৱস্থা সম্বন্ধে ১নং তালিকাত উল্লেখ কৰা হৈছে।

দেশসমূহত গ্ৰহণ কৰা সামাজিক সুৰক্ষা পদ্ধতিৰ কিছুমান উমৈহতীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়। সেইবোৰ চমুকৈ তলত উল্লেখ কৰা হ'ল—

★ প্ৰায় সকলোবোৰ দেশেই আনুষ্ঠানিক খণ্ডৰ কৰ্মচাৰীসকলৰ বাবে বৃদ্ধ বয়সৰ পেঞ্চন আৰু অৱসৰ গ্ৰহণৰ পাছত পাব লগা লাভৰাশি আদি বিষয়বোৰ আঁচনিত অন্তৰ্ভুক্ত কৰিছে। ন্যূনতম বেতন ব্যৱস্থা আদিও ইয়াত ঠাই পাইছে। বহু দেশে এই আঁচনি অথবা প্ৰয়াসৰ অংশ ৰূপে অতিৰিক্ত জনসংখ্যা আৰু লাভৰ বিষয়কো অন্তৰ্ভুক্ত কৰিছে।

★ অতিৰিক্ত জনসংখ্যা সামৰি লোৱাৰ প্ৰয়াস বিষয়টো হ'ল উপ-বিকল্প আৰু প্ৰায়ভাগ চলিত লাভৰ পৰিব্যাপ্তি বিক্ষিপ্ত আৰু সাৰ্বজনীন ব্যৱস্থাতকৈ কম।

★ সামাজিক সুৰক্ষা ব্যৱস্থাৰ অংশ ৰূপে স্বাস্থ্য সেৱাক অন্তৰ্ভুক্ত কৰিবলৈ সাধাৰণভাৱে সন্মত হয় যদিও মাত্ৰ কেইখনমান দেশেহে সাৰ্বজনীন স্বাস্থ্য সেৱা বিস্তাৰিত-কৰণৰ অৰ্থে ব্যৱস্থা গ্ৰহণ কৰে।

★ ভালদৰে অগ্ৰগতি সাধন কৰা বহু দেশেই আঁচনিসমূহ সামৰি লৈ সমন্বিতভাৱে ৰূপায়ণ কৰিবলৈ প্ৰয়াস কৰে। এই প্ৰক্ৰিয়াত যোগান ধৰোঁতাসকলক তেনে সেৱা প্ৰদান কৰিবৰ বাবে ক্ৰয় কৰোঁতাসকলৰ (অৰ্থাৎ দায়িত্ব লোৱা) পৰা পৃথক কৰা হয় আৰু চৰকাৰৰ হৈ এটা স্বতন্ত্ৰবীয়া (কিম্বা তাতকৈ অধিক) তথা স্বায়ত্তশাসিত সংস্থাই এইবোৰ ব্যৱস্থা চোৱাচিতা কৰে।

★ ফেডাৰেল গাঁথনিত প্ৰদেশ আৰু ৰাজ্যসমূহে আঁচনি তৈয়াৰ তথা ৰূপায়ণ কৰে আৰু ৰাষ্ট্ৰীয় স্তৰত নীতি নিৰ্দেশনা তথা নিয়ামক ব্যৱস্থাৰ যোগান ধৰে। উদ্দেশ্য হ'ল সমগ্ৰ প্ৰক্ৰিয়াটোত সামঞ্জস্য অটুট ৰখা।

★ নতুন দৃষ্টিভঙ্গী আৰোপ, সংস্কাৰ সাধন তথা জ্ঞান আহৰণ আৰু এই সেৱাসমূহ সৰ্বাধিক ব্যৱহাৰৰ বাবে

তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ আহিলাবোৰক ব্যৱহাৰ কৰা হয়। তদুপৰি প্ৰয়োজন অনুযায়ী উপযুক্ত বিধানিক তথা ন্যায় ব্যৱস্থাৰে দেশবোৰে সেইবোৰ কাৰ্য ব্যৱস্থাক সহায়-সমৰ্থন কৰি আগুৱাই লৈ যোৱাৰ পক্ষপাতী।

**ভাৰতৰ কাৰণে সাতটা পথ**

স্বাধীনতা লাভৰ ৭০ বছৰৰ পিছত ভাৰত হ'ল তৰুণ জনসংখ্যাৰ এখন ৰাষ্ট্ৰ আৰু ইয়াৰ খৰতকীয়াকৈ বৃদ্ধি পোৱা এটা অৰ্থনীতি আছে। গোলকীয় লেহেমীয়া গতিয়ে ইয়াক তেনেদৰে আক্ৰান্ত কৰিব পৰা নাই আৰু সেয়ে সম্ভৱতঃ এয়া অতি উপযুক্ত সময় দেশখনত চলিত সামাজিক সুৰক্ষা পদ্ধতি শক্তিশালী কৰাৰ। ইয়াৰ আৰম্ভণিসূচক কাৰ্য ৰূপে ক'বলৈ গ'লে ভাৰতৰ সংবিধান। সামাজিক সুৰক্ষা ব্যৱস্থাৰ সন্দৰ্ভত সংবিধানত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ ৪ৰ্থ ভাগৰ অনুচ্ছেদ ৪১ আৰু ৪২ত কাম আৰু শিক্ষা গ্ৰহণ কৰাৰ ক্ষেত্ৰত থকা অধিকাৰৰ সুৰক্ষা সম্বন্ধে আলোচনা কৰাৰ উপৰি নিবনুৱা, বৃদ্ধ বয়স, ৰোগ আৰু শাৰীৰিকভাৱে অক্ষম হৈ পৰা অৱস্থাত সাহায্য প্ৰদান কৰা চিন্তা-চৰ্চাৰ বিষয় হৈ পৰে আৰু ইয়েই ন্যায়িক পৰিগাঁথনিৰ পথ প্ৰশস্ত কৰে— যাৰ জৰিয়তে সামাজিক সুৰক্ষা ব্যৱস্থাসমূহক বিস্তাৰ কৰা হয়।

বহু অৰ্থত ভাৰতক সামাজিক সুৰক্ষা কাৰ্য আগতীয়াকৈ আৰম্ভ কৰা দেশ ৰূপে বিবেচনা কৰিব পাৰি। ১৯২৩ চনতেই কাম কৰা লোকৰ ক্ষতিপূৰণ আইন ভাৰতত প্ৰণয়ন কৰা হৈছিল। নতুন আঁচনিবোৰত অতিৰিক্ত লক্ষ্যৰ জনসংখ্যাৰ বিষয়টো তালিকাত সংযোজন কৰা হয়। পিছে ভাৰতে সন্মুখীন হোৱা প্ৰত্যাহ্বানবোৰ বিশ্বৰ আন যিকোনো অংশৰ দৰে একে— ডুখৰীয়া আঁচনি, কমভাৱে কৰা ৰূপায়ণ কাৰ্য ইত্যাদি। তথাপি ইয়াৰ উৎকৰ্ষ সাধনৰ অৰ্থে ভাৰতে কিছু মনোযোগ দিয়া কৰ্তব্য আৰু সেইটোকে সাৰোগত কৰি কমেও তলত উল্লেখ কৰা সাতটা পদক্ষেপ গ্ৰহণ কৰিব পাৰে (২নং অনুবন্ধনৰ ভিতৰত দ্ৰষ্টব্য)।

**(ক) সাৰ্বজনীনকৰণৰ বাবে বিকাশ আৰু সন্মতি দান**

আন্তৰ্জাতিক অভিজ্ঞতাই পৰামৰ্শ আগবঢ়াই যে নিৰ্দিষ্ট লক্ষ্যৰ হিতাধিকাৰীসকলৰ অন্তৰ্ভুক্তিকৰণৰ কাৰণে এটা পদ্ধতিগত ব্যৱস্থা থাকিব লাগে, তাৰ অন্যথা তেওঁলোক বাদ পৰি যোৱাৰেই সম্ভাৱনা থাকে। সেয়ে এনে প্ৰয়াসৰ বাবে আঁচনি থাকিব লাগে আৰু যথেষ্ট ন্যায়িক ব্যৱস্থাসহ উচ্চ স্তৰৰ সন্মতিও লাভ কৰিব লাগে। কাৰ্য সম্পাদনৰ ক্ষেত্ৰত সঠিকভাৱে কি কৰিব লাগিব সেই সম্পৰ্কে চৰকাৰীভাৱে সবিশেষ দাঙি ধৰিব লাগে যাতে ৰাজহুৱাভাৱেও সেয়া উত্তৰদায়ী হৈ পৰে। ইয়াৰ বাবে সমৰ্থনসূচক প্ৰতিষ্ঠানমূলক ব্যৱস্থাৰ আৱশ্যক তথা কৰ্মক্ষম কৰি তুলিবৰ কাৰণে বৰ্তমানে থকা আঁচনিসমূহৰ মাজত সমন্বয় সাধন কৰা দৰকাৰ। শেহতীয়াকৈ হাতত লোৱা প্ৰয়াস, যেনে— আধাৰ কাৰ্ড, জন ধন যোজনা সামাজিক অন্তৰ্ভুক্তিকৰণৰ বাবে এটা উপযুক্ত মঞ্চ হ'ব পাৰে আৰু ইয়াক প্ৰয়োজনীয় কামবোৰ আগুৱাই লৈ যাবৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

**(খ) স্বায়ত্তশাসিত এটা ৰাষ্ট্ৰীয় সামাজিক সুৰক্ষা সংগঠন স্থাপনৰ বাবে বিবেচনা কৰক**

ভালেকেইখন দেশে সামাজিক সুৰক্ষা লাভ কিম্বা আঁচনিসমূহ চলাবৰ কাৰণে স্বায়ত্তশাসিত সংস্থা প্ৰতিষ্ঠা কৰিছে। ভাৰতত বহুত সামাজিক সুৰক্ষা ব্যৱস্থা আছে— যিবোৰ শোচনীয়ভাৱে ৰূপায়ণ কৰিবলৈ লোৱা হয়। সেয়ে এনে স্বায়ত্তশাসিত সংস্থা ৰাষ্ট্ৰীয় তথা ৰাজ্যিক পৰ্যায় উভয়তে প্ৰতিষ্ঠা কৰিলে কাৰ্যক্ষমতা তথা ৰূপায়ণ ফলদায়ক কৰি তুলিব। ই চৰকাৰক নীতি তৈয়াৰ কৰাত সুচল কৰিব তথা সংস্থাকো ব্যৱস্থাসমূহ পৰিচালনা কৰাত সুচল কৰিব।

**(গ) নতুনত্ব তথা সঙ্গতিপূৰ্ণ বিত্তীয় ব্যৱস্থাৰে সামাজিক খণ্ডৰ বিনিয়োগ আঁচনিৰ বিকাশ**

অভিজ্ঞতাৰ পৰা দেখা যায় যে দেশ এখনে সৰ্বাত্মক আৰু সাৰ্বজনীন সামাজিক সুৰক্ষা প্ৰদান ব্যৱস্থা আৰম্ভ কৰিবলৈ চহকী হোৱাৰ প্ৰয়োজন নহয়। বৰং সামাজিক সুৰক্ষা পদ্ধতিত বিনিয়োগ কৰা কাৰ্যই অৰ্থনৈতিক অগ্ৰগতি সাধনৰ সুবিধাকাৰক উপায় হ'ব পাৰে। ই প্ৰভূতভাৱে উপযোগী হ'ব যদিহে পৰৱৰ্তী ১৫ বা ২০ বছৰৰ কাৰণে সামাজিক সুৰক্ষা বিনিয়োগ আঁচনি সম্পদৰ আৱশ্যকতাৰ ক্ষেত্ৰত স্পষ্ট ধাৰণাসহ পৰিৱৰ্তিত জনগাঁথনিৰ বিষয়টো বিবেচনা কৰি বিকাশ কৰা হয়। ই তেনে আঁচনিবোৰৰ বাবে বিত্তীয় আবণ্টনৰ অৰ্থে এটা সঙ্গতিপূৰ্ণ তথা নিশ্চিত ব্যৱস্থা গ্ৰহণ পথ মুকলি কৰিব পাৰে আৰু তাৰদ্বাৰাই সেইবোৰ আঁচনি বৰ্তি থকাৰো নিশ্চয়তা দিব পাৰে। এই কাৰ্যৰ বাবে প্ৰয়োজন হ'লে বছা বছা আৰু নিৰ্দিষ্ট লক্ষ্যৰ লোকসকলৰ পৰা বাধ্যতামূলক বৰঙণি সংবিধান আৰু যি ন্যায় ব্যৱস্থা আছে তাক সংশোধন কৰি সংগ্ৰহ কৰিব লাগিব।

**(ঘ) একাত্মবোধ তথা জন সজাগতা আৰু প্ৰতিশ্ৰুতিৰ ওপৰত আলোকপাত**

সামাজিক সুৰক্ষা পদ্ধতিত একাত্মবোধ হ'ল এটা মূল সূত্ৰ— য'ত লোকসকলে অসুবিধাগ্ৰস্ততাত ভোগা

তথা কম ভাগ্যৱানসকলক সহায় কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হয়। ধনীয়ে দুখীয়াৰ বাবে থিয় হয়, শিক্ষিত লোকে কম শিক্ষা থকাসকলৰ বাবে থিয় হয় আৰু আনুষ্ঠানিক খণ্ডৰ (অৰ্থাৎ বিধিগতভাৱে কামত ব্ৰতী) কৰ্মচাৰী-সকলে নিবনুৱা কিম্বা অনানুষ্ঠানিক খণ্ডৰ কৰ্মচাৰীৰ প্ৰতি যথোপযুক্ত বিবেচনাৰ চকুৰে চায়। এনে ধৰণৰ প্ৰয়াসেৰে সমাজৰ লোকসকলক জড়িতকৰণৰ যোগেদি একাত্মবোধ জগাই তুলিব পাৰি। সজাগতা সৃষ্টিৰ প্ৰয়াসেৰে তেনে কৰিব পাৰি। এনেবোৰ কাৰ্যই বৰ্তমানে থকা আঁচনিবোৰ উপযুক্তভাৱে আগুৱাই লৈ যোৱাত বৰঙণি যোগাব পাৰে।

(ঙ) **সামাজিক সুৰক্ষা ব্যৱস্থাৰ অংশ ৰূপে সাৰ্বজনীন স্বাস্থ্য ৰক্ষা বিষয়ক সামৰি লোৱাৰ বিবেচনা কৰক**

ভাৰতত বছৰি প্ৰায় ৬৩ নিযুত লোক জেপৰ ধন খৰচ কৰি চিকিৎসা কৰিব নোৱাৰা স্বাস্থ্যজনিত কাৰণত দৰিদ্ৰতাৰ কৱলত পৰে। যিসকল লোক ইতিমধ্যে দাৰিদ্ৰ্য সীমাৰেখাৰ তলত আছে তেওঁলোক আৰু অধিক শোচনীয় অৱস্থাৰ হৈ পৰে। আনকথাত ক'বলৈ গ'লে স্বাস্থ্য সংক্ৰান্তীয় ব্যয় আৰু সাৰ্বজনীন স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থাৰ অভাৱে সকলো সামাজিক সুৰক্ষা সাধনৰ প্ৰয়াসক অকামিলা কৰি তুলিছে। আনকি দেশখনত দৰিদ্ৰতা হ্ৰাসকৰণৰ বাবে যিবোৰ প্ৰচেষ্টাক উদ্দেশ্য কৰি এটা ইপ্সিত লক্ষ্যত উপনীত হোৱা কথা ভবা হৈছে তাতো বাধাৰ সৃষ্টি হৈছে। দৰাচলতে ক'বলৈ গ'লে এনে অৱস্থাৰ আংশিক ৰূপ ধাৰণাৰ মূলতে হ'ল স্বাস্থ্যৰ ক্ষেত্ৰত চৰকাৰে ব্যয় কৰা পৰিমাণ তেনেই কম। ইয়াৰ মাত্ৰা হ'ল সৰ্বমুঠ স্বাস্থ্য শিতানত কৰা ব্যয়ৰ ৩০

১নং তালিকা ঃ **কেইখনমান নিৰ্বাচিত দেশৰ সামাজিক প্ৰচেষ্টাৰ থুল-মূল বিৱৰণ**

| দেশ | বিৱৰণ |
|---|---|
| **অষ্ট্ৰেলিয়া** | উপায়বিহীন লোকক সামাজিক কল্যাণ বিষয়ক অৰ্থ প্ৰদান কৰাৰ ব্যৱস্থা অষ্ট্ৰেলিয়াত আছে। তেনে ক্ষেত্ৰত এজন ব্যক্তি অথবা এখন ঘৰ ইয়াৰ বাবে উপযুক্ত হয়, যদিহে উপাৰ্জন কৰাৰ কোনো উপায় নাথাকে। সচৰাচৰভাৱে ধন পাওঁতাসকলৰ (যেনে— অৱসৰপ্ৰাপ্ত, প্ৰতিবন্ধী, নিবনুৱা, ৰোগী, সদ্যজাত শিশুৰ যতন লওঁতা পিতৃ-মাতৃ ইত্যাদি) উপৰি তেনে ব্যৱস্থাত ছাত্ৰ-ছাত্ৰী, যতন লওঁতা (ৰোগীৰ চোৱাচিতা কৰা) তথা আদিবাসীসকলক সামৰি লয়। অতিৰিক্তভাৱে পৰিপূৰক ধন দিয়াৰো ব্যৱস্থা আছে। |
| **চীন** | চীনৰ প্ৰদেশসমূহত সামাজিক সুৰক্ষা আঁচনিৰ প্ৰচলন আছে। বিধি-নিয়ম কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে, কিন্তু থলুৱা প্ৰাধিকৰণবোৰে ইয়াৰ প্ৰশাসন আৰু নিৰ্দিষ্ট কাম-কাজ সম্পৰ্কে মীমাংসা কৰে। যোৱা চাৰিটা দশকত এই আঁচনিবোৰৰ আমূল পৰিৱৰ্তন ঘটে। বহুত আঁচনি আৰু ব্যৱস্থাও আছে। কিছুমান মালিক আৰু কৰ্মচাৰীৰ বৰঙণিৰে পুঁজি পুষ্ট কৰা হয় আৰু কিছুমান সম্পূৰ্ণৰূপে নিয়োগকৰ্তাৰ বৰঙণিৰদ্বাৰা চলোৱা হয়। বীমা আঁচনিৰ ক্ষেত্ৰত ব্যক্তিৰ পূৰ্বৰ বছৰৰ উপাৰ্জনৰ ওপৰত ভিত্তি কৰি চিলিং সীমা বান্ধি দিয়া হয়। সামাজিক সুৰক্ষা অৱস্থালৈ বৰঙণি যোগোৱা নিৰ্দিষ্ট সীমাৰ বিষয়ো এই ক্ষেত্ৰত বিবেচনাধীন হয়। |
| **কিউবা** | কিউবাত সামাজিক সুৰক্ষা পদ্ধতি প্ৰায়েই সাৰ্বজনীন কৰা হয় আৰু বিত্ত প্ৰদানৰ গুৰুদায়িত্ব চৰকাৰে লয়। সামাজিক সুৰক্ষা ব্যৱস্থাৰ পৰিব্যাপ্তি বহু উন্নত দেশতকৈ অধিক বিস্তাৰিত। তদুপৰি কিউবাৰ বিক্ষিপ্ত বিনামূলীয়া স্বাস্থ্য ৰক্ষা ব্যৱস্থা আছে। এই দেশখনে এইবোৰ ব্যৱস্থাৰ সৰহভাগেই অধিক খৰগতিৰে লাভ কৰে আৰু তুলনামূলকভাৱে কম খৰচতেই সাধন কৰে। |
| **জাপান** | জাপানৰ এটা সামাজিক সুৰক্ষা পদ্ধতি আছে আৰু ই প্ৰায় সাৰ্বজনীন স্তৰৰ। প্ৰত্যেকৰ বাবেই এই পদ্ধতিত অংশগ্ৰহণ কৰাটো বাধ্যতামূলক, অন্ততঃ মতবাদৰ দিশৰ পৰা। দেশখনত আন কিছুমান বিষয় সামৰি লোৱাৰ ৰাজহুৱা সহায়ক কাৰ্যসূচী আছে। তেনে বিষয়বোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— জীৱন ধাৰণৰ মূল খৰচ-পাতি, বাসগৃহৰ ব্যয়, বাধ্যতামূলক শিক্ষা তথা কৌশল প্ৰশিক্ষণৰ খৰচ, স্বাস্থ্য বীমা আৰু শৱ দাহ কৰা কাৰ্য। এই |

শতাংশ। এয়া বিশ্বৰ ভিতৰত এটা ন্যূনতম ব্যয়। জনগণে জেপৰ ধন খৰচ কৰি যিবোৰ চিকিৎসা কৰাই সেয়া সৰ্বমুঠ স্বাস্থ্য ব্যয়ৰ ৬৫ শতাংশ— যিটো বিশ্বৰ ভিতৰত সৰ্বাধিক। ইয়াৰ পৰা এইটো প্ৰমাণিত হয় যে যেতিয়া চৰকাৰে স্বাস্থ্যৰ শিতানত বিনিয়োগ কৰে, তেতিয়া জনগণে কম পৰিমাণে ব্যয় কৰিব লগা হয়; আৰু দৰিদ্ৰতাৰ দিশলৈ চাই ই হৈ পৰে এটা সামাজিক সুৰক্ষা ব্যৱস্থা স্বৰূপ। তদুপৰি স্বাস্থ্যৰ ক্ষেত্ৰত কৰা বিনিয়োগে মুঠ ঘৰুৱা উৎপাদন আৰু অৰ্থনৈতিক বৃদ্ধি সাধনত লাভৰ মাত্ৰাত অধিকভাৱে বৰঙণি যোগায়। সেয়ে স্বতঃসিদ্ধভাৱেই বহু দেশে সামাজিক সুৰক্ষা পদ্ধতিৰ অংশ ৰূপে সামাজিক সুৰক্ষা বীমা ব্যৱস্থাৰ জৰিয়তে সাৰ্বজনীন স্বাস্থ্য পৰিব্যাপ্তিৰ পথ বাছি লৈছে। ভাৰত আৰু ইয়াৰ ৰাজ্যসমূহেও নিষ্ঠাৰে এই দিশত কাম আৰম্ভ কৰিব লাগে। চৰকাৰে স্বাস্থ্যৰ ক্ষেত্ৰত অধিক বিনিয়োগ কৰা আৱশ্যক আৰু সামাজিক স্বাস্থ্য পদ্ধতিৰ বাবে কাৰ্যকৰণৰ ব্যৱস্থাও গঢ়ি তোলা প্ৰয়োজন। ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাৰ দৰে আঁচনিবোৰ সু-অভিপ্ৰায়েৰে আৰম্ভ কৰা হয়, কিন্তু আঁচনিখনৰ ক্ষেত্ৰত কৰা বাৰ্ষিক ব্যয় স্বাস্থ্য যতনৰ বাবদ চৰকাৰে কৰা ১ শতাংশ ব্যয়তকৈ কম। সেই বাবে এইটো সুবিদিত যে এই আঁচনিৰ প্ৰভাৱ সীমিত অৱস্থাত আছে। সেয়ে এই আঁচনিখন আৰু প্ৰস্তাৱিত ৰাষ্ট্ৰীয় স্বাস্থ্য সুৰক্ষা আঁচনি আৰম্ভ কৰাৰ সময় হ'ল আৰু যথেষ্টভাৱে বিত্ত প্ৰদান কৰা দৰকাৰ— যাৰদ্বাৰাই সাৰ্বজনীন স্বাস্থ্য পৰিব্যাপ্তিৰ দিশত আগুৱাই যাব পাৰি আৰু তাৰ কাৰণে স্বাস্থ্যৰ ক্ষেত্ৰত বৰ্দ্ধিত পৰিমাণৰ বিনিয়োগৰ লক্ষ্য স্থিৰ কৰি কামত লাগিব পাৰি। সুখৰ বিষয় যে

| | |
|---|---|
| | পদ্ধতিৰ বহু বছৰৰ পৰা যথেষ্টভাৱে বিৱৰ্তন ঘটিছে আৰু ই বয়সস্থ লোকৰ পিনে গতি কৰা বহু দেশৰ বাবে উদাহৰণ ৰূপে কাম কৰিব পাৰে। |
| **ফিলিপাইনছ** | ফিলিপাইন সামাজিক সুৰক্ষা পদ্ধতি হ'ল ব্যক্তিগত পেছাদাৰী আৰু অনানুষ্ঠানিক খণ্ডত কাম কৰা লোকসকলৰ বাবে ৰাষ্ট্ৰ পৰিচালিত সামাজিক বীমা কাৰ্যসূচী। তিনিটা কাৰ্যসূচী সামাজিক সুৰক্ষা পদ্ধতিৰদ্বাৰা চলোৱা হয়। সেয়া হ'ল (ক) সামাজিক সুৰক্ষা কাৰ্যসূচী (খ) চিকিৎসা-যতন কাৰ্যসূচী আৰু (গ) কৰ্মচাৰী ক্ষতিপূৰণ কাৰ্যসূচী। চৰকাৰী কৰ্মচাৰীক এটা সুকীয়া চৰকাৰী পেঞ্চন পুঁজিৰ অধীনত সামৰি লোৱা হয় আৰু চৰকাৰী বীমা পদ্ধতিৰদ্বাৰা পৰিচালনা কৰা হয়। |

১নং অনুবন্ধন ঃ

**আন্তৰ্জাতিক শ্ৰমিক সংগঠনৰ চনদ অনুযায়ী সামাজিক সুৰক্ষাৰ সুবিধাসমূহ, ১৯৫২**

- ✪ **বৃদ্ধ বয়সৰ পেঞ্চন ঃ** এটা নিৰ্দিষ্ট বয়স অতিক্ৰম কৰি জীয়াই থকাসকলক সামৰি লোৱা হয়।
- ✪ **জীৱিত থকাসকলৰ লাভ ঃ** অন্নদাতাৰ মৃত্যুৰ ফলস্বৰূপে এগৰাকী বিধৱা অথবা ল'ৰা-ছোৱালীয়ে সহায়-সমৰ্থন হেৰুৱাৰ পিছত।
- ✪ **ৰোগাক্ৰান্ত ছুটীৰ লাভ ঃ** একেবাৰে অচল অৱস্থাৰ ফলত কাম কৰিবলৈ অসমৰ্থ হোৱাৰ বাবে উপাৰ্জনৰ ক্ষেত্ৰত স্থৱিৰতা আহিলে।
- ✪ **নিয়োগ অৱস্থাত আঘাত ঃ** কাম কৰি থকা অৱস্থাত দুৰ্যোগ অথবা ৰোগাক্ৰান্ত হেতু অন্নদাতাৰ চিকিৎসা, ৰোগী অৱস্থাৰ ছুটী, একেবাৰে অক্ষম কিম্বা মৃত্যু হোৱাৰ বাবে যি খৰচ-পাতি আৰু ক্ষয়-ক্ষতি হ'লে সামাজিক সুৰক্ষা ব্যৱস্থা।
- ✪ **প্ৰতিবন্ধীৰ লাভ ঃ** কোনো লাভজনক কাম-কাজত ন্যস্ত হ'বলৈ স্থায়ীভাৱে কিম্বা একাদিক্ৰমভাৱে অসমৰ্থ হৈ পৰা।
- ✪ **নিবনুৱা অৱস্থাত লাভ ঃ** কাম কৰিবৰ বাবে সামৰ্থ্যৱান লোক যি ৰক্ষিত অৱস্থাত থাকিব লগা হয় উপযুক্ত নিয়োগ লাভ কৰিব নোৱাৰাৰ হেতু আৰু অৰ্জনৰ পথ বন্ধ হৈ যোৱাৰ ক্ষেত্ৰত।
- ✪ **পৰিয়ালৰ লাভ ঃ** ল'ৰা-ছোৱালীক চোৱাচিতা কৰাৰ দায়িত্বৰ ক্ষেত্ৰত।
- ✪ **চিকিৎসা যতন ঃ** যিকোনো অচল অৱস্থাৰ ক্ষেত্ৰত চিকিৎসা (গৰ্ভধাৰণকে ধৰি)— কাৰণ যিয়েই নহওক।
- ✪ **গৰ্ভধাৰণ আৰু শিশু যতন লাভ ঃ** গৰ্ভধাৰণ আৰু পৰৱৰ্তী অৱস্থা তথা নৱজাতকৰ লালন-পালন কৰা হেতু অৰ্জনৰ পথ হ'লে।
- ✪ **সামাজিকভাৱে নিশ্চিত ৰূপত অন্য কাৰণবশত ঃ** ন্যূনতম উপাৰ্জন কৰিব নোৱাৰাসকলৰ বাবে সামাজিক সহায়।

অলপতে ভাৰতৰ ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি (২০১৭ চনৰ) সম্বন্ধে সবিশেষ প্ৰকাশ কৰা হৈছে আৰু তাৰ ৰূপায়ণে দেশখনত সাৰ্বজনীনভাৱে স্বাস্থ্য ৰক্ষাৰ পৰিব্যাপ্তি সাধন কৰা কাম-কাজক আগুৱাই নিয়াত বৰঙণি যোগাব।

(চ) **ৰাজ্য চৰকাৰসমূহৰদ্বাৰা নেতৃত্ব দানৰ পথ প্ৰদৰ্শন**

ভাৰতৰ দৰে ফেডাৰেল পদ্ধতিৰ দেশত ৰাজ্যসমূহেও সামাজিক সুৰক্ষা ব্যৱস্থা সাধনত এটা ডাঙৰ ভূমিকা গ্ৰহণ কৰিব লাগিব আৰু এনে ভূমিকা গ্ৰহণে সামাজিক সুৰক্ষাৰ প্ৰয়াসসমূহক সফল কৰি তুলিবৰ কাৰণে নতুন ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত চিন্তাৰ খোৰাক যোগাব আৰু পথো মুকলি কৰিব। কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সম্পদৰাজি সদ্যহতে সীমাবদ্ধ অৱস্থাত থকাৰ হেতু কাৰ্য ৰূপায়ণৰ ক্ষেত্ৰত যি প্ৰভেদ আহি পৰে তাক সমাধান কৰিবৰ কাৰণে এখন ৰাজ্যৰ ৰাজনৈতিক নেতৃত্ব দানৰ সঠিক প্ৰেক্ষাপট আৰু দায়বদ্ধতা থাকিলে তাক মীমাংসা কৰিব পৰা যায়। ভাৰতত বহু ৰাজ্য এনে অৱস্থাত আছে যি সামাজিক সুৰক্ষা আঁচনিবোৰ সাৰ্বজনীন কৰিবৰ কাৰণে দেশখনৰ বাকী অংশক পথ দেখুৱাব পাৰে। লগতে সাৰ্বজনীন স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থাৰাজিও বিস্তাৰ কৰিব পাৰে।

(ছ) **আইনী আৰু ন্যায় সংস্কাৰৰ বিষয় বিবেচনা কৰক**

সামাজিক সুৰক্ষা আঁচনিবোৰৰ চলন্তি অব্যাহত ৰাখিবৰ কাৰণে আইনী তথা ন্যায়িক সমৰ্থন লাভ কৰা আৱশ্যক আৰু এটা সময়ত কৰভিত্তিক বিত্তীয় ব্যৱস্থাৰ ঠাইত বাধ্যতামূলক বৰঙণিৰে কাম চলাব লাগিব। যিসকলে এনে বৰঙণি দিবলৈ সক্ষম তাৰ ওপৰত নিৰ্ভৰ কৰি উপযুক্তভাৱে পৰিচালনা কৰা প্ৰয়োজন হ'ব। অন্যথা আঁচনিসমূহ বৰ্তাই ৰখাটো হ'ব এটা প্ৰত্যাহ্বানৰ বিষয়। গতিকে ইয়াক ন্যায়িক ব্যৱস্থাৰে সমৰ্থন প্ৰদান কৰিব লাগিব আৰু প্ৰয়োজন হ'লে সংবিধান সংশোধন কৰি তাক সমৰ্থন জনাব লাগিব। এই প্ৰক্ৰিয়াটো দেশখনৰ বিশেষজ্ঞ তথা আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান আৰু নীতি বিষয়ক কাম-কাজত জড়িত প্ৰতিষ্ঠাৱান সংগঠনৰদ্বাৰা পৰিচালনা কৰিব লাগিব।

> ২নং অনুবন্ধন ঃ
>
> **সামাজিক সুৰক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত গোলকীয় ৰূপায়ণ অভিজ্ঞতাৰ পৰা ভাৰতৰ কাৰণে আগত থকা সাতটা পথ**
>
> (১) সাৰ্বজনীনকৰণৰ কাৰণে ভৱিষ্যৎ দৃশ্যপটৰ বিকাশ আৰু সন্মতি দান
> (২) এক স্বায়ত্তশাসিত ৰাষ্ট্ৰীয় সামাজিক সুৰক্ষা সংগঠন স্থাপনৰ বিবেচনা
> (৩) নতুনভাৱে প্ৰণোদিত বিত্তীয় ব্যৱস্থাৰে সামাজিক খণ্ডৰ বিনিয়োগৰ বিকাশ
> (৪) একাত্মবোধ তথা জন সজাগতা আৰু ন্যস্ত হৈ থকাৰ ওপৰত আলোকপাত
> (৫) সামাজিক সুৰক্ষা ব্যৱস্থাৰ অংশ ৰূপে সাৰ্বজনীন স্বাস্থ্য ৰক্ষাৰ বিস্তাৰিতকৰণ বিষয়ত বিবেচনা
> (৬) ৰাজ্য চৰকাৰসমূহৰদ্বাৰা আগতীয়া নেতৃত্ব দানৰ পদক্ষেপ
> (৭) আইনী আৰু ন্যায়িক সংস্কাৰ সাধনৰ বিবেচনা

**সামৰণি**

সামাজিক সুৰক্ষা ব্যৱস্থাৰ কাৰ্য ৰূপায়ণৰ ক্ষেত্ৰত যোৱা কেইটামান দশকত বিৱৰ্তন ঘটিছে আৰু ৰাজনৈতিক বিকাশৰ বিভিন্ন স্তৰত ভালেকেইখন দেশে লাভ কৰা অভিজ্ঞতাৰ পৰা শিক্ষাও লাভ কৰা হৈছে। সামাজিক সুৰক্ষা ভাৰতীয় সাংবিধানিক ব্যৱস্থাৱলীৰ অংশ হৈ আছে আৰু দেশখনত ক্ৰমাগতভাৱে অধিষ্ঠিত হোৱা চৰকাৰবোৰে বিভিন্ন পৰিসৰৰ ভিতৰত গুৰুত্ব আৰোপ কৰিছে। পিছে এই আঁচনিবোৰ আশানুৰূপ অৱস্থাত উপনীত হোৱা নাই। পৰিব্যাপ্তি আৰু প্ৰভাৱৰ ক্ষেত্ৰত এতিয়াও সীমিত অৱস্থাতেই আছে। ভাৰতে সাৰ্বজনীন তথা গতি প্ৰবাহ অটুট ৰখাৰ দিশত অগ্ৰগতি সাধন কৰিবৰ বাবে গোলকীয় জ্ঞানৰাজিক কামত লগাব পাৰে। সামাজিক খণ্ডৰ বিনিয়োগ আঁচনিৰ বিকাশৰ জৰিয়তে এনে কৰা সম্ভৱ। সংস্থাসমূহ আৰু এই আঁচনিত জড়িত পৰিকল্পনাৰ সমন্বয় সাধন, এনে আঁচনিৰ বাবে বিত্তীয় অৰিহণা যোগাবৰ বাবে জনগণৰ মাজত একাত্মবোধ জগাই তোলাৰ ক্ষেত্ৰত আলোকপাত আৰু ভাৰতৰ ৰাজ্যসমূহৰ নেতৃত্ব দানেৰে সেই কাম কৰা সম্ভৱ। তদুপৰি সাৰ্বজনীন স্বাস্থ্য ৰক্ষা ব্যৱস্থাক বিস্তাৰিত কৰিবলৈ লোৱা প্ৰয়াসক, এটা সামাজিক কল্যাণ সাধন কাৰ্য ৰূপে গুৰুত্ব সহকাৰে মনোযোগ দিয়া উচিত হ'ব। তেতিয়াহে ভাৰতত সামাজিক সুৰক্ষাৰ কাৰণে সাৰ্বজনীন আৰু বহনক্ষম ব্যৱস্থাই খৰতকীয়াকৈ তথা নিৰন্তৰভাৱে অৰ্থনৈতিক বিকাশ সাধনত বৰঙণি যোগাব; দৰিদ্ৰতাৰ মাত্ৰা হ্ৰাস আৰু নিৰন্তৰ বিকাশ লক্ষ্য লাভ কৰাৰ তথা দেশখনত সাৰ্বজনীন স্বাস্থ্য ৰক্ষা ব্যৱস্থাৰ পৰিব্যাপ্তি সাধন কৰাৰ ক্ষেত্ৰতো আশান্বিত ৰূপত আমাৰ চকুত ধৰা দিব। ❐

# পৰিপুষ্টিৰ গতিপথৰ বাবে কৃষিক অগ্ৰাধিকাৰ


**মৌচুমী দাস***

খাদ্য সুৰক্ষা হ'ল এনে এটা বহুমাত্ৰিক প্ৰক্ৰিয়া য'ত উৎপাদন, বিতৰণ, উপভোক্তাৰ পছন্দ আৰু ভোজন, অণুপোষক আৰু গুৰুপোষক দ্ৰব্য পৰ্যাপ্ত পৰিমাণে গ্ৰহণ আৰু সেইবোৰৰ আত্মীকৰণ আদি বিষয় জড়িত হৈ থাকে (দাস ২০১৬)। খাদ্য পদ্ধতি আৰু পৰিপুষ্টি স্থিতিৰ মাজত এটা দ্বিমুখী নৈমিত্তিক সম্পৰ্ক আছে (পিনষ্ট্ৰাপ-এণ্ডাৰছন, ২০০৭)। খাদ্য আৰু কৃষি সংস্থা (FAO ফাও)ৰ সংজ্ঞা অনুসৰি খাদ্য সুৰক্ষা একে পদ্ধতিৰে বোধগম্য কৰি তোলা হৈছে যাতে নীতি নিৰ্ধাৰণ কৰিবলৈ সুবিধা হয়।

খাদ্য নীতিৰ গাঁথনি সময়ৰ লগে লগে পৰিৱৰ্তনশীল প্ৰয়োজন আৰু চাহিদা অনুসৰি বিকশিত হয়। দক্ষিণ এছিয়া আৰু আফ্ৰিকা উপমহাদেশৰ উন্নয়নশীল দেশসমূহৰ লগতে বিশ্বৰ বহু দেশত এনে খাদ্য নীতি গ্ৰহণ কৰাহৈছে। পিনষ্ট্ৰাপ-এণ্ডাৰছন আৰু ৰাটছন (২০১১)ৰ দ্বাৰা এই গাঁথনিৰ অৱধাৰণা শেহতীয়া সকলো ভিন্নধৰ্মী মাত্ৰা আৰু গতিপথ সন্নিৱিষ্ট কৰি প্ৰস্তুত কৰা হৈছে।

তৎসত্ত্বেও ভাৰতত খাদ্য নীতি প্ৰস্তুতকৰণ বাহুল্যৰে ভৰা ধৰণৰ হৈ আহিছে। আদৰ্শগত প্ৰসংগ অথবা অতীতমুখী খাদ্য নীতিহে দেশখনত প্ৰচলিত। ৰাজহুৱা বিতৰণ ব্যৱস্থা (পি ডি এছ) সময়ৰ আহ্বান আছিল। দেশৰ অধিকসংখ্যক ৰাজ্যতে এই ব্যৱস্থা সফলভাৱে ৰূপায়িত হৈ আহিছে। তথাপি এই ব্যৱস্থাত বৃহৎ ত্ৰুটি, দুৰ্নীতি আৰু অপব্যয়, নিম্নমানৰ যোগান আৰু অৱনমিত মান পৰিলক্ষিত হৈছিল। সময়ৰ লগে লগে পি ডি এছৰ নামত বৃহৎ অপচয় হৈ আছে কাৰণ বহু ৰাজ্যই খাদ্য সুৰক্ষা প্ৰক্ৰিয়াত অন্য দিশসমূহৰ ওপৰত প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰা নাই। ইয়াৰ ভিতৰত অন্যতম হ'ল উপযুক্ত পৰিচ্ছন্নতা আৰু অনাময়, বৈচিত্ৰতাপূৰ্ণ খাদ্য গ্ৰহণ, মহিলা সবলীকৰণ ইত্যাদি। আশ্চৰ্যজনকভাৱে ৰাষ্ট্ৰীয় সুৰক্ষা আইন ২০১৩ অনুসৰি দেশত মূল খাদ্য শস্য বা বীজ শস্য (যেনে- চাউল, ঘেঁহু) বিতৰণতহে গুৰুত্ব প্ৰদান কৰা হৈছে। খাদ্য বৈচিত্ৰ্যৰ ওপৰত সমূলি গুৰুত্ব প্ৰদান কৰা হোৱা নাই আৰু বিশেষ জৰুৰী নোহোৱা সত্ত্বেও পি ডি এছ পুনৰুজ্জীৱিত বা নতুনকৈ আৰম্ভ কৰিবলৈ সকলো শক্তি প্ৰয়োগ কৰা হৈছে। টি পি ডি এছৰ সুবিধা লাভ কৰা বা নকৰা পৰিয়ালসমূহৰ শিশুসকলৰ মাজত পৰিপুষ্টি স্থিতিৰ কোনো পাৰ্থক্য নাই। বৰ্তমান আটাইতকৈ দৰকাৰী কথাটো হ'ল— কৃষিৰ পৰা পৰিপুষ্টিলৈ এই সমগ্ৰ প্ৰক্ৰিয়াটো গাঁথনিগতভাৱে একত্ৰিত হোৱাৰ থল আছে। ভাৰতে সহস্ৰাব্দৰ উন্নয়ন লক্ষ্য পূৰণ কৰিব নোৱাৰাৰ মূল কাৰণসমূহৰ ইও এটা। লক্ষ্য ১ অনুসৰি ভাৰতত অপুষ্টিত ভোগা শিশুৰ অনুপাত ৫৩.৫ শতাংশৰ পৰা (১৯৯০) ২০১৫ চনত ইয়াৰ অৰ্ধেক হোৱা উচিত। তৎসত্ত্বেও ২০০৫ চনত এই সংখ্যা ৪০ শতাংশ হয় যিটো ২৬ শতাংশ লক্ষ্যৰ বহু নিলগত।

**সক্ৰিয় গোলকীয় খাদ্য পদ্ধতি ঃ আন্তঃযোগাযোগ আৰু অভিচ্ছাদন**




উৎস ঃ **পিনষ্ট্ৰাপ এণ্ডাৰছন আৰু ৰাটছন (২০১১)**

***লেখিকা মৌচুমী দাস ইন্সটিটিউট অৱ ফাইনেন্সিয়েল মেনেইজমেণ্ট এণ্ড ৰিছাৰ্চৰ সহকাৰী অধ্যাপিকা।**

বহনক্ষম উন্নয়ন লক্ষ্য (এছ ডি জি)ই সহস্ৰাব্দৰ উন্নয়ন লক্ষ্যৰ (এম ডি জি) ঠাই লৈছে। এই লক্ষ্য পূৰণ হোৱাৰ আশা ক্ষীণ। ইয়াৰ কাৰণ হ'ল কৃষিৰ পৰা পৰিপুষ্টি সুৰক্ষালৈ গতিপথত দিবলগা গুৰুত্ব সুষম নহয়। এই কথা ৰাজ্য আৰু কেন্দ্ৰ উভয়ৰে ক্ষেত্ৰত প্ৰযোজ্য। বিভিন্ন গতিপথসমূহ হ'ল— (১) খাদ্যৰ উৎসৰূপে কৃষি, (২) খাদ্য আৰু অ-খাদ্য সামগ্ৰীৰ ব্যয়ৰ বাবে আয়ৰ উৎসৰূপে কৃষি, (৩) খাদ্য গ্ৰহণৰ ক্ষেত্ৰত প্ৰভাৱ পেলাব পৰা কৃষি নীতি আৰু খাদ্য মূল্য, (৪) কৃষিৰ ক্ষেত্ৰত পৰিয়ালৰ ভিতৰত সিদ্ধান্ত গ্ৰহণ আৰু সম্পদ আবণ্টনত মহিলা, (৫) কৃষিত মাতৃৰ অংশগ্ৰহণ আৰু শিশুৰ পৰিচৰ্যা আৰু খাদ্য খুওৱাত ইয়াৰ প্ৰভাৱ, (৬) কৃষিত মহিলাৰ অংশগ্ৰহণৰ ফলত তেওঁলোকৰ নিজৰ ওপৰত পৰা প্ৰভাৱ আৰু শিশুসকলৰ পুষ্টি আৰু স্বাস্থ্যৰ অৱস্থা। বহনক্ষম উন্নয়ন লক্ষ্য পূৰণৰ বাবে প্ৰয়োজন লক্ষ্য ১সম্বন্ধীয় বিভিন্ন উপ-লক্ষ্য পূৰণৰ বাবে বিভিন্ন দিশৰ ওপৰত গুৰুত্ব প্ৰদান (দৰিদ্ৰতাৰ পৰা মুক্তি), লক্ষ্য ২ (ভোকৰ পৰা মুক্তি), লক্ষ্য ৪ (সুস্বাস্থ্য আৰু কল্যাণ), লক্ষ্য ৬ (বিশুদ্ধ পানী আৰু অনাময়), লক্ষ্য ১২ (বহনক্ষম ভোজন আৰু উৎপাদন) আৰু লক্ষ্য ১৩ (জলবায়ুৰ বাবে পদক্ষেপ)

বিভিন্ন লক্ষ্য আৰু উপ-লক্ষ্যৰ উদ্দেশ্যে খাদ্য সুৰক্ষা অৰ্জন কৰিবলৈ লক্ষ্য স্থিৰ কৰা হয়। ইয়াৰ বাবে চৰকাৰী বিভাগসমূহ আৰু বিভিন্ন মন্ত্ৰালয়ৰ মাজত সুসমন্বয় থকা দৰকাৰ। ২০৩০ চনৰ ভিতৰত বহনক্ষম উন্নয়ন লক্ষ্য পূৰণ কৰিবলৈ চৰকাৰে ক্ষুদ্ৰ আৰু মজলীয়া ৰণকৌশল গ্ৰহণ কৰিব লাগে বুলি মই প্ৰস্তাৱ কৰিছোঁ। বহনক্ষম গোলকীয় খাদ্য শৃংখলৰ দিশে কাম কৰি বহনক্ষম উন্নয়নৰ লক্ষ্য পূৰণ কৰাটো বৰ্তমান সমগ্ৰ বিশ্বৰে কাম্য। বহনক্ষম উন্নয়ন লক্ষ্যৰ বাবে হ্ৰস্বম্যাদী পৰিকল্পনা নিম্নোক্ত ধৰণৰ হ'ব পাৰে।

**(ক) খাদ্য বৈচিত্ৰ্য ঃ উপেক্ষিত প্ৰয়োজন**

চৰকাৰে তাৎক্ষণিকভাৱে খাদ্য বৈচিত্ৰ্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰা বাঞ্ছনীয়। ভাৰতীয় খাদ্য পিৰামিড জনসাধাৰণৰ বাবে দুৰ্বোধ্য। ৰাষ্ট্ৰীয় পৰিপুষ্টি প্ৰতিষ্ঠানে (এন আই এন) এই পিৰামিডৰ আৰ্হি তৈয়াৰ কৰিছে। জনগণক শিক্ষিত কৰিবলৈ আমি কেতবোৰ সৰল অথচ চুম্বকধৰ্মী বিজ্ঞাপনৰ সহায় ল'ব লাগিব। উদাহৰণস্বৰূপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কৃষি বিভাগে শিশুৰ পৰা প্ৰাপ্তবয়স্কলৈ আটায়ে বুজিব পৰাকৈ ৰঙীণ প্লেটৰ ধাৰণাটো প্ৰচলন কৰিছে। প্লেটৰ খাদ্যৰ মিশ্ৰণসমূহক নিতৌ ৰঙে প্ৰতিনিধিত্ব কৰে। খাদ্যৰ বিভিন্ন গোট যেনে-বীজজাতীয়, মাহজাতীয়, ফল-মূল, পাচলি, মাংস আদিক এই ৰংবোৰে নিৰ্দেশ কৰে। বহলভাৱে, নিৰামিষ বা আমিষ খাদ্যৰ সকলোৰে বাবে ভাৰতীয় পৰিয়ালসমূহৰ ক্ষেত্ৰত এনে এটা সজাগতা অভিযানৰ চিন্তা কৰিব পাৰো।

আমি স্বাস্থ্য উপযোগী বাতৰি বা অভ্যাসৰ বিষয়ে সচেতনতা গঢ়ি তুলিছোঁনে? সংস্কৃতি আৰু স্থানীয় খাদ্য অভ্যাসৰ প্ৰতি প্ৰকৃত গুৰুত্ব প্ৰদান কৰিবলৈ আমি প্ৰস্তাৱ দাঙি ধৰিছোঁ। দেশৰ খাদ্য উৎপাদন, ভোজন আৰু প্ৰস্তুতকৰণৰ বৈচিত্ৰ্যৰ পৰিপ্ৰেক্ষিতত পৰম্পৰাগত পদক্ষেপ সফল হোৱা নাই। খাদ্য নীতি তৈয়াৰ কৰিবলৈ বিকেন্দ্ৰীকৰণ প্ৰশাসন আৰু দায়বদ্ধতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিলেহে সফল হ'ব। পুঁজি আবণ্টন বাস্তৱ ক্ষেত্ৰৰ পৰা তথ্য আহৰণৰ ভিত্তিতহে হোৱা উচিত। এই পদ্ধতি কাৰ্যকৰী হ'ব যদিহে বিভাগসমূহে একেলগে কাম কৰে। দেশৰ ভাল আন্তঃগাঁথনি যিকোনো নীতিৰ সফল ৰূপায়ণৰ বাবে আৱশ্যকীয় উপাদান (বিশ্ব বেংক, ২০০৩)। দাস (২০১৬)ৰ মতে বিচিত্ৰ খাদ্য গ্ৰহণ উন্নত কৰিবলৈ আন্তঃগাঁথনি, স্বাস্থ্যকেন্দ্ৰ আৰু বাতৰি কাকতৰ সহজলভ্যতা সহায়ক হয়।

**(খ) লক্ষ্যপ্ৰাপ্তিৰ ব্যৱস্থা পুনৰুজ্জীৱিতকৰণ ঃ পীড়িত কোন?**

দেশৰ অতি দৰিদ্ৰসকলৰ বাবে বিনামূলীয়া খাদ্যশস্যৰ এতিয়াও প্ৰয়োজন যদিও জনগণৰ বাকী অংশই কেলৰি সঠিক পৰিমাণতে গ্ৰহণ কৰি আহিছে। গ্ৰামাঞ্চল আৰু নগৰাঞ্চলত কেলৰি গ্ৰহণৰ পৰিমাণৰ অৱনতি ঘটাটো স্পষ্ট। বীজজাতীয় আৰু মাহজাতীয় শস্যৰ বাহিৰে আন খাদ্য-সামগ্ৰী ৰাজ-সাহায্যযুক্তৰূপে যোগান ধৰাটো কঠিন, (নিৰ্বাচিত ৰাজ্যত বিতৰণ কৰা হয়)। আমি শাক-পাচলি, ফল-মূল, গাখীৰ, কণী, মাংস আদিৰ উৎপাদনকাৰীলৈ উদ্‌গনি আগবঢ়োৱা বাঞ্ছনীয়; সেই অঞ্চলত উৎপাদন আৰু ভোজনৰ প্ৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি উদ্‌গনি প্ৰদান কৰিব পৰা যায়। উদাহৰণস্বৰূপে শেহতীয়া অধ্যয়ন অনুসৰি, আহাৰৰ মান বৃদ্ধি কৰিবলৈ মাহজাতীয় শস্যৰ উৎপাদন বৃদ্ধিত উৎসাহ প্ৰদান কৰা উচিত। ভাৰতত শীতল ভঁৰালৰ অভাৱ এটা ডাঙৰ সমস্যা যদিও বিতৰণ আৰু সহজলভ্যতা অধিক সুবিধাজনক কৰি পুষ্টিকৰ আহাৰ গ্ৰহণৰ পৰিমাণ বৃদ্ধি কৰিব পাৰি। কিছুমান ৰাজ্যত প্ৰৱৰ্তন কৰা বিদ্যালয়ৰ মধ্যাহ্ন ভোজন কণী, মাহজাতীয় আৰু বীজজাতীয় আহাৰৰ মিশ্ৰণেৰে অধিক পুষ্টিকৰ কৰি তুলিব পাৰি।

**দাৰিদ্ৰ সীমাৰেখাৰ খাদ্য উপাদান উন্নীতকৰণ ঃ** ৰংগৰাজন আৰু তেণ্ডুলকাৰ সমিতি দুখনেই কেলৰিৰ বাহিৰেও অন্য পুষ্টিকাৰক উপাদানত গুৰুত্ব চিহ্নিত কৰিছে। দাৰিদ্ৰ্য সীমাৰেখাৰ গণনাত এইবোৰ অন্তৰ্ভুক্ত কৰা হয়। আমি প্ৰস্তাৱ কৰোঁ যে 'ভাৰতৰ বাবে খাদ্য সূচাংক' নামৰ খাদ্য বৈচিত্ৰ্যৰ পদক্ষেপ গ্ৰহণ কৰা হওক। ই দৰিদ্ৰ পৰিয়ালসমূহক তেওঁলোকৰ খাদ্য গ্ৰহণৰ সময়ত বৈচিত্ৰ্যক আকোঁৱালি ল'বলৈ উৎসাহিত কৰিব। এই সূচাংকই দৰিদ্ৰ পৰিয়াল-সমূহক চিনাক্ত কৰাত সহায় কৰে— আমিষ বা নিৰামিষ আহাৰ যিয়েই নহওক। দাৰিদ্ৰ্য সীমাৰেখাডাল স্পষ্ট হোৱা দৰকাৰ যাতে সহজে পীড়িত হ'ব পৰা পৰিয়ালসমূহক সহায় কৰিব পৰা যায়।

**(গ) ডিজিটেল সমাধান ঃ স্থানান্তৰ আৰু চিনাক্তকৰণ**

ৰাজহুৱা বিতৰণ ব্যৱস্থা যিবোৰ অঞ্চলত সফলভাৱে ৰূপায়িত হৈছে সেইবোৰত নগদ ধন স্থানান্তৰ সাৱধানতাৰে কৰা উচিত। কাৰণ ইয়াৰ জৰিয়তে পৰিয়ালৰ খাদ্য সুৰক্ষা নিশ্চিত কৰা হয়। পৰিয়ালসমূহৰ প্ৰধান খাদ্য আৰু অন্যান্য পুষ্টিকৰ খাদ্যৰ ওপৰত নিৰ্ভৰ কৰি এই ধনৰ হীন-ডেঢ়ি হ'ব পাৰে। ৰাজহুৱা বিতৰণ ব্যৱস্থাত উন্নত মানৰ খাদ্যশস্য বিতৰণত গুৰুত্ব প্ৰদান কৰা উচিত। এই প্ৰসংগত মহিলাৰ সবলীকৰণ জৰুৰী। সাধাৰণতে পৰিয়ালৰ জ্যেষ্ঠা মহিলাগৰাকীয়ে ঘৰখনৰ সিদ্ধান্ত গ্ৰহণ কৰে।

**(ঘ) সমৃদ্ধি আৰু স্থূলতা ঃ আওকণীয়া চহকী লোকে নিজকে অত্যধিক চাপত ৰাখিছে নেকি?**

পুষ্টিহীনতাৰ বাহিৰেও ভাৰতৰ বহু লোকে স্থূলতা আৰু অণুপোষক দ্ৰব্যৰ অভাৱত ভুগি ৰোগাক্ৰান্ত হৈছে। মধ্যবিত্ত আৰু চহকী শ্ৰেণী পাছৰবিধৰ চিকাৰ হৈছে। নগৰী-কৰণৰ দ্ৰুতগতি, দাম, জীৱনশৈলী, মেদযুক্ত আৰু তেলযুক্ত খাদ্যৰ সুলভতা আৰু অত্যধিক বিপণন হ'ল ইয়াৰ মূল কাৰণ। গতিকে ধনী লোকসকলকো তথ্যৰ যোগান ধৰিব লাগিব। মধুমেহ, হাৰ্ট এটেক, উচ্চ ৰক্তচাপৰ দৰে নোসোঁচৰা ৰোগক আমন্ত্ৰণ কৰি নিজকে চাপত ৰখা কথাটো তেওঁলোকে বুজিব পাৰিব লাগিব। সামগ্ৰিকভাৱে সমাজত পুষ্টিহীনতাৰ তিনিটা বোজাই অৰ্থনৈতিক ব্যয় বৃদ্ধি কৰে আৰু মুঠ ঘৰুৱা উৎপাদনত প্ৰভাৱ পেলায়।



**(ঙ) খাদ্য সুৰক্ষা, ক্ষতি আৰু অপব্যয় ঃ**

এয়া ক্ৰমবৰ্ধমান সমস্যা। ৰাজহুৱা বিতৰণ ব্যৱস্থাত অপব্যয় আৰু দুৰ্নীতিয়ে ভৰ দিয়াৰ উপৰি শীতল ভঁৰালৰ অভাৱৰ বাবে যথেষ্ট পৰিমাণৰ খাদ্যৰ অপচয় হয়। গৱেষণালব্ধ প্ৰাক্কলন উপযোগী হ'লেও আমি কম ব্যয়সাপেক্ষ সমাধানেৰে খাদ্যৰ অপচয় আৰু ক্ষতি হ্ৰাস কৰিব পাৰো। খাদ্য সুৰক্ষাৰ সৈতে উৎপাদন আৰু সংৰক্ষণত কম পৰিমাণৰ ৰাসায়নিক দ্ৰব্য ব্যৱহাৰৰ বিষয়টো জড়িত হৈ থাকে। বৰ্তমানলৈ খাদ্য সুৰক্ষা সম্বন্ধীয় কোনো প্ৰতিবেদন ৰাজহুৱাভাৱে প্ৰকাশ নোপোৱাটো ভাৰতৰ বাবে উদ্বেগজনক বিষয়। উদাহৰণস্বৰূপে এনলাটক্সিন মানৱ দেহৰ বাবে অপকাৰী। ই শিশুৰ লগতে প্ৰাপ্তবয়স্কৰো পুষ্টিহীনতা আৰু পুৰণি ৰোগ বৃদ্ধিত ইন্ধন যোগায়। ভাৰতৰ পশুধন পালকসকলে গ্ৰহণ কৰা সুৰক্ষা-মূলক পদক্ষেপ বহুকেইটা কাৰকৰ দ্বাৰা প্ৰভাৱিত আৰু কেৱল উচ্চ মূল্যইহে এই খৰচৰ জোৰা মাৰিব পাৰে।

ভাৰতৰ খাদ্য সুৰক্ষা ব্যৱস্থা সামগ্ৰিক হোৱা উচিত। সামগ্ৰিক ব্যৱস্থাইহে পুষ্টিহীনতাৰ তিনিটা বোজা লাঘব কৰিব পাৰিব। ওপৰত আলোচনা কৰাধৰণে ভাৰতত সামগ্ৰিক খাদ্য নীতি গাঁথনি কেতিয়াও মানি চলা হোৱা নাই। ইয়াৰ পৰিবৰ্তে কাৰ্যসূচীসমূহ জৰুৰী-কালিন আৰু তাৎক্ষণিক হোৱা পৰিলক্ষিত হয় যাতে বিভিন্ন ধৰণে জড়িত লোকসকলৰ সমস্যাৰ জোৰা মাৰিব পাৰি। সেইবাবে বহনক্ষম উন্নয়ন লক্ষ্যৰ কথা সাৰোগত কৰি হ্ৰস্বম্যাদী আৰু মধ্যম্যাদী লক্ষ্য স্থিৰ কৰি লোৱা উচিত। কৃষিৰ পৰা পৰিপুষ্টি গতিপথলৈ এই লক্ষ্য আগত ৰাখি সন্মিলিত বিভাগৰ অৱধাৰণা মনত লৈ তাৎক্ষণিক প্ৰয়োজনৰ ওপৰত ভিত্তি কৰি পুঁজি আবণ্টন থকা উচিত। বহনক্ষম উন্নয়ন লক্ষ্যৰ ভিতৰুৱা সূচাংক আৰু উপ-লক্ষ্যৰ তালিকাই তথ্যভিত্তিক নীতি ৰূপায়ণত কাৰ্যকৰী ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি। ইয়াৰ লগতে অন্যান্য অত্যাধুনিক কৌশল পৰিপূৰক-ৰূপে থকা উচিত। তেতিয়াহে বহনক্ষম উন্নয়নৰ লক্ষ্য পূৰণ হোৱাৰ পথত আগবাঢ়িব পৰা যাব। ❒

# স্বাস্থ্যকৰ শিকন পৰিৱেশ প্ৰতিপালন

**কিৰণ ভাট্টি***

সামাজিক সুৰক্ষা বুলিলে কল্যাণ সাধনৰ সাধাৰণ ভাৱধাৰাকে বুজায়; আৰু তাৰ কাৰণে যিবোৰ ব্যৱস্থা গ্ৰহণ কৰা হয় সেইবোৰে সকলো নাগৰিকৰে সুৰক্ষা নিশ্চিত কৰাৰো পথ প্ৰশস্ত কৰে। ইয়াৰ বাবে বিশেষভাৱে চৰকাৰ জড়িত হৈ পৰাটো এটা উল্লেখনীয় বিষয়— যাৰদ্বাৰা হিত সাধন কিম্বা সেৱাসমূহৰ মৌলিক আৱশ্যকতা পূৰণ কৰাত জড়িত হৈ পৰে আৰু তাৰ জৰিয়তে নাগৰিক-সকল একোটা মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰিবলৈ সমৰ্থৱান হয়। ইয়াৰ মৌলিক বিচাৰ সামাজিক প্ৰতিশ্ৰুতি বা অঙ্গীকাৰৰ ওপৰত প্ৰতিষ্ঠিত— যিটোৱে মুক্তভাৱে সকলোৰে কাৰণে সমন্বয় সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু তাৰদ্বাৰা সকলোলৈকে কল্যাণ তথা সুৰক্ষা সাধনৰ পথ মুকলি কৰে। সামাজিক প্ৰতিশ্ৰুতিক গণতান্ত্ৰিকভাৱে গঢ় লৈ উঠা চৰকাৰৰ এবিধ আধাৰস্বৰূপ জ্ঞান কৰি বহুলভাৱে স্বীকৃতি দিয়া হয়।

সামাজিক সুৰক্ষাৰ ইতিহাস চিহ্নিত কৰিবলৈ কঠিন হ'লেও সেই প্ৰাচীন কালৰ ৰোমান সাম্ৰাজ্যৰ পৰা আৰম্ভ কৰি বিভিন্ন ৰাজশাসনৰ অধীনত সুৰক্ষা প্ৰদান ব্যৱস্থাৰ পৰিচয় পোৱা যায়। দুখীয়া লোকসকলক বিনামূলীয়া খাদ্যশস্য বিতৰণৰ সাক্ষ্য প্ৰমাণ লিপিবদ্ধ কৰা তথ্যসমূহত আছে। পৰৱৰ্তী কালছোৱাত ইংৰাজৰ দৰিদ্ৰ বিষয়ক আইন (১৬০১) আৰু আমেৰিকাৰ সামাজিক সুৰক্ষা আইন (১৯৩৫) বেচ জনজাত— যাৰদ্বাৰা একেই চিন্তাধাৰাৰে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। অৱশ্যে সামাজিক সুৰক্ষা সাধনৰ ক্ষেত্ৰত সাধাৰণভাৱে অতি ভালদৰে বুজিব পৰা আৰু গ্ৰহণযোগ্যতা সম্পৰ্কে সম্ভৱতঃ মানৱ অধিকাৰ বিষয়ক সাৰ্বজনীন ঘোষণাৰ (১৯৪৮) ২২ অনুচ্ছেদত খোদিত কৰা হয়। তাৰ বিশ্লেষণ এনে ধৰণৰ— "প্ৰত্যেকেই সমাজৰ এজন সদস্যৰূপে সামাজিক সুৰক্ষাৰ প্ৰতি অধিকাৰ আছে আৰু ৰাষ্ট্ৰীয় প্ৰচেষ্টা তথা আন্তৰ্জাতিক সহযোগৰ জৰিয়তে তাক উপলব্ধ কৰাৰো তেওঁ অধিকাৰী। এই অধিকাৰ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশত প্ৰতিখন ৰাষ্ট্ৰৰ সংগঠন তথা সম্পদ অনুযায়ী তেওঁৰ মৰ্যাদা তথা মুকলিভাৱে ব্যক্তিত্ব বিকাশৰ বাবে অপৰিহাৰ্য।" তেতিয়াৰ পৰা সমগ্ৰ বিশ্বতে সামাজিক সুৰক্ষা ব্যৱস্থাৱলীয়ে বিভিন্ন আকাৰ ধাৰণ কৰে নাগৰিক-সকলে আহৰণ কৰা লাভসমূহৰ ওপৰত আধাৰ কৰি। তেনে লাভ হ'ব পাৰে কোনো এটা কাৰ্যসূচীলৈ বৰঙণি যোগোৱা আঁচনি, যেনে পেঞ্চন কিম্বা নিবনুৱা বীমা (সাধাৰণতে "ছ'চিয়েল ইঞ্চুৰেন্সৰূপে পৰিচিত) অথবা মূল সেৱাসমূহৰ ব্যৱস্থাৱলীৰ জৰিয়তে। তেনে ব্যৱস্থাৰাজি হ'ল— স্বাস্থ্য আৰু শিক্ষা। এই দুই সেৱাকাৰ্য বৰঙণিৰ ওপৰত ভিত্তি কৰা নহয় আৰু ইয়াক সামাজিক সুৰক্ষাৰ আকাৰস্বৰূপ ৰূপে বিবেচনা কৰা হয়। উভয় ক্ষেত্ৰতে সেইবোৰক গণতান্ত্ৰিক সমাজৰ অনবদ্য অঙ্গৰূপে বিবেচনা কৰা হয়; আৰু এইটো নিশ্চিত কৰা ৰাষ্ট্ৰৰ কৰ্তব্য যে নাগৰিকসকল দৰিদ্ৰতা তথা সামাজিক অসমতাৰ গাঁথনিগত স্পৰ্শকাতৰ বিষয়সমূহ অতিক্ৰম কৰিবলৈ সমৰ্থৱান হ'ব পাৰে।

ভাৰতত কাগজ-পত্ৰত ভিন ভিন সামাজিক সুৰক্ষা ব্যৱস্থা আছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— পেঞ্চন, নিয়োগ প্ৰদানৰ নিশ্চিতি (নিবনুৱা ক্ষতিপূৰণকে ধৰি), মাতৃত্ব বিষয়ক লাভ, খাদ্যৰ ৰাজসাহায্য অথবা বিদ্যালয়ৰ ভোজন। কিন্তু এইবোৰ সেৱা একে ধৰণে প্ৰদান কৰা নহয়। ক'ৰবাত খেলিমেলি হোৱা পৰিলক্ষিত হয়। আনকি বহু ক্ষেত্ৰতেই অসন্তোষজনক অৱস্থাই গা কৰি উঠে। অপাৰগতাৰ বিষয়ে যিবোৰ কথা সাধাৰণতে শুনা যায় তাৰে পুনৰাবৃত্তি ঘটাৰ বহু উদাহৰণ আছে। সেই অপাৰগতা হ'ল যাক উদ্দেশ্য কৰি সেৱাৰ লক্ষ্য গ্ৰহণ কৰা হয় তেনে সেৱা প্ৰকৃত ব্যক্তিৰ ওচৰ গৈ নাপায়গৈ। এনে শোচনীয় কামৰ বাবে

***লেখিকা কিৰণ ভাট্টি হ'ল ছেণ্টাৰ ফৰ পলিছী ৰিছাৰ্চৰ ছিনিয়ৰ ফেল'। সম্প্ৰতি তেওঁ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত প্ৰতিষ্ঠানমূলক কাম-কাজৰ বিষয়ে কাম কৰিছে। তেওঁ কেইবাখনো ৰাষ্ট্ৰীয় সমিতিৰো সদস্য। তেওঁ সম্প্ৰতি নেচনেল ইউনিভাৰ্চিটি ফৰ এডুকেচন প্লেনিং এণ্ড এডমিনিষ্ট্ৰেচনৰ তথ্য আৰু ব্যৱস্থাপনা বিষয়ক উপদেষ্টা সমিতিৰ এগৰাকী সদস্য।**

অনেক ধৰণৰ কাৰণ দাঙি ধৰা হয় আৰু তেনে কাৰণবোৰৰ ভিতৰত আমোলা-তান্ত্ৰিক উদাসীনতা তথা দুৰ্নীতিৰ পৰা আৰম্ভ কৰি সম্পদৰাজিৰ নাটনিলৈকে দৰ্শোৱা হয়। এইক্ষেত্ৰত মন কৰিবলগা বিষয়টো হ'ল তেনে সমস্যাৰ ওৰ পেলাই উন্নতি সাধন কৰাৰ অসমৰ্থতা অথবা প্ৰশাসনৰ অবিৰাম অপাৰগতাক ৰোধ কৰিব নোৱৰাটোৱে কেৱল নাগৰিকসকলৰ মাজতেই অসন্তুষ্টিৰ ভাৱ দকৈ শিপোৱা নহয়, তাৰ উপৰি দায়িত্বশীল বিষয়াসকলৰ মাজতো তেনে প্ৰতিক্ৰিয়াই মনত গভীৰ ৰেখাপাত কৰে। কাৰ্য ৰূপায়ণৰ এনে অপাৰগতাৰ বিষয়টোৱে সেয়েহে আলোচনাত বিস্তাৰিতভাৱে ঠাই পায়; কিন্তু তাৰ অন্তৰ্নিহিত কাৰণবোৰ বুজি উঠি সমাধান কৰিবলৈ কমেইহে প্ৰয়াস কৰা দেখা যায়। ইয়াৰ পৰিবৰ্তে যি পদ্ধতিৰ দিহা কৰিবলৈ প্ৰয়াস কৰা হয় সেয়া পদ্ধতিটোৰ বাহিৰৰ ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি (ব্যক্তিগতকৰণ, চৰকাৰী-বেচৰকাৰী অংশীদাৰিত্ব ইত্যাদি) অথবা প্ৰযুক্তিৰ সহায়েৰে কোনো এবিধ গতি উন্মোচন কৰি। এই প্ৰয়াসসমূহৰ ভিতৰত প্ৰাধান্য দিয়া বিষয়টো হ'ল দুৰ্নীতি হ্ৰাস তথা যাৰ বাবে লাভসমূহ লক্ষ্য কৰা হয় তেনে ব্যৱস্থা উন্নত কৰিবৰ বাবে উপায়বিশেষক বাধ্যতা-মূলকভাৱে ব্যৱহাৰ কৰা। এই দিশৰ শেহতীয়া প্ৰয়াস হ'ল কেন্দ্ৰীয় চৰকাৰৰ পৰা অলপতে জাৰি কৰা এটা নিৰ্দেশ। উক্ত নিৰ্দেশত কোৱা হয় যে স্কুলত মধ্যাহ্ন ভোজন লাভ কৰিবৰ কাৰণে একোগৰাকী বালক বা বালিকাৰ ক্ষেত্ৰত 'বায়মেট্ৰিক' পদ্ধতিৰ ওপৰত ভিত্তি কৰা 'আধাৰ কাৰ্ড' বাধ্যতামূলক।

এই প্ৰবন্ধটোত শিক্ষাৰ ক্ষেত্ৰত সামাজিক সুৰক্ষাৰ আকাৰত স্কুলসমূহত



মধ্যাহ্ন ভোজনৰ বিষয়টো তথা কাৰ্যসূচীৰ ৰূপায়ণ ব্যৱস্থাৰ উন্নতি সাধনৰ ক্ষেত্ৰত 'বায়'মেট্ৰিক সংস্কাৰ'ৰ প্ৰভাৱ সম্পৰ্কে অৱলোকন কৰিবলৈ লোৱা হৈছে। আৰু তেনে কৰিবলৈ লওঁতে ল'ৰা-ছোৱালীৰ পৌষ্টিকতা তথা শিক্ষামূলক সুৰক্ষা সাধনৰ ব্যৱস্থা কেনে হোৱা উচিত সেই বিষয়ে যুক্তি দৰ্শোৱাৰ ক্ষেত্ৰত বাধাসমূহৰ প্ৰতি উত্তৰ দিয়াতকৈ অধিক প্ৰশ্নৰ উদয় হ'ব পাৰে।

**মধ্যাহ্ন ভোজন কাৰ্যসূচী ঃ**

সামাজিক সুৰক্ষা আৰু শিক্ষাৰ মাজত যোগসূত্ৰ ৰক্ষাৰ বিষয়টো সুপ্ৰতিষ্ঠিত হ'লেও জটিল ধৰণৰ; কিয়নো সেয়া উভয় দিশতে পৰিচালিত হ'ব পাৰে। শিক্ষাৰ প্ৰতি সুচল প্ৰৱেশ লাভ কৰিবৰ বাবে স্পৰ্শকাতৰ পটভূমিৰ মাজত ডাঙৰ-দীঘল হোৱা ল'ৰা-ছোৱালীৰ কাৰণে কিছু আন ধৰণৰ সামাজিক সুৰক্ষাৰ আৱশ্যক হয়। কিন্তু শিক্ষা নিজেই হ'ল ভৱিষ্যতৰ স্পৰ্শকাতৰ বিষয়বোৰৰ বিৰুদ্ধে এটা সামাজিক সুৰক্ষা সাধনৰ ব্যৱস্থাবিশেষ। বৈশিষ্ট্য-পূৰ্ণভাৱে শিক্ষাৰ কাৰণে সামাজিক সুৰক্ষাৰ ব্যৱস্থাৱলীৰ ভিতৰত এইবোৰ বিষয় আহি পৰে, যেনে সামাজিক তথা অৰ্থনৈতিকভাৱে বঞ্চিত পৰিয়ালবোৰৰ পৰা অহা ল'ৰা-ছোৱালীৰ কাৰণে সমৰ্থনসূচক অৱস্থাৰ প্ৰয়োজন হয় যাৰ দ্বাৰা মইনাহঁত স্কুললৈ আহিব পাৰে আৰু শিক্ষা চক্ৰৰ জৰিয়তে সেই গতি অব্যাহত ৰাখিব পাৰে। এনে আৱশ্যকতাৰ ভিতৰত আছে বসতিস্থলৰ পৰা নিকটৱৰ্তী আৰু খোজকাঢ়ি স্কুল পাবগৈ পৰা অৱস্থা, বৃত্তিৰ ব্যৱস্থা তথা অন্য ধৰণৰ বিত্তীয় উদগণিমূলক ব্যৱস্থা, স্কুলতেই ভোজনৰ দিহা, স্কুলৰ স্বাস্থ্য আঁচনি আৰু প্ৰথম প্ৰজন্মৰ শিক্ষা গ্ৰহণ কৰা পৰিয়ালৰ পৰা অহা ল'ৰা-ছোৱালীৰ কাৰণে অন্যান্য সমৰ্থনসূচক কাৰ্যসূচী। ভাৰতত উল্লিখিত এই সকলোধৰণৰ বিষয় চৰকাৰৰ শিক্ষানীতি আৰু কাৰ্যসূচীসমূহৰ অংশ হৈ আছে আৰু বিভিন্ন পৰিমাত্ৰা তথা গুণাগুণ আৰু সফলতাৰে নিৰ্বাহ কৰা হৈছে। অৱশ্যে মধ্যাহ্ন ভোজন কাৰ্যসূচী সম্ভৱতঃ কেন্দ্ৰীয় চৰকাৰৰ অতি ভালদৰে চলোৱা সামাজিক সুৰক্ষা কাৰ্যসূচীৰূপে পৰিগণিত হৈছে আৰু ইয়াক বহুলভাৱে স্বীকৃতিও দিয়া হৈছে।

এইটো সকলোৱে জনা কথা যে ভোকাতুৰ পেটেৰে থকা ল'ৰা-ছোৱালীৰ আগত শিক্ষাদান কৰিলে শিক্ষা অৰ্জন

কৰাৰ সম্ভাৱনা নাথাকে। ক্ষুধা আৰু অপুষ্টিকতাৰ ক্ষেত্ৰত ভাৰতৰ যিখন ছবি সততে জিলিকি উঠে বিশেষকৈ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত, তাৰে চাই স্কুল-সমূহত মধ্যাহ্ন ভোজন প্ৰচলন কৰিবলৈ লোৱা চিন্তাধাৰাই দুটা উদ্দেশ্য পূৰণ কৰিছে। সেয়া হ'ল পৌষ্টিক গুণৰ উন্নতি সাধন তথা ল'ৰা-ছোৱালীবোৰক স্কুললৈ আহিবলৈ আৰু স্কুলত দিনটো থাকিবলৈ সমৰ্থৱান কৰি তোলা। মুঠৰ ওপৰত ক'বলৈ গ'লে স্কুলসমূহত ব্যৱস্থা কৰা মধ্যাহ্নভোজনে কেইবাটাও গুৰুত্ব-পূৰ্ণ উদ্দেশ্য সাধন কৰে। গোটেই বিশ্বতেই কৰা গৱেষণাৰ পৰা এইটো প্ৰতিষ্ঠিত হৈছে যে স্কুলৰ ভোজনে ক্ষুধা হ্ৰাস কৰে, ভৰ্তি আৰু উপস্থিতিৰ সংখ্যা বৃদ্ধি কৰে আৰু শিক্ষা লাভৰ ফলাফলৰো উন্নতি সাধন কৰে। সৰহ-ভাগ উন্নত আৰু বিকাশশীল দেশতেই কিছু ধৰণৰ স্কুলীয়া আহাৰ দান কাৰ্যসূচী আছে। ভাৰতত স্কুলসমূহত তপত ৰন্ধন খাদ্যৰ ব্যৱস্থাৰ ক্ষেত্ৰত এছোৱা দীঘলীয়া ইতিহাস আছে। তামিলনাডুত ১৯৮২ চনত মধ্যাহ্ন ভোজন আঁচনি সাৰ্বজনীন কৰাৰ পৰা আৰম্ভ কৰি দেশখনৰ সকলো চৰকাৰী স্কুলত ইয়াক প্ৰচলন কৰা হয়। উচ্চতম ন্যায়ালয়ে আটাইবোৰ চৰকাৰী স্কুলত মধ্যাহ্ন ভোজনৰ দিহা কৰাটোক ২০০১ চনত এটা ন্যায়িক অধিকাৰ কৰি তোলে। আনকি এতিয়াও দেশখনৰ বহু অংশতে মধ্যাহ্ন ভোজন হ'ল বহু ল'ৰা-ছোৱালীৰ বাবে দিনটোত খোৱা প্ৰথম খাদ্য। সম্প্ৰতি ভাৰতত মধ্যাহ্ন ভোজন কাৰ্যসূচীয়ে ১১.৫ লাখ স্কুলৰ ১০ কোটিতকৈও অধিক ল'ৰা-ছোৱালীক সামৰি লৈছে। ঘাইকৈ অনুসূচিত জাতি/ জনজাতি/ অন্যান্য পিছপৰা সম্প্ৰদায়ৰ ২৫ লাখতকৈ অধিক মহিলাক স্কুলসমূহত মধ্যাহ্ন ভোজন ৰান্ধনি আৰু সহায়িকাৰূপে নিযুক্তি দিয়া হয়। ইয়াৰ উপৰি ইয়াৰ অন্যান্য সামাজিক লাভ আছে। তাৰ ভিতৰত কেইটামান হ'ল— যেনে সামাজিক পটভূমি যিয়েই নহওক সকলো ল'ৰা-ছোৱালীয়ে একেলগে গোট খাই ভোজন কৰাৰ অভ্যাস গঢ়ি তোলা, ভোজন পৰ্যবেক্ষণ কৰাৰ ক্ষেত্ৰত স্থানীয় সমাজৰ লোকসকলৰ জড়িত-কৰণ আৰু ইয়াৰদ্বাৰা স্কুলসমূহত পিতৃ-মাতৃৰ ব্যস্ততা বৃদ্ধি কৰা তথা কোনো কোনো ক্ষেত্ৰত খাদ্যৰ উপকৰণ হিচাপে থলুৱাভাৱে উৎপাদন কৰা সামগ্ৰীকো ব্যৱহাৰ কৰিবলৈ দিয়া হয়।

এইখিনি কথা কোৱাৰ পিছত এইটোও অস্বীকাৰ কৰিব পৰা নাযায় যে কাৰ্যসূচী সম্পৰ্কে কোনো সমালোচনাৰ উদগীৰণ হোৱাৰ সম্ভাৱনা থাকে। তেনে সমালোচনাৰ বিষয় হ'ল কাৰ্যকৰণৰ ক্ষেত্ৰত থকা সুৰুঙাবোৰ, যেনে— যোগানত অনিয়ম, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ দিশত শোচনীয় অৱস্থা আৰু আন্তঃগাঁথনি, খাদ্যত পৰ্যাপ্ত পৌষ্টিক মাত্ৰাৰ আভাৱ আৰু মধ্যাহ্ন ভোজনত কিমানসংখ্যক ল'ৰা-ছোৱালীয়ে ভাগ লয় সেই সম্বন্ধে সঠিক নিৰ্ণয়ত কঠিনতা ইত্যাদি। সমালোচকসকলে এইটোও আঙুলিয়াই দিয়ে যে মধ্যাহ্ন ভোজন আয়োজন কৰাৰ ক্ষেত্ৰত শিক্ষকসকলে বহু বেছি সময় খৰচ কৰিব লগা হয়— যাৰ বাবদ তেওঁলোক মূল শিক্ষাদান কৰ্তব্যৰ পৰা ফালৰি কাটি যাবলগীয়া হয় আৰু ল'ৰা-ছোৱালীবোৰ কেৱল খাদ্যৰ বাবেহে স্কুললৈ আহে, খোৱাৰ পিছত সোনকালে ঘৰলৈ গুচি যায় আৰু এনেদৰে তেওঁলোকৰ শিক্ষাৰ প্ৰয়োজনীয়তাখিনি পূৰণ নহয়। ইয়াৰ উপৰি জাতিৰ ভিত্তিত বৈষম্যমূলক আচৰণ কৰাৰ বাতৰি পোৱা যায়, যেনে— দলিত সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীক সুকীয়াকৈ খাবলৈ কোৱা হয় কিম্বা যথেষ্ট পৰিমাণৰ খাদ্য যোগান ধৰা নহয়। সেয়ে এইটো অস্পষ্ট যে ল'ৰা-ছোৱালীৰ বাবে বাধ্যতামূলক আধাৰ কাৰ্ড ব্যৱহাৰ কৰি এনে ধৰণৰ সমস্যাৰ কোনো এটা কেনেদৰে সমাধান কৰিব পৰা যাব।

**বিশেষ ব্যৱস্থাৰে কাৰ্য সাধন**

মধ্যাহ্ন ভোজনৰ বাবে আধাৰ কাৰ্ডৰ ব্যৱহাৰৰ ক্ষেত্ৰত চৰকাৰীভাৱে কাৰ্য সাধনৰ ভিত্তি হ'ল— "সেৱা বা লাভ কিম্বা ৰাজসাহায্য প্ৰদানৰ ক্ষেত্ৰত আধাৰৰ ব্যৱহাৰ হ'ল এটা পৰিচয়-নথি— যাৰদ্বাৰা চৰকাৰৰ বিতৰণ প্ৰক্ৰিয়া সহজ-সৰল কৰি তোলে, স্বচ্ছ তথা কাৰ্যক্ষম কৰি তোলে।" পিছে আধাৰ কাৰ্ড আৱণ্টনৰ ক্ষেত্ৰত বিভিন্ন সুৰুঙা থকাৰ কাৰণে বৃহৎসংখ্যক ল'ৰা-ছোৱালী বঞ্চিত হয়। যি সৰলীকৰণ প্ৰক্ৰিয়া অৱলম্বন কৰিবলৈ লোৱা হৈছে সেইটোৱে মধ্যাহ্ন ভোজনৰ সুচলতাৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ সংখ্যা সীমিতহে কৰিব। সুচল ব্যৱস্থাৰ উন্নতি সাধনত তেনেদৰে বৰঙণি নোযোগাব। সেয়া নিশ্চয়কৈ সামাজিক সুৰক্ষা কাৰ্যসূচীৰ বিশেষকৈ ল'ৰা-ছোৱালীৰ প্ৰতি লক্ষ্য কৰা কাৰ্যসূচীৰ উদ্দেশ্য জানো হয়?— এই প্ৰশ্ন স্বাভাৱিকতেই আহি পৰে। ইয়াৰ বাহিৰেও এইটো মুঠেই স্পষ্ট নহয় আধাৰ কাৰ্ডৰ ব্যৱহাৰৰ জৰিয়তে কিহৰ স্বচ্ছতা আনিব আৰু এই পদ্ধতিৰ জৰিয়তে কি বা কাৰ ক্ষেত্ৰত দায়বদ্ধতা প্ৰতিষ্ঠাপিত হ'ব? কিয়নো ই যোগান, আন্তঃগাঁথনি অথবা খাদ্যৰ পৌষ্টিক মাত্ৰাৰ অনিয়মৰ ওপৰত প্ৰভাৱ নেপেলায়। ই দুঠাইত নামভৰ্তি কৰা ল'ৰা-ছোৱালীকহে প্ৰভাৱিত কৰিব পাৰে, অৰ্থাৎ যিসকল চৰকাৰী স্কুলত

নাম পঞ্জীয়ন কৰি বেচৰকাৰী স্কুলত উপস্থিত থাকে। কিন্তু খাদ্য পাবৰ কাৰণে আধাৰ কাৰ্ডৰ ক্ষমতা আৰোপ কৰা কাৰ্যই এই অভ্যাসক প্ৰভাৱিত নকৰে— যি কৰে সেয়া হ'ল পৌষ্টিক দিশৰ পৰা অভাৱত ভোগা এটা ল'ৰাক এটা ভোজনৰ পৰা বঞ্চিত কৰা।

তদুপৰি অন্য আঁচনিবোৰৰ ক্ষেত্ৰত 'আধাৰ' ব্যৱহাৰ কৰাৰ অভিজ্ঞতা আশানুৰূপভাৱে সন্তোষজনক নহয়। তেনে আঁচনিবোৰৰ ভিতৰত উল্লেখ-যোগ্য হ'ল— ৰাজহুৱা বিতৰণ পদ্ধতি, পেঞ্চন আৰু আনকি প্ৰত্যক্ষ লাভ হস্তান্তৰ আঁচনি। ৰাজস্থান, ছত্তিশগড়, দিল্লী আৰু অন্যান্য ঠাইত এনে অৱস্থাৰ সৃষ্টি হোৱা দেখা যায়। প্ৰায় ৩০ শতাংশ হিতাধিকাৰী প্ৰত্যয়জনক বিষয় লৈ সমস্যাৰ সন্মুখীন হয়। ম'বাইল নেটৱৰ্ক সম্পৰ্কীয় সমস্যা, বিদ্যুৎ যোগান আদি হ'ল দেশখনৰ বিভিন্ন ঠাইত দেখা দিয়া সমস্যা। যি নিৰ্দেশ বাহাল আছে সেইটোৱে জানো মধ্যাহ্ন ভোজন যোগান ধৰাৰ আগতে প্ৰতিদিনে প্ৰতিটো ল'ৰা বা ছোৱালীৰ ক্ষেত্ৰত প্ৰত্যয় নিৰ্ণায়ক প্ৰক্ৰিয়াৰ কাম হাতত লোৱাটো নিশ্চিত কৰিব আৰু কিছুমান ল'ৰা-ছোৱালীক জানো খাদ্যৰ পৰা বঞ্চিত কৰা হ'ব? কাৰণ প্ৰযুক্তিয়ে কাম কৰিবলৈ অপাৰগ? সেই অক্ষমতাৰ কাৰণে কাক জবাবদিহি কৰা হ'ব?

মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰত দুৰ্নীতি হ্ৰাস তথা দায়বদ্ধতা বৃদ্ধি কৰাৰ বিদিত আৰু উপযুক্ত উপায় আছে। তেনে উপায়বোৰ হ'ল— সমূহীয়া পৰ্যবেক্ষণ কাৰ্যসূচী, সামাজিক গাণনিক ব্যৱস্থা, বিকেন্দ্ৰীকৃত ওজৰ-আপত্তি সমাধান পদ্ধতি, হিতাধিকাৰী আৰু খাদ্য সম্ভাৰৰ সন্দৰ্ভত তথ্য পাতিৰ ৰাজহুৱা প্ৰদৰ্শন ইত্যাদি। এইবোৰ সা-সুবিধাৰ ব্যৱস্থা কৰা আৱশ্যক। তেনেহ'লে এটা অৰ্থত ক'বলৈ গ'লে এই জাননীখনে যি ব্যৱস্থাৰ প্ৰতি আলোকপাত কৰিছে সেয়া হ'ল আমাৰ সমাজত ল'ৰা-ছোৱালীৰ প্ৰতি অবিৰতভাৱে উপেক্ষা কৰাহে। স্বাস্থ্য আৰু শিক্ষাৰ স্তৰৰ পৰা আৰম্ভ কৰি তেওঁলোকৰ ওপৰত যি অত্যাচাৰ-অনাচাৰ কৰা হয় তাৰ পৰিসংখ্যালৈ চালে ল'ৰা-ছোৱালীবোৰৰ প্ৰাপ্য অধিকাৰক প্ৰবলভাৱে অৱহেলা কৰি অহা হৈছে। আনকি একোটা কাৰ্যসূচীত প্ৰদৰ্শন কৰা ভাল ফল সত্ত্বেও আমি এক ধৰণৰ ৰাজশাসন প্ৰয়োগ কৰিছো যিটোৱে ইতিবাচক প্ৰভাৱ পৰাতকৈ অধিক নেতিবাচক দিশৰ পিনেহে লৈ যোৱাৰ সম্ভাৱনা আছে। সেয়ে তাৰ পৰিৱৰ্তে আমি এই দিশত গুৰুত্ব দিব লাগিব যিটোৱে আমাৰ ল'ৰা-ছোৱালীৰ কল্যাণ সাধনৰ নিশ্চয়তা প্ৰদান কৰে। তাৰ বাবে এনে প্ৰক্ৰিয়াসমূহ অৱলম্বন কৰিব লাগিব যিবোৰে আদৰণিজনক আৰু প্ৰতিপালনমূলক পৰিৱেশ সৃষ্টি কৰিব পাৰে; আৰু তেনে পৰিৱেশত তেওঁলোকে একোবিধ গৰম ৰন্ধন খাদ্য আশা কৰিব পাৰে, আৰু তেনে সন্তুষ্টি প্ৰদানেৰে ভাল শিক্ষা আহৰণ কৰিবলৈও একোটা মানসিকতা গঢ়ি উঠে। তাৰ লগতে তেনে পদ্ধতিবিশেষত শিক্ষক-সকলৰ মানৱীয় অনুভূতিৰ সু-প্ৰকাশে ল'ৰা-ছোৱালীবোৰক বিপথগামী হোৱাৰ পৰিৱৰ্তে সঠিক পথেৰে যাবলৈ অনুপ্ৰাণিত কৰে। অন্যথা তেওঁলোকৰ একো একোজনক খলনায়ক হ'বলৈ ঠেলি দিয়া হ'ব। তাৰ পৰিৱৰ্তে আমাৰ এই আশা যে তেওঁলোকে সবল হৈ দুৰ্নীতি ৰোধকৰণৰ প্ৰতি গুৰুত্ব দিব, স্বচ্ছতা প্ৰদানৰ বাবে কাম কৰিব আৰু আমাৰ কাৰণে দায়দ্ধতাও পালন কৰিব। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰূপে আমাৰ নাগৰিকসকলৰ প্ৰতি বিশেষকৈ ল'ৰা-ছোৱালীৰ প্ৰতি যি দায়বদ্ধতা আছে তাৰ বাবে সচেষ্ট হোৱা প্ৰয়োজন। সেয়ে আমি ক'লৈ গৈ আছো সেই বিষয়ে ভাবিবলৈ বন্ধ কৰাৰ এতিয়া সময় হ'ল। কাৰণ এইক্ষেত্ৰত উদয় হোৱা প্ৰশ্নটো হ'ল ডিজিটেল স্বচ্ছতা আৰু দায়বদ্ধতাৰ ক্ষেত্ৰত আমাৰ যি বদ্ধমূল ধাৰণা আছে তাৰ কাৰণে তেওঁলোকৰ সামাজিক সুৰক্ষাক আমি জলাঞ্জলি দিবলৈ লৈছো নেকি?

**বৃত্তি**

- ৩.৭ লাখ স্কুলীয়া ছাত্ৰ-ছাত্ৰীক ৰাষ্ট্ৰীয় উপায়-তথা-মেধা বৃত্তি দিয়া হয়।
- মাধ্যমিক স্কুলত থকা প্ৰায় ১০ লাখ ছোৱালীক বিশেষ উদগণি স্বৰূপে প্ৰত্যেকৰে বাবে ৩,০০০ টকাকৈ মঞ্জুৰ কৰা হয়।
- অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা সম্প্ৰদায় বৃত্তি প্ৰকৃত হিতাধিকাৰীলৈ প্ৰত্যক্ষ লাভ হস্তান্তৰ আঁচনিৰ জৰিয়তে বিতৰণ কৰিবলৈ লোৱা হৈছে। ১ কোটি বৃত্তি অনুসূচিত জাতি, জনজাতি তথা অন্যান্য পিছপৰা সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীক দিয়া হয়।
- সকলো বৃত্তিৰ প্ৰয়োজনীয়তাৰ বাবে নেচনেল স্কলাৰশ্বিপ পোৰ্টেল একক ব্যৱস্থাৰ সমাধান ৰূপে সৃষ্টি কৰা হয়। এই পোৰ্টেলত ২ কোটিতকৈও অধিক ছাত্ৰ-ছাত্ৰীক ইতিমধ্যে সামৰি লোৱা হৈছে।

**শিক্ষাৰ সা-সুবিধা সম্প্ৰসাৰণ**

- ১০টা সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান খোলা হ'ব অন্ধ্ৰপ্ৰদেশ,

মহাৰাষ্ট্ৰ, পশ্চিমবঙ্গ, উত্তৰ প্ৰদেশ, অসম, হিমাচল প্ৰদেশ, জম্মু আৰু কাশ্মীৰ, পঞ্জাব, তামিলনাডু আৰু বিহাৰত।

- নিম্ন স্নাতক তথা স্নাতকোত্তৰ পাঠ্যক্ৰমৰ কাৰণে চিকিৎসা বিজ্ঞানৰ আসন বৃদ্ধি।
- নিম্ন স্নাতক আসন ২০১৪-২০১৫ বৰ্ষৰ ৫৪,৩৪৮ ৰ পৰা ২০১৬-১৭ বৰ্ষত ৬৫,১৮৩ লৈ বৃদ্ধি।
- চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ আসন ২০১৪-১৫ বৰ্ষৰ ২৫,৩৪৬ ৰ পৰা ২০১৭-১৮ বৰ্ষত ৩৬,৭০৩ লৈ বৃদ্ধি।

**ঈশান উদয়**

- উত্তৰ-পূৰ্বাঞ্চলত উচ্চ শিক্ষাৰ উত্তৰোত্তৰ বিকাশৰ বাবে বিশেষ বৃত্তি আঁচনি।
- সাধাৰণ স্নাতক পাঠ্যক্ৰমৰ বাবে প্ৰতি মাহে ৫,৪০০ টকাৰ বৃত্তি, কাৰিকৰী আৰু পেছাদাৰী স্নাতক পাঠ্যক্ৰমৰ বাবে মাহিলী ৭,৮০০ টকা।
- উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আঁচনিখনৰ অধীনত ১০,০০০ গৰাকী প্ৰাৰ্থী নিৰ্বাচন কৰা হয়।

**গৱেষণা আৰু গুণমান সম্পন্ন উচ্চ শিক্ষা**

- ৪৪টা চৌহদত প্ৰাৰম্ভিক অৱস্থাত ৬০০ গৰাকী ছাত্ৰৰে আৰম্ভণি কৰা হয়। ইয়াৰ কাল অবধি হ'ল ৫ বছৰ।
- এখন অনন্য আঁচনি-ইমপাটিং ৰিছাৰ্চ ইনোভেচন এণ্ড টেকন'ল'জিত ৫৯৬ কোটি টকা মূল্যৰ ২৫৮টা গৱেষণা প্ৰকল্পত অনুমোদন।
- যোৱা ৩ বছৰত শিক্ষা ঋণৰ সন্দৰ্ভত ২,২৯০ কোটি টকা মূল্যৰ সুত ৰাজসাহায্য ৪.৪ লাখ ছাত্ৰলৈ আগবঢ়োৱা হয়।

**সংকল্প**

- ৩.৫ কোটি যুৱকক বজাৰৰ প্ৰাসঙ্গিকতালৈ চাই এই আঁচনিৰ অধীনত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

**স্বয়ম**

- "Any-Time, Any-Where" শিক্ষা অৰ্জনৰ বাবে সমৰ্থৱান কৰি তুলিবলৈ ছাত্ৰৰ বাবে বিনামূলীয়া অনলাইন ভাৰ্চুৱেল লাৰ্নিং মঞ্চ সৃষ্টি কৰা হয়।
- ম'বাইল এপ্‌ছসহ এই মঞ্চত স্কুলীয়া শিক্ষাৰ পৰা স্নাতকোত্তৰ শিক্ষালৈকে পাঠ্যক্ৰমৰ বিষয় অন্তৰ্ভুক্ত হ'ব। ❐

(৭ পৃষ্ঠাৰ পৰা)

আঁচনিখনে এক লাখ টকাৰ দুৰ্ঘটনা বীমা আৰু ৩০,০০০ টকাৰ জীৱন বীমা ব্যৱস্থাৰ যোগান ধৰে। এই ধনৰাশি একাউণ্ট গৰাকীৰ মৃত্যুৰ পিছত পৰিশোধযোগ্য হয়। ২০১৭ চনৰ ফেব্ৰুৱাৰীৰ ভিতৰত ২৭ কোটিতকৈও অধিক একাউণ্ট অৰ্থাৎ হিচাপ-বহী খোলা হয় আৰু ৬৬৫ বিলিয়ন টকা জমা কৰা হয়। এই আঁচনিখনক সমালোচনা কৰা হয় বৃহৎ সংখ্যক ভুৱা একাউণ্ট খোলাৰ কাৰণে। সেইবোৰ একাউণ্টৰ উদ্দেশ্য হ'ল অভাৰ-ড্ৰাফ্ট আৰু অন্যান্য সুবিধা লাভ কৰিবৰ বাবে। ৰাজহুৱা খণ্ডৰ বেংকৰ ওপৰত অত্যধিক বোজা দিয়াৰ বাবেও সমালোচনা কৰা হয়।

২০১৫ চনত প্ৰচলন কৰা প্ৰধান মন্ত্ৰী জীৱন জ্যোতি বীমা যোজনাই এটা বৃহৎ অংকৰ জীৱন বীমা পলিছী যোগান ধৰে। পলিছীৰ গৰাকীৰ মৃত্যুৰ পাছত তেওঁৰ পৰিয়াললৈ দুই লাখ টকা আগবঢ়োৱা হয়। ১৮-৫০ বয়স-গোটৰ লোকে এই আঁচনিত যোগদান কৰিব পাৰে। ৩৩০ টকাৰ প্ৰিমিয়াম প্ৰতিবছৰে ৩১ মেইৰ আগতে দিব লাগে।

এই আঁচনিবোৰে কেনেদৰে কাম কৰিছে সেই বিষয়ে আঁতি-গুৰি মাৰি সদ্যহতে কোৱা কঠিন। বৰং তাৰ বাবে আৰু কিছু কাল অপেক্ষা কৰিব লাগিব। আনবোৰৰ দৰে বয়সস্থসকলেও এনে বৰঙণি যোগোৱা আঁচনিৰদ্বাৰা উপকৃত হ'ব পাৰে; কিন্তু ইয়াৰ প্ৰকৃত উদ্দেশ্য হ'ল দুখীয়া লোকসকলৰ বাবে সুৰক্ষা সাধনৰ ব্যৱস্থা কৰা। আনৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰা ব্যক্তি আৰু কোনো উপাৰ্জন বা সম্পত্তি নথকা স্পৰ্শকাতৰ বয়সিয়ালসকলক সুৰক্ষা প্ৰদান কৰা। প্ৰয়োজন হোৱাজনক চিনাক্ত কৰি নিয়ম বহিৰ্ভূতভাৱে তেওঁক সামৰি লোৱা উপযুক্ত ব্যৱস্থা গ্ৰহণ, আবেদনৰ নিয়মাৱলী সৰলীকৰণ কৰা আৰু উপযুক্ত বিতৰণ পদ্ধতিৰ দিহা কৰা প্ৰকৃততেই ডাঙৰ প্ৰত্যাহ্বানৰ বিষয়। সদৌ শেষত এইটো কোৱা সমীচীন যে টকা-পইচা জড়িত থকা যিকোনো আঁচনি— যিমানেই ভাল ধৰেণ পোষণ কৰা নহওক, তথাপি দুৰ্নীতিৰ কবলত পৰি অৱসান ঘটাৰ সম্ভাৱনা থাকে আৰু দুষ্প্ৰাপ্য সম্পদৰাজিৰ ক্ষতি সাধনৰ পথ মুকলি কৰে— যদিহে উপযুক্ত পুনৰীক্ষণ কাৰ্যব্যৱস্থাৰে তেনে আঁচনিক সহায়-সমৰ্থন জনোৱা নহয়। ❐

# অনুন্নতসকলৰ কাৰণে হস্তক্ষেপকৰণৰ প্ৰচেষ্টা ঃ এটা জোৱাৰৰ নিশ্চিতি

উৰ্মি গোস্বামী*

সকলো নাও ওপৰলৈ উঠাবলৈ একোটা জোৱাৰৰ প্ৰয়োজন। জন এফ কেনেডীৰ এই উক্তি বিভিন্ন সময়ত প্ৰায়ে স্মৰণ কৰা হয়, বিশেষকৈ ভাৰতবৰ্ষৰ সামাজিক প্ৰেক্ষাপটত ই আলোচ্য হৈ পৰে। সামাজিক সুৰক্ষাৰ প্ৰসংগটো সামগ্ৰিক অৰ্থত এটা বিস্তৃত বিষয়, পিছে সেয়া সম্পন্ন কৰিবলৈ যাওঁতে চৰকাৰে ব্যক্তি আৰু পৰিয়ালৰ আৰ্থিক সুৰক্ষা আৰু সামাজিক কল্যাণৰ ব্যৱস্থাবোৰ গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত পৰম্পৰাগত-ভাৱে নিৰ্দিষ্ট শ্ৰেণী বা অঞ্চলৰ অনাটন বা নাটনিবোৰ নাশ কৰিবৰ বাবে সুনিৰ্দিষ্ট আঁচনি গ্ৰহণ কৰা হয়। কিন্তু প্ৰতিটো ক্ষণতে এই ব্যৱস্থাই আকাংক্ষিত ফলাফল প্ৰদৰ্শন নকৰিবও পাৰে। কাৰণ যেতিয়ালৈকে আমি আৰ্থিক সুৰক্ষা আৰু সামাজিক কল্যাণৰ সীমাৰেখা অতিক্ৰম কৰিব নোৱাৰো তেতিয়ালৈকে নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাটো প্ৰকৃতাৰ্থত সম্ভৱ নহয়। সেইবাবে লক্ষ্য একোটা নিশ্চিত জোৱাৰৰ সদৃশ হ'ব লাগিব আৰু একে সময়তে জোৱাৰৰ সৈতে যিসকলৰ নাও উটি-ভাঁহি যায় সেইসকলক আমি অধিক পৰিমাণে সহায়-সহযোগিতা আগবঢ়োৱাটোও প্ৰয়োজন।

এনে এটা জোৱাৰৰ নিশ্চিতি প্ৰদানৰ বাবে শিক্ষা, স্বাস্থ্য সেৱা, দক্ষতা আদি বিষয়বোৰে নতুন সম্ভাৱনা মুকলি কৰিছে। তেনে অৱস্থাত চৰকাৰে জনসাধাৰণৰ বিশেষকৈ যিসকল অতি অনুন্নত অৱস্থাত বাস কৰিছে তেওঁলোকৰ সামাজিক অৱস্থা উন্নীতকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন।

এইখিনিতে প্ৰশ্ন উত্থাপন হয় যে দেশখনৰ বিভিন্ন শ্ৰেণী, বৰ্ণ আৰু ধৰ্মকে ধৰি সকলো লোকৰে প্ৰয়োজনীয়তা পূৰণ কৰা সম্ভৱনে? উল্লেখ্যযোগ্য যে ভাৰতীয় লোকসকলৰ প্ৰয়োজনীয়তা অসীম। তেনে অৱস্থাত যিকোনো এখন চৰকাৰেই দেশখনৰ লাখ লাখ দৰিদ্ৰ আৰু অৱহেলিত লোকক একোটা উন্নত জীৱন আগবঢ়োৱাৰ অতি আকাংক্ষিত দায়িত্ব মূৰ পাতি ল'বলগীয়া হয়। তাৰ বাবেই চৰকাৰবোৰে বিভিন্ন বহনক্ষম ব্যৱস্থা গ্ৰহণ কৰে। একোখন চৰকাৰৰ বাবে কোনো সামাজিক সুৰক্ষা আৰু কল্যাণৰ ব্যৱস্থা গ্ৰহণ কৰা সময়ত ইয়েই মুখ্য কৰণীয় হৈ পৰে। একে সময়তে জনসাধাৰণৰ মাজৰ কিছুমান শ্ৰেণী বা শাখাৰ অৰ্থনৈতিক স্থিতিয়ে সেই শ্ৰেণীটোক আগুৱাই যোৱাত অধিক জটিলতাৰ সৃষ্টি কৰে। এনে ক্ষেত্ৰত চৰকাৰে অতিৰিক্ত ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। সেইসকল লোকৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবে সেই শ্ৰেণীৰ লোকসকলৰ বাবে সম্ভৱপৰ সম্ভাৱনীয়তাবোৰ অধিক পৰিমাণে গ্ৰহণ কৰা দৰকাৰ। অৰ্থনৈতিক আৰু সামাজিক অনুন্নত অৱস্থাৰ উন্নতি সাধনৰ বাবে সাধাৰণ আৰু লক্ষ্য স্থিৰ কৰা ব্যৱস্থা দুয়োটাই সমান্তৰালভাৱে গ্ৰহণ কৰা প্ৰয়োজন।

যি কি নহওক, চৰকাৰে গ্ৰহণ কৰা সামাজিক সুৰক্ষা আৰু কল্যাণৰ কাৰ্যসূচীবোৰৰ মান নিৰূপণৰ ক্ষেত্ৰত সংখ্যালঘু, দলিত আৰু জনজাতি শ্ৰেণীৰ লোকসকলৰ ক্ষেত্ৰত এই আঁচনিবোৰৰ প্ৰভাৱ নিৰূপণ নকৰিলে বা কৰিব নোৱাৰিলে এখন বক্ৰ ছবিহে উন্মোচিত হ'ব। ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ আৰু স্বামী বিবেকানন্দৰ দৰে অতীতৰ সমাজ সংস্কাৰকসকলে কোনো এটা জনগোষ্ঠীৰ অৱস্থাৰ উন্নয়নৰ প্ৰথম খোজ হিচাপে সেই জনগোষ্ঠীটোৰ মহিলাসকলক শিক্ষিত কৰা আৰু তেওঁলোকৰ স্থিতি মজবুত কৰাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছিল। সাম্প্ৰতিক সময়তো আমি দেখা পাওঁ যে বিভিন্ন গ্ৰাম্য জনগোষ্ঠীৰ আৰ্থ সামাজিক গাঁথনি আৰু বৈষম্যৰ পৰিৱৰ্তনৰ বাবে মহিলাসকলৰ মাজত ক্ষুদ্ৰ আৰ্থিক (মাইক্ৰ'ফাইনেন্স) আঁচনিবোৰ গ্ৰহণ কৰি এই দিশত অগ্ৰগতিৰ বীজ সিঁচা হৈছিল। এই ক্ষেত্ৰত চৰকাৰৰ উজ্জ্বলা (Ujjwala) আঁচনিৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা প্ৰয়োজন।

এই আঁচনিয়ে কোনো এক নিৰ্দিষ্ট ধৰ্মীয় জনগোষ্ঠী বা জাতিৰ পৰিৱৰ্তে দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা

*লেখিকা ডী ইকনমিক টাইমছৰ সহকাৰী সম্পাদক। তেওঁ শিক্ষা, পৰিবেশ, স্বাস্থ্য, জলবায়ু পৰিৱৰ্তন আৰু শক্তি খণ্ডক বিশেষ গুৰুত্ব প্ৰদান কৰি উন্নয়ন আৰু সামাজিক ক্ষেত্ৰৰ বিষয়ক লৈ লিখনি আগবঢ়ায়। ২০০৯ চনত কোপেনহেগেনত হোৱা ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় চুক্তিৰ পৰা পেৰিছৰ ক'প ২১ লৈকে তথা দেশৰ পৰিবেশ, স্বাস্থ্য আৰু শিক্ষা সম্পৰ্কীয় প্ৰতিবেদনো প্ৰস্তুত কৰে।

সকলো লোকক সামৰি লৈছে। দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা জনসাধাৰণৰ পৰিসংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি এই আঁচনিখনে (৩ এপ্ৰিল, ২০১৭ লৈকে) ২ কোটিতকৈও অধিক লোকক অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু মুছলমান সম্প্ৰদায়ৰ মহিলা নহ'লেও সামৰি লোৱাৰ সম্ভাৱনা আছে। ২০১৬ চনত প্ৰধানমন্ত্ৰীয়ে আৰম্ভণি কৰা এই আঁচনিয়ে দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালৰ মহিলালৈ ৫,০০০০০০০ ৰন্ধন গেছ সংযোগৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। পূৰ্বতে সেই মহিলাসকলে ৰন্ধন কাৰ্যৰ ইন্ধন হিচাপে ব্যৱহাৰ কৰা খৰি আৰু গোবৰে অত্যধিক ধোঁৱাৰ সৃষ্টি কৰিছিল। বিশেষজ্ঞসকলৰ মতে এবাৰ ৰন্ধন কাৰ্যত এইদৰে ওলোৱা ধোঁৱা ৪০০ চিগাৰেট সেৱনৰ ফলত ওলোৱা ধোঁৱাৰ সমপৰ্যায়ৰ। এনে অৱস্থাত চৰকাৰৰ এই নতুন আঁচনিখনৰ পৰা এটা স্বাস্থ্যসন্মত ব্যৱস্থা লাভ কৰাটো সম্ভৱ হৈছে।

এইদৰে পৰিয়ালবোৰলৈ পৰিষ্কাৰ ৰন্ধন ইন্ধনৰ যোগান ধৰাৰ ফলত এই পৰিয়ালবোৰৰ মহিলাসকলে ইমানদিনে ৰন্ধন কাৰ্যৰ বাবে খৰি আৰু শুকান গোবৰ ব্যৱহাৰ কৰি সন্মুখীন হোৱা স্বাস্থ্যজনিত সমস্যাৰ পৰা নিষ্কৃতি পাইছে। তদুপৰি ই সমগ্ৰ পৰিয়ালটোক বিশেষকৈ মহিলা আৰু শিশুসকলক বহু ৰোগৰ পৰা সকাহ দিছে। ফলত এই ঘৰবোৰৰ শিশুসকলে পঢ়া-শুনাৰ বাবে এটা উপযুক্ত পৰিবেশ পাইছে আৰু শ্বাসজনিত ৰোগৰ ক্ষেত্ৰত চিকিৎসক আৰু দৰৱ আদিৰ বাবে হোৱা ব্যয়ৰ পৰিমাণ হ্ৰাস পাইছে আৰু পৰিপাক ব্যৱস্থাৰ উন্নতি ঘটিছে। নিঃসন্দেহে ই এক বিজয়। এখন স্বাস্থ্যসন্মত ঘৰেই স্বাস্থ্যৱান শিশু গঢ়াৰ ভেটি আৰু তেনে শিশুৰ জ্ঞান আহৰণ ক্ষমতা ব্যাপকভাৱে বৃদ্ধি পায়। আনহাতে ইয়েই দৰিদ্ৰতাৰ পৰা আঁতৰি অহাৰো পথ।

কিন্তু এয়া আৰম্ভণিহে। জন ধন যোজনাৰ কথাই ধৰক। সেই আঁচনি কোনো এটা নিৰ্দিষ্ট জনগোষ্ঠীৰ উন্নীতকৰণৰ বাবে নহয়। ইয়াৰ পৰিৱৰ্তে এই আঁচনি যিসকল ব্যক্তি এইপৰ্যন্ত আনুষ্ঠানিক বেংকিং ব্যৱস্থাৰ পৰা বাহিৰত আছে তেওঁলোকক এই ব্যৱস্থাৰ আওতালৈ অনাৰ এটা পদক্ষেপ। ইয়াৰ লক্ষ্য হ'ল বিভিন্ন বিত্তীয় সেৱা যেনে বেংকৰ সঞ্চয় আৰু জমা, ধনৰ আদান-প্ৰদান, ঋণ, বীমা, পেঞ্চন আৰু বীমা আদি এটা গ্ৰহণযোগ্য ব্যৱস্থাৰে আগবঢ়োৱা। এই আঁচনিৰ জৰিয়তে দৰিদ্ৰ লোক-সকলেও শূন্য জমা ব্যৱস্থাৰ জৰিয়তে বেংক একাউণ্ট মুকলি কৰাটো সম্ভৱ হোৱাৰ লগতে পূৰ্বে ধনৰ পৰিমাণ অনুসৰি ডেবিট/ক্ৰেডিট কাৰ্ড আদিৰ সুবিধা পোৱাৰ ব্যৱস্থাও নাইকিয়া হৈছে। ই এটা বৃহৎ পৰিৱৰ্তন। ই বিভিন্ন ধৰণৰ ছাত্ৰ বৃত্তি বা জলপানি, পেঞ্চন, ৰাজসাহায্য আদি হিতাধিকাৰীয়ে পোনপটীয়াকৈ লাভ কৰাটো সম্ভৱপৰ কৰি তুলিছে। এফালে ই হিতাধিকাৰীসকলক মধ্যভোগীসকলৰ পৰা ৰেহাই দিয়াৰ উপৰি সামাজিক আৰু আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

বিভিন্ন ধৰণৰ আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত এইবোৰ একোটা সাধাৰণ পদক্ষেপ। নিৰ্দিষ্ট লক্ষ্য গোট যেনে সংখ্যালঘু সম্প্ৰদায়ৰ সামাজিক সুৰক্ষা আৰু কল্যাণমূলক আঁচনিবোৰে সেই সম্প্ৰদায়ৰ নিৰ্দিষ্ট সামাজিক অৱস্থাৰ অৱসান ঘটাব পাৰিব লাগিব। তাকে কৰিবলৈ যাওঁতে বৃহত্তৰ সামাজিক সুৰক্ষা আৰু কল্যাণ ব্যৱস্থাবোৰ আৰম্ভ কৰিব লাগিব। এই ব্যৱস্থাবোৰে সম্প্ৰদায় আৰু সেই সম্প্ৰদায়ৰ পৰিয়ালবোৰৰ আৰ্থিক অৱস্থাৰ বাবে থকা সামাজিক বাধাবোৰ নাশ কৰিব লাগিব যাতে সামাজিক গতি-শীলতা বৃদ্ধি পায়। সংখ্যালঘু সম্প্ৰদায়ৰ সামাজিক সুৰক্ষাই তেওঁলোকৰ শিক্ষা, সংস্থাপন আৰু সবলীকৰণৰ দিশবোৰো সামৰি ল'ব লাগিব।

সংখ্যালঘু সম্প্ৰদায়ক মূলসুঁতিৰ উন্নয়ন প্ৰক্ৰিয়াৰ অংশীদাৰ কৰাৰ মানসেৰে চৰকাৰে ২০১৪-১৫ আৰু ২০১৫-১৬ বৰ্ষত ক্ৰমে নয়ী মঞ্জিল (Nai Manzil) আৰু ওস্তাদ (USTTAD) (উন্নয়নৰ কাৰণে পৰম্পৰাগত চিত্ৰ/শিল্পৰ দক্ষতা আৰু প্ৰশিক্ষণৰ উন্নয়ন) আঁচনি আৰম্ভ কৰিছে। নয়ী মঞ্জিলে বিদ্যালয় পৰিত্যাগ কৰাসকলৰ শিক্ষা আৰু দক্ষতা বৃদ্ধিত গুৰুত্ব দিয়ে, আনহাতে ওস্তাদে সংখ্যালঘু সম্প্ৰদায়ৰ চিত্ৰশিল্পী আৰু হস্তশিল্পীসকলৰ পৰম্পৰাগত চিত্ৰ আৰু শিল্প সংৰক্ষণৰ বাবে দক্ষতা বৃদ্ধিৰ প্ৰতি গুৰুত্ব আৰোপ কৰে। ২০১৬-১৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত নয়ী মঞ্জিলৰ বাবে ১৭৫ কোটি টকা আৰু ওস্তাদৰ বাবে ২২ কোটি টকা ধাৰ্য কৰা হৈছে।

কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা বিভাগৰ লক্ষ্যপ্ৰাপ্তিৰ তালিকা হিচাপে বিগত ছবছৰত ১,৮২,০০০০০ ছাত্ৰ-ছাত্ৰীলৈ ৪,৭৪০ কোটি টকাৰ জলপানি বা ছাত্ৰ-বৃত্তি আগবঢ়োৱাৰ প্ৰসংগ উনুকিয়াব পাৰি। সেইদৰে 'বেগম হজৰত মহল জলপানি'ৰ অধীনত ১ লাখ ৩৮ হেজাৰ ৪২৬ গৰাকী ছাত্ৰীলৈ মুঠ ১৬৬ কোটি টকা আগবঢ়োৱা হৈছে। বিভিন্ন কৰ্ম ভিত্তিক দক্ষতা প্ৰশিক্ষণ কাৰ্যসূচীত ৫,২০,০০০ যুৱক-যুৱতীক 'যাৰ ভিতৰত ৪০ শতাংশ মহিলা'ক সামৰি লোৱা হৈছে। তদুপৰি ৩৩ খন স্নাতক মহাবিদ্যালয়, ২২৩ খন বহুমুখী

সম্ভাৱ মণ্ডপ আৰু ১৮ খন গুৰুকুলধৰ্মী আবাসিক বিদ্যালয় স্থাপন কৰা হৈছে।

অন্যান্য কেতবোৰ আঁচনিৰ ভিতৰত আছে 'তেহৰিক-ঈ-তালিম' আঁচনিৰ জৰিয়তে শিক্ষাৰ কাৰণে প্ৰচাৰ; 'হুনাৰ-হাট' আঁচনিৰ জৰিয়তে সমগ্ৰ দেশৰ শিল্পগুৰুসকলৰ বাবে বজাৰৰ সুবিধা প্ৰদান; সকলো ৰাজ্যতে 'হুনাৰ হাব' স্থাপনৰ পৰিকল্পনা; 'ওস্তাদ সন্মান সমাগম'ৰ আয়োজন; ৫ খন আন্তৰ্জাতিক পৰ্যায়ৰ শৈক্ষিক প্ৰতিষ্ঠান স্থাপন; সংখ্যালঘু বসতিপ্ৰধান অঞ্চলত ১০০ খন গুৰুকুল নৱোদয় আৰ্হিৰ বিদ্যালয় স্থাপন আদি। এই সকলো ব্যৱস্থা সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলক সামাজিক সুৰক্ষা প্ৰদানৰ অংশ হিচাপে গ্ৰহণ কৰা হৈছে।

এই আঁচনিবোৰৰ প্ৰতিখনতেই গ্ৰহণকাৰীসকলৰ শিক্ষা আৰু সংস্থাপন ব্যৱস্থাৰ উন্নীতকৰণৰ ক্ষেত্ৰত লক্ষ্য বান্ধি লোৱা হয়। এয়া এটা শুভ আৰু দৃঢ় আৰম্ভণিহে। মহিলাসকলৰ নেতৃত্বদায়ী প্ৰশিক্ষণৰ বাবে গ্ৰহণ কৰা 'নয়ী ৰৌচনী'ৰ দৰে কাৰ্যসূচীবোৰ এইক্ষেত্ৰত চৰকাৰৰ আন এটা পদক্ষেপ। মন কৰিবলগীয়া যে সামাজিক উন্নয়নৰ ক্ষেত্ৰত মহিলা সবলীকৰণ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। তদুপৰি মানস (MANAS)ৰ দৰে যুৱসকলৰ উদ্যমিতা বৃদ্ধিৰ বাবে গ্ৰহণ কৰা কাৰ্যসূচীসমূহৰ জৰিয়তে চৰকাৰ যুৱ সমাজৰ উন্নীত-কৰণৰ দিশত আগবাঢ়িছে।

কিন্তু স্পষ্টভাৱে ক'বলৈ হ'লে চৰকাৰৰ কৰণীয় অধিক। চৰকাৰে কৰিব পৰা আৰু কৰিবলগীয়া গুৰুত্বপূৰ্ণ ক্ষেত্ৰখন হ'ল শিক্ষা। শৈক্ষিক সা-সুবিধাবোৰৰ উন্নীতকৰণৰ বাবে গুৰুত্ব দিয়া প্ৰয়োজন। সামাজিক আৰু আৰ্থিক উন্নতিৰ বাবে ব্যক্তিজীৱন পৰিৱৰ্তনৰ একমাত্ৰ প্ৰকৃত ৰূপৰ গুলী হ'ল শিক্ষা। অনুন্নত আৰু দুখীয়া জনগোষ্ঠী আৰু যিসমূহ জনগোষ্ঠীৰ মূল ভেঁটিক ৰাজহুৱা শৈক্ষিক ব্যৱস্থাই এতিয়াও স্পৰ্শ কৰিব পৰা নাই সেইবোৰৰ ক্ষেত্ৰত এই শৈক্ষিক ব্যৱস্থাৰ অতিশয় গুৰুত্ব আছে। চৰকাৰে এই সম্প্ৰদায়ৰ বিদ্যালয়বোৰ আৰু শিক্ষকসকলৰ বাবে অধিক বিনিয়োগ কৰা প্ৰয়োজন। অতি প্ৰাথমিকভাৱে শৌচাগাৰৰ পৰা খোৱা-পানীলৈ আৰু আন দিশে পুথিভঁৰালৰ দৰে বিভিন্ন সুবিধা প্ৰদান কৰি বিদ্যালয়সমূহক উপযুক্তভাৱে গঢ় দিয়া প্ৰয়োজন। এই সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চশিক্ষা আহৰণ কৰিব পৰাকৈ ছাত্ৰ বৃত্তিৰ সুবিধা প্ৰদান কৰাটো আন এটা মন কৰিবলগীয়া দিশ। সামাজিক সুৰক্ষাৰ বিনিয়োগৰ কাৰণে শিক্ষাত বিনিয়োগ আৰু ভৱিষ্যতৰ কাৰণে সুযোগ সৃষ্টি কৰাটো যিকোনো চৰকাৰৰ বাবে অৱশ্য কৰণীয়। বাকী ওপণ্ডি থাকিবলৈ কিছু অতিৰিক্ত সা-সুবিধা সকলোৰে কাম্য। ❒

ই-মেইল ঃ urmi.goswami@gmail.com

## সাৰ্বভৌম স্বৰ্ণ বণ্ড প্ৰকল্পৰ নিৰ্দেশাৱলীৰ সংশোধনৰ প্ৰস্তাৱত কেবিনেটৰ অনুমোদন

প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত সাৰ্বভৌম স্বৰ্ণ বণ্ড (এছ জী বী) প্ৰকল্পৰ নিৰ্দেশাৱলী সংশোধনৰ প্ৰস্তাৱত অনুমোদন জনোৱা হয়।

এই সিদ্ধান্ত অনুসৰি সাৰ্বভৌম স্বৰ্ণ বণ্ড প্ৰকল্পত দুটা পৰিৱৰ্তন সাধন কৰা হৈছে।

- ইয়াত, এফালে যেনেকৈ এই প্ৰকল্পক অধিক আকৰ্ষণীয় কৰি তোলা হৈছে যাৰদ্বাৰা নিৰ্দিষ্ট লক্ষ্য পূৰণৰ অৰ্থে আৰ্থিক লেনদেন সম্ভৱ কৰি তুলিবলৈ প্ৰকল্পটোত নিৰ্দিষ্ট কেতবোৰ পৰিৱৰ্তন অনা হৈছে, আনফালে যিমানেই সোণ আমদানিৰ ফলত দেশৰ অৰ্থনীতিত যি বিশেষ চাপৰ সৃষ্টি হয় সেইটো হ্ৰাস কৰাৰো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ ফলত চলিত হিচাপৰ ঘাটিৰ পৰিমাণো উল্লেখনীয়ভাৱে কমিব।
- প্ৰকল্পটোৰ আন এটা পৰিৱৰ্তন হৈছে বিভিন্ন সুদৰ হাৰত সাৰ্বভৌম স্বৰ্ণ বণ্ড প্ৰকল্প আৰম্ভ ৰি বিত্ত মন্ত্ৰণালয়ে কিছু পৰিমাণে নমনীয়তা প্ৰদৰ্শন কৰিছে। প্ৰকল্পটো বিভিন্ন স্তৰৰ বিনিয়োগকাৰীৰ উপযোগীকৈ সজাই তোলা হৈছে।

ইয়াৰ অধীনত নিম্নোল্লিখি বিশেষ পৰিৱৰ্তন সাধন কৰা হৈছে।

(i) ব্যক্তিগত ক্ষেত্ৰত এই স্বৰ্ণ বণ্ড প্ৰকল্পত বিনিয়োগৰ হাৰ এটা বিত্তীয় বছৰত ৪ কিলোগ্ৰামকৈ বৃদ্ধি কৰা হৈছে। হিন্দু সম্প্ৰদায়ৰ যৌথ পৰিয়ালসমূহৰ ক্ষেত্ৰতো ৪ কিলোগ্ৰামকৈ বিনিয়োগৰ হাৰ ব্যৱস্থা কাৰ্যকৰী হ'ব। আনহাতে, ন্যাস বা তেনেধৰণৰ সংস্থাৰ ক্ষেত্ৰত এটা বিত্তীয় বছৰত বিনিয়োগৰ হাৰ ২০ কিলোগ্ৰামৰ ভিতৰত ধাৰ্য কৰা হৈছে।

(ii) প্ৰতি বিত্তীয় বৰ্ষত সাৰ্বভৌম স্বৰ্ণ বণ্ড প্ৰকল্পত বিনিয়োগৰ সৰ্বোচ্চ হাৰ স্থিৰ কৰা হ'ব।

(iii) স্বৰ্ণ বণ্ড প্ৰকল্প যাতে সহজে ভঙাব পৰা যায় তাৰ বাবে বজাৰমুখী বিশেষ উদ্যোগ গ্ৰহণ কৰা হ'ব।

(iv) দেশৰ বাণিজ্যিক বেংকৰ লগতে এম এম টী টীৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ সংস্থাসমূহৰ জৰিয়তে এই বজাৰ নিয়ন্ত্ৰণ কৰা হ'ব।

(v) প্ৰয়োজনত চৰকাৰে এজেণ্টসকলৰ কমিচনৰ মাত্ৰা বৃদ্ধিৰ কথাও বিবেচনা কৰিব পাৰে।

# বহনক্ষম গ্ৰাম্য উন্নয়ন, জীৱিকাৰ নিৰাপত্তা, এম জি এনৰেগাৰ প্ৰণালীবদ্ধ সংস্কাৰ

**খ্যাতি শ্ৰীবাস্তৱ***
**বিদূষী চাহানী***

সম্প্ৰতি ভাৰতবৰ্ষই উন্নয়নমূলক প্ৰক্ৰিয়াৰ এটা অতি গুৰুত্বপূৰ্ণ পৰ্যায়ত অৱস্থান গ্ৰহণ কৰিছে। এই সময়ত এহাতে উন্নতি আৰু সমৃদ্ধিৰ, আনহাতে সামাজিক কল্যাণৰ মাজত ভাৰসাম্য ৰক্ষাকাৰী কাৰ্য সম্পাদন কৰিও কঠিন অৱস্থাৰ মাজত থাকিবলগীয়া হৈছে। যি সময়ত আমি দ্ৰুত বৰ্দ্ধিত অৰ্থনীতি, গোলকীয় দৃষ্টিভংগী আৰু ই-বিপ্লৱৰ জৰিয়তে নতুন ভাৰতৰ দুৱাৰদলিত উপস্থিত হৈছো সেই সময়ত চৰকাৰে নাগৰিকসকল সামাজিক আৰু অৰ্থনৈতিক উত্থানৰ দিশত অগ্ৰগণ্য কামৰ ক্ষেত্ৰত যাতে অৱমাননাৰ সন্মুখীন নহয় তাৰ প্ৰতিও দৃষ্টি আৰোপ কৰিব লাগিব। বিশেষ প্ৰয়োজনীয়তা আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সমাজৰ দুৰ্দশাগ্ৰস্ত শ্ৰেণীৰ লোকসকলৰ সামাজিক নিৰাপত্তাৰ বাবে বহুতো সামাজিক নিৰাপত্তামূলক আঁচনি ৰূপায়ণ কৰা হৈছে।

প্ৰাথমিকভাৱে আমি কৃষি অৰ্থনীতিৰ অন্তৰ্গত। দেশৰ গ্ৰাম্য পৰিয়ালৰ ৫৮ শতাংশতকৈও অধিক অংশ জীৱিকা উপাৰ্জনৰ মুখ্য মাধ্যম হিচাপে কৃষি নিৰ্ভৰশীল। এই কৃষিয়ে ৰাষ্ট্ৰীয় সম্পদৰ অধিকাংশলৈ বৰঙণি আগবঢ়ায়। পিছে এই প্ৰাথমিক খণ্ডৰ পৰা হোৱা ৰাষ্ট্ৰীয় আয় ধীৰ গতিত অৱনমিত হোৱা পৰিলক্ষিত হৈছে। ২০১৬-১৭ ৰ অৰ্থনৈতিক সমীক্ষা অনুসৰি ভাৰতবৰ্ষৰ ১৭ খন ৰাজ্যৰ প্ৰতিটো পৰিয়ালৰ কৃষি উপাৰ্জন মাত্ৰ ১৬৬৬ টকা। অৰ্থাৎ অধিকাংশ কৃষক পৰিয়ালে দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বা কিঞ্চিত ওপৰত বাস কৰে। কৃষকসকলৰ মাজত উপাৰ্জনৰ এনেধৰণৰ নিৰাপত্তাহীনতাই সেই অংশৰ অৰ্থনীতিত জীৱিকাৰ ক্ষেত্ৰত গুৰুতৰ প্ৰত্যাহ্বান সৃষ্টি কৰে। পৰিণতিত মজুৰি লাভ কৰা কামৰ সন্ধানত গ্ৰামাঞ্চলৰ পৰা চহৰাঞ্চললৈ বহু প্ৰব্ৰজন, কৃষিভূমিক অ-কৃষিভূমিলৈ পৰিবৰ্তন আৰু বৰ্দ্ধিত হাৰত কৃষকৰ আত্মহত্যাৰ দৰে অনাকাংক্ষিত ঘটনা সংঘটিত হৈছে।

কৃষক সমাজৰ এনে ধৰণৰ যাতনা প্ৰশমিত কৰি জনসাধাৰণৰো গ্ৰাম্য জীৱিকা নিশ্চিত কৰা আৰু আন্তঃগাঁথনিগত উন্নয়নৰ বাবে চৰকাৰে কেতবোৰ সামাজিক সুৰক্ষামূলক পদক্ষেপ গ্ৰহণ কৰিছে। এইবোৰৰ ভিতৰত কৃষক সমাজৰ জীৱিকাৰ প্ৰাথমিক নিৰাপত্তাৰ বাবে ফচল বীমা যোজনা, ঋণ ৰেহাই, সুদমুক্ত ঋণ আদি আৰু উৎপাদন বৃদ্ধিৰ বাবে ভূমি স্বাস্থ্য কাৰ্ড, নিম আবৃত ইউৰিয়া আদি আঁচনি উল্লেখনীয়। বহনক্ষম উন্নয়ন পৰিকাঠামোৰ উন্নীতকৰণ আৰু গুৰুত্বহীন লক্ষ্য-গোটৰ সবলীকৰণৰ বাবে চৰকাৰে প্ৰচলিত সামাজিক নিৰাপত্তামূলক আঁচনিবোৰৰ প্ৰণালীবদ্ধ সংস্কাৰৰ দিশত বিস্তৃতভাৱে মনোযোগ আৰোপ কৰিছে।

গ্ৰাম্য জনসাধাৰণৰ জীৱিকাৰ ক্ষেত্ৰত সামাজিক নিৰাপত্তা প্ৰদান কৰাৰ বাবে মহাত্মা গান্ধী গ্ৰাম্য নিয়োগ নিশ্চিত আইন (এম জি এনৰেগা) এখন ৰূপান্তৰমূলক মঞ্চ। গ্ৰাম্য আন্তঃগাঁথনি উন্নয়নত গুৰুত্ব দিয়াৰ লক্ষ্যৰে ৰূপায়ণ কৰা এই আঁচনিয়ে প্ৰব্ৰজন ৰোধত অৰিহণা যোগোৱা আৰু গ্ৰামাঞ্চলত অন্যান্য ভূমি-কাৰ্য সম্পাদনৰ ক্ষেত্ৰত সহায় কৰে। এনেদৰে ই গ্ৰামাঞ্চলৰ সামাজিক আৰু আৰ্থিক উন্নয়নত অনুঘটকৰ ভূমিকা পালন কৰে। অৱশ্যে তাৰ মাজতে একেটা কামকে বাৰম্বাৰ কৰি ভুল দিশে নিয়া আৰু ইয়াৰ জৰিয়তে সমস্যা সৃষ্টি কৰা নিষ্ফল অ-স্থানীয় সম্পদ সৃষ্টি আদিৰ দৰে ঘটনাৰ অভিযোগ উত্থাপন হৈছে। এই বিষয়বোৰ সমাধানৰ প্ৰচেষ্টাৰ অংশ হিচাপে আৰু কৃষককে ধৰি গ্ৰামাঞ্চলৰ দৰিদ্ৰ জনসাধাৰণৰ লাভৰ বাবে সম্প্ৰতি এম জি এনৰেগাৰ প্ৰণালীবদ্ধ সংস্কাৰৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

বহনক্ষম পৰিবেশতন্ত্ৰ সৃষ্টি, কৃষি উৎপাদন বৃদ্ধি আৰু আন্তঃগাঁথনিগত উন্নয়নৰ প্ৰত্যক্ষ ব্যৱস্থাৱলী হিচাপে চৰকাৰে নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ কেতবোৰ সংস্কাৰমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। এই সংস্কাৰবোৰ সমাজৰ

***খ্যাতি শ্ৰীবাস্তৱ গৱেষক সহযোগী আৰু বিদুষী চাহানী পাব্লিক পলিছী ৰিছাৰ্চ ছেণ্টাৰ, নতুন দিল্লীৰ গৱেষক ফেল'।**

অৱহেলিত অংশৰ সবলীকৰণৰ বাবে। লগতে আদৰ্শগত অগ্ৰগতিৰ বাবেও এই সংস্কাৰৰ সম্প্ৰসাৰণ কৰা হৈছে। সেইবাবে এম জি এনৰেগাৰ অধীনত কৰ্ম-সৃষ্টি আৰু সম্পদ-উৎপাদনৰ অংশ হিচাপে এই সংস্কাৰে কৃষি উন্নয়নত থকা বাধা-বিঘিনিবোৰ অতিক্ৰম কৰাৰ লক্ষ্য বান্ধি লৈছে। এই পদক্ষেপৰ লক্ষ্য হ'ল কৃষকসকলৰ বাবে বহনক্ষম পৰিবেশতন্ত্ৰ সৃষ্টি আৰু সামগ্ৰিকভাৱে গ্ৰাম্য উন্নয়নৰ ওপৰত সৰ্বাত্মক গুৰুত্ব প্ৰদান।

**কৃষিক্ষেত্ৰৰ বিঘিনি নাশ**

কৃষি সংকট আৰু কৃষকৰ বিপত্তিবোৰ ফলপ্ৰসূভাৱে মোকাবিলা কৰাৰ বাবে সম্প্ৰতি চৰকাৰে পৰিকল্পিতভাৱে এম জি এনৰেগাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য সলনি কৰিছে। এই আঁচনি তাৎক্ষণিকভাৱে প্ৰতিফলিত কৰাৰ বাবে বিগত দুবছৰত কেতবোৰ গুৰুত্বপূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। খৰাং প্ৰতিৰোধ, বান নিয়ন্ত্ৰণ, ক্ষুদ্ৰ জলসিঞ্চন, জলসিঞ্চন ব্যৱস্থা, জল সংৰক্ষণ আৰু পৰম্পৰাগত জল সম্পদৰ নৱীকৰণকে ধৰি কৃষি উৎপাদন বৃদ্ধিত প্ৰত্যক্ষভাৱে সহায়ক হোৱাকৈ চৰকাৰে কেতবোৰ কাৰ্যৰ প্ৰতি যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। তালিকা ১ত ৰাজ্যবোৰক মণ্ডল ভিত্তিত শ্ৰেণীবিভক্ত কৰি কামৰ অগ্ৰগতি দেখুওৱা হৈছে।

শেহতীয়া খৰাং বছৰবোৰত এই পৰিবৰ্তনৰ লক্ষ্যৰ লাভ দেখা গৈছে। ২০১৪-১৫ আৰু ২০১৫-১৬ বৰ্ষত যিবোৰ অঞ্চলত খৰাং বতৰে কৃষকৰ মাজত নানান বিপত্তিৰ সৃষ্টি কৰিছিল সেই অঞ্চলবোৰত এই পদক্ষেপৰ জৰিয়তে খৰাঙৰ প্ৰভাৱ নাশ কৰাৰ বাবে বিশেষ গুৰুত্বসহকাৰে লক্ষ্য স্থিৰ কৰা হৈছিল। ২০১৬-১৭ বৰ্ষত চৰকাৰে ৮ খন ৰাজ্য উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, মধ্য প্ৰদেশ, ৰাজস্থান, কেৰালা, কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশ আৰু তামিলনাডুক এম জি এনৰেগাৰ অধীনত খৰাং অধ্যুষিত ৰাজ্য হিচাপে ঘোষণা কৰিছিল।

এই বৃহত্তৰ খৰাংপীড়িত ৰাজ্যবোৰৰ কৃষকসকলৰ বিপত্তি নাশ কৰাৰ বাবে চৰকাৰে ৮ খন ঘোষিত খৰাংপীড়িত ৰাজ্যলৈ ২০১৭-১৮ বিত্তীয় বৰ্ষত এই আঁচনিৰ অধীনত ৫০ দিনৰ অতিৰিক্ত কাম প্ৰদান কৰিছিল। তদুপৰি ২০১৭-১৮ বিত্তীয় বৰ্ষত এই ৰাজ্যবোৰলৈ ২৪,০০০ কোটি টকাৰ বিশেষ অনুদান আগবঢ়াইছিল। আবণ্টিত এই ধনৰ অধিকাংশ জল সম্বন্ধীয় কামত ব্যৱহাৰ কৰা হৈছিল। এই কাৰ্যই সেই ৰাজ্যবোৰৰ কৃষি ক্ষেত্ৰত হোৱা বিঘিনি নাশ কৰাটোকেই চিহ্নিত কৰে।

**কৃষি উৎপাদনৰ কাৰণে বিকাশ**

কৃষি উৎপাদন বৃদ্ধিৰ বাবে চৰকাৰে গ্ৰহণ কৰা বৃহৎ পৰিকল্পিত ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি বিকাশমূলক কামত বৰ্দ্ধিত গুৰুত্ব প্ৰদান কৰা হৈছে। জীৱিকা সৃষ্টিমূলক আঁচনি আৰু কাৰ্যকৰী আৰু পৰিকল্পনাৰ বিভিন্ন স্তৰত এই আঁচনিবোৰৰ সমন্বিতকৰণৰ অধীনত সৰ্বোচ্চ মান আৰু সম্পদৰ বহনক্ষমতা সৃষ্টিৰ বাবে বৰ্তমানৰ চৰকাৰে বিকাশক এটা গ্ৰহণযোগ্য শব্দ হিচাপে লৈছে।

বিগত পাঁচ বছৰত বিকাশৰ লক্ষ্যৰে কৰা কামৰ মাণ্ডলিক প্ৰৱণতাৰ তুলনামূলক অধ্যয়ন চিত্ৰ ২ত দেখুওৱা হৈছে। এই চিত্ৰৰ পৰা পৰিলক্ষিত হয় যে ২০১২-১৩ ৰ ৪ শতাংশৰ পৰা ২০১৬-১৭ লৈ ১৮ শতাংশৰ লক্ষ্যণীয় হাৰত বিকাশ হৈছে। যোৱা দুটা বছৰত পূব আৰু কেন্দ্ৰীয় মণ্ডলৰ ৰাজ্যবোৰত বিকাশমূলক কামত লক্ষ্যণীয় উন্নয়ন পৰিলক্ষিত হৈছে। অধিক বহনক্ষম ৰাজহুৱা কামৰ আঁচনিবোৰৰ উন্নয়নমূলক কামৰ জৰিয়তে সামগ্ৰিক উন্নয়নৰ প্ৰতি গুৰুত্ব দিয়াটো চিত্ৰত দেখা গৈছে।

পৰৱৰ্তী পৰ্যায়ত তালিকা ১ত চৰকাৰৰ বিকাশমূলক কাৰ্যসূচীৰ বিতং বিশ্লেষণ আগবঢ়োৱা হৈছে। গ্ৰাম্য আন্তঃগাঁথনি আৰু অনাময় (ভাৰত নিৰ্মাণ/স্বচ্ছ ভাৰতকে ধৰি) আঁচনিত লক্ষ্যণীয় বিকাশৰ উপৰি শ্ৰেণী- ৪ৰ অধীনৰ কাম যেনে কুঁৱা-পুখুৰী খন্দা, পচন সাৰ উৎপাদন, ব্যক্তিগত ভূমি কাম আৰু আন কৃষি সংযোগী কামবোৰ চিহ্নিতকৰণত গুৰুত্ব প্ৰদান কৰা হৈছে।

কৃষি বিপত্তি নাশ কৰাৰ কাৰণে বিগত দুবছৰত ভূমি উন্নয়ন, এম জি এনৰেগাৰ অধীনত কৃষি সংযোগী কাম যেনে খৰাং পৰিস্থিতিৰ মোকাবিলা, বান নিয়ন্ত্ৰণ, জল সংৰক্ষণ আদিৰ যথেষ্ট কাম কৰা হৈছে। বৰ্তমান চৰকাৰৰ গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ে এম জি এনৰেগাৰ অধীনত প্ৰাকৃতিক সম্পদ পৰিচালনা (এন আৰ এম) সম্পৰ্কীয় কামকাজৰ লগতে প্ৰধানমন্ত্ৰী কৃষি সঞ্চয়ী যোজনা (পি এম কে এছ ৱাই) আৰু সমন্বিত জলচ্ছেদ পৰিচালনা কাৰ্যসূচী (আই ডব্লিউ এম পি)ৰ কাম সম্পন্ন কৰিছে। বিশ্বৰ সৰ্ববৃহৎ জন কৰ্ম কাৰ্যসূচী প্ৰচলন কৰাৰ পাছত প্ৰথমবাৰৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই বিকাশমূলক কাম-কাজ প্ৰকৃততে উন্নত কৃষি উৎপাদন আৰু বহনক্ষম সম্পদ সৃষ্টিৰ কাৰণে এম জি এনৰেগাৰ অধীনত নতুন কাম সংযোজনৰ বাবে ২০১৩ চনত মিহিৰ শ্বাহ কমিটীৰ পৰামৰ্শাৱলীৰ ভিত্তিত কৰা হৈছে। এই সমিতিয়ে পৰামৰ্শ দিছিল যে এই কৰ্মসূচীয়ে ৰাজ্যবোৰৰ দাবীসমূহ পূৰণ আৰু

অনুমতিমূলক কামবোৰ বৃহৎ পৰিসৰত সম্পন্ন কৰিব লাগিব যাতে গ্ৰাম্য ভাৰতৰ পৰিবেশৰ ভাৰসাম্য ৰক্ষাত সহায় হয় আৰু গ্ৰামাঞ্চলৰ জনসাধাৰণৰ বাবে পৰিষ্কাৰ, স্বাস্থ্যসন্মত পৰিবেশ আগবঢ়াব পৰা হয়। দৰিদ্ৰ আৰু উপান্ত পৰিয়ালবোৰৰ উন্নয়নৰ বাবে বহনক্ষম ব্যক্তিগত সম্পদৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ২০১৬-১৭ বৰ্ষত ৫ লাখ পাম পুখুৰী খন্দা আৰু ১০ লাখ কেঁচু সাৰ প্ৰকল্প স্থাপনকে ধৰি বহুতো নতুন কামৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

**ক্ষমতা বৃদ্ধি**

সবলীকৰণৰ দিশত বৃহত্তৰ নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত চৰকাৰে দক্ষতা বৃদ্ধিৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰিছে। বহনক্ষম জীৱিকা সৃষ্টিৰ ক্ষমতা বৃদ্ধিত জনসাধাৰণৰ দক্ষতা বৃদ্ধিয়ে সমাজৰ সকলো অংশৰ উৎকৰ্ষতা বৃদ্ধিত বহুমাত্ৰিক প্ৰভাৱ পেলায়। যি সময়ত কৃষকসকলে কৃষি উৎপাদন বৃদ্ধিৰ বাবে কষ্ট কৰিবলগীয়া হৈছে, সেই সময়তে এম জি এনৰেগাই এই প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ দক্ষতা বৃদ্ধিৰ প্ৰতি নতুন উদ্যোগ গ্ৰহণ কৰিছে। কৃষি সম্পৰ্কীয় কাম-কাজ আৰু অন্যান্য ক্ষেত্ৰৰ কৰ্মীসকলৰ দক্ষতা বৃদ্ধিৰ বাবে চৰকাৰে বহু আঁচনি আৰু উপ-আঁচনিৰ পদক্ষেপ গ্ৰহণ কৰিছে। বৰ্তমানৰ চৰকাৰে এম জি এনৰেগাৰ আঁচনিৰ অধীনত গ্ৰহণ কৰা প্ৰকল্প জীৱন (Project-Life)ৰ জৰিয়তে শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ দক্ষতা বৃদ্ধিত গুৰুত্ব আৰোপ কৰা হৈছে। এই আঁচনিৰ অধীনত তিনিটা শিতানৰ দক্ষতা বৃদ্ধিৰ সুবিধা প্ৰদান কৰা হৈছে।

* মজুৰি শ্ৰেণীৰ দক্ষতাৰ অধীনত কৃষিভিত্তিক, স্বাস্থ্য সেৱা, অট'ম'টিভ, বেংকিং আদিকে ধৰি মুঠ ৪১টা বিভাগৰ দক্ষতা গ্ৰহণ।
* দ্বিতীয়তে শ্ৰমিকসকলক উদ্যমিতা বৃদ্ধিৰ সুবিধা প্ৰদান কৰিব লাগিব আৰু এই শ্ৰেণীত মুঠ ৫ টা বিভাগ যথা কৃষি সম্পৰ্কীয় উদ্যমিতা উন্নয়ন প্ৰকল্প— দুগ্ধ উৎপাদন, মীন পালন, ৰেচম আদি, সংসাধন

তালিকা-১ ঃ বিকাশৰ সৈতে কাম শ্ৰেণী ভিত্তিক

| ক্ৰমিক নং | শ্ৰেণী | বিকাশৰ সৈতে কামৰ শতকৰা হাৰ | |
|---|---|---|---|
| | | ২০১২-১৩ | ২০১৬-১৭ |
| **কৃষি বিপত্তি উপশমৰ কামবোৰ** | | | |
| ১ | খৰাং মোকাবিলা | ০.৬৪ | ৯.৮৮ |
| ২ | বান নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ | ০.০৯ | ৪.৭১ |
| ৩ | ক্ষুদ্ৰ জলসিঞ্চনৰ কাম | ০.১৪ | ৮.৯১ |
| ৪ | ভূমি উন্নয়ন | ০.২৮ | ৬.৭০ |
| ৫ | আন কাম | ৩.৫৮ | ৮.২৮ |
| ৬ | জল সংৰক্ষণ আৰু জল উৎপাদন | ০.১৪ | ১.৫৫ |
| ৭ | পৰম্পৰাগত জলাশয়বোৰৰ পুনঃ উন্নীতকৰণ | ০.০৬ | ২.০১ |
| ৮ | উপকূলীয় অঞ্চল | ০.০০ | ০.১৪ |
| **গ্ৰাম্য আন্তঃগাঁথনি আৰু কৃষি সহযোগী কামবোৰ** | | | |
| ৯ | অংগনৱাড়ী / আন গ্ৰাম্য আন্তঃগাঁথনি | ৩.৫৩ | ৪৬.৯১ |
| ১০ | উপকূলীয় অঞ্চল | ০.০০ | ০.১৪ |
| ১১ | গ্ৰাম্য খোৱাপানী | ০.০৪ | ০.২৩ |
| ১২ | খাদ্য শস্য | ০.০০ | ২৬.৭৮ |
| ১৩ | মীন পালন | ০.০৬ | ১১.৩৪ |
| ১৪ | ব্যক্তিগত ভূমি (শ্ৰেণী-৪)ৰ কাম | ৫.২৯ | ৪২.৫৭ |
| ১৫ | ভূমি উন্নয়ন | ০.২৮ | ৬.৭০ |
| ১৬ | আন কাম | ৩.৫৮ | ৮.২৮ |
| ১৭ | খেলপথাৰ | ০.৯২ | ২.০০ |
| ১৮ | গ্ৰাম্য যোগাযোগ | ৬.৩১ | ২০.১০ |
| ১৯ | গ্ৰাম্য অনাময় | ৭.৮৪ | ২.২৫ |
| ২০ | ভাৰত নিৰ্মাণ / স্বচ্ছ ভাৰত ৰাজীৱ গান্ধী সেৱা কেন্দ্ৰ | ২৭.৩১ | ৬৪.২৫ |
| | **মুঠ** | **৩.৯৯** | **১৮.৩৮** |

উৎস ঃ http://164.100.129.6/netnrega/MISreport4.aspx?fin.year=2013-2014&rpt=RP

সম্পৰ্কীয়, উৎপাদন সম্পৰ্কীয় আৰু সাধাৰণ উদ্যমিতা উন্নয়ন প্ৰকল্প যথা দিব্যাংগসকলৰ বাবে বিশেষ প্ৰশিক্ষণ আদি।

* তৃতীয় শ্ৰেণীত ১১ টা বিভাগেৰে দক্ষতা উন্নীতকৰণৰ সুবিধা আৰু পশ্চাৎদিশত হাঁহ-কুকুৰা পালন, এম জি এনৰেগাৰ অধীনত সমন্বিত ভূমি উন্নয়ন, বহনক্ষম কৃষি অনুশীলন, ভূমি উৰ্বৰা বৃদ্ধি, কীট-পতংগ প্ৰবন্ধন, কেঁচুসাৰ উৎপাদন আদি সংযোজিত হৈছে।

প্ৰতিটো শ্ৰেণীতে কৃষি সম্পৰ্কীয় দক্ষতাত মন কৰিবলগীয়া গুৰুত্ব আৰোপ কৰা হৈছে আৰু যুৱ সমাজে আন ক্ষেত্ৰৰ তুলনাত কৃষিক্ষেত্ৰত অধিক পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছে। এই কাৰ্যসূচীয়ে বিস্তৃত দক্ষতা বৃদ্ধি আৰু কৃষি উদ্যমিতাৰ উন্নয়নৰ কাৰণে এটা কৰ্মবাহিনী গঠন কৰিছে। ফলত দৰিদ্ৰতা, সংস্থাপনহীনতা আৰু নগৰাঞ্চললৈ প্ৰব্ৰজন আৰু কৃষি ক্ষেত্ৰৰ সৈতে গ্ৰাম্য যুৱ সমাজৰ সম্পৰ্কহীনতা আদিৰ দৰে সমস্যাবোৰ সমাধান কৰি কৃষি ক্ষেত্ৰত উন্নয়নৰ লক্ষ্যত নতুন সংযোজন ঘটাব পাৰিছে। একেদৰে কেন্দ্ৰীয় চৰকাৰে আগন্তুক চাৰিটা বৰ্ষত গ্ৰামাঞ্চলৰ ১.৮২ লাখ উদ্যমকাৰীক সমৰ্থন জনোৱাৰ বাবে ষ্টাৰ্ট আপ ভিলেজ এন্টাৰপ্ৰিনিয়ৰশ্বিপ প্ৰ'গ্ৰাম (এছ ভি ই পি) কাৰ্যসূচী আৰম্ভ কৰিছে। প্ৰযুক্তিগত কাৰ্যকুশলতাৰ বাবে কৃষকসকলক প্ৰশিক্ষণ প্ৰদানৰ ফলত অধিক উৎপাদন আৰু উপাৰ্জন হ'ব আৰু ই গ্ৰাম্য জীৱিকা সংস্থাপনৰ দিকদৰ্শক হ'ব।

**বিত্তীয় দক্ষতাবৃদ্ধি**

প্ৰত্যক্ষ লাভ বৃদ্ধি বা ডাইৰেক্ট বেনিফিট ট্ৰান্সফাৰ (ডি বি টি) কাৰ্যসূচী আৰম্ভ কৰি কেতবোৰ প্ৰাপ্য সুবিধা যেনে— জলপানি, পেঞ্চন, দৰমহা আদি সমগ্ৰ দেশৰ হিতাধিকাৰীসকললৈ পোনপটীয়াকৈ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। বায়'মেট্ৰিক ভিত্তিত একক পৰিচয় প্ৰদান ব্যৱস্থা আধাৰৰ সৈতে সংযোজিত ডি বি টি মঞ্চই মধ্যভোগীৰ জৰিয়তে আৰ্থিক প্ৰাপ্য চান কঢ়াৰ ক্ষেত্ৰত ফলপ্ৰসূভাৱে প্ৰতিৰোধ সৃষ্টি কৰিব পাৰিছে। লগতে তথ্যৰ জালিয়াতি আৰু অগ্ৰহণীয়তা নাশ কৰাতো সহায়ক হৈছে। এই ব্যৱস্থাৰ জৰিয়তে লাভ আদায় প্ৰক্ৰিয়া অধিক কাৰ্যদক্ষতা, দায়বদ্ধতা আৰু স্বচ্ছতাৰে সম্পন্ন কৰা হৈছে।



চিত্ৰ ৩ ৰ চিত্ৰ বৰ্ণিত ৰূপৰ পৰা এম জি এনৰেগাৰ অধীনত বেংক (বা ডাকঘৰ) একাউন্টধাৰী কৰ্মীসকলৰ লক্ষণীয় হাৰ বৃদ্ধি দেখুৱাইছে। ২০১৪ চনত প্ৰধানমন্ত্ৰীয়ে বিত্তীয় লাভৰ ক্ষেত্ৰত আৰম্ভ কৰা এই কাৰ্যসূচীৰ জৰিয়তে অৰ্থাৎ আঁচনিৰ অধীনত বেংকিং আৰু আধাৰ ভিত্তিক ধন আদায় ব্যৱস্থা প্ৰৱৰ্তনৰ জৰিয়তে আঁচনিৰ কাৰ্যদক্ষতা বৃদ্ধি আৰু দুৰ্নীতি নিৰ্মূলত সহায়ক হৈছে। এই আঁচনিৰ জৰিয়তে লাভ প্ৰকৃত হিতাধিকাৰীক আদায় দিয়াটো সম্ভৱ হোৱাৰ ব্যাপক স্বচ্ছতাৰ ক্ষেত্ৰত ই এটা ইতিবাচক উন্নতি হিচাপে চিহ্নিত হৈছে।

আবণ্টিত ধনৰ গতিশীলতা ৰক্ষাৰ বাবে চৰকাৰে ২০১৭ চনৰ ১ এপ্ৰিলৰ পৰা ৰাজ্যবোৰলৈ বৈদ্যুতিন নিধি পৰিচালন ব্যৱস্থা (ই এফ এম এছ)ৰ প্ৰচলিত পৰিকাঠামো বাধ্যতামূলক কৰিছে।[১] এই পদ্ধতিৰ জৰিয়তে কেন্দ্ৰৰ পৰা ৰাজ্যবোৰলৈ অনলাইন ব্যৱস্থাৰ জৰিয়তে আবণ্টিত ধন বিনিময় হ'ব আৰু গাঁও পঞ্চায়ত পৰ্যায়লৈকে আবণ্টিত ধনৰ সুষম গতি চলি থাকিব।

তদুপৰি ইয়াৰ জৰিয়তে কৰ্মী-সকলৰ আধাৰ নম্বৰ সংযোজিত একাউন্টলৈ নিধি আৰু পাৰিশ্ৰমিক একক ই এফ এম এছ একাউন্টৰ পৰা বদলি কৰাত ফলপ্ৰসূ হ'ব। এম জি এনৰেগাত অযুক্তিকৰ আৰু প্ৰয়োজনাধিক কাম-কাজ নাশ আৰু মজুৰি প্ৰদানত স্বচ্ছতা প্ৰদানৰ ক্ষেত্ৰতো ই উপযুক্ততাৰে কাম কৰিব।

বৰ্তমানলৈকে প্ৰায় ৪.২৫ কোটি গৰাকী কৰ্মীয়ে আধাৰ ভিত্তিক ধন আদায় ব্যৱস্থা (এ বি পি এছ) গ্ৰহণ কৰিবলৈ সক্ষম হৈছে।[২] পৰৱৰ্তীভাৱে চিত্ৰ-৫ এ ২০১২-১৩ বৰ্ষৰ পাছত আধাৰ ভিত্তিক ধন আদায় ব্যৱস্থাত জড়িত শ্ৰমিকৰ সংখ্যাৰ লক্ষ্যণীয় বৃদ্ধি প্ৰদৰ্শন কৰে। ২০১৫-১৬ বৰ্ষৰ পাছত মন কৰিবলগীয়া সামঞ্জস্য পৰিলক্ষিত হয়।

যেতিয়া দুৰ্নীতি, স্বজন-তোষণ বা আন কাৰণত উপযুক্ত হিতাধিকাৰীয়ে আঁচনিবোৰৰ লাভ আদায় কৰিব নোৱাৰে তেতিয়াই সুৰুঙা ৰৈ যায়। লাভৰ প্ৰত্যক্ষ বদলিয়ে মধ্যভোগী

নাইকিয়া কৰা আৰু সামাজিক কল্যাণ আঁচনিবোৰ লক্ষ্য গোটে লাভ কৰাত কাৰ্যকৰীভাৱে সফল হয়।

**প্ৰভাৱ নিৰ্ণায়ক পৰিকাঠামো**

এন আৰ ই জি এছৰ অধীনত কৰা কামৰ প্ৰভাৱ নিৰ্ণায়ক কৰাৰ বাবে অধিক পৰিচালনা পদ্ধতিৰে চৰকাৰী ব্যৱস্থাৰ সংস্কাৰ সাধনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ২০১৫-১৬ বৰ্ষৰ পৰা প্ৰভাৱ নিৰ্ণয় পৰিকাঠামো ৰূপায়ণ কৰা হৈছে আৰু কামৰ প্ৰকৃত ফলাফল নিৰ্ণয় কৰাৰ বাবে কামৰ ব্যতিৰেকে ফলাফল নিৰ্ণায়ক নীতিও প্ৰণয়ন কৰা হৈছে। এই অনুশীলনৰ লক্ষ্য হৈছে সম্পদ সৃষ্টিত মান আৰু উৎপাদনৰ উন্নয়ন সাধন কৰা আৰু লগতে হিচাপ ৰক্ষা কৰিব পৰা গাঁথনি সৃষ্টি কৰা।

এই পৰিকাঠামোত নিৰ্ণায়ক ব্যৱস্থা দুটা পদ্ধতিৰে সম্পন্ন কৰা হয়— আকাংক্ষিত আৰু প্ৰকৃত কামৰ ফলাফল আৰু কামৰ শ্ৰেণী অনুযায়ী ফলাফলৰ বিশ্লেষণ। উদাহৰণস্বৰূপে ঃ খৰাং পৰিস্থিতিৰ মোকাবিলা কৰিবৰ বাবে বননীকৰণ, অঞ্চলভিত্তিক শস্য উৎপাদন আৰু যি অঞ্চলত কাৰ্যকৰী কৰা হ'ব তাৰ হেক্টৰ ভিত্তিক চিহ্নিতকৰণ। যদি আন কৃষি সম্পৰ্কীয় কাম-কাজ যথা ক্ষুদ্ৰ জলসিঞ্চন, বান নিয়ন্ত্ৰণ সংৰক্ষিত / লাভান্বিত কৰিবলগীয়া অঞ্চল বা আৰম্ভ কৰা সময়ত জলসিঞ্চন কৰা প্ৰয়োজন তেন্তে সেইবোৰো চিহ্নিত কৰা হয়।

তথ্য অনুসৰি মন্ত্ৰালয়ে দাবী কৰে যে ৩০ লাখ হেক্টৰ বৰ্ষাসিক্ত কৃষিভূমিত জল সংৰক্ষণৰ কাম ৰূপায়ণ কৰা হ'ব। আনহাতে ৯ লাখ হেক্টৰ ভূমিত জলসিঞ্চন আৰু ৬ লাখ হেক্টৰত বননী-কৰণ কৰাৰ আশ্বাস দিয়া হয়।[৩] এনে ধৰণৰ অনুশীলনৰ জৰিয়তে প্ৰকৃত ফলাফল নিৰ্ণয়, উৎপাদনশীলতা বৃদ্ধি আৰু প্ৰয়োজনভিত্তিক কামকাজ সম্পন্ন কৰিব পাৰি। এই অনুশীলনে ব্যৱস্থাটোক অধিক দায়বদ্ধ আৰু ব্যৱহাৰত স্বচ্ছতা প্ৰদান কৰে।

**সামৰণিৰ মন্তব্য**

কৃষি উৎপাদন হ্ৰাস, দুৰ্বল জল-সিঞ্চন সুবিধা, কৃষিক্ষেত্ৰৰ প্ৰতিযোগিতা বৃদ্ধি আৰু আধুনিক পাম প্ৰযুক্তিৰ বিষয়ে উপযুক্ত জ্ঞানৰ অভাৱে ভাৰতবৰ্ষৰ কৃষকসকলৰ জীৱন ধাৰণৰ মান নিম্ন, পাম উৎপাদনৰ হাৰ নিম্ন আৰু পাম কৰ্মৰ প্ৰতি অনীহা আহিছে। ভাৰতৰ বৰ্তমানৰ বিত্ত মন্ত্ৰীৰ উদ্ধৃতি দি ক'ব পাৰি— "আমাৰ কৃষকসকলৰ উপাৰ্জন দ্বিগুণ কৰিবৰ বাবে চৰকাৰে এম জি এনৰেগাৰ পুনঃবিন্যাসৰ বাবে সচেতনভাৱে আগবাঢ়িছে। প্ৰতিটো গ্ৰাম্য পৰিয়ালত ন্যূনতম ১০০ দিনৰ কাম আগবঢ়োৱা এম জি এনৰেগাই পাম উৎপাদন আৰু উপাৰ্জন বৃদ্ধিৰ বাবে উৎপাদনশীল সম্পদ সৃষ্টি কৰা প্ৰয়োজন।"[৪]

এম জি এনৰেগাৰ অধীনত গ্ৰাম্য আৰু কৃষি উৎপাদনৰ সুপৰিকল্পিত স্থানান্তৰকৰণৰ বাবে চৰকাৰে পৰিকল্পিত-ভাৱে কৃষকসকলৰ বহনক্ষম জীৱিকা সৃষ্টি আৰু সামাজিক সুৰক্ষাৰ নিশ্চিতি প্ৰদান কৰিছে। তাৰে পদক্ষেপ হিচাপে জনমুখী কৰ্ম আঁচনিৰ জৰিয়তে কৃষকৰ সক্ষমতা বৃদ্ধিৰে কৃষি বিপত্তি নাইকিয়া কৰাৰ প্ৰচেষ্টা লোৱা হৈছে। বিগত দুবছৰত গ্ৰামাঞ্চলৰ জনসাধাৰণ তথা কৃষকৰ কৃষি উৎপাদনৰ জোৰা মাৰিবলৈ জীৱিকাৰ নতুন উপায় সৃষ্টিৰ বিষয়ে ভবা হৈছে।

শেষত ইয়াকে ক'ব পাৰি যে চৰকাৰৰ সবলীকৰণৰ দৰ্শনৰ অৰ্থ হ'ল কৃষি উৎপাদনশীলতা বৃদ্ধিৰ জৰিয়তে কৃষকৰ জীৱিকাৰ নিৰাপত্তাৰ নিশ্চিতি প্ৰদান কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা আৰু কৃষকৰ দক্ষতা বৃদ্ধি কৰাৰ অৰ্থ হ'ল সম্পদ সংস্থাপনৰ প্ৰতি গুৰুত্ব দিয়া। উন্নত জলসিঞ্চনৰ সুবিধাৰে কৃষি অৰ্থনীতিৰ নিশ্চিতি, বান আৰু খৰাঙৰ ক্ষয়-ক্ষতিৰ মোকাবিলা কৰা, কৃষকলৈ আধুনিক কৃষি দক্ষতা আগবঢ়োৱা আৰু জনমুখী আঁচনিৰ জৰিয়তে অধিক পৰিমাণে প্ৰয়োজনভিত্তিক কৃষি সম্পৰ্কীয় আন্তঃগাঁথনিয়ে উন্নত পাম উৎপাদন নিশ্চিত কৰিব। ইয়াৰ জৰিয়তে কৃষি উপাৰ্জন বৃদ্ধি পাব আৰু কৃষক-সকলৰ বাবে বহনক্ষম সামাজিক সুৰক্ষাই সামৰিব। এই প্ৰণালীবদ্ধ সংস্কাৰে উপান্ত কৃষকক নিশ্চিতভাৱে সহায় কৰিব। ❒

ই-মেইল ঃ khyati.khush@gmail.com
vidushi.shahani@gmail.com

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# সংগবদ্ধ সামাজিক দায়বদ্ধতা

# বিকাশ সাধনৰ প্ৰয়াসক সমৰ্থন প্ৰদানৰ প্ৰতিশ্ৰুতি

যতীন্দৰ সিং*

কৰ্পোৰেট ছ'চিয়েল ৰেছ্পনছিবিলিটি (অৰ্থাৎ সংগবদ্ধ সামাজিক দায়বদ্ধতা) , 'চমুকৈ চী এছ আৰ' হ'ল এটা প্ৰতিষ্ঠান—যি সমাজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে গ্ৰহণ কৰা ব্যৱস্থাৰ বাবে সংগঠন সমূহক উৎসাহিত কৰে। তেনে সংগঠনবোৰে জনসাধাৰণ, জগত আৰু লাভ অৰ্জনৰ দিশত প্ৰভাৱ পেলাবলৈ দায়িত্ব সহকাৰে কাম কৰে। ভাৰত হ'ল বিশ্বৰ ভিতৰত প্ৰথম দেশ যাৰ আইন প্ৰণোদিত 'চী এছ আৰ'ৰ ব্যৱস্থাৱলী আছে আৰু সেই অনুযায়ী কামত ব্ৰতী হৈছে। কৰ্পোৰেট পৰিক্ৰমা মন্ত্ৰালয়ে ২০০৯ চনত এই প্ৰতিস্থানটোৰ সন্দৰ্ভত স্বেচ্ছামূলক নীতি নিৰ্দেশনা জাৰি কৰে। এই নীতি নিৰ্দেশনাসমূহক কোম্পানী আইন, ২০১৩ৰ মতে একত্ৰিত কৰা হয়। যিবোৰ কোম্পানী চী এছ আৰ'ৰ পৰিসৰৰ ভিতৰত সামৰি লোৱা হয় সেইবোৰক কোম্পানী আইন, ২০১৩ৰ ১৩৫ ধাৰাৰ ১ উপধাৰাত ৰখা হয়। তলত উল্লেখ কৰা কোম্পানীবোৰে চী এছ আৰ ব্যৱস্থাৱলী অনুসৰণ কৰিব লাগে ঃ—

(১) ৫০০ কোটি বা ততোধিক পৰিমাণৰ টকা থকা কোম্পানী সমূহ, অথবা

(২) ১০০০ কোটি বা ততোধিক টকা উপাৰ্জন কৰা কোম্পানী, কিম্বা

(৩) ৫ কোটি বা ততোধিক টকাৰ প্ৰকৃত লাভ অৰ্জন।

হিচাপ অনুযায়ী প্ৰায় ৮০০০টা কোম্পানী এই আইনখনে বান্ধি দিয়া চী এছ আৰৰ ব্যৱস্থাৱলীৰ অধীনলৈ আহে। আইনখনে এইটো নিৰ্দিষ্ট কৰি দিয়ে যে কোম্পানীবোৰে চী এছ আৰৰ কাম-কাজৰ ক্ষেত্ৰত যোৱা তিনি বছৰ কালত তেওঁলোকে গড় হিচাপে লাভ কৰা ধনৰাশিৰ কমেও ২ শতাংশ খৰচ কৰিব লাগিব। সেইমতে ব্যয় কৰা ধনৰাশিৰ আনুমানিক হিচাপৰ পৰিমাণ বছৰি ১০,০০০-১২,০০০ টকাৰ ভিতৰত হয়। বৰ্ধিত মুঠ ঘৰুৱা উৎপাদন আৰু তাৰ পিছৰ বৰ্ধিত লাভলৈ চাই এই বাধ্যতামূলক ব্যয়ৰ পৰিমাণ বছৰৰ পিছত বছৰজুৰি বৃদ্ধি পাব। ১৩৫ ধাৰা অনুযায়ী কোম্পানীয়ে ব'ৰ্ডৰ এখন চী এছ আৰ সমিতি গঠন কৰিব আৰু সেই সমিতিত থাকিব দুই বা তিনিজন সঞ্চালক তথা এজন স্বতন্ত্ৰীয়া সঞ্চালক। সমিতিয়ে নীতি তৈয়াৰ কৰিব আৰু সেই নীতিসমূহত সপ্তম অনুসূচীত নিৰ্দিষ্ট কাৰ মতে চী এছ আৰৰ কাম-কাজকো অন্তৰ্ভুক্ত কৰিব। কোম্পানীবোৰে নিজ নিজ প্ৰতিষ্ঠান আৰু ন্যাসৰ জৰিয়তে চী এছ আৰৰ কাম-কাজ কৰিব পাৰে অথবা এনজিঅ' অৰ্থাৎ অনাচৰকাৰী সংগঠনৰ স'তে কিম্বা আন এটা কোম্পানীৰ লগতে তেওঁলোকৰ চী এছ আৰ পুঁজি আনিও তেনে কাম কৰিব পাৰে। তৈয়াৰী নীতিত এইটো মানি লোৱা হয় যে সামাজিক দায়বদ্ধতাৰে (অৰ্থাৎ চী এছ আৰ) প্ৰতিষ্ঠানটোৱে কেৱল আনৰ পৰামৰ্শ অনুযায়ী কামেই নকৰে, তাৰ উপৰি অৱহেলিত লোকসকলৰ জীৱনৰ উন্নতি সাধন কৰা প্ৰয়াসত সমৰ্থন প্ৰদান কৰাৰ বাবেও প্ৰতিশ্ৰুতিবদ্ধ।

**চী এছ আৰ —সবলীকৰণৰ অগ্ৰদূত**

সীমামূৰীয়া অৱস্থাত থকা লোকসকলৰ সবলীকৰণ কৰা অৰ্থ হ'ল তেওঁলোকৰ আৰ্থ-সামাজিক স্থিতিৰ উন্নতি সবল কৰা। তাৰ বাবে বিকাশ আৰু তেওঁলোকৰ ধাৰণ ক্ষমতাক গঢ় দি তথা জীৱনৰ গুণগত দিশৰ উৎকৃষ্ট সাধন কৰা প্ৰয়োজন। এয়া হ'ল চৰকাৰৰ মূল দায়িত্বৰ বিষয়। কিন্তু কৰ্পোৰেট খণ্ডৰ প্ৰচেষ্টাও প্ৰয়োজন আৰু সেই প্ৰচেষ্টা ব্যাপক মাত্ৰা আৰু গতিশীলতাৰে হোৱা দৰকাৰ। তেনে খণ্ডৰ ভাল কাম-কাজ দেখি অন্য সংগঠন বা প্ৰতিষ্ঠানেও নিজৰ স্থিতি দৃঢ় কৰিবলৈ ওলাই আহিব পাৰে। কোনো এখন ঠাইত অৱস্থান কৰা কোম্পানীবোৰে সেই ঠাইৰ নিৰ্দিষ্ট সমাজখনতহে ন্যস্ত

* লিখক নতুন দিল্লীৰ পি এইছ ডী চেম্বাৰ অব কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰিৰ জ্যেষ্ঠ সচিব তথা এইচ আৰ মূৰব্বী। শিক্ষা, দক্ষতা বিকাশ, চী এছ আৰ, ষ্টাৰ্ট আপ আদিৰ ক্ষেত্ৰত তেওঁৰ বছৰৰ অভিজ্ঞতা আছে। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ ডী এছ আই আৰ এ টু কে-ৰ কাৰিকৰী উপদেষ্টা কমিটীৰো তেওঁ সদস্য। তেওঁ দুখন গ্ৰন্থও লিখিছে।

থকাৰ বাবে সেই ঠাইৰ বিষয়বোৰ বুজিবৰ কাৰণে সহজ হয়। তাত কি ধৰণৰ প্ৰত্যাহ্বান আছে আৰু অৱহেলিত লোকসকলৰ উৎকৃষ্ট সাধনৰ অৰ্থে কি সুবিধা আছে সেইটোও জানিব পাৰে। এনেবোৰ বিষয় হৃদয়ংগম কৰি চী এছ আৰৰ প্ৰকল্পসমূহৰ জৰিয়তে সমাধানৰ ব্যৱস্থা কৰিব পাৰে। ভাৰতে অতীতত আছুতীয়াকৈ বিকাশ লাভ কৰাৰ অভিজ্ঞতা আছে। এই শতিকা পুৰণি অন্যান্য ৰূপৰ বিকাশ পুনৰ বাস্তৱায়িত কৰিবলৈ সময় আৰু প্ৰয়াসৰ প্ৰয়োজন হ'ব। তেনে প্ৰয়াসৰদ্বাৰাহে অনেক কষ্টৰে জীৱন নিৰ্বাহ কৰা সকলক ঘাইসুতিলৈ অনাৰ কথা আশা কৰিব পাৰি। সম্প্ৰীতি যি সৰ্বাত্মক বিকাশ মন্ত্ৰ 'সব্কা সাথ সব্কা বিকাশ' আছে তাক উপলব্ধ কৰিব পৰা যাব একমাত্ৰ ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডই অৱলম্বন কৰা আৰ্হিসমূহৰ বিকাশত যোগসূত্ৰ স্থাপন কৰি। তেনে যোগসূত্ৰ স্থাপনে সেই বিকাশ প্ৰক্ৰিয়াৰ অধিকভাৱে ত্বৰান্বিত কৰি তুলিব। জনগণৰ কল্যাণৰ অৰ্থে ধাৰ্য কৰা ৰাজ্যৰ বৰ্ধিত চাহিদা পূৰণৰ বাবে যথেষ্ট নহয়। সীমামূৰীয়া অৱস্থাত থকা লোকসকলৰ সৱলীকৰণৰ বাবে চৰকাৰে বিভিন্ন আঁচনি ৰূপায়িত কৰি সম্পদৰাজি কামত লগাইছে, কিন্তু কম সময়ৰ ভিতৰতে জনতাৰ কল্যাণৰ অৰ্থে সকলোবোৰ বিষয় পূৰণ কৰিব নোৱাৰে। সেয়ে বিকাশ লক্ষ্য লাভ কৰিবৰ বাবে ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণ অতি আৱশ্যক। শিক্ষা, জীৱিকা নিৰ্বাহৰ যোগসূত্ৰ অথবা স্বাস্থ্যৰক্ষাৰ দৰে খণ্ডবোৰৰ ক্ষেত্ৰত অভাৱগ্ৰস্তসকলৰ উৎকৰ্ষ সাধনৰ বাবে বিপুল পৰিমাণৰ বিত্ত সংগ্ৰহ কৰাৰ প্ৰয়োজন হয়। ৰাষ্ট্ৰসংঘৰ বিকাশ কাৰ্যসূচী তৰফৰ পৰা প্ৰকাশ কৰা মানৱ বিকাশ প্ৰতিবেদন মতে ১৮৮খন দেশৰ ভিতৰত ভাৰতৰ স্থান হ'ল ১৩১। মানৱ বিকাশ সূচী হ'ল এখন দেশত মূল মানৱ বিকাশ সাধনৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ এটা গড় হিচাপৰ মাপকাঠী। এই পৰিসংখ্যাক অধিক ভাল কৰিবৰ বাবে কেৱল বিত্তীয় বিষয়ৰ বিচাৰ বুদ্ধিৰেই আৱশ্যক এনে নহয়, তাৰ উপৰি প্ৰয়োজন হয় বিভিন্ন অংশদাৰক বৰঙণি যোগোৱাৰ ক্ষেত্ৰত পূৰ্ণভাৱে জড়িতকৰণ কৰোৱাৰ দৃষ্টিভংগী।

চৰকাৰৰ ঘাই কাৰ্যসূচীসমূহ যেনে— মেইক্ ইন ইণ্ডিয়া, ষ্টাৰ্ট আপ্ ইণ্ডিয়া, স্কীল ইণ্ডিয়া আৰু ডিজিটেল ইণ্ডিয়াক চী এছ আৰৰ যিবোৰ যোজনা আছে তাৰদ্বাৰাই প্ৰসাৰ সাধন কৰিব পাৰে। সীমামূৰীয়া লোক সকলক বহু ধৰণে সবলীকৰণ কৰাৰ ক্ষেত্ৰত এই কাৰ্যসূচীবোৰৰ প্ৰভাৱ বহুত বেছি, কিয়নো ইয়াৰ সঠিক ৰূপায়ণে তেওঁলোকক অধিক শিক্ষিত আৰু দক্ষতাপূৰ্ণ কৰিব পাৰে আৰু তাৰ লগতে বিপুল ভাৱে কাম-কাজৰ সুযোগ-সুবিধা উদ্ৰেক কৰিব পাৰে।

## কৰ্পোৰেট খণ্ডৰ ভূমিকা

চী এছ আৰৰ কাম-কাজ দৃঢ় কৰাৰ লগে লগে বহু কোম্পানীয়ে যোগান প্ৰক্ৰিয়াত এটা যোগসূত্ৰ স্থাপন কৰিছে— যাৰদ্বাৰাই লোকসকলৰ জীৱিকা নিৰ্বাহৰ বাট মুকলি হ'ব পাৰে। নতুন যুগৰ চী এছ আৰৰ আধাৰ প্ৰতিষ্ঠিত হোৱা ক্ৰমে তাৰ কৰ্ম পদ্ধতিত প্ৰেৰণা সঞ্চাৰ হৈছে। ২০১৫ চনত ৰাষ্ট্ৰসংঘই যি ১৭টা নিৰন্তৰ বিকাশ লক্ষ্য গ্ৰহণ কৰিলে সেইবোৰ কৰ্পোৰেট খণ্ডৰ বাবে মূল আকৰ্ষণীয় ক্ষেত্ৰ হৈ পৰিছে। কাৰণ চী এছ আৰৰ কাম-কাজৰ জৰিয়তে তেনে খণ্ডই কাম কৰাৰ সুবিধা পায়। চী এছ আৰৰ অতি উপযুক্ত কাম-কাজে এইটো নিশ্চিত কৰে যে কোম্পানীসমূহ আইনসংগত-ভাৱে কাৰ্য সমাপন কৰোতে যি বিনিয়োগৰাশি কৰে তাৰপৰা সীমা-মূৰীয়া অৱস্থাত থকা লোকসকলক বহু ধৰণে সক্ষম কৰি তোলে, তেনে সক্ষমতাৰ দিশ হ'ব পাৰে শিক্ষা, কৌশল বিকাশ ইত্যাদি। ভাৰতীয় প্ৰসঙ্গত অতীতত মানৱীয় সেৱা আগবঢ়োৱা আৰ্হিৰ ক্ষেত্ৰত সাক্ষৰতা আছিল এটা মূল উপাদান স্বৰূপ, কিন্তু এই নতুন যুগত দক্ষতাৰ বিকাশ আৰু জীৱিকা নিৰ্বাহৰ উপায় উদ্ভাৱন হ'ল ঘাই আলোকপাতৰ বিষয়। শিক্ষাৰ বিৱৰ্তন ঘটিছে মৌলিক লিখা আৰু গঢ়িব পৰা উপযুক্ততাৰো বহু অগ্ৰগতিৰ পথলৈ, আৰু সেই পথ হ'ল দক্ষতা— যি দক্ষতা গুণে সমসাময়িক জগতখনত গুৰুত্ব পায়। কিন্তু দক্ষতা প্ৰদানৰ ক্ষেত্ৰত কৌশলাত্মক বিনিয়োগৰ প্ৰভাৱ দুই ধৰণৰ হ'ব পাৰে। সীমা-মূৰীয়া অৱস্থাৰ লোকসকলৰ বাবে সঠিক বিচাৰ কৰিব নোৱাৰিলে তেনে কামত জড়িত কোম্পানীয়ে তেনে বিনিয়োগৰ পৰা আশানুৰূপ ফল নেপাবও পাৰে আৰু সঠিক নিৰ্ণয়ত ইতিবাচক ফলৰ আশাপ্ৰদ ছবি স্পষ্ট হ'ব পাৰে।

গতিকে আন্তঃসংযোগৰ আশংকা নুই কৰিব নোৱাৰি। ৱৰ্ল্ড ইক'ন'মিক ফ'ৰাম গ্লোবেল ৰিস্ক পাৰছেপ্চন ছাৰ্ভে, ২০১৬ৰ মতে গভীৰধৰণৰ সামাজিক অস্থিৰতা আৰু গাঁথনিগত নিবনুৱা কিম্বা যোগ্যতালৈ চাই কম স্তৰত নিয়োগ প্ৰাপ্তিত ৫ শতাংশ এনে আশংকাক এৰাই চলিব পৰা নাযায়। আন্তঃসংযোগৰ সন্দৰ্ভত এটা নিজস্ব চিন্তাধাৰাৰদ্বাৰাই নেতাসকলে কাৰ্যকৰণৰ বাবে ক্ষেত্ৰ-বিশেষত গুৰুত্ব আৰোপ কৰাত সহায় কৰে আৰু তাৰ সমুচিত ব্যৱস্থা গ্ৰহণৰ বাবেও কামত আহে। ভাৰতীয় উদ্যোগৰ

মহাৰথীসকলে এনে আশংকাৰ প্ৰতি সজাগ আৰু সেয়ে তেওঁলোকৰ বহুতেই চী এছ আৰৰ স'তে জড়িত কাম-কাজত ভাগ ভাগ ৰূপতহে অৱতীৰ্ণ হয়।

## সীমামূৰীয়া বৰ্গৰ বাবে চী এছ আৰৰ কাম-কাজ

**বিশেষভাৱে সক্ষমসকলৰ বাবে দক্ষতা আৰু জীৱিকা নিৰ্বাহৰ সা-সুৱিধা ঃ** প্ৰধান মন্ত্ৰীয়ে কৈছিল যে বিশেষ ভাৱে সক্ষম লোকসকলৰ সুকীয়া গুণাৱলী আছে আৰু ভবাতকৈ তেওঁলোক বহু বেছি সমৰ্থবান। তেওঁ 'দিব্যাংগ' শব্দটো তেওঁলোকৰ বাবে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিছিল। পৃথিৱীৰ ভিতৰত ভাৰতত অন্যতম বৃহৎ সংখ্যক প্ৰতিবন্ধী অৰ্থাৎ বিশেষভাৱে সক্ষম লোক আছে। ২০১১ পিয়ল অনুসাৰে এনে লোকৰ শতাংশ হাৰ হ'ল ২.২১ আৰু তেওঁলোকৰ সৰহ সংখ্যক গ্ৰাম্য এলেকাত বাস কৰে। বিশেষভাৱে সক্ষম লোকসকল আৰ্থ-সামাজিক ক্ষেত্ৰৰ পৰা বহিৰ্ভূত হোৱাৰ অধিক আশংকা থাকে, কিয়নো আন্তঃগাঁথনি, শিক্ষা আৰু দক্ষতা বিকাশত অতি কম প্ৰবেশৰ সুবিধা ঘটে। পূৰ্বতে প্ৰতিবন্ধী লোকসকলে কাম কৰা প্ৰকল্পবোৰও তেওঁলোকৰ কাৰ্য কেৱল অপাৰেচন অৰ্থাৎ চালনাতহে সীমাবদ্ধ আছিল, কিন্তু তেওঁলোকৰ বাবে চী এছ আৰ প্ৰকল্পৰ অন্তৰ্ভুক্তি ক্ৰমে কোম্পানীবোৰে তেওঁলোকক সৰ্বাত্মক দৃষ্টিভংগীৰে চাবলৈ লয়। সাক্ষৰতা তথা বুনিয়াদী শিক্ষা প্ৰদান আৰু সুচল প্ৰৱেশ তথা নিয়োগ যোগ্যতা লাভ কৰাৰ ক্ষেত্ৰত যি বাধা আছে তাক দূৰীকৰণ কৰাৰ দৰে যোজনাবোৰ হ'ল বিশেষভাৱে সক্ষম লোকৰ কাৰণে চী এছ আৰৰ কৌশলাত্মক দিশৰ প্ৰকল্প।

**আত্মসহায়ক গোট আৰু ক্ষুদ্ৰ উদ্যোগ ঃ** চী এছ আৰ যোজনাবোৰে গ্ৰাম্য অঞ্চলত চাকৰিৰ সা-সুবিধা সৃষ্টি কৰি জীৱিকা নিৰ্বাহৰ পথ সুচল কৰে। তাৰ বাবে অন্য ঠাইলৈ লোকসকল প্ৰব্ৰজন কৰিব নালাগে। আত্মসহায়ক গোট আৰু ক্ষুদ্ৰ উদ্যোগবোৰে তাৰ ব্যৱস্থা কৰে। এনেকি চী এছ আৰ প্ৰকল্পসমূহে উৎপাদিত সামগ্ৰী আৰু সেৱাৰ বাবে বজাৰৰ সুচলতা প্ৰদান তথা ক্ষুদ্ৰ বিত্তীয় ব্যৱস্থাৰ ওপৰত আলোকপাত কৰিব পাৰে। ই-কমাৰ্চ ব্যৱস্থাই উৎপাদক আৰু কমাৰ-কুমাৰলৈ তেওঁলোকৰ উৎপাদিত সামগ্ৰী অন্‌লাইনেৰে বিক্ৰী কৰিবৰ বাবে বজাৰৰ সতে যোগসূত্ৰ স্থাপন কৰিব পাৰে। এইটো দিহা-পৰামৰ্শ আৰু সঠিক সময়ৰ সমৰ্থন প্ৰদানেৰে কৰিব পাৰে। আত্ম-সহায়ক গোট সমূহৰ বাবে দক্ষতা আহৰণত চী এছ আৰৰ নতুন আৰ্হিয়ে কৰ্ম্মক্ষম তথা ভাল ফল লাভ কৰাটো সহায় কৰিব পাৰে।

### বয়সস্থ লোক

ভাৰতত তৰুণ জনসংখ্যা বৃদ্ধি পোৱাৰ উপৰিও বয়সিয়াল লোকৰ সংখ্যাও স্থিৰভাৱে বৃদ্ধি পাইছে, আৰু তেনে বয়সীয়াল লোকৰ সংখ্যা হ'ল ১০০ নিযুতৰ ওচৰা-উচৰি। বয়সস্থ লোকৰ সংখ্যা বছৰি ৩.৮ শতাংশ হাৰত বৃদ্ধি পাইছে আৰু ই মুঠ জনসংখ্যাৰ প্ৰায় ৮ শতাংশ অধিকাৰ কৰিছে। ২০৫০ চনৰ ভিতৰত বয়সস্থ লোকৰ সংখ্যাৰ আকাৰ ২৪০ নিযুতলৈ বৃদ্ধি পাব। বয়সস্থ লোক-সকলে ভোগ কৰি অহা বাধা-বিঘিনিবোৰ সকলোৰে বিদিত। শাৰীৰিক আৰু মানসিকভাৱে ৰুগ্ন হোৱাৰ উপৰিও তেওঁলোক কাম-কাজ কৰাৰ ক্ষেত্ৰত সীমাবদ্ধতাত ভোগে আৰু তেওঁলোকৰ বাবে বিত্তীয় উপায়সমূহো সীমিত হৈ পৰে। নাগৰিকৰ বাবে থকা শোচনীয় আন্তঃগাঁথনিয়ে তেওঁলোকৰ সমস্যা বৃদ্ধি কৰে— যাৰ ফলত তেওঁলোকৰ স্বাস্থ্য ৰক্ষা, কল্যাণ তথা বাসগৃহ অৱস্থাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানে দেখা দিয়ে। চী এছ আৰ-এ এইক্ষেত্ৰত এটা গঠনমূলক দৃষ্টিভংগী পোষণ কৰিছে। নতুনকৈ কৰা সংশোধনত 'বৃদ্ধ বয়সৰ লোকৰ আৱাস, দিনটোত আদৰ-যতন কৰা কেন্দ্ৰ আৰু এনেধৰণৰ অন্যান্য সা-সুবিধা জ্যেষ্ঠ নাগৰিকসকলৰ ক্ষেত্ৰত' থাকিব লাগে বুলি পৰামৰ্শ আগবঢ়াইছে। অষ্টম অনুসূচীত চী এছ আৰৰ এই কাম-কাজৰ অন্তৰ্ভুক্তিয়ে বয়সস্থসকলৰ যতন ব্যৱস্থাৰ বাবে চৰকাৰৰ প্ৰয়াসক অধিক পুষ্টি কৰিছে।

### বস্তি এলেকাৰ বিকাশ

বাসগৃহ আৰু নিয়োগৰ বিষয়টো হ'ল চহৰাঞ্চলৰ বস্তিৰ সংখ্যা বৃদ্ধি হোৱাৰ মূল কাৰণ। ভাৰতত বস্তি এলেকাত বসবাস কৰা জনসংখ্যা ২০১১ বৰ্ষত কৰা হিচাপ মতে আছিল ৯৩ নিযুত। চী এছ আৰৰ কাম-কাজত বস্তি এলেকাৰ বিকাশ বিষয়টো অন্তভূক্তিকৰণে চহৰসমূহ বস্তিমুক্ত কৰিবলৈ কৰা চৰকাৰৰ প্ৰচেষ্টাক সবল কৰিছে। আমাৰ দেশখনে "স্মাৰ্ট ছিটি" প্ৰকল্পৰ কাম আৰম্ভ কৰাৰ আগেয়ে বস্তিক লৈ সৃষ্টি হোৱা সংঘৰ্ষৰ বিষয়টো সমাধান কৰা আৱশ্যক। নিৰন্তৰ অৰ্থনৈতিক বৃদ্ধি সাধনৰ বাবে বস্তি এলেকাৰ জনগণে যাতে লাভজনক নিয়োগ লাভ কৰিব পাৰে তাৰ কাৰণে ভাৰতে সুযোগ-সুবিধা সৃষ্টি কৰা প্ৰয়োজন। এই ক্ষেত্ৰত বস্তি এলেকা বিকাশৰ বাবে চী এছ আৰ প্ৰকল্পৰ যি লক্ষ্য আছে সেইটোৱে উদ্যোগ আৰু চহৰৰ দুখীয়া লোকসকলৰ কাৰণে যোগাত্মক লাভৰ পথ মুকলি কৰিব পাৰে।

**(৫৪ পৃষ্ঠাত চাওক)**

# আবৰ্জনা বনাম স্বচ্ছ ভাৰত অভিযান

**প্ৰদীপ কুমাৰ দাস***

আবৰ্জনাবোৰ হ'ল প্ৰধানকৈ নগৰ চহৰত জমা হোৱা কিছুমান অদৰকাৰী পেলনীয়া সামগ্ৰী। এই আবৰ্জনাবোৰ নগৰ-চহৰসমূহত দিনক দিনে বৃদ্ধি পোৱাৰ ফলত পেলোৱা ঠাইৰ অভাৱ ঘটি সমস্যাৰ সৃষ্টি কৰিছে। বৰ্তমানে ভাৰতৰ প্ৰতিখন নগৰ-চহৰতে ই এটা সাধাৰণ সমস্যা হৈ পৰিছে। ইয়াৰ মূল কাৰণ হ'ল ক্ৰমাগতভাৱে জনসংখ্যা বৃদ্ধি, নগৰীকৰণ, নাগৰিকৰ সজাগতাহীন কাৰ্যকলাপ, জীৱন ধাৰণৰ মান পৰিৱৰ্তন, কোনো সুদৃঢ় আইন-কানুন ব্যৱস্থাৰ অভাৱ, সঠিক ব্যৱস্থাপনা নোহোৱা আদিয়েই প্ৰধান। ইয়াৰ বাবে মানুহকে ধৰি অইন জীৱন-জন্তুৰো শৰীৰৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। কাৰণ এইবোৰ শৰীৰৰ বাবে অনিষ্টকাৰী সামগ্ৰী।

আবৰ্জনা কেইবাবিধৰো আছে। ইয়াৰ ভিতৰত আছে ঘৰুৱা আবৰ্জনা, জৈৱ আবৰ্জনা, চিকিৎসাজনিত আবৰ্জনা, নিৰ্মাণজনিত আবৰ্জনা, উদ্যোগীয় আবৰ্জনা আদি। তদুপৰি ইয়াৰে কিছুমান গোটা আবৰ্জনা আৰু কিছুমান পনীয়া বা জুলীয়া আবৰ্জনা।

ঘৰুৱা আবৰ্জনাৰ ভিতৰত প্ৰধানকৈ ৰান্ধনি ঘৰৰ আবৰ্জনাই বেছি। হোষ্টেল, হোটেল আদিত সৃষ্টি হোৱা আবৰ্জনা-সমূহৰ বেছিভাগেই ৰান্ধনি ঘৰৰ আবৰ্জনা। এই আবৰ্জনাসমূহৰ কিছুমান জৈৱ আবৰ্জনা। এইবোৰ আবৰ্জনাই পৰিৱেশ দূষিত কৰে। এইবোৰ স্বাস্থ্যৰ বাবে অনিষ্টকাৰী পেলনীয়া সামগ্ৰী। জৈৱ আবৰ্জনাবোৰ সাধাৰণতে হাট-বজাৰ অঞ্চলত বেছিকৈ পোৱা যায়। কাৰণ অদৰকাৰী জৈৱ সামগ্ৰীবোৰ বজাৰসমূহত য'তে-ত'তে পেলাই দিয়া দেখিবলৈ পোৱা যায়। আজি-কালি দিল্লী, কলকাতা, মুম্বাই আদি মেট্ৰ' চহৰসমূহত এইবোৰ পেলনীয়া সামগ্ৰীয়ে পেলোৱাৰ ঠাইৰ অভাৱত জটিল ৰূপ ধাৰণ কৰিছে। অৱশ্যে এতিয়া এইবোৰ সামগ্ৰীৰ কিছুমান নিষ্কাসন কৰি শক্তি উৎপাদন কৰিবলৈ লোৱাত কিছু পৰিমাণে সমস্যাৰ সমাধান ঘটিছে।

আন এবিধ আবৰ্জনা হ'ল চিকিৎসাজনিত আবৰ্জনা। এই আবৰ্জনা আকৌ দুই ধৰণৰ আছে। ইয়াৰে এবিধ হ'ল জুলীয়া আৰু আনবিধ হ'ল গোটা। জুলীয়া আবৰ্জনাৰ ভিতৰত আছে প্ৰস্ৰাৱ, বমি, ৰাসায়নিক দ্ৰব্য, জৈৱ-ৰাসায়নিক দ্ৰব্য, তেজষ্ক্ৰিয় দ্ৰব্য আদি। এইবোৰ দ্ৰব্য শোধন কৰি বাহিৰত পেলাই দিব লাগে। কিন্তু বেছিভাগ ক্ষেত্ৰতে দেখা যায় যে এইবোৰ দ্ৰব্য শোধন নকৰাকৈয়ে বাহিৰত পেলাই দিয়া হয়। এইবোৰ স্বাস্থ্য কিম্বা শৰীৰৰ বাবে অপকাৰী। গোটা সামগ্ৰীসমূহৰ ভিতৰত আছে খালী আৰু ব্যৱহাৰ কৰা প্লাষ্টিক, প্লাষ্টিকৰ বটল, চিৰিঞ্জ আদি। এইবোৰ পৰিৱেশ দূষিত কৰাত সহায়ক হয়।

নগৰীকৰণৰ ফলত নিৰ্মাণ কাৰ্যৰ অব্যৱহৃত আবৰ্জনাবোৰ দিনক দিনে বৃদ্ধি পাই গৈ আছে। এইবোৰৰ ভিতৰত আছে সৰু কাঠৰ টুকুৰা, এলুমিনিয়ামৰ টুকুৰা, লোহাৰ টুকুৰা, ভঙা ইটা, অব্যৱহৃত বিলাতী মাটি আৰু বিলাতী মাটিৰ বস্তা, ব্যৱহৃত ৰঙৰ টিন আদি। এই আবৰ্জনাবোৰে মাটি আৰু পানীৰ লগত মিহলি হৈ পৰিৱেশ দূষিত কৰাৰ লগতে শৰীৰৰো ক্ষতি সাধন কৰে। স্বাস্থ্যজনিত কাৰণতে এইবোৰ য'তে-ত'তে পেলাই দিয়া উচিত নহয়। কৃষি কাৰ্যত ব্যৱহৃত সামগ্ৰী কিছুমান পেলনীয়া দ্ৰব্য হিচাপে পেলাই দিয়াৰ ফলত মাটি আৰু পানীৰ লগত এইবোৰ মিহলি হৈ প্ৰদূষণৰ সৃষ্টি কৰিব পাৰে। বিশেষকৈ ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্য কিছুমানে স্বাস্থ্যৰ ক্ষতি সাধন কৰিব পাৰে।

আন এবিধ পেলনীয়া সামগ্ৰী হ'ল উদ্যোগসমূহৰপৰা সৃষ্টি হোৱা গোটা আৰু জুলীয়া সামগ্ৰী। উদ্যোগসমূহৰ পৰা ওলোৱা আবৰ্জনাসমূহৰ বিষাক্ত কিছুমান ধাতু থাকে। এই ধাতুবোৰ মাটি আৰু পানীত মিহলি হৈ ইয়াক বিষাক্ত কৰি তোলে। বিশেষকৈ উদ্যোগসমূহৰ ওচৰত দম বান্ধি আবৰ্জনাসমূহে পৰিৱেশ দূষিত কৰি তোলে। তদুপৰি তেল শোধনাগাৰ আৰু খনি অঞ্চলত থকা গোটা আৰু জুলীয়া আবৰ্জনাবোৰে আমাৰ শৰীৰৰ বিস্তৰ ক্ষতি সাধন কৰাৰ লগতে পৰিৱেশো বিষাক্ত কৰি তোলে।

সি যি কি নহওক, এই আবৰ্জনাবোৰৰ বেছিভাগেই ৰাজহুৱা স্থান

*লেখক প্ৰদীপ কুমাৰ দাস গুৱাহাটী বিশ্বৰিদ্যালয়ৰ ভূ-তত্ত্ব বিভাগৰ প্ৰাক্তন অধ্যাপক

আৰু নলা-নৰ্দমাত পেলোৱা বাবে নানা ধৰণৰ অসুবিধাৰ সৃষ্টি কৰে। তদুপৰি জনসাধাৰণ এইবোৰৰ প্ৰতি সজাগ নোহোৱাৰ ফলত য'তে-ত'তে, জধে-মধে পেলাই দিয়া দেখা যায়। ইয়াৰ বাবে ডাষ্টবিন কম হোৱা হেতুকে কৰ্তৃপক্ষও কিছুপৰিমাণে দায়ী।

জনসংখ্যা আৰু নগৰীকৰণৰ কাৰণে এইবোৰ ৰাজহুৱাভাৱে দম কৰাৰ ঠাইৰো অভাৱ ঘটিছে। মেট্ৰ' চহৰবোৰৰ ই এটা বিৰাট সমস্যা। নিষ্কাসন আদি প্ৰথাৰ সহায়ত এইবোৰৰপৰা শক্তি আদি উৎপাদন কৰা হেতুকে কিছুপৰিমাণে ইয়াৰ লাঘৱ হৈছে। তদুপৰি বহু চৰকাৰী মাটিত ভূমি ভৰ্তি কৰি কিছু সকাহ পোৱা গৈছে। অৱশ্যে ইয়াৰ ওচৰে-পাঁজৰে বাস কৰা মানুহৰ ইয়াৰ পৰা স্বাস্থ্যৰ অৱনতি ঘটিছে। তদুপৰি সামগ্ৰী পুৰি পেলাই সেইবোৰ সাৰ হিচাপে ব্যৱহাৰো কৰা হৈছে। তথাপি এই সমস্যাৰপৰা পৰিত্ৰাণ পাবলৈ বহুখিনি কৰিবলগীয়া আছে।

অসমখন বৰ্তমান বহুখিনি নিকা হৈছে যদিও, স্বচ্ছতাৰ ফালৰপৰা এতিয়াও আবৰ্জনামুক্ত হ'ব পৰা নাই। এই ক্ষেত্ৰত গুৱাহাটী চহৰখনৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰি। গুৱাহাটীত পেলনীয়া ঠাইৰ অভাৱত আবৰ্জনাই বিৰাট সমস্যাৰ সৃষ্টি কৰিছে। বিশেষকৈ গুৱাহাটীৰ মাজ মজিয়াৰে বৈ যোৱা ভৰলু নদীখন আবৰ্জনাৰে ভৰি পৰিছে। গুৱাহাটীত অৱস্থিত দীপৰ বিল আদি জলাশয়বোৰৰো অৱস্থা শোচনীয় হৈ পৰিছে। দীপৰ বিলৰ পানী আবৰ্জনাই দূষিত কৰাৰ ফলত অলপতে ইয়াত বাস কৰা কিছুমান দুষ্প্ৰাপ্য চৰাইৰো মৃত্যু ঘটিছে।

গতিকে এই সমস্যাৰপৰা পৰিত্ৰাণ পাবলৈ হ'লে চৰকাৰৰ লগতে আমি জনসাধাৰণো সজাগ হ'ব লাগিব। তেতিয়াহে গান্ধীজীয়ে সপোন দেখা 'স্বচ্ছ ভাৰত' বাস্তৱত পৰিণত কৰিব পৰা যাব। আমি মনত ৰখা উচিত হ'ব যে পৰিষ্কাৰ-পৰিচ্ছন্নতা মানেই ঈশ্বৰ সেৱা কৰা। ❐

---

**(৫২ পৃষ্ঠাৰ পৰা)**

**সামৰণি**

বাণিজ্যৰ ক্ষেত্ৰত জড়িত আৰু সেই বিষয়ে চিন্তা কৰা আগশাৰীৰ লোকসকল তেওঁলোকৰ উদ্যোগসমূহৰ অৱস্থিতিৰ সন্দৰ্ভত আলোকপাত কৰাৰ বাহিৰেও মানৱ বিকাশৰ ক্ষেত্ৰত দেখা দিয়া প্ৰত্যাহ্বানৰ সন্মুখীন হয়, কিয়নো, সেই বিষয়বোৰৰ কাৰ্যকৰণ প্ৰক্ৰিয়াত পোনপটীয়াভাৱে তেওঁলোকৰ ব্যৱসায়ত প্ৰভাৱ পৰে। কৰ্পোৰেট সমূহে চী এছ আৰৰ সন্দৰ্ভত থকা লক্ষ্যক সাংগঠনিক লক্ষ্যৰ স'তে সমন্বিত কৰা উচিত, কাৰণ তেওঁলোকৰ বাবে দেশখনৰ বিকাশ কাৰ্যক্ৰমণিকাত এটা পৰিবাহক সমল হোৱাৰ এয়া এটা ডাঙৰ সুবিধা আৰু ইয়াৰ বাবে নতুন ধৰণৰ চী এছ আৰ প্ৰকল্পৰ প্ৰয়োজন যিবোৰ জনগাঁথনিৰ প্ৰাসঙ্গিকতালৈ চাই অৰ্থনৈতিকভাৱে নিৰ্ভৰযোগ্য, আয়ত্তাধীন কৰিব পৰা বিধৰ আৰু প্ৰতিৰক্ষাত্মক। চী এছ আৰৰ প্ৰতি বছৰে যি বাজেট নিৰ্দ্ধাৰণ কৰা হয় তাৰ পৰিমাণ হ'ল প্ৰায় ১০,০০০-১২,০০ কোটি টকাৰ। কিন্তু এয়া সামাজিক খণ্ডৰ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে আৱণ্টন কৰা পুঁজিৰ তুলনাত তেনেই নগণ্য। সেয়ে চী এছ আৰৰ যোজনা-সমূহত নতুন দৃষ্টিভংগী আৰোপ কৰা আৱশ্যক, যাৰদ্বাৰাই এটা সবল ভূমিকা গ্ৰহণ কৰিব পাৰে। আৰু এটা কথা হ'ল কৰ্পোৰেট সমূহে চী এছ আৰ প্ৰকল্পসমূহৰ গৱেষণা আৰু বিকাশৰ ক্ষেত্ৰত চী এছ আৰলৈ দিয়া কিছু পুঁজি সামাজিক খণ্ডৰ প্ৰয়াস কাৰ্যলৈ নিব পাৰে। সামাজিক খণ্ডৰ মূল বিষয়বোৰ হ'ল বিস্তাৰিতকৰণৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাবোৰ। এই নতুন আৰ্থিক কাৰ্যত পৰিণত কৰিবৰ বাবে আৰু তাৰ প্ৰভাৱ নিৰন্তৰভাৱে থাকিবৰ কাৰণে ৰাজহুৱা খণ্ডলৈ আগবঢ়াব পাৰে।

এই ক্ষেত্ৰত 'কৰ্পোৰেটৰ সামাজিক নতুন ভাৱধাৰাৰ কাম' কৰ্পোৰেটৰ সামাজিক দায়িত্ব সমূহৰ স'তে লগে লগে যোৱা উচিত। নতুন দৃষ্টিভংগীৰে আৰ্হিৰ জৰিয়তে মিলি-জুলি সৃষ্টি কৰা মূল্যৰাজিয়ে গভীৰভাৱে সামাজিক ক্ষেত্ৰত প্ৰভাৱ পেলাব আৰু তাৰদ্বাৰাই সীমামূৰীয়া অৱস্থাত থকা লোকসকলক ঘাই সূতিলৈ অনাত সহায় কৰিব। কৰ্পোৰেটসমূহে সম্পদ সৃষ্টি কৰে আৰু সেইবোৰক চী এছ আৰ বাজেটৰ কামত লগায়। এই ক্ষেত্ৰত যিটোৰ আৱশ্যক সেয় হ'ল প্ৰভূত পৰিমানৰ সম্পদ ভাণ্ডাৰক ধৰি ৰখা আৰু চী এছ আৰৰ নিৰ্ভযোগ্য তথা নতুন দৃষ্টিভংগীৰ প্ৰকল্পসমূহৰ আৰ্হি কৰাৰ সাংগঠনিক ক্ষমতা। সৰ্বাত্মক বিকাশৰ কাৰ্যক্ৰমণিকাই সকলোৰে বাবে এটা সমৰ্থনসূচক পৰিবেশ আগতীয়াকৈ দেখা পাইছে, য'ত এটা উৎপাদনশীল, স্বাস্থ্যকৰ আৰু সৃষ্টিমূলক জীৱন উপভোগ কৰিব পাৰে, কিয়নো এই বিকাশ কাহিনী এখন ৰাষ্ট্ৰৰ অগ্ৰগতি সাধনৰ ক্ষেত্ৰত জনগণৰ অংশগ্ৰহণেৰে পোষণ কৰা হয়। সীমামূৰীয়া শ্ৰেণীৰ লোক, যেনে-সংখ্যালঘু, দলিত, আদিবাসী, মহিলা আৰু অসংগঠিত কৰ্ম্মীসকলৰ কাৰণে কৌশলাত্মক চী এছ আৰৰ প্ৰকল্পসমূহে তেওঁলোকৰ সামাজিক বিকাশ সাধনত বহু বৈশিষ্ট পূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। ❐

**ছাত্ৰ-ছাত্ৰীৰ শিতান**

# ভাৰতীয় ষ্টেট বেংকৰ বৃহৎ মাত্ৰাৰ একত্ৰীকৰণে সৃষ্টি কৰা সম্ভাৱনীয়তা আৰু আশংকা

**গায়ত্ৰী গোস্বামী অধ্যাপক***

স্বাধীনোত্তৰ কালৰ ভাৰতৰ বেংকিং ব্যৱস্থাত হোৱা আমূল পৰিৱৰ্তনৰ অন্যতম সাক্ষী হ'ল— ১৯৬৯ চনৰ বেংকৰ ৰাষ্ট্ৰীয়কৰণ, ১৯৯৩ চনৰ বেংকিং খণ্ডত ব্যক্তিগত খণ্ডৰ বেংকৰ প্ৰৱেশ, ২০১৫ চনৰ ক্ষুদ্ৰ মৌদ্ৰিক বেংক তথা পৰিশোধ বেংক ব্যৱস্থা আৰু বৰ্তমানৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱা ভাৰতীয় বেংকৰ একক বৃহৎ মাত্ৰাৰ একত্ৰীকৰণ। চলিত বৰ্ষৰ ১৫ ফেব্ৰুৱাৰীৰ কেবিনেটৰ এটা সিদ্ধান্ত অনুসৰি 'ভাৰতীয় ষ্টেট বেংক এক্ট ১৯৫৫' আৰু 'ষ্টেট বেংক অৱ হায়দৰাবাদ এক্ট ১৯৫৬'ৰ সংশোধনীসহ ২২ ফেব্ৰুৱাৰীৰ চৰকাৰী ঘোষণা মতে ভাৰতীয় ষ্টেট বেংকে প্ৰথমতে পাঁচোটা বেংক (বেংক অৱ মাইচ'ৰ, ষ্টেট বেংক অৱ ট্ৰাভাংকৰ, ষ্টেট বেংক অৱ পাটিয়ালা, ষ্টেট বেংক অৱ হায়দৰাবাদ, ষ্টেট বেংক অৱ বিকানেৰ আৰু জয়পুৰ) একত্ৰিত কৰিছে আৰু শেহতীয়াকৈ ভাৰতীয় মহিলা বেংকক একত্ৰিত কৰিব। কেবিনেট সিদ্ধান্ত অনুসৰি বিশ্বস্তৰীয় বেংক প্ৰতিষ্ঠাৰ প্ৰচেষ্টাত এই একত্ৰীকৰণে বেংক ব্যৱস্থাক কম ব্যয় সাপেক্ষ আৰু অধিক ৰূপত সক্ষম কৰি তুলিব। বিত্ত মন্ত্ৰী অৰুণ জেইট্‌লীৰ মতে এইয়া ঘৰুৱা ক্ষেত্ৰতকৈয়ো আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত আগবাঢ়ি যাবৰ বাবেহে লোৱা পদক্ষেপ, যি বিশেষভাৱে ভাৰতীয় বেংক ব্যৱস্থাৰ কাৰ্যক্ষমতা বৃদ্ধি কৰিব। প্ৰথম বৰ্ষতে এই একত্ৰীকৰণত সঞ্চয়ৰ সৰ্বমুঠ পৰিমাণ ১০০০ কোটি টকা অতিক্ৰম হ'ব বুলিও আশা কৰা হৈছে। অৰ্থাৎ ভাৰতীয় ষ্টেট বেংক হৈ পৰিছে এতিয়া বিশ্বস্তৰীয় ঋণদাতা প্ৰতিষ্ঠান যিহেতু ইয়াৰ মুঠ সম্পদৰ ভেটি হৈছে প্ৰায় ৩৭ লাখ কোটি টকাৰো অধিক, ৫৯,০০০টা এ টি এম বুথসহ আগৰ ১৭,০০০ৰ পৰা বৃদ্ধি হৈ ২৪,০০০টা শাখা কাৰ্যালয় তথা গ্ৰাহকৰ সংখ্যাই পাৰ কৰিছে ৫০ কোটিৰ অংক। এনেদৰে ই পৃথিৱীৰ প্ৰথম শাৰীৰ ৫০টা বেংকৰ ভিতৰত স্থান লাভ কৰিছে।

বেংকিং ক্ষেত্ৰত ভাৰতৰ এইয়া হৈছে সৰ্ববৃহৎ একত্ৰীকৰণ। "ইন্দ্ৰধনুছ্ কাৰ্যকৰী আঁচনি"ৰ অধীনত দেশৰ বেংকিং খণ্ডত এটা নতুন দিগন্ত সূচনাৰ লক্ষ্যৰে এই পদক্ষেপ লোৱা হৈছে। ৰাজহুৱা খণ্ডৰ বেংক ব্যৱস্থাৰ উন্নয়নৰ অৰ্থে ২০১৫ চনৰ আগষ্ট মাহত বিত্ত মন্ত্ৰীয়ে এলানি সাতদফীয়া কাৰ্যকৰী আঁচনিৰ 'মিছন ইন্দ্ৰধনুছ্ শীৰ্ষৰে ঘোষণা কৰে। বেংক ব্যৱস্থাৰ সৰ্বাত্মক আকাংক্ষিত দক্ষতা বৃদ্ধিৰ বাবে গুৰুত্ব দিয়া এই আঁচনিৰ মুখ্য কাৰ্যতালিকাত আছে— উপযুক্ত নিযুক্তি, বেংক ব'ৰ্ড ব্যুৰো, মূলধনীকৰণ, চাপমুক্তকৰণ, সশক্তকৰণ, লেনদেনৰ স্বচ্ছতা আৰু প্ৰশাসনিক সংস্কাৰ। ডিজিটেল যুগত অৰ্থনীতি এটাত বেংক ব্যৱস্থাৰ গুৰুত্ব সৰ্বাধিক, সেয়েহে প্ৰচলিত সমস্যাসমূহৰ সমাধানকল্পেই চৰকাৰে এনে অভিনৱ পদক্ষেপসমূহ লোৱা দেখা গৈছে। গতিকে অনাগত দিনত মুঠ ৬টা শীৰ্ষ বেংকৰ অধীনত সৰ্বমুঠ ২১টা বেংকৰ সংযুক্তকৰণ কৰা হ'ব।

বৰ্তমান ভাৰতীয় বেংক ব্যৱস্থাই সন্মুখীন হৈ থকা প্ৰধান সমস্যাটো হৈছে অকাৰ্যকৰী ঋণ। ই হৈছে এনে এটা প্ৰকাৰৰ বেংকে আগবঢ়োৱা ঋণ সম্পদ যি আয়বিহীন বোজা হিচাপে স্বীকৃত হয় যিহেতু বেংকটোলৈ উক্ত মূলধন আৰু সুদ একোকে সময়ত ঘূৰি নাহে। কেন্দ্ৰীয় বেংকৰ প্ৰতিবেদন মতে, ২০১৫ চনলৈকে বাণিজ্যিক বেংকসমূহে আগবঢ়োৱা ৭৫.৬ লাখ কোটি টকাৰ ঋণৰ ভিতৰত ৩.২২ লাখ কোটি টকাই অকাৰ্যকৰী বা বেয়া ঋণ হিচাপে সিদ্ধ হৈছে। ই বেংকটোৰ মুঠ আয়ৰ লগত ব্যস্ত আনুপাতিক হয়, সেয়ে এনে ঋণ বৃদ্ধিৰ লগে লগে বেংকটোৰ লাভাংশত গুৰুতৰ ঋণাত্মক প্ৰভাৱ পৰে। উদ্বেগজনক বিষয়টো হ'ল এনে ঋণৰ বোজা ৮৬ শতাংশই মাত্ৰ ৰাজহুৱা খণ্ডৰ বেংকৰ নামতেই আছে। ২০১৬ৰ বিত্তীয় বৰ্ষত ভাৰতীয় ষ্টেট বেংকে ৬.৯৪ শতাংশ মুঠ অকাৰ্যকৰী ঋণৰ বৃদ্ধি প্ৰকাশ কৰিছিল; ই বিশুদ্ধ সংখ্যাগত হিচাপত ৯৩,০০০ কোটি টকাৰে সৰ্বোচ্চ মুঠ অকাৰ্যকৰী ঋণেৰে শীৰ্ষত আছে।

সিপিঠিৰ তালিকাত ভাৰতৰ ২৪টা ৰাজহুৱা খণ্ডৰ বেংকৰ অকাৰ্যকৰী ঋণৰ পৰিমাণ দেখুওৱা হৈছে—

*লেখিকা গায়ত্ৰী গোস্বামী অধ্যাপক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ গৱেষক ছাত্ৰী।

বেংকসমূহৰ আন এটা গুৰুত্বপূৰ্ণ সমস্যা হৈছে "ভাৰত III মান পৰ্যায়"ৰ বাবে পৰ্যাপ্ত মূলধনৰ ন্যূনতম সীমাৰ

**ভাৰতৰ ২৪টা ৰাজহুৱা খণ্ডৰ বেংকৰ সৰ্বমুঠ অকাৰ্যকৰী ঋণ**

| বছৰ | সৰ্বমুঠ N.P.A (কোটি টকা) | G.N.P.A অনুপাত |
|---|---|---|
| ডিছেম্বৰ ২০১২ | ১৫৭,৭৮৪ | ৩.৮৭ |
| ডিছেম্বৰ ২০১৩ | ২১৮,৫৭৯ | ৪.৬১ |
| ডিছেম্বৰ ২০১৪ | ২৬১,৮৪৩ | ৫.০৯ |
| ডিছেম্বৰ ২০১৫ | ৩৯৩,০৪৭ | ৭.১৬ |
| ডিছেম্বৰ ২০১৬ | ৬১৪,৮৭২ | ১১.০০ |

**উৎস ঃ** ইণ্ডিয়ান এক্সপ্ৰেছ— কেয়াৰ ৰেটিং

বাবে প্ৰয়োজনীয় মূলধনৰ যোগাৰ কৰাটো। অস্বচ্ছ জমা-খৰচৰ সংক্ষিপ্ত হিচাপ ফৰ্ডনামাৰ বেংকসমূহৰ বাবে মূৰ কামোৰণি স্বৰূপ হৈছেগৈ। মুঠতে ক'বলৈ গ'লে বিভিন্ন সমস্যাৰে জৰ্জৰিত ভাৰতৰ ৰাজহুৱা খণ্ডৰ ২৭টা বেংকৰ ভিতৰত ১১টাই ২০১৫ চনৰ বিত্তীয় বৰ্ষত লোকচান ঘোষণা কৰিছে; ইয়াৰ ভিতৰত আই ডি বি আই বেংকৰ দৰে বৃহৎ বেংকৰ নামো আছে।

এতিয়া প্ৰশ্ন হ'ল বেংকৰ আকাৰ বৃদ্ধি পোৱাৰ লগে লগে ইয়াৰ গুণগত মান বৃদ্ধি হয় নে নহয়। প্ৰতিবছৰে ৫ শতাংশ হাৰত বেংকৰ উদ্যোগিক ঋণ বৃদ্ধি পাইছে; প্ৰচলিত নিম্ন সুদৰ আয়ত বেংকসমূহে কেনেকৈ লাভালাভ বৃদ্ধি কৰিব সেয়া লক্ষণীয় হ'ব। একত্ৰীকৰণে ভাৰতীয় ষ্টেট বেংকৰ জমা-খৰচৰ সংক্ষিপ্ত হিচাপৰ ফৰ্ডনামাৰ আকাৰ ৩২ শতাংশ বঢ়াই তুলি ২৮ লাখ কোটি টকাৰ পৰা ৩৭ লাখ কোটি টকা কৰিছে। সেইদৰে, সহযোগী ৫টা বেংকৰ অতিৰিক্ত ৭০,০০০ কৰ্মচাৰী যোগ হৈ মুঠ সংখ্যা ২.৭১ লাখ হৈছেগৈ। এইয়া হৈছে ভাৰতীয় ষ্টেট বেংকৰ ৩৪ শতাংশ কৰ্মশক্তি। কিন্তু তাৰ তুলনাত মাত্ৰ এক-তৃতীয়াংশহে ব্যৱসায়ৰ অংশীদাৰ হৈছে এই বেংককেইটা। অৱশ্যে এই সহযোগী বেংককেইটাই প্ৰযুক্তিগত দিশত পিছপৰি থকা সুৰুঙাবোৰ জোৰা মাৰিবলৈ সুবিধা পাব, লগতে এই সহযোগী বেংকসমূহৰ অসংগতভাৱে ওচৰা-উচৰিকৈ থকা শাখাসমূহৰ বিলুপ্তি সাধন কৰাটো অনিবাৰ্য হৈছে যিটোৱে তাৰ কৰ্মচাৰীৰ সংখ্যা সীমিত কৰি তুলিব। ইতিমধ্যে ১০ শতাংশ মুঠ কৰ্মশক্তি হ্ৰাস কৰা হ'ব বুলি আশংকা প্ৰকাশ কৰা হৈছে।

বাস্তৱ ক্ষেত্ৰত দেখা যায় যে বৃহৎ বেংকতকৈ গুণগত সম্পদৰে শক্তিশালী বেংক হোৱাৰ প্ৰয়োজনীয়তাহে অধিক থাকে। একত্ৰীকৰণত সহযোগী স্থানীয় বেংককেইটাৰ স্বকীয় বৈশিষ্ট্য হেৰাই গৈছে ফলত উপভোক্তাৰ পছন্দত চাপ পৰাটো নিশ্চিত। গতিকে পাঁচোটাকৈ বেংকক একেবাৰতে সংযুক্তকৰণৰ যোগেদি বিলুপ্ত সাধন কৰি অধিক ক্ষতিশংকা বহন কৰাতকৈ এটা এটাকৈ একত্ৰীকৰণ কৰা হ'লে নিশ্চিতৰূপে ক্ষতিশংকাৰ পৰিমাণ কমকৈ বহন কৰিব পৰা গ'লহেঁতেন। এই একত্ৰীকৰণত মুঠতে সম্পদৰ গুণাগুণ, বেংকৰ লাভালাভ, প্ৰযুক্তিৰ উপযুক্ত প্ৰয়োগ, শাখা আৰু কৰ্মচাৰীৰ সংখ্যাৰ সংগতিকৰণ ইত্যাদিয়ে প্ৰভাৱ বিস্তাৰ কৰাৰ লগতে ই সহযোগী বেংকসমূহৰ বৃহৎ মাত্ৰাৰ অকাৰ্যকৰী ঋণসমূহো একত্ৰীকৰণ কৰিব অৰ্থাৎ এনে অতিৰিক্ত ঋণৰ বোজা এতিয়াৰ পৰা ভাৰতীয় ষ্টেট বেংকে বহন কৰিব লাগিব। এইখিনিতে ভাৰতীয় ষ্টেট বেংকৰ অধ্যক্ষা অৰুন্ধতী ভট্টাচাৰ্যৰ বক্তব্য প্ৰণিধানযোগ্য। তেওঁৰ মতে, একত্ৰীকৰণে উৎপাদনশীলতা বৃদ্ধি কৰি ভৌগোলিক আশংকা হ্ৰাস কৰিব, বেংকটোৰ কাৰ্যকৰী দক্ষতা বৃদ্ধি পাব আৰু সদৌ শেষত উপভোক্তাৰ সন্তুষ্টি বৃদ্ধি কৰিব। গতিকে আশা কৰিব পাৰি যে বৰ্তমানৰ ভাৰতীয় ষ্টেট বেংকৰ একত্ৰীকৰণৰ সিদ্ধান্তই ভাৰতীয় বেংক ব্যৱস্থাক সাঙুৰি সমগ্ৰ অৰ্থনীতিখনলৈ সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিব আৰু দেশৰ জনসাধাৰণৰ জীৱন-ধাৰণৰ গুণগত মান উন্নত কৰাত যোগাত্মক অৰিহণা আগবঢ়াব। ❐

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# আলংকাৰিক মাছৰ ব্যৱসায় আৰু পুঠি-খলিহনাৰ ভৱিষ্যৎ

**মুবিনা আখতাৰ***

সোণালী, ৰূপালী, অজস্ৰ ৰঙৰ সমাহাৰেৰে প্ৰকৃতিৰ এটা অপূৰ্ব সৃষ্টি মাছ। ৰঙীণ মাছৰ খেলা চাবলৈকে সিহঁতক বন্ধ পানীত আবদ্ধ কৰি পোহাটো মানুহৰ যুগ যুগৰ এটা প্ৰিয় 'হবি'ৰূপে পৰিগণিত হৈ আহিছে। প্ৰথমতে চীনত আৰম্ভ হোৱা এনে চখ পিছলৈ পৃথিৱীৰ সৰ্বত্ৰ বিয়পি পৰিল। পশ্চিমীয়া দেশবোৰত সম্প্ৰতি অতি জনপ্ৰিয় হৈছে এই একুৰিয়াম সংস্কৃতি। ফলত বৃদ্ধি পাইছে আলংকাৰিক মাছৰ ব্যৱসায়। সেয়ে অসমৰ এটা চেঙেলী মাছৰ দাম আমেৰিকাত ৫০০ টকা হোৱাটো একো চকু কঁপালত উঠা কথা নহয়। একুৱাৰিয়ামত অসমৰ চেঙেলী, ডৰিকণা, ভেচেলি, পুঠি, খলিহনা বা বটিয়া মাছে এতিয়া বিশ্বৰ অন্যান্য আলংকাৰিক মাছক প্ৰত্যাহ্বান জনাবলৈ সমৰ্থ হৈছে। কিছু বছৰ পূৰ্বে গুৱাহাটীৰ চান্দমাৰীত থকা ভাৰত চৰকাৰৰ বাণিজ্য মন্ত্ৰণালয়ৰ অধীনত গঠন কৰা মেৰাইন প্ৰডাক্টছ এক্সপৰ্ট ডেভেলপমেণ্ট অথৰিটি (MPEDA)ৰ উপ-আঞ্চলিক কেন্দ্ৰটোৰ শীৰ্ষ বিষয়াজনৰ তথ্য অনুসৰি বিদেশত জনপ্ৰিয় হৈ পৰা অসমৰ এই থলুৱা মাছবোৰৰ মূল্য হ'ল— এটা ডৰিকণাৰ বাবে ০.৭৫ ডলাৰ অৰ্থাৎ ভাৰতীয় মূল্যত ৩৬ টকা, পুথি ০.৯৫ ডলাৰ অৰ্থাৎ ভাৰতীয় মূল্যত ৪৫ টকা, চেঙামাছ ১.২৫ ডলাৰ অৰ্থাৎ ভাৰতীয় মূল্যত ৬০ টকা। ভাৰতে প্ৰতিবছৰে এই চেঙেলী, পুথি-খলিহনাকে ধৰি থলুৱা আলংকাৰিক মাছ বিদেশলৈ ৰপ্তানি কৰি ১৫০ নিযুত টকাৰ বিদেশী মুদ্ৰা উপাৰ্জন কৰে। এই ব্যৱসায় এতিয়াৰ নহয়। এই মাছৰ ৰপ্তানি বাণিজ্য আৰম্ভ হৈছিল পঞ্চাশৰ দশকতেই। ১৯৭৬ চনৰ পৰা ১৯৮৪ চনলৈকে ভাৰতে আলংকাৰিক মাছৰ ৰপ্তানিৰ পৰা অৰ্জন কৰা বিদেশী মুদ্ৰা ১৮ লাখ টকাৰ পৰা ২০ লাখ টকাতেই সীমাবদ্ধ আছিল। কিন্তু ১৯৮৫ চনৰ পৰাই বিদেশৰ বজাৰত ভাৰতৰ থলুৱা মাছৰ অভুতপূৰ্ব জনপ্ৰিয়তালৈ লক্ষ্য ৰাখি এই দৃশ্যপট সলনি হ'ল। এতিয়া সমগ্ৰ বিশ্বতে প্ৰায় ৯ বিলিয়ন ডলাৰৰ আলংকাৰিক মাছৰ ব্যৱসায় কৰা হয়। সকলোতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে অসমৰ থলুৱা প্ৰজাতিৰ মাছসমূহৰ যিবোৰক আলংকাৰিক মাছৰূপে চিনাক্ত কৰা হৈছে, সেইবোৰৰ চাহিদা বিদেশত বহুত বেছি। উত্তৰ-পূবৰ পৰা ৰপ্তানিৰ বাবে ইতিমধ্যে দুশ বিধৰো অধিক থলুৱা তথা আলংকাৰিক মাছ চিনাক্ত কৰা হৈছে। আলংকাৰিক মাছৰ ব্যৱসায়ত উত্তৰ-পূব ভাৰতৰ অৱদান ৮৫ শতাংশ। বিষয়াজনৰ মতে উত্তৰ-পূবৰ এই 'ৰপ্তানি সম্ভাৱনা' থকা সত্ত্বেও সেইবোৰ সঁচা অৰ্থত ব্যৱহাৰ হোৱা নাই আৰু সেইবাবেই বিষয়টোক গুৰুত্ব সহকাৰে লৈ ভাৰত চৰকাৰৰ অধীনত গুৱাহাটীত এটা কাৰ্যালয়ো স্থাপন হৈছে।

কিন্তু কথা হ'ল আলংকাৰিক মাছৰ প্ৰধান প্ৰাকৃতিক উৎসসমূহ— যিবোৰত উত্তৰ-পূৰ্বাঞ্চল আটাইতকৈ চহকী বুলিয়ে ক'ব পাৰি, সেই উৎসসমূহৰ পৰা মাছবোৰ সংগ্ৰহ কৰি থাকিলে সেইবোৰ বিলুপ্ত হোৱাৰ সম্ভাৱনা আছে। ঠিক সম্ভাৱনা নহয়। থলুৱা মাছৰ বিভিন্ন প্ৰজাতি ইতিমধ্যে বিলুপ্ত হৈছে বুলিও বহুতে আশংকা কৰিছে। এইটোও সত্য যে এই ৰপ্তানি কাৰ্যই দ্ৰুতহাৰত এই থলুৱা মাছবোৰক বিলুপ্তিৰ পথলৈ ঠেলি দিছে। উল্লেখযোগ্য যে ছেণ্ট্ৰেল ইন্সটিটিউট অৱ ফ্ৰেছ ৱাটাৰ একুৱা কালচ্চাৰ অৰ্নামেণ্টেল ফিছ ব্ৰিডিং এণ্ড কালচ্চাৰ ইউনিটৰ এটা তথ্যত প্ৰকাশ যে বিশ্বত এতিয়ালৈকে চিনাক্ত হোৱা ২২,০০০ বিধ মাছৰ ২০ শতাংশই ভাৰতৰ, ইয়াৰে অসমত পোৱা যায় প্ৰায় ২০০ বিধৰো অধিক। আনহাতে অৰুণাচলত এই পৰ্যন্ত আৱিষ্কৃত হৈছে ১৬৭ বিধ, মণিপুৰত ১২১ বিধ, নাগালেণ্ডত ৬৮ বিধ, মেঘালয়ত ১৬৫ বিধ, ত্ৰিপুৰাত ১৩৪ বিধ আৰু মিজোৰামত ৪৮ বিধ। এই মাছবোৰৰ ২৫০টা প্ৰজাতিয়েই আলংকাৰিক মাছৰ তালিকাত স্থান পাইছে।

অসম নৈ, বিল, জান-জুৰি, খাল, ডোঙেৰে ভৰি আছে আৰু এসময়ত এইবোৰ ভৰি আছিল বহু বিৰল প্ৰজাতিৰ মাছেৰে। পুঠি-খলিহনাৰ পৰা ৰৌ-বৰালি, কাৰৈ-গৰৈ, মাগুৰ-শিঙৰা, চেঙা-চেঙেলী, ভেচেলী-মোৱা ইত্যাদি ইত্যাদি। ব্যৱসায় হিচাপে গঢ় লৈ উঠাৰ

*লেখিকা মুবিনা আখতাৰ পৰিৱেশ সম্পৰ্কীয় মুক্ত সাংবাদিক

লগে লগে নৈ-বিলবোৰ ঠিকাদাৰৰ হাতলৈ গ'ল। যিবোৰ সাধাৰণ মানুহে নৈ-বিলত মাছ মাৰি জীৱিকা নিৰ্বাহ কৰিছিল, সেইসকলৰ আৰ্থিক অৱস্থা আৰু বেয়া হ'ল। ৰাজ্যখনত জলাশয়ৰ সংখ্যা কমি আহিল। খাল-ডোং-বিল পুতি আবাসগৃহ নিৰ্মাণ হ'ল। ঠাইৰ অভাৱত মাছে কণী পৰাত অসুবিধা হ'ল আৰু লুপ্ত হৈ গ'ল বহু বিৰল প্ৰজাতিৰ মাছ।

সম্প্ৰতি অন্যান্য অৰ্থনৈতিক সম্পদৰ দৰে মাছো এটা ডাঙৰ অৰ্থনৈতিক সম্পদ বুলি বিবেচনা কৰি মাছৰ উৎপাদনত গুৰুত্ব দিছে কেন্দ্ৰীয় চৰকাৰে। কিন্তু কেন্দ্ৰীয় আঁচনিসমূহ ফলপ্ৰসূ হোৱা নাই ৰাইজৰ মাজত এই সম্পৰ্কে সজাগতাৰ সৃষ্টি নোহোৱাৰ বাবেই। মেৰাইন প্ৰডাক্টছ এক্সপৰ্ট ডেভেলপমেণ্ট অথ'ৰিটিৰ কেৰল অফিচ এটা লৈ গুৱাহাটী চহৰত বহি থাকিলে অসমীয়া মৎস্যজীৱীৰ বা অসমৰ থলুৱা মাছৰ উৎপাদনত কোনো ধৰণৰ উন্নতি নহয়। যদিও উত্তৰ-পূৰ্বাঞ্চলৰ আলংকাৰিক মাছৰ লগতে থলুৱা মাছৰ প্ৰাচুৰ্যলৈ লক্ষ্য ৰাখিয়ে আৰু লগতে সেইবোৰৰ বিকাশৰ উদ্দেশ্যে এই কেন্দ্ৰটো স্থাপন হৈছিল, কিন্তু কেন্দ্ৰটোৰ তৰফৰ পৰা তেনে কোনো উল্লেখনীয় বৰঙণি অসমে লাভ কৰা নাই। আনকি এই সম্পৰ্কে অৱগত নহয় ব্যৱসায় হিচাপে লোৱা মৎস্য উৎপাদনকাৰী-সকলো। আলংকাৰিক মাছৰ ৰপ্তানিৰ আগতে সেই মাছবোৰৰ প্ৰজননৰ গোট স্থাপনৰ প্ৰয়োজনীয়তাৰ কথাও দোহাৰিব লাগিব। অন্যথা প্ৰাকৃতিক উৎসৰ পৰা এইবোৰ সংগ্ৰহ কৰি গৈ থাকিলে এই মাছবোৰ অতি সোনকালেই বিলুপ্ত হ'ব। এই মাছবোৰৰ প্ৰজনন গোট স্থাপনৰ লগতে এই থলুৱা মাছবোৰৰ বীজ সংৰক্ষণ আৰু ৰক্ষণাবেক্ষণ অতিশয় জৰুৰী। নিবনুৱা যুৱক-যুৱতীয়ে এনে-ধৰণৰ প্ৰজনন গোটৰ পৰা স্বনিৰ্ভৰশীল হ'ব পাৰে। কিন্তু আলংকাৰিক মাছৰ অভূতপূৰ্ব চাহিদাই যাতে অসমৰ থলুৱা মাছৰ প্ৰজাতিসমূহ বিলুপ্ত কৰি নেপেলায় তালৈ চকু ৰখাৰ লগতে থলুৱা ৰাইজক এই সম্পৰ্কে সজাগ কৰাটোহে এতিয়া আমাৰ প্ৰধান কৰ্তব্য। ❒

## বাৰাণসীৰ ৰাষ্ট্ৰীয় বীজ গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ চৌহদত আন্তঃৰাষ্ট্ৰীয় ধান গৱেষণা প্ৰতিষ্ঠানৰ দক্ষিণে এছিয়া আঞ্চলিক কেন্দ্ৰ প্ৰতিষ্ঠাৰ প্ৰস্তাৱত মন্ত্ৰীসভাৰ অনুমোদন

প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সভাপতিত্বত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত বাৰাণসীৰ ৰাষ্ট্ৰীয় বীজ গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ চৌহদত আন্তঃৰাষ্ট্ৰীয় ধান গৱেষণা প্ৰতিষ্ঠানৰ দক্ষিণ এছিয়া আঞ্চলিক কেন্দ্ৰ প্ৰতিষ্ঠাৰ প্ৰস্তাৱত অনুমোদন জনোৱা হয়।

এই প্ৰস্তাৱৰ অধীনত বাৰাণসীত ধানৰ মূল্য সংযোজনৰ বাবে এটা উৎকৃষ্ট কেন্দ্ৰ স্থাপন কৰা হ'ব। ইয়াত ধানৰ বীজ আৰু নৰাৰ মান নিৰ্দ্ধাৰণ কৰিব পৰাকৈ আধুনিক সা-সুবিধাযুক্ত গৱেষণাগাৰ থাকিব। ধানৰ মূল্য সংযোজনৰ ক্ষেত্ৰত জড়িত সকলো অংশীদাৰৰ সামৰ্থ্য বৃদ্ধিৰ বাবেও কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

পূব ভাৰতৰ ই প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰ যিয়ে সমগ্ৰ অঞ্চলটোত ধান উৎপাদন প্ৰক্ৰিয়াক নিয়ন্ত্ৰণ কৰিব। ই পূব ভাৰতৰ লগতে একেধৰণৰ পৰিৱেশ থকা আন দক্ষিণ এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহতো খাদ্যৰ উৎপাদন তথা দক্ষতা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

### আন্তঃৰাষ্ট্ৰীয় ধান গৱেষণা প্ৰতিষ্ঠানৰ লাভালাভ

এই কেন্দ্ৰই ভাৰতৰ জৈৱবৈচিত্ৰ্য সদ্ব্যৱহাৰ কৰি উন্নত মানৰ বিশেষ ধানৰ প্ৰজাতি উদ্ভাৱন কৰাত সহায় কৰিব। ই মাটিৰ উৰ্বৰা শক্তি বঢ়োৱাত সহায় কৰিব। ভাৰতৰ খাদ্য আৰু পুষ্টিৰ সমস্যা নোহোৱা কৰিব। এই কেন্দ্ৰই দেশত মূল্য সংযোজন ভিত্তিত উৎপাদন ব্যৱস্থা হাতত লোৱাত সহায় কৰিব। ই কৃষকৰ লোকচান হ্ৰাস কৰি কৃষকসকলক মূল্য সংযোজিত অধিক আয় কৰাত সহায় কৰিব দক্ষিণ এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহৰ উপৰিও বিশেষভাৱে পূব ভাৰতৰ কৃষকসকল ইয়াৰদ্বাৰা লাভৱান্বিত হ'ব।

# উত্তৰ-পূৰ্বাঞ্চল আৰু গণমাধ্যম শিক্ষা

**অংকুৰণ দত্ত***

গণমাধ্যম শিক্ষা সম্পৰ্কে আমাৰ ধাৰণা এতিয়াও নতুন। ভাৰতত পোন প্ৰথমবাৰৰ কাৰণে ১৯২০ৰ দশকত বিখ্যাত চিন্তাবিদ এনি বেছাণ্টে সাংবাদিকতা শিক্ষাৰ এটা পাঠ্যক্ৰম মুকলি কৰিছিল। তামিলনাডুত আৰম্ভ হোৱা এই সাংবাদিকতা শিক্ষাই পৰৱৰ্তী সময়ত অবিভক্ত ভাৰতৰ বিভিন্ন অঞ্চলত আৰম্ভ হোৱা পৰিলক্ষিত হয় যদিও '৬০ৰ দশকতহে সাংবাদিকতা বা গণমাধ্যম শিক্ষাই এটা নতুন ৰূপ লাভ কৰে। ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ অধীনত ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান স্থাপন কৰা হয় ১৯৬৫ চনত। প্ৰণিধানযোগ্য যে মাত্ৰ দুবছৰৰ পিছতেই অধ্যাপক ভি. ভেংকটৰাৱৰ বলিষ্ঠ পদক্ষেপত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ লগত সাংবাদিকতা শিক্ষাৰ এটি পাঠ্যক্ৰম আৰম্ভ কৰা হয়। অধ্যাপক ভি ভেংকটৰাৱ আৰু অধ্যাপক দেৱপ্ৰসাদ বৰুৱাৰ নেতৃত্বত আৰম্ভ হোৱা এই পদক্ষেপেই উত্তৰ-পূব ভাৰতলৈ গণমাধ্যম শিক্ষাৰ এটা নতুন বাৰ্তা কঢ়িয়াই আনে।

১৯৬৭ চনৰ পৰা এই বছৰলৈ পঞ্চাশটা বছৰ বা সোণালী জয়ন্তী বৰ্ষত ভৰি দিলে উত্তৰ-পূব ভাৰতৰ গণমাধ্যম শিক্ষাই। গুৱাহাটী বিশ্ববিদ্যালয়ে এই পাঠ্যক্ৰম আৰম্ভ কৰাৰ প্ৰায় তিনিটা দশকৰ পিছত ১৯৯৬ চনত শিলচৰৰ অসম বিশ্ববিদ্যালয়ত এটি গণসংযোগ বিভাগ আৰম্ভ কৰা হয়। ইয়াৰ পৰৱৰ্তী সময়ত অত্যাধুনিক আন্তঃগাঁথনিৰে তেজপুৰ বিশ্ববিদ্যালয়ত এটি বিভাগ মুকলি কৰা হয়। কটন কলেজৰ উদ্যোগশীলতাৰ বিকাশ কেন্দ্ৰৰ সহযোগত এই প্ৰবন্ধৰ লেখক আৰু কটন কলেজৰ কেইবাগৰাকীও শিক্ষকৰ উদ্যোগত গণসংযোগ আৰু সাংবাদিকতা অধ্যয়ন কেন্দ্ৰ স্থাপন কৰা হয় ২০০৪ চনত। পৰৱৰ্তী সময়ত এই কেন্দ্ৰটিৰ নাম ড° ভূপেন হাজৰিকা গণসংযোগ আৰু সাংবাদিকতা কেন্দ্ৰ হিচাপে নামকৰণ কৰা হয়। ইয়াৰ পৰৱৰ্তী সময়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, অসম মহিলা বিশ্ববিদ্যালয়কে আদি কৰি অসমৰ প্ৰায়বোৰ বিশ্ববিদ্যালয়তে গণমাধ্যম শিক্ষাৰ পাঠ্যক্ৰম মুকলি কৰা হয়। এই শতিকাৰ প্ৰথম দশকত উত্তৰ-পূবৰ আন আন ৰাজ্যসমূহতো গণমাধ্যম পাঠ্যক্ৰম আৰম্ভ কৰা হয়। অৱশ্যে শ্বিলঙৰ চেইণ্ট এণ্ট'নিজ কলেজত ১৯৯৪ চনতেই এটি গণমাধ্যমৰ বিভাগ মুকলি কৰা হৈছিল। বৰ্তমান উত্তৰ-পূবৰ ৰাজ্যসমূহৰ ভিতৰত অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, নাগালেণ্ড বিশ্ববিদ্যালয়, মিজোৰাম বিশ্ববিদ্যালয়, উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়, ত্ৰিপুৰা বিশ্ববিদ্যালয়, মণিপুৰ বিশ্ববিদ্যালয় আৰু ছিকিম বিশ্ববিদ্যালয়তো এই পাঠ্যক্ৰম আৰম্ভ কৰা হয়।

গণমাধ্যম পাঠ্যক্ৰম সম্পৰ্কে এটি অতি গুৰুত্বপূৰ্ণ কথা মনকৰিবলগীয়া। উত্তৰ-পূব ভাৰতৰ গণমাধ্যম শিক্ষাৰ প্ৰতিষ্ঠানসমূহলৈ মন কৰিলে দেখা যায় তিনিপ্ৰকাৰৰ শিক্ষানুষ্ঠানত গণমাধ্যমৰ শিক্ষা প্ৰদান কৰা হয়। প্ৰথমতে, চৰকাৰী খণ্ডৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয় আদি। দ্বিতীয়তে, বেচৰকাৰী বিশ্ববিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠান যেনে— অসম ডনবস্ক' বিশ্ববিদ্যালয়, বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়, মেঘালয় আদি। তৃতীয়তে, এনে বহু সংবাদ প্ৰতিষ্ঠান আছে, যিবোৰে নিজাকৈ মানৱ সম্পদ বিকাশ কৰি তেওঁলোকৰ সংবাদ মাধ্যমসমূহতে নিযুক্তি দিয়াৰ বাবে গণমাধ্যম শিক্ষা প্ৰতিষ্ঠান আৰম্ভ কৰা দেখা যায়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগটোৱে কৈ অহাৰ দৰে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো গণমাধ্যম শিক্ষা কেন্দ্ৰ, যি ২০১৭ চনত সোণালী জয়ন্তী বৰ্ষত ভৰি দিছে। আৰম্ভণিৰ পৰা এই বিভাগটোৰ বিকাশ সম্পৰ্কে ক'বলৈ গ'লে ইয়াত তিনিটা পৰ্যায়ত আমি ভাগ কৰিব পাৰোঁ। প্ৰথমটো পৰ্যায়, ১৯৬৭-১৯৮৩ চনলৈ। এই সময়ছোৱাত গণমাধ্যম শিক্ষা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ এটি অংশ আছিল। দ্বিতীয় পৰ্যায় আৰম্ভ হৈছে ১৯৮৪ চনত গণমাধ্যম শিক্ষাক এটি পূৰ্ণ পৰ্যায়ৰ

***লেখক অংকুৰণ দত্ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ সহযোগী অধ্যাপক আৰু মুৰব্বী**

বিভাগলৈ উন্নীত কৰা হয়। ১৯৬৭ চনৰ পৰা চলি অহা এটি সান্ধ্য ডিপ্ল'মা পৰ্যায়ত ই এক পূৰ্ণ পৰ্যায়ৰ বিভাগ হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক কাৰ্যসূচী আৰম্ভ কৰে। তৃতীয় পৰ্যায় আৰম্ভ হৈছে ২০০5 চনৰ পৰা। এই বৰ্ষৰ পৰা যোগাযোগ আৰু সাংবাদিকতা বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰা হয়। বিভাগটোত প্ৰথম গণমাধ্যমৰ শিক্ষকৰূপে যোগ দিছিল পদ্মশ্ৰী অধ্যাপক অঞ্জন বেনাৰ্জীয়ে। পিছলৈ তেওঁ বেনাৰছ হিন্দু বিশ্ববিদ্যালয়ত যোগ দিয়েগৈ। জ্ঞানপীঠ বঁটা প্ৰাপক বিশিষ্ট সাহিত্যিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, অধ্যাপক দেৱপ্ৰসাদ বৰুৱা, বিশিষ্ট সাংবাদিক সতীশ চন্দ্ৰ কাকতি, দৈনিক অসম কাকতৰ সম্পাদক তথা বিশিষ্ট সাংবাদিক ৰাধিকামোহন ভাগৱতী, মুনিন চন্দ্ৰ বৰকটকী, প্ৰতাপ বৰদলৈ, উৎপল দত্ত, ড° ক্ষীৰেণ ৰয়, প্ৰশান্ত জ্যোতি বৰুৱা, হায়দৰ হুছেইন, নৰেন চন্দ্ৰ ৰাজখোৱা, দিলীপ চন্দন আদি বহু বিশিষ্ট সাংবাদিক শিক্ষাবিদে এই বিভাগত অতিথি প্ৰবক্তা হিচাপে সেৱা আগবঢ়াইছিল। বৰ্তমানো প্ৰায় ৪০ গৰাকী বিশিষ্ট সাংবাদিক তথা শিক্ষাবিদ এই বিভাগৰ লগত অতিথি অধ্যাপক হিচাপে জড়িত।

১৯৮৪ চনত যোগাযোগ আৰু সাংবাদিকতা বিভাগে গুৱাহাটী বিশ্ববিদ্যালয়ত পূৰ্ণ মৰ্যাদা লাভ কৰা পিছত ড° অৰবিন্দ মুজমদাৰে প্ৰায় ১৫ বছৰ অৰ্থাৎ ১৯৯৯ চনৰ তেওঁৰ অৱসৰৰ সময়লৈকে বিভাগটোত একমাত্ৰ স্থায়ী অধ্যাপক হিচাপে অধ্যাপনা আৰু বিভাগীয় প্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ত ৰাজনীতি বিজ্ঞানৰ অধ্যাপক অনুৰাধা দত্ত, অৰ্থনীতি বিভাগৰ অধ্যাপক কন্দৰ্প বৰ্মণ, ড° অভিজিৎ বৰা (বৰ্তমান তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক), নতুন ভাৰতীয় ভাষা বিভাগৰ অধ্যাপক উমেশ ডেকা আৰু বিভাগটোৰ সহকাৰী অধ্যাপক ড° কুমাৰ গোস্বামীয়ে ভাৰপ্ৰাপ্ত বিভাগীয় প্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ড° অৰবিন্দ মজুমদাৰৰ পিছত এই প্ৰবন্ধৰ লেখকে প্ৰায় সোতৰ বছৰৰ মূৰত বিভাগটোত স্থায়ী বিভাগীয় প্ৰধান হিচাপে নিযুক্তি হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগে যোৱা পাঁচটা দশকত বহু বিশিষ্ট সাংবাদিক, জনসম্পৰ্কৰক্ষী বিষয়া, শিক্ষাবিদ আৰু সমাজসেৱক প্ৰস্তুত কৰি উলিয়াইছে। বিভাগটোৰ পৰা মুদ্ৰণ মাধ্যমৰ জগতলৈ অৰদান আগবঢ়োৱা প্ৰাক্তন ছাত্ৰসকলৰ ভিতৰত প্ৰতাপ বৰদলৈ, ইম্‌দাদুল বুলবুল, তাজুদ্দিন আহমেদ, তৃপ্তি দেৱী, জাহ্নৱী খাউণ্ড, অনুপমা দাস, ড° ৰোমান শৰ্মা, পৰেশ বৈশ্য, জীতেন চৌধুৰী, ৰাজেশ মেধি আদিৰ নাম উল্লেখনীয়। পৰিস্মিতা ফুকনৰ গৱেষণাত প্ৰকাশ কৰা মতে অনাতাঁৰ আৰু দূৰদৰ্শন জগতখনলৈ অৰদান আগবঢ়োৱা বিভাগটোৰ প্ৰাক্তন ছাত্ৰসকলৰ ভিতৰত ভূপেন বৰকটকী, প্ৰতাপ বৰদলৈ, কৰুণামোহন শৰ্মা, অনুপমা দাস, দেৱজিৎ কাকতি, দ্বীপেন্দ্ৰ কুমাৰ মজুমদাৰ, মঞ্জু লস্কৰ, দীপক শৰ্মা, দেবেন তামুলীৰ নাম লেখত ল'বলগীয়া। বিজ্ঞাপন আৰু জনসম্পৰ্কৰ জগতখনলৈ অৰদান আগবঢ়োৱা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত দীজেন্দ্ৰমোহন শৰ্মা, জয়ন্ত কুমাৰ শৰ্মা, ছৈয়দা হাছনাহানা আদি উল্লেখনীয়।

বিভাগটোৱে বিগত দিনবোৰত কেইবাগৰাকীও বিশিষ্ট সমাজসেৱী আৰু ৰাজনৈতিক নেতাৰ জন্ম দিছে। তেওঁলোকৰ ভিতৰত প্ৰাক্তন প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা বৰ্তমানৰ সাংসদ ভূৱনেশ্বৰ কলিতা, প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, প্ৰাক্তন বিধায়িকা ৰেখাৰাণী দাস বড়ো, বৰ্তমানৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বৰ্তমান অসম বিধান সভাৰ অধ্যক্ষ হীতেন্দ্ৰ নাথ গোস্বামী, প্ৰাক্তন অধ্যক্ষ তথা ৰাজ্যিক ভাৰতীয় জনতা পাৰ্টিৰ সভাপতি ৰঞ্জিত দাস আদিৰ নাম প্ৰণিধানযোগ্য।

বিভিন্ন কাৰণত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগে যদিও পূৰ্ণতাৰে বিকাশ লাভ কৰিব নোৱাৰিলে কিন্তু বৰ্তমানৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মৃদুল হাজৰিকাৰ নেতৃত্বত বিভাগটোৱে যথেষ্ট আগবাঢ়িবলৈ সক্ষম হৈছে। এই বিভাগটোৱেই যে উত্তৰ-পূৰ্বাঞ্চলত গণমাধ্যম শিক্ষাৰ পাতনি মেলিছিল সেয়া সদায় স্বীকাৰ্য। পঞ্চাছ বছৰীয়া পূৰণি এই বিভাগটোৰ উন্নয়নৰ কাৰণে বিভাগটোৰ সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অসমৰ গণমাধ্যমসমূহ আৰু চৰকাৰৰ এটা বিশেষ ভূমিকাৰ প্ৰয়োজন। ❐

# আৰ্থিক উন্নতিত বজাৰ-সংস্কৃতি আৰু জাতি-জনজাতিৰ বিনিময় প্ৰথা

**ধনেশ্বৰ হুজুৰী***

ব্যক্তি আৰু প্ৰতিষ্ঠানসমূহে বিনিময় প্ৰথাৰে তাহানি কালৰ পৰা ব্যৱসায়-বাণিজ্য চলাই আহিছে। আন্তৰ্জাতিক বাণিজ্যৰ বিনিময় প্ৰথাৰ কাল প্ৰায় পাঁচ হাজাৰ বছৰ হ'ব বুলি কোৱা হয়। বিশেষকৈ ভূটানৰ সৈতে অসমৰ বাণিজ্যৰ বিনিময় প্ৰথাৰ সূচনা প্ৰায় পঞ্চম শতিকা বুলি কোৱা হৈছে। ভূটান, তিব্বত, চীন আদিৰ লগত অসমৰ মাজত বিনিময় প্ৰথাৰে বাণিজ্যিক লেনদেন কৰা সামগ্ৰীসমূহ আছিল তামোল-পাণ, পাটসূতা, চিল্ক আদি আৰু এই সামগ্ৰীসমূহ বিনিময় হৈছিল পশ্চিম কন্‌ষ্টাণ্টিনপ'ল পৰ্যন্ত।

এনেদৰে বাণিজ্যৰ ক্ষেত্ৰখন বিভিন্ন দেশলৈ বিয়পি পৰিছিল। ভাৰতবৰ্ষৰ অতীতৰ ব্যৱসায়-বাণিজ্যৰ অতীতলৈ যদি চোৱা যায় তেতিয়া হ'লে ১৯ শতিকাৰ পৰা আৰম্ভ হৈছিল বুলি ক'ব পাৰি।

আমাৰ অসমতো অতীজৰ পৰা ভূটান, তিব্বত আদি দেশলৈ চাউল, শুকান মাছ, পাটসূতা, পাটকাপোৰ আদি অইন ঠাইলৈ পঠাই তাৰ পৰা সৈন্ধৱ লোণ, কম্বল, সোণৰ চেকুৰা 'মুখা' ঘোঁৰা আনিছিল।

আনহাতে আহোমৰ ৰাজত্ব কালত তিব্বত, ভূটান আদি দেশৰ উপৰি বংগদেশ, মণিপুৰ, খাচী পাহাৰ আদিৰ লগতো বয়বস্তু বিনিময়ৰদ্বাৰা ব্যৱসায়-বাণিজ্য কৰিছিল।

অৰ্থনীতিকেন্দ্ৰিক সমাজ ব্যৱস্থাত মূল্য নিৰূপণ বা দৰদাম আৰম্ভ হ'ল।

আমাৰ গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন প্ৰক্ৰিয়াত হাট বা বজাৰৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ। আহোম ৰাজত্ব কালত ৰুদ্ৰ সিংহৰ দিনত বঙ্গদেশৰ নবাব, পঞ্জাৱৰ ৰজা আৰু মধ্য ভাৰতৰ ৰজাসকলৰ লগত মিত্ৰতা কৰি সেই দেশলৈ আমাৰ দেশৰ পৰা হাতীদাঁত, গন্ধকলাই, মেজাঙ্কৰী, মুগা সূতা, মুগা কাপোৰ, এৰী কাপোৰ, লা প্ৰভৃতি বয়বস্তু পঠাই তেওঁবিলাকৰ পৰা বিনিময় প্ৰথাৰে হীৰা, পান্না, মুক্তা আদি সামগ্ৰী বিনিময় প্ৰথাৰে আনিছিল।

সেই সময়তে ভূটীয়াসকলে ভৈয়ামলৈ নামি অহা ১৮ খন দুৱাৰ আছিল। এই দুৱাৰসমূহেই আছিল ভূটীয়াৰ লগত বিনিময় প্ৰথাৰে বয়বস্তু আদান-প্ৰদান কৰা ঠাই। এনেদৰেই ভূটান আৰু অসমৰ মাজত ব্যৱসায়-বাণিজ্য গঢ়ি উঠিছিল।

তদুপৰি চিমলীয়াত আহোম ৰজাই বিষয়া ৰখা চকী কৰি তাত বিনিময় প্ৰথাৰে এক লাখ টকা পৰ্যন্ত ব্যৱসায় কৰাৰ কথা জানিব পৰা যায়। বিশেষকৈ এই দুৱাৰসমূহৰ ভিতৰত বাক্সা দুৱাৰ, দৰঙ্গামেলা দুৱাৰ, বিজনী দুৱাৰ, ছাপাওৰী দুৱাৰ উল্লেখযোগ্য আছিল। এই দুৱাৰ-সমূহেৰে ভূটীয়াসকল ভৈয়ামলৈ আহি ভৈয়ামৰ মানুহৰ লগত "কুৰমালাগা" বন্ধুত্ব কৰি দলিচা, মুগা সূতা, এৰী কাপোৰ, শুকান মাছ, ঊণ, সোণ, কস্তুৰি, লোণ, ঘোঁৰা, হাতী, লা, জাব্ৰাং, শুকান জলকীয়া আদি বিনিময় কৰিছিল।

আমাৰ দেশৰ লা চীন, জাপান আদিলৈ পঠাই তাৰ পৰা পেৰাপেটাৰী সজা বয়বস্তু আনিছিল। মহাৰাজ ৰুদ্ৰ সিংহৰ দিনত তিব্বত, চীন দেশলৈ কাঁহ-পিতল, তাম আদি পঠাই তাৰ পৰা আমাৰ দেশলৈ অন্য বস্তু আনিছিল।

**হাট বা বজাৰৰ ভূমিকা ঃ** বয়বস্তু বিনিময় প্ৰথাৰ একমাত্ৰ সুচল ঠাই বজাৰ। তিব্বতৰ ৰাজধানী লাচা নগৰত চীনা নামে ঠাইত এখন বিখ্যাত হাট আছিল। ইয়াৰ পৰা ৪ মাইল দূৰৈত আমাৰ ৰাজ্যত 'জীগনচুৰ' নামে ঠাইত আহোম ৰাজত্ব কালত এখন বিখ্যাত হাট বহিছিল। এই হাট দুখন দুমাহ পৰ্যন্ত বহিছিল বুলি জনা যায়। সাধাৰণতে শীত কালত এই হাট বা বজাৰবোৰ বহিছিল। তাত থকা 'চৌনা' হাটলৈ আহি তেওঁলোকে কাঁহ-পিতল, তাম, লৱণ প্ৰভৃতি বস্তু আনে আৰু ইয়াৰ বিনিময়ত তেওঁ লোকে চাউল, মুগা আৰু এৰী কাপোৰ, হাতীৰ দাঁত, লো, লা, লৈ গৈছিল। অসমৰ মুদৈসকলেও নদী বা সাগৰত বিনিময় প্ৰথাৰে বেপাৰ কৰিছিল। সেয়েহে হয়তো কবিতাত কোৱা হয় এইদৰে—

"শুৱনি নদীৰ পানী ভৰা ঘাট
মুদৈয়ে বেপাৰ কৰে তাত।"

বিশেষকৈ কালদিয়া, বৰলীয়া, বেকী, মানাহ আদি নদীসমূহৰ ঘাটবোৰ মুদৈৰ বেপাৰৰ প্ৰধান কেন্দ্ৰ আছিল।

*লেখক ধনেশ্বৰ হুজুৰী প্ৰবীণ সাংবাদিক, বাক্সা বাৰ্তাজীৱী সংঘৰ সভাপতি

তদুপৰি গোৱালপাৰাৰ ইপাৰে আছিল হাদীৰা বা ফুলজাত আহোমৰ চকী। তাত এখন 'বঙালহাট' নামে বজাৰ বহিছিল। বেপাৰীবোৰে বঙালহাটত থাকি বেপাৰ-বাণিজ্য কৰিছিল।

কীৰ্তিচন্দ্ৰ বৰুৱাই ৰহাত থাকি আকৌ বেবেজীয়া নকুৰি পাতি ৰহাত এখন হাট পাতিছিল। হাটখোৱা পাতিছিল চকীয়ল বৰাক।

আহোমৰ দিনৰ বৃহৎ হাটখনৰ সীমা আছিল পূৰে গড়চকী, পশ্চিমে গোগামুখ, উত্তৰে ব্ৰহ্মপুত্ৰ, দক্ষিণে যমুনামুখ।

এই হাটবোৰত কৰা-কাটল সংগ্ৰহৰ বাবে হাটখোৱাই বেচা-কিনা কৰা বস্তুৰ ভাল-বেয়া, ওজন, সঠিক দৰদাম আদি তদাৰক কৰিছিল।

এই বজাৰত তাহানি বয়বস্তু বেচা-কিনা কৰাৰ বাবে 'তুলা চালনী' দোণ আৰু তুলাযন্ত্ৰ ব্যৱহাৰ কৰিছিল। আগতে পোৱা-সেৰ আদি আছিল। চাউল, মাহ, দোণ পুৰা আদি হিচাপত বেচা-কিনা হৈছিল।

হাঁহকণী পোণ হিচাপত (বিশ গণ্ডাই এক পোণ), সুমথিৰা টেঙা ভাৰ হিচাপত, গুড় মিঠৈ কলহ হিচাপত, গাখীৰ চুঙা হিচাপত, কাপোৰ, হাঁহকণী যোৰ হিচাপত কড়িৰ বিনিময়ত কৰা হৈছিল।

উল্লেখযোগ্য কথা এয়ে যে প্ৰতাপ সিংহৰ ৰাজত্ব কালত মুদৈ বা বেপাৰী-সকলে দাতিকাষৰীয়া ৰাজ্য আৰু নদ-নদীৰে আহি বেপাৰ-বাণিজ্য কৰিছিল। তাৎপৰ্যপূৰ্ণ কথাটো এয়ে যে সেই সময়ত নবাব আব্দুল, নবাব ইছলাম আদিৰ উপৰি সোণাৰী মুদৈ জয়হৰি, নৰহৰি মুদৈ আদিয়ে আহি শ্ৰীসূৰ্যত বেপাৰ-বাণিজ্য কৰিছিল।

এনেদৰে ক্ৰমশঃ অসমত হাট বা বজাৰ-সংস্কৃতি গঢ়ি উঠিবলৈ ধৰে। চহৰ-নগৰ সকলো ঠাইতে দৈনিক, সাপ্তাহিক হাট বহিবলৈ ধৰিলে আৰু বয়বস্তু কিনা-বেচাৰ কেন্দ্ৰস্থল হৈ পৰিল।

তদুপৰি ভুটান পাহাৰৰ নামনি বাক্সা দুৱাৰৰ সুৱণখাট, দৰঙ্গা মেলা আদিলৈ ভুটীয়াসকলে আহি আমাৰ জনজাতি বসতিপ্ৰধান বড়ো বা অন্যান্য গাঁও অঞ্চলত ভুটীয়া কুকুৰ, লা, শুকান মাছ, জলকীয়া, গৰম ঊণৰ কাপোৰ, কমলা টেঙা, জাব্ৰাং, লিবি আদি দি বিনিময়ত তেওঁলোকে মিঠাতেল, কেৰাচিন তেল, নিমখ, চাউল, চেনি, গুড় নিছিল। তেওঁলোকৰ ধান, চাউল জোখা একোটা বেতৰ দোণ আছিল। ভৈয়ামৰ জনজাতি লোকৰ লগত 'কুৰমালাগা' বন্ধুত্ব কৰি বয়বস্তু বিনিময় কৰিছিল।

গ্ৰামাঞ্চলৰ হাটবোৰ হৈছে গ্ৰাম্য অৰ্থনীতিৰ মূল আধাৰ স্বৰূপ। কিয়নো এই হাটবোৰত সম্প্ৰতি শাক-পাচলিৰ পৰা আৰম্ভ কৰি বিভিন্ন ব্যৱহাৰ্য বয়বস্তু বেচা-কিনা কৰা হয়।

এনেদৰে বিনিময় ব্যৱস্থাৰে বেচা-কিনা প্ৰচলন হ'বলৈ ধৰে। উৎপাদন আৰু চাহিদাৰ ভাৰসাম্য স্থাপন কৰি বিনিময় প্ৰথাৰে দৰদাম মূল্য নিৰূপণ প্ৰচলন হ'বলৈ ধৰে।

সম্প্ৰতি পৰ্বতীয়া আৰু দাঁতি-কাষৰীয়া জনজাতি লোকৰ মাজত হাট বা বজাৰ বা মেলাবোৰত বিনিময় প্ৰথা বিৰাজমান হৈ আছে। বিশেষকৈ মাঘ মাহত 'জোনবিল' মেলা মৰিগাঁও জিলাত অনুষ্ঠিত হয়। এই মেলালৈ গোভা ৰজাৰ উপৰি পাহাৰৰ তিৱাসকল অৰ্থাৎ মামা-মামীসকলে জোনবিল মেলালৈ আহি বয়বস্তু বিনিময় প্ৰথাৰে লৈ যায়। বিশেষকৈ আদা, শাক-পাচলি দি তেওঁলোকে শুকান মাছ, চাউল, নিমখ আদি বিনিময় প্ৰথাৰে নিয়ে। ই এক মধুৰ সম্পৰ্কৰ এটা পৰম্পৰা।

এনেদৰে ভূটান আৰু অৰুণাচলৰ দুৱাৰসমূহত হাট, ভৈয়ামৰ সৈতে নগাৰ 'মিতুৰ', গাৰোসকলৰ 'মামা-মামী'য়ে বয়বস্তু বিনিময় প্ৰথাৰে অনা-নিয়া কৰে। সেইদৰে জনজাতি লোকৰ 'জেউৰি' (বছৰেকীয়া) চুক্তি, আচকা, হেদাৰি প্ৰথা আজিও জনজাতি সমাজত প্ৰচলিত হৈ আছে। আগতে আমাৰ সমাজত তামোল আছিল যোৰা/ জুলি হালি, গণ্ডা (চাৰিটাই এক গণ্ডা), পোণ (৮০ গণ্ডা), পাণৰ মুঠা (২০ খিলা) দিছা/বিহা গোট (২০ মুঠা পাণ)। অন্যান্য জাতি-জনজাতিৰ আকৌ নিজৰ ভাষাত সংখ্যা গণনা হয়।

বিনিময় প্ৰথা বৰ্তমানো জনজাতি সমাজত বিদ্যমান। কাৰণ জনজাতি লোক সহজ-সৰল, নম্ৰ আৰু অতিথি পৰায়ণ। বিশেষকৈ বেপাৰীবোৰে জনজাতি লোকৰ পৰা ধান, খেৰ, উলু খেৰ নিলে আৰু বিনিময়ত নিমখৰ বস্তা দিছিল। আনাৰাস বা কঁঠালৰ বিনিময়ত গাৰোসকলক শুকান মাছ (নাখাম), ধানৰ বিনিময়ত সুলভ বেঙেনা, ৰঙা লাউ, মুৰি, আখৈ আদি দিছিল। আমাৰ পিতা বা ককাহঁতে আজিৰ পৰা ৮০/৯০ বছৰ আগতে গুড় মিঠৈ এক কলহৰ বিনিময়ত জংঘল ভঙা এক বিঘা মাটি দিয়াৰ কথা শুনিবলৈ পোৱা গৈছিল। বিশেষকৈ জেউৰি ধৰা পদ্ধতিৰে প্ৰতিৱেশী কুমাৰ, কমাৰ, হীৰা, নাপিত, মালি, কৈৱৰ্ত আদি বিত্তীয়াল লোক-সকলে বিনিময় প্ৰথাৰে ধান,চাউল, মাহ, সৰিয়হ আদি নিয়াৰ নিয়ম আছিল।

বছৰেকৰ মূৰত বিশেষকৈ মাঘ বিহুত গৃহস্থৰ পৰা ধান, মাহ, সৰিয়হ নিছিল। এনেদৰে বিভিন্ন জাতি-জনজাতি লোকৰ মাজত বিনিময় প্ৰথাৰে আদান-প্ৰধান আৰু পাৰস্পৰিক সেৱাৰ মনোভাৱ গঢ়ি উঠিছিল। এই বিনিময় প্ৰথাৰদ্বাৰাই এটা সমাজবাদী আদৰ্শৰ মনোভাৱ প্ৰতিষ্ঠা হোৱাত সহায় কৰাৰ লগতে মানৱীয় প্ৰমূল্যবোধৰ উত্তৰণ ঘটিছিল। ❒

# খাদ্য সুৰক্ষা, ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু কিছু প্ৰাসঙ্গিক চিন্তা

**অৰূপজ্যোতি শইকীয়া**

সামাজিক নিৰাপত্তা বুলিলে এনে এটা অৱস্থাৰ কথা বুজা যায় য'ত অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আদি দিশত ব্যক্তি বিশেষৰ অধিকাৰ সুৰক্ষিত হয় আৰু প্ৰতিজন ব্যক্তিয়ে আত্মবিকাশৰ পৰিৱেশ লাভ কৰে। সামাজিক নিৰাপত্তাৰ বিষয়টো খাদ্য সুৰক্ষা বা নিৰাপত্তাৰ দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰা হয়।

খাদ্য সুৰক্ষাৰ অৰ্থ হ'ল স্বাভাৱিক জীৱন যাপনৰ বাবে সকলোৰে বাবে খাদ্য নিশ্চিত কৰা। খাদ্য সুৰক্ষা বিষয়টোৰ লগত সমাজৰ দুৰ্গত, বিশেষভাৱে সক্ষম, অবলা, বয়োজ্যেষ্ঠ, শিশু শ্ৰমিকৰ দৰে সমাজৰ তথাকথিত অৱহেলিতসকলৰ খাদ্যৰ প্ৰসঙ্গটো জড়িত হৈ থকা বাবে ইয়াক সামাজিক নিৰাপত্তাৰ দিশৰ পৰা বিবেচনা কৰা হয়। খাদ্য সুৰক্ষাৰ অবিহনে এখন ৰাষ্ট্ৰত সামাজিক অস্থিৰতা, যুদ্ধ-বিগ্ৰহ, আন্দোলন, প্ৰতিবাদ আদি বিভিন্ন অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে, যিটোৱে মূৰকত ৰাষ্ট্ৰৰ উন্নয়ন ব্যাহত কৰিব। সেয়ে সাম্প্ৰতিক সময়ত বিশ্বৰ প্ৰায়বোৰ ৰাষ্ট্ৰই খাদ্য সুৰক্ষাৰ লক্ষ্যত উপনীত হোৱাটো উন্নয়নৰ প্ৰাথমিক চৰ্তৰূপে গ্ৰহণ কৰে।

ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থাৰ (এফ এ অ') মতে এখন ৰাষ্ট্ৰই তেতিয়াহে খাদ্য সুৰক্ষাৰ লগত উপনীত হ'ব, যেতিয়া ৰাষ্ট্ৰখনত পৰ্যাপ্ত পৰিমাণৰ খাদ্যশস্য উৎপাদন হয়, সকলো নাগৰিকে বিশুদ্ধ, পুষ্টিকৰ খাদ্য খাবলৈ পায় আৰু নাগৰিকে স্বাস্থ্যৱান জীৱন লাভ কৰিব। এফ এ অ'ৰ এখন প্ৰতিবেদন অনুসৰি এজন ব্যক্তিক গড় হিচাপে দৈনিক ২০০০ কেল'ৰিৰ প্ৰয়োজন হয়। ঠিক সেইদৰে ভাৰতৰ পৰিকল্পনা আয়োগে পূৰ্বতে প্ৰকাশ কৰা এখন প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে ভাৰতবৰ্ষৰ গাঁও আৰু নগৰ অঞ্চলৰ লোকৰ বাবে দৈনিক ক্ৰমে ২৪০০ আৰু ২১০০ কেল'ৰিৰ প্ৰয়োজন। গতিকে আৱশ্যকীয় পুষ্টিগুণ থকা সম পৰিমাণৰ খাদ্য খাবলৈ পালেহে জনসাধাৰণে খাদ্য সুৰক্ষা লাভ কৰা বুলি ক'ব পাৰি।

এটা সবল জাতি গঠনৰ বাবে অন্যান্য উপাদানৰ লগতে উপযুক্ত খাদ্য সামগ্ৰীৰ নিতান্তই আৱশ্যক। ৰাষ্ট্ৰ এখনৰ ক্ষেত্ৰত ইয়াত বাস কৰা সকলো শ্ৰেণী আৰু সকলো স্তৰৰ লোকৰ বাবে খাদ্য সুৰক্ষা বিষয়টোৰ তাৎপৰ্য অনুভৱ হয়। ১৩০ কোটি জনসংখ্যাৰে বিশ্বৰ দ্বিতীয় বৃহৎ জনসংখ্যাৰ দেশৰ মৰ্যাদা লাভ কৰা ভাৰতবৰ্ষত খাদ্য সুৰক্ষাৰ বিষয়টো স্বাভাৱিকতেই এটা প্ৰত্যাহ্বানমূলক বিষয়। ভাৰতবৰ্ষত ব্ৰিটিছ শাসনকালতে বঙ্গকে মুখ্য কৰি উত্তৰ-পশ্চিম ভাৰতত হোৱা দুৰ্ভিক্ষৰ সময়ত খাদ্য সুৰক্ষাৰ বিষয়টো বিবেচনা কৰা হৈছিল। স্বাধীনতাৰ পাছৰে পৰা ভাৰত চৰকাৰেও এই বিষয়ত যথেষ্ট গুৰুত্ব প্ৰদান কৰি আহিছে। বিভিন্ন আঁচনি আৰু কৌশলৰ দ্বাৰা খাদ্য সুৰক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰা হৈছে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ব্ৰিটিছ চৰকাৰে ১৯৩৯ চনত বোম্বাইত ৰেচনিং ব্যৱস্থা প্ৰচলন কৰিছিল। যুদ্ধ সমাপ্তিত ১৯৪৩ চনত এই ব্যৱস্থা বাতিল কৰা হৈছিল যদিও স্বাধীনতাৰ পাছত ভাৰত চৰকাৰে নতুন ৰূপত ইয়াক পুনৰ প্ৰচলন কৰে। এই ব্যৱস্থাক 'ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা ব্যৱস্থা' (এন এফ এছ এছ) নামেৰে জনা গৈছিল। ১৯৪৭ চনৰ জুন মাহত ভাৰতবৰ্ষত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সূচনা হয়। ৰাজহুৱা বিতৰণ ব্যৱস্থাক অধিক শক্তিশালী ৰূপত গঢ়ি তুলিবৰ বাবে ভাৰত চৰকাৰে ১৯৬৪ চনত ভাৰতীয় খাদ্য নিগম (এফ চি আই) প্ৰতিষ্ঠা কৰে। ভাৰতীয় খাদ্য নিগমে বিগত সময়ছোৱাত কোটি কোটি ভাৰতীয়ক খাদ্য সুৰক্ষা প্ৰদানৰ প্ৰচেষ্টা চলাই আহিছে।

খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত উৎপাদনৰ লগতে বিতৰণৰ বিষয়টো তাৎপৰ্যপূৰ্ণ। ভাৰতবৰ্ষত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সহযোগত প্ৰতিখন ৰাজ্যতে ৰাজহুৱা বিতৰণ ব্যৱস্থা গঢ়ি তোলা হৈছে। ই হৈছে এটা সংগঠিত ব্যৱস্থা। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ মূল উদ্দেশ্য হ'ল— দৰিদ্ৰ আৰু অভাৱী লোকক খাদ্য সামগ্ৰীৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰী ন্যায্য দৰত যোগান ধৰা, বিতৰণত সমতা স্থাপন কৰা আৰু মুকলি বজাৰৰ দৰ নিয়ন্ত্ৰণ কৰা। ৰাজহুৱা

*লেখিক নকছাৰি মহাবিদ্যালয়ৰ (যোৰহাট) অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক

বিতৰণ ব্যৱস্থা দৰিদ্ৰ আৰু অভাৱী লোকক চাউল, আটাৰ দৰে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ উপৰি চেনি, কেৰাচিন আদি নিত্য ব্যৱহৃত অন্যান্য সামগ্ৰী যোগান ধৰাৰ এটা প্ৰত্যক্ষ আৰু সৰ্বোত্তম ব্যৱস্থা। ভাৰতবৰ্ষৰ কেন্দ্ৰীয়শাসিত অঞ্চলসমূহত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত অতিৰিক্তভাৱে তেল, নিমখ, মছলা জাতীয় সামগ্ৰীও যোগান ধৰা হয়।

ভাৰতবৰ্ষত ৰাজহুৱা বিতৰণ ব্যৱস্থা গ্ৰহণ কৰাৰ পৰৱৰ্তী সময়ত উল্লেখযোগ্য কোনো দুৰ্ভিক্ষৰ বাতৰি পোৱা নাযায়। ১৯৮৭ চনৰ সংকটকালীন দুৰ্ভিক্ষৰ সময়তো ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে পৰিস্থিতিৰ জোৰা মাৰিব পৰা গৈছিল। বৰ্তমান কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহৰ যুটীয়া সহযোগত ৰাজহুৱা বিতৰণ ব্যৱস্থা পৰিচালনা কৰা হয়। কেন্দ্ৰীয় চৰকাৰে এফ চি আইৰ যোগেদি সামগ্ৰীৰ সংগ্ৰহ, মজুত আৰু পৰিবহণৰ দায়িত্ব পালন কৰে। আনহাতে ৰাজ্য চৰকাৰৰ দায়িত্ব হ'ল দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালক বাছনি কৰা, ৰেচন কাৰ্ড বিতৰণ কৰা, ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ দোকান, সামগ্ৰীৰ দৰৰ নিৰীক্ষণ কৰা ইত্যাদি।

১৯৯২ চনত পূৰ্বৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সংশোধন ঘটাই পুনৰ গঠিত ৰাজহুৱা বিতৰণ ব্যৱস্থা (আৰ পি ডি এছ) গ্ৰহণ কৰা হয়। সেই সময়ত গ্ৰহণ কৰা সংস্কাৰ প্ৰক্ৰিয়াৰ আধাৰতে ১৯৯৭ চনৰ জুন মাহত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সংশোধন ঘটাই 'লক্ষ্য নিৰ্দিষ্ট ৰাজহুৱা বিতৰণ ব্যৱস্থা' (টি পি ডি এছ)লৈ উন্নীত কৰা হয়। এই ব্যৱস্থাৰ জৰিয়তে দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এ পি এল) আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বি পি এল)— দুই তৰপীয়া সাহায্যযুক্ত দৰ গাঁথনি গঢ়ি তোলা হৈছিল। টি পি ডি এছ ব্যৱস্থাটোক দৰিদ্ৰ শ্ৰেণীৰ অধিক অনুকূলে নিয়াৰ উদ্দেশ্যৰে ২০০০ চনৰ ডিছেম্বৰ মাহত অন্ত্যোদয়া অন্ন যোজনা আৰম্ভ কৰা হৈছিল। ইয়াৰ অধীনত প্ৰায় ১ কোটি দৰিদ্ৰ পৰিয়ালক বাছনি কৰা হৈছিল আৰু হিতাধিকাৰীসকলক প্ৰতিমাহে ২৫ কিলোগ্ৰামকৈ খাদ্য শস্য দিয়া হৈছিল।

ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত খাদ্য সুৰক্ষা নিশ্চিত কৰিবৰ বাবে গ্ৰহণ কৰা এখন যুগান্তকাৰী আঁচনি হ'ল ২০১৩ চনৰ 'ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন' (এন এফ এছ এ)। ইয়াৰ জৰিয়তে সামগ্ৰিকভাৱে দেশৰ প্ৰায় ৬৭ শতাংশ জনসাধাৰণক চাউল, আটা আৰু অন্যান্য মাহজাতীয় খাদ্য শস্য ক্ৰমে ৩, ২ আৰু ১ টকা দৰত বিতৰণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল। এই আইনৰদ্বাৰা 'অন্ত্যোদয়া'ৰ অন্তৰ্ভুক্ত পৰিয়ালক প্ৰতিমাহে ৩৫ কিলোগ্ৰামকৈ আৰু অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়ালক প্ৰতিজন সদস্যৰ বিপৰীতে ৫ কিলোগ্ৰামকৈ সামগ্ৰী যোগান ধৰাৰ প্ৰতিশ্ৰুতি দিয়া হয়। অৱশ্যে এই পৰিমাণ প্ৰতি তিনি বছৰৰ মূৰত সংশোধন কৰিব পৰা সুবিধা ৰখা হৈছিল। তদুপৰি ৬ মাহৰ পৰা ৬ বছৰীয়া শিশুক স্থানীয় অংগনৱাড়ী কৰ্মীৰ সহায়ত, ৬ ৰ পৰা ১৪ বছৰৰ ল'ৰা-ছোৱালীক বিদ্যালয়ত মধ্যাহ্ন ভোজন আঁচনিৰদ্বাৰা আৰু গৰ্ভৱতী মহিলাৰ বাবে স্থানীয় অংগনৱাড়ী কৰ্মীৰ সহায়ত খাদ্য সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছিল। লগতে খাদ্য ব্যৱস্থাটোত উৎপাদন আৰু দৰৰ স্থিৰতা অনাত মনোযোগ দিয়া হৈছিল। চমুকৈ ক'বলৈ গ'লে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ ৰ জৰিয়তে দেশখনৰ সকলো প্ৰান্তৰ সকলো লোককে খাদ্য সুৰক্ষা প্ৰদান কৰি সামাজিক নিৰাপত্তা বৃদ্ধিৰ প্ৰচেষ্টা চলোৱা হৈছিল।

ভাৰতবৰ্ষত খাদ্য সুৰক্ষাৰ বিষয়ত সংযোজন হোৱা অন্য এটা উল্লেখযোগ্য ব্যৱস্থা হ'ল প্ৰত্যক্ষ হস্তান্তৰ ব্যৱস্থা (ডি বি টি)। এই ব্যৱস্থা ২০১৩ চনৰ ১ জানুৱাৰীত গ্ৰহণ কৰা হৈছিল। এই ব্যৱস্থাটোৱে টি পি ডি এছৰ উপৰি সামৰি লোৱা আন কেইখনমান লেখত ল'বলগীয়া বিশেষ আঁচনি হ'ল— ৰন্ধন গেছৰ সাহায্যমূলক 'পেহেল', 'মধ্যাহ্ন ভোজন আঁচনি', 'অন্নপূৰ্ণা আঁচনি', 'ৰাজীৱ গান্ধী কিশোৰী সবলীকৰণ আঁচনি', 'ছাত্ৰ-ছাত্ৰীৰ জলপানিৰ আঁচনি', 'বয়োজ্যেষ্ঠ পেঞ্চন আঁচনি' আদি।

ডি বি টি ব্যৱস্থা গ্ৰহণৰ মূল উদ্দেশ্যসমূহ হ'ল— মধ্যভোগী, দালালৰ কবলৰ পৰা উদ্ধাৰ কৰি প্ৰকৃত হিতাধিকাৰীক সুৰক্ষা দিয়া, হিচাপ ব্যৱস্থা সবলীকৰণ কৰা, প্ৰশাসনীয় ব্যয় হ্ৰাস কৰা, জনসাধাৰণক ডিজিটেল লেনদেনৰ প্ৰতি উৎসাহী কৰা, চৰকাৰী আঁচনি আৰু বিতৰণত স্বচ্ছতা অনা ইত্যাদি। আকৌ ডি বি টিৰ বাবে আৱশ্যকীয় উপাদানবোৰ হ'ল— ডিজিটেল লেনদেনৰ উপযোগী বেংকিং ব্যৱস্থা, ডিজিটেল হস্তাক্ষৰ, আধাৰযুক্ত ৰেচন কাৰ্ড আদি।

ইউ পি এ চৰকাৰৰ দিনত আৰম্ভ কৰা ডি বি টি অভিযানটোৰ জৰিয়তে বৰ্তমানৰ বিজেপি শাসিত কেন্দ্ৰীয় চৰকাৰৰ দিনলৈকে লক্ষণীয় সফলতা লাভ কৰা হৈছে। পৰিসংখ্যা অনুসৰি ২০১৬-১৭ বৰ্ষলৈকে ৩৩.৩৩ কোটি হিতাধিকাৰীক সামৰি লোৱা হৈছে। তাৎপৰ্যপূৰ্ণভাৱে ২০১৬ চনৰ ডিছেম্বৰ মাহলৈকে বিগত সময়ছোৱাত প্ৰায় ৫০,০০০ কোটি টকা ৰাহি কৰিব পৰা গৈছে। বিত্ত মন্ত্ৰালয়ে সদৰী কৰা তথ্য

অনুসৰি ২০১৮ চনৰ ৩১ মাৰ্চলৈকে কেন্দ্ৰীয় চৰকাৰৰ ৬৪ টা মন্ত্ৰালয়ৰ ৫৩৩ খন আঁচনি সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত গ্ৰহণ কৰা আঁচনিবোৰৰ ভিতৰত 'পেহেল'ত সৰ্বাধিক হিতাধিকাৰী অন্তৰ্ভুক্ত হৈ আছে। ইয়াৰ পাছতে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন (এম জি এনৰেগা) আৰু বৃদ্ধাৱস্থাৰ পেঞ্চন আঁচনিয়ে অধিকসংখ্যক হিতাধিকাৰীক সামৰি লৈছে।

ভাৰতবৰ্ষত ডি বি টিৰ জৰিয়তে ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত স্বচ্ছতা অনাৰ চেষ্টা কৰা হৈছে যদিও একে সময়তে ইয়াৰ ৰূপায়ণত অসুবিধাও আহি পৰিছে। প্ৰকৃত হিতাধিকাৰী চিনাক্ত কৰা, ছাঁয়া হিতাধিকাৰী বাদ দিয়া, সকলো অঞ্চলতে ডিজিটেল লেনদেন ব্যৱস্থাৰ প্ৰয়োগ কৰাত সমস্যা দেখা গৈছে। বিশেষকৈ উন্নত বেংক সেৱাৰ সুবিধাৰ আভাৱ আৰু জনসাধাৰণৰ অজ্ঞতাৰ বাবে এনে সমস্যাৰ উদ্ভৱ হৈছে।

ভাৰত ৰাষ্ট্ৰৰ অংগৰাজ্য উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনতো কেন্দ্ৰীয় চৰকাৰৰ সমান্তৰালভাৱে খাদ্য সুৰক্ষাৰ বাবে ইতিপূৰ্বে উল্লেখ কৰা সকলো আঁচনি প্ৰয়োগ কৰা হৈছে। কৃষি নিৰ্ভৰশীলতা, নিম্ন জনমূৰি আয়, নিম্ন মূলধন গঠন, অনুপযুক্ত আন্তঃগাঁথনি, ভৌগোলিক বিচ্ছিন্নতা, যোগাযোগৰ সীমাবদ্ধতা, প্ৰাকৃতিক দুৰ্যোগ আদি বৈশিষ্ট্যৰে অঞ্চলটো পৰিচিত। গতিকে অঞ্চলটোৰ খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত ৰাজহুৱা বিতৰণ ব্যৱস্থাক এটা উপযোগী আৰু উত্তম ব্যৱস্থাৰূপে গণ্য কৰা হয়। দুশৰো অধিক জাতি-জনগোষ্ঠীৰ বসতিস্থল অঞ্চলটোত জনসাধাৰণৰ মাজত খাদ্যাভ্যাসৰো পাৰ্থক্য আছে। গতিকে অঞ্চলটোত খাদ্য সুৰক্ষাৰ লক্ষ্য নিৰ্ধাৰণ কৰোঁতে সতৰ্কতা অৱলম্বন কৰা আৱশ্যক। অঞ্চলটোৰ থলুৱা খাদ্য সামগ্ৰীৰ উৎপাদন বৃদ্ধি আৰু সুস্থিৰ বিতৰণ প্ৰক্ৰিয়াৰ জৰিয়তে অঞ্চলটোত খাদ্য সুৰক্ষাৰ দিশত সফলতা অৰ্জন কৰিব পৰা যাব।

ভাৰত তথা উত্তৰ-পূৰ্বাঞ্চলৰ খাদ্য সুৰক্ষাৰ প্ৰসঙ্গত ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু ইয়াৰ আনুষঙ্গিক ব্যৱস্থাসমূহ অধ্যয়ন কৰিলে সততে চকুত পৰা সীমাবদ্ধতাসমূহ হ'ল— নগৰকেন্দ্ৰিক অসম বিতৰণ ব্যৱস্থা, খাদ্য সামগ্ৰীৰ নিম্ন মান, ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ বাবে মুকলি কৰি ৰখা সামগ্ৰী চোৰাংকৈ মুকলি বজাৰত বিক্ৰী, ৰেহাই মূল্যৰ দোকান-সমূহৰ অনিয়মীয়া যোগান প্ৰক্ৰিয়া, অশিক্ষিত আৰু দুৰ্গম অঞ্চলৰ হিতাধিকাৰীৰ অসচেতনতা ইত্যাদি। গতিকে 'ৰাজহুৱা বিতৰণ ব্যৱস্থা' আৰু 'প্ৰত্যক্ষ সুবিধা হস্তান্তৰ' ব্যৱস্থাৰ সমন্বয়ত খাদ্য সুৰক্ষাৰ লক্ষ্যত উপনীত হ'বৰ বাবে ইয়াত উল্লেখ কৰা পৰামৰ্শ-সমূহ আগবঢ়োৱা হ'ল—

১। খাদ্য শস্যৰ গুণগত মান উন্নত কৰি ৰাখিব পৰাকৈ উপযুক্ত সংৰক্ষণ ব্যৱস্থা গঢ়ি তোলা উচিত।

২। গণমাধ্যম, ছ'চিয়েল নেটৱৰ্কিং মাধ্যম আৰু চৰকাৰী খাদ্য আৰু উপভোক্তা মন্ত্ৰালয়ৰ জৰিয়তে হিতাধিকাৰীৰ সচেতনতা বৃদ্ধি কৰা উচিত।

৩। ৰেচন কাৰ্ডসমূহ এশ শতাংশ ডিজিটেল পদ্ধতিৰে পঞ্জীয়ন কৰা উচিত।

৪। স্থানীয় নিকায়, পঞ্চায়ত আদিৰ প্ৰতিনিধিসকলে সততাৰে দায়িত্ব পালন কৰা আৱশ্যক।

৫। প্ৰশাসনিক ব্যৱস্থাৰ মেৰপেচ আঁতৰ কৰি ৰেহাই মূল্যৰ দোকানসমূহত সামগ্ৰীৰ যোগান প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰি তোলা আৱশ্যক।

৬। আধাৰ কাৰ্ডৰ অন্তৰ্ভুক্তি বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত অধিক গতিশীল কৰি তুলিব লাগিব। ❒

# নাৰী শক্তি, মহিলাৰ বাবে সামাজিক সুৰক্ষা

**প্ৰসূতিকালিন লাভ কাৰ্যসূচীৰ বাবে পান ইণ্ডিয়া ৰূপায়ণত কেবিনেটৰ অনুমোদন**

প্ৰধান মন্ত্ৰীৰ অধ্যক্ষতাত কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰসূতিকালিন লাভ কাৰ্যসূচীৰ বাবে পান ইণ্ডিয়া ৰূপায়ণত অনুমোদন জনাইছে। এই অনুসৰি এই কাৰ্যসূচী ০১-০১-২০১৭ তাৰিখৰ পৰা দেশৰ সকলো জিলালৈকে সম্প্ৰসাৰণ কৰা হৈছে। ২০১৬ চনৰ ৩১ ডিছেম্বৰ মাহত প্ৰধান মন্ত্ৰীয়ে দেশবাসীক উদ্দেশ্যি দিয়া ভাষণত এই আঁচনিখনৰ বিষয়ে ঘোষণা কৰিছিল।

প্ৰসূতিকালিন লাভ আঁচনিখনে বেতনৰ ক্ষেত্ৰত ক্ষতিপূৰণ হিচাপে আগবঢ়াব যাতে মহিলা গৰাকীয়ে প্ৰসৱৰ আগত আৰু পাছত পৰ্যাপ্ত পৰিমাণৰ জিৰণি ল'ব পাৰে আৰু যথোপযুক্ত পৰিপুষ্টিৰ পৰা বঞ্চিত হ'বলগীয়া নহয়। ১০-০১-২০১৭ৰ পৰা ৩১-০৩-২০২০ৰ সময়ছোৱাত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অংশ ১২,৬৬১ কোটি টকাৰে আঁচনিখনৰ বাবদ ব্যয়ৰ প্ৰস্তাৱ কৰা হৈছে। এই সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰৰ অংশ হ'ল ৭,৯৩২ কোটি টকা।

**আঁচনিখনৰ উদ্দেশ্য**

১। নগদ ধনৰ উদগনিৰ বিষয়ত লোকচান হোৱা বেতনৰ বাবে এই আঁচনিখনে আংশিক ক্ষতিপূৰণ আগবঢ়াব যাতে মহিলা গৰাকীয়ে প্ৰথমটো জীৱিত সন্তানৰ প্ৰসৱৰ পূৰ্বে বা পাছত উপযুক্ত পৰিমাণৰ জিৰণি ল'ব পাৰে।

২। নগদ ধনৰ উদগনি গৰ্ভৱতী আৰু দুগ্ধদাত্ৰী মাতৃৰ মাজত স্বাস্থ্য যতন আচৰণ উন্নত কৰাত সহায়ক হ'ব আৰু ই শাৰীৰিক সামৰ্থ্যৰ অভাৱ, অপচয় আদি কম পৰিপুষ্টিজনিত সমস্যা হ্ৰাস কৰিব।

**মহিলা ই-হাট**

- মহিলা উদ্যোগীসকলৰ অভিলাষ আৰু প্ৰয়োজনৰ কাষ চপা।
- প্ৰযুক্তিৰ জৰিয়তে তেওঁলোকৰ উৎপাদনৰ বাবে বজাৰ মঞ্চ আগবঢ়োৱা।
- বিত্তীয় অন্তৰ্ভুক্তি সমৰ্থ কৰা।

**নাৰী শক্তি ঃ স্বাস্থ্যৱতী মাতৃ স্বাস্থ্যৱান দেশৰ বাবে**

প্ৰসূতিকালিন লাভ (সংশোধনী) আইন, ২০১৭-এ প্ৰসূতিকালিন ছুটী ১২ সপ্তাহৰ পৰা সৰ্বোচ্চ ২৬ সপ্তাহলৈ বৃদ্ধি কৰিছে।

গৰ্ভৱতী আৰু দুগ্ধদাত্ৰী মাতৃৰ পৰিপুষ্টি আইন নিশ্চিতিৰ বাবে ৬,০০০ টকা প্ৰসূতিকালিন সাহায্য।

**প্ৰধান মন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযান**

- সুৰক্ষিত গৰ্ভাৱস্থাক সামাজিক আন্দোলন হিচাপে ৰূপ দিয়া।
- ১১ হাজাৰতকৈয়ো অধিক সুবিধা আগবঢ়োৱা সেৱা।
- ৩৩ লাখতকৈ অধিক জন্মৰ পূৰ্বে পৰীক্ষা সম্পাদন।

**প্ৰধান মন্ত্ৰী উজ্বলা**

- দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালৰ মহিলালৈ বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ।
- দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালৰ ২কোটিতকৈ অধিক মহিলাৰ ভয়াৱহ ধোঁৱাৰ পৰা মুক্তি।
- হিতাধিকাৰীৰ ৩৭ শতাংশ মহিলা অনুসূচীত জনজাতি/অনুসূচীত জাতিৰ।

**প্ৰধান মন্ত্ৰী আৱাস যোজনা**

গ্ৰামীণ মহিলাৰ নামত গ্ৰাম্য অঞ্চলত ১ কোটি বহনযোগ্য গৃহ পঞ্জীয়ন।

**লক্ষ্য নিৰ্দ্ধাৰিত গোট**

কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানত কাম কৰা মহিলা— যিসকলে সামগ্ৰিকভাৱে অনুৰূপ সুবিধা লাভ কৰিছে তেওঁলোকৰ বাহিৰে সকলো যোগ্য গৰ্ভৱতী আৰু দুগ্ধদাত্ৰী মহিলা ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে। যোগ্য গৰ্ভৱতী আৰু দুগ্ধদাত্ৰী মাতৃসকলক মহিলা, শিশু উন্নয়ন দপ্তৰৰদ্বাৰা প্ৰথমটো জীৱিত শিশুৰ প্ৰসৱৰ বাবে তিনিটা কিস্তিত ৫ হাজাৰ টকা আৰু বাকীখিনি টকা প্ৰতিষ্ঠানিক প্ৰসৱৰ পাছত অনুমোদিত নিয়ম অনুযায়ী আগবঢ়োৱা হ'ব যাতে মহিলা গৰাকীয়ে লাভ কৰা ধন ৬ হাজাৰ টকা হয়।

**চৰ্ত আৰু কিস্তি**

যোগ্য গৰ্ভৱতী মহিলা আৰু দুগ্ধদাত্ৰী মাতৃয়ে পৰ্যায়ক্ৰমে তিনিটা কিস্তিত ৫ হাজাৰ টকাৰ নগদ লাভ কৰিব। ১নং তালিকা দ্ৰষ্টব্য।

যোগ্য হিতাধিকাৰীয়ে বাকী থকা নগদ উদগনি অনুমোদিত নিয়ম অনুযায়ী প্ৰতিষ্ঠানিক প্ৰসৱৰ পাছত লাভ কৰিব,

যাতে এগৰাকী মহিলাই ৬ হাজাৰ টকা লাভ কৰিব পাৰে।

**হিতাধিকাৰীলৈ নগদ হস্তান্তৰৰ ধৰণ**

চৰ্তসাপেক্ষ নগদ হস্তান্তৰ প্ৰত্যক্ষ লাভ হস্তান্তৰ (ডী বী টী) ধৰণত হ'ব। সকলো মহিলাই গৰ্ভাৱস্থাৰ সময়ত উপযুক্ত সমৰ্থন আৰু স্বাস্থ্য সেৱা আৰু সকলো নৱজাতকে যাতে যথা সময়ত প্ৰতিষেধক ব্যৱস্থা লাভ কৰিব পাৰে সেইটো নিশ্চিত কৰিবলৈ ভাৰত চৰকাৰ অঙ্গীকাৰবদ্ধ। কিয়নো মাতৃ আৰু নৱজাতকৰ ভাল স্বাস্থ্যৰ বাবে এইটোৱেই ভেটি স্বৰূপ। স্বাভাৱিকতে, মহিলা প্ৰথমটো গৰ্ভাৱস্থাত নতুন প্ৰত্যাহ্বান আৰু চাপ কাৰণসমূহ প্ৰকাশিত হয়। সেই কাৰণে, এই আঁচনিখনে মহিলা গৰাকীক সুৰক্ষিত প্ৰসৱ আৰু প্ৰথম জীৱিত শিশুটিৰ প্ৰতিষেধকৰ বাবে সমৰ্থন আগবঢ়াবলৈ প্ৰয়াস কৰিছে। উন্নত স্বাস্থ্য সেৱা যতনৰদ্বাৰা মাতৃ আৰু শিশুটিৰ স্বাস্থ্য সেৱা বিচৰা আচৰণৰ উন্নীত কৰিব পৰা যাব।

**তালিকা-১**

| নগদ হস্তান্তৰ | চৰ্ত | পৰিমাণ (টকাৰ হিচাপত) |
|---|---|---|
| প্ৰথম কিস্তি | গৰ্ভাৱস্থা পঞ্জীকৰণৰ সময়ত | ১,০০০ - |
| দ্বিতীয় কিস্তি | নিচে কমেও এটা পৰীক্ষা (৬ মাহৰ গৰ্ভাৱস্থাৰ পাছত) | ২,০০০ - |
| তৃতীয় কিস্তি | শিশু জন্মৰ পঞ্জীকৰণ | |
| | শিশুটিৰ বী চী জী, অ' পী ভী, ডী পী টী আৰু হেপাটাইটিছ বা ইয়াৰ সমপৰ্যায়ৰ/বিকল্প | ২,০০০ - |

## "স্কীল ফৰ্ লাইফ্, ছেইভ এ লাইফ্" স্বাস্থ্য খণ্ডত দক্ষতা বিকাশৰ উৎকৰ্ষৰ বাবে উদগনি

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰীয়ে অলপতে "স্কীল ফৰ্ লাইফ, ছেইভ এ লাইফ্" নামৰ আঁচনিখন প্ৰৱৰ্তন কৰিছে। এই আঁচনিখনে স্বাস্থ্য যতন ব্যৱস্থাত প্ৰশিক্ষিত বৃত্তিধাৰীৰ সংখ্যা আৰু গুণগত মান বৃদ্ধি কৰাৰ লক্ষ্য গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত স্বাস্থ্য যতন সেৱাৰ বৃত্তিধাৰী আৰু জনসাধাসণৰ বা বিশেষ বিভিন্ন পাঠ্যক্ৰম যুগুত কৰিবলৈ বিচৰা হৈছে।

ৰাষ্ট্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ প্ৰতিষ্ঠান আৰু দিল্লীৰ এ আই আই এম এছে এই পাঠ্যক্ৰমৰ আৰ্হি প্ৰস্তুত কৰিছে। ভাৰতত প্ৰতিদিনে ১,৩২৪টা পথ দুৰ্ঘটনা সংঘটিত হয় আৰু প্ৰতি ৪ মিনিটত এজন লোকৰ প্ৰাণহানি হয়। প্ৰথম ১০ মিনিটত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলে এজন লোকৰ জীৱন বচাব পাৰি। "স্কীল ফৰ্ লাইফ্, ছেইভ এ লাইফ্" আঁচনিৰদ্বাৰা বৃত্তিধাৰী আৰু জনসাধাৰণক প্ৰথম সহাঁৰি দিওঁতা পাঠ্যক্ৰমৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহত দেশৰ প্ৰতিজন নাগৰিকক প্ৰদান কৰা হ'ব যাতে সেই ব্যক্তি প্ৰথম প্ৰাথমিক চিকিৎসা আগবঢ়াবলৈ আৰু জৰুৰী অৱস্থাত প্ৰাথমিক যত্ন ল'বলৈ সক্ষম হ'ব পাৰে। এই আঁচনি দেশৰ প্ৰত্যেকখন জিলাতে গ্ৰহণ কৰা হ'ব।

এই অভিযোজন আঁচনিৰ জৰিয়তে প্ৰশিক্ষিত আৰু দক্ষতাপূৰ্ণ লোকে জৰুৰী সময়ত সোণালী ঘণ্টাৰ ভিতৰত জীৱন বচোৱাত সহায় কৰিবলৈ সক্ষম হ'ব।

# উত্তৰ-পূব দিনলিপি

প্ৰধান মন্ত্ৰীয়ে অলপতে অসমৰ গোগামুখত ভাৰতীয় কৃষি সম্পৰ্কীয় গৱেষণা প্ৰতিষ্ঠানটোৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে সমবেত এটা বিশাল জনসমাৱেশক উদ্দেশ্যি দিয়া ভাষণত প্ৰধান মন্ত্ৰীগৰাকীয়ে কয় যে কৃষি একৈশ শতিকাৰ প্ৰয়োজন অনুসৰি বিকশিত হোৱা দৰকাৰ। পৰিৱৰ্তিত প্ৰযুক্তি বিজ্ঞানৰদ্বাৰা কৃষকসকল নিশ্চয় লাভৱান হ'ব লাগিব বুলি তেওঁ কয়।

তেওঁ অঞ্চলটোৰ বিশেষ প্ৰয়োজনৰ কথা মনত ৰাখি আধুনিক কৃষি আৰু প্ৰযুক্তিগত হস্তক্ষেপৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে।

উত্তৰ-পূৰ্বাঞ্চলৰ লগত সংযোগৰ উন্নতি সাধনৰ অৰ্থে 'পঞ্চ তত্ত্ব' হ'ল— ৰে'লপথ, ঘাইপথ, বিমান পথ, জলপথ আৰু ই-পথ। তেওঁ কয় যে, তেওঁৰ চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ সমৃদ্ধি আৰু কুশলতা বৃদ্ধিৰ বাবে 'পঞ্চ-তত্ত্ব'ৰ জৰিয়তে কাম কৰি আছে।

**উত্তৰ-পূৰ্বাঞ্চলৰ পাৰ্বত্য অঞ্চল বিকাশ আঁচনি**

উত্তৰ-পূৰ্বাঞ্চলৰ পাৰ্বত্য অঞ্চল বিকাশ আঁচনি (এইছ এ ডী পী) অলপতে ইম্ফলত (মণিপুৰ) প্ৰৱৰ্তন কৰা হয়। মণিপুৰ, ত্ৰিপুৰা আৰু অসমৰ পাৰ্বত্য অঞ্চলৰ ভৌগোলিক পৰিৱেশৰ বিশেষ বৈশিষ্ট্য আছে আৰু এই স্থানসমূহ আৰ্থ-সামাজিক বিকাশৰ দিশত পিছপৰি আছে। এই বৈশিষ্ট্যপূৰ্ণ ভু-পৰিস্থিতিৰ ফলত আন্তঃগাঁথনি, পথ, স্বাস্থ্য আৰু শিক্ষাৰ দিশত পাৰ্বত্য আৰু উপত্যকা জিলাকেইখনৰ মাজত ব্যাপক ব্যৱধান আছে। পাৰ্বত্য বিকাশ আঁচনি এই সকলোবোৰ উপাদানৰ গুৰুত্বপূৰ্ণ গৱেষণা আৰু আলোচনা আদিৰে অনুপ্ৰাণিত হৈছে।

পাৰ্বত্য অঞ্চল বিকাশ আঁচনিয়ে উন্নয়নশীল পাৰ্বত্য অঞ্চলসমূহত অধিক মনোযোগ দিব আৰু মণিপুৰৰ পাৰ্বত্য জিলাসমূহত পৰীক্ষামূলক ভিত্তিত গ্ৰহণ কৰা হ'ব।

**গুৱাহাটীত উত্তৰ-পূব স্বাস্থ্য মন্ত্ৰীসকলৰ কক্ষ**

কেন্দ্ৰীয় উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন দপ্তৰৰ (ড'নাৰ) ৰাজ্য মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে উত্তৰ-পূৰ্বাঞ্চলৰ চাৰিখন ৰাজ্যৰ জিলা পৰ্যায়ত স্বাস্থ্য যতন সেৱাক সমৰ্থন আৰু সম্প্ৰসাৰণ কৰাৰ অৰ্থে ৰাজহুৱা, ব্যক্তিগত অংশগ্ৰহণ (পাব্লিক, প্ৰাইভেট পাৰ্টিছিপেইশ্বন) আদি প্ৰস্তাৱ কৰিছে।

এই মন্ত্ৰণালয়ে অলপতে গ্ৰহণ কৰা স্বাস্থ্য সম্পৰ্কীয় উদগনিত গুৱাহাটীৰ ডাঃ বী বৰুৱা কৰ্কট প্ৰতিষ্ঠান পাৰমাণৱিক শক্তি বিভাগৰ সমৰ্থনৰ অধীনত যোৱা বছৰৰ পৰা মুম্বাইৰ টাটা মেম'ৰিয়েল কেন্সাৰ ইন্সটিটিউটৰ শাখাৰূপে অন্তৰ্ভুক্ত হয়। ইয়াৰ ফলস্বৰূপে ফেকাল্টি আৰু পৰিপূৰক শিক্ষা তথা ৰোগ চিকিৎসা বিষয়ক সেৱা উন্নীত কৰা হৈছে। চেন্নাইৰ আডায়াত কেন্সাৰ ইন্সটিটিউটৰ সহযোগত উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ এজন চিকিৎসক আৰু এজন শস্য চিকিৎসকৰ বাবে ৬ মহীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে যাতে কৰ্কট ৰোগৰ প্ৰাবল্য থকা অঞ্চলটোত তেওঁলোকে নিজৰ নিজৰ ৰাজ্যসমূহত সেৱা আগবঢ়াব পাৰে।

**উত্তৰ-পূবৰ জৈৱিক উৎপাদন প্ৰদৰ্শন কৰা হ'ব**

উত্তৰ-পূব উন্নয়ন দপ্তৰে (ড'নাৰ) উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱিক উৎপাদনৰ বিষয়ে ভাৰতৰ আন ঠাইত প্ৰচাৰ আৰু প্ৰদৰ্শনৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই বিষয়ে এখন আঁচনি ইতিমধ্যে আৰম্ভ কৰা হৈছে আৰু অলপতে নতুন দিল্লীৰ দিল্লী হাউচত "ওৱান" নামৰ (Organic North East : জৈৱ উৎপাদন উত্তৰ-পূব) এটা ব্ৰেণ্ড নামেৰে এটা শ্ব'ৰূম তথা ৰেস্তোঁৰা মুকলি কৰিছে।

# মানুহ আৰু পৰিৱেশ

**অন্নজ্যোতি গগৈ***

মানুহ পৰিৱেশৰ এটা গুৰুত্বপূৰ্ণ একক। মানুহৰ সুচিন্তিত আৰু সুপৰিকল্পিত কাৰ্যব্যৱস্থাৰ ওপৰত পৰিৱেশৰ সুস্থিৰতা তথা ভৱিষ্যৎ বহু পৰিমাণে নিৰ্ভৰ কৰে। কিন্তু কাৰ্যক্ষেত্ৰত দেখা গৈছে যে দিনে দিনে মানুহ পৰিৱেশৰ প্ৰতি ভাবুকিস্বৰূপহে হৈ পৰিছে। পল টেইলৰ নামৰ বিশিষ্ট পৰিৱেশবিদজনে তেওঁৰ 'Respect to Nature' নামৰ গ্ৰন্থত জীৱকেন্দ্ৰিক দৃষ্টিভঙ্গী সম্পৰ্কীয় চাৰিটা মত প্ৰকাশ কৰিছে। সেইকেইটা হ'ল—

(ক) মানুহ পৃথিৱীৰ আন জীৱসমূহৰ দৰেই এবিধ জীৱ।

(খ) মানুহ আৰু আন জীৱ প্ৰজাতিসমূহ পৰস্পৰ নিৰ্ভৰশীল।

(গ) সকলো জীৱই অতুলনীয়।

(ঘ) মানৱ জাতি জন্মগতভাৱে আন জীৱতকৈ উচ্চ স্তৰৰ ।

প্ৰকৃতিৰ লগত অহৰহ সংঘাতত লিপ্ত হোৱাৰ প্ৰৱণতা মানুহৰ এটা স্বাভাৱিক প্ৰবৃত্তি। মানুহ উন্নতিৰ জখলাত দোপতদোপে আগবাঢ়ি যোৱাৰ প্ৰধান সোপান হ'ল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব উন্নতি। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ আৰু অপপ্ৰয়োগ কৰি মানুহে পৰিৱেশ আৰু পৰিৱেশৰ সম্পদসমূহৰ ওপৰত নিষ্ঠুৰভাৱে আঘাত কৰে। এই বিৰল ক্ষমতাই মানুহক যেনেদৰে জীৱশ্ৰেষ্ঠ কৰি তুলিছে, প্ৰকৃতিয়েও যেন ছেগ বুজি তাৰ পোতক তুলিবলৈ পাহৰা নাই। বহুতো প্ৰাকৃতিক দুৰ্যোগৰ কাৰণ হ'ল মানৱসৃষ্ট। ২০১৩ চনত উত্তৰাখণ্ডত যি জলপ্ৰলয়ৰ সৃষ্টি হৈ অশেষ ধন জনৰ হানি হৈছিল তাৰ মূলতে পৰিৱেশ ধ্বংসকাৰী উন্নয়ন বুলি প্ৰকাশ পাইছে।

মানুহৰ স্বাৰ্থপৰতাৰ সীমা নাই। ডিমক্ৰিটাছে সেয়েহে কৈছে— "এটা পশুৱে যদি কিবা এটা বস্তু বিচাৰে, তেন্তে সেই বস্তুটোৰ কিমানখিনি সি বিচাৰে, সেই কথা সি জানে। কিন্তু মানুহে সেই কথা কেতিয়াও নাজানে।"

পৰিৱেশ ধ্বংস কৰাৰ ফলত মানুহ আৰু প্ৰাণীৰ মাজত সংঘাত তীব্ৰ হ'ব ধৰিছে। উদাহৰণ স্বৰূপে ডাঙৰ প্ৰাণী হিচাপে হাতীৰ বিচৰণভূমি ডাঙৰ হ'ব লাগে। একোটা হাতীৰ দৈনিক খাদ্য লাগে প্ৰায় ৫০ কিলোগ্ৰাম। একোটা পালত ১০-১২টামান হাতী থাকে। একোখন বনাঞ্চলত হাতীৰ পালো একাধিক হ'ব পাৰে। বনাঞ্চলত খাদ্যৰ অভাৱ আৰু থকা ঠাইৰ নাটনিয়ে হাতীক ওচৰৰ গাঁওসমূহলৈ যাবলৈ বাধ্য কৰিছে। তাতে যদি কোনোবাই বাধা দিছে বা হাতীৰ মুখামুখি হৈছে সিহঁতে প্ৰতি আক্ৰমণ কৰিছে। বনৰীয়া হাতীয়ে ঘৰ-দুৱাৰ ভাঙি নষ্ট কৰা, খেতিপথাৰৰ শস্য খাই তহিলং কৰা, হাতীৰ আক্ৰমণত মানুহৰ মৃত্যু হোৱা আদি ঘটনা আমাৰ ৰাজ্যখনত ঘটিয়েই আছে। সেইদৰে বাঘে নিজৰ আবাসস্থল ত্যাগ কৰি গুৱাহাটীৰ দৰে জন-অৰণ্যত প্ৰৱেশ কৰাৰ কাৰণো একেটাই।

পৰিৱেশ অৱক্ষয়ৰ ফলত প্ৰকৃতিৰ ঝাৰুৱালা শগুণৰ সংখ্যা আশ্চৰ্যজনকভাৱে কমি আহিল। শগুণ, হাড়গিলাৰ দৰে ডাঙৰ চৰাইবোৰ নাইকিয়া হোৱাৰ কাৰণ সিহঁতৰ বাবে ওখ গছৰ আবাস নাইকিয়া হোৱা, খাদ্য দ্ৰব্যত বিষাক্ত দ্ৰব্যৰ প্ৰয়োগ আদি। গঁড় হত্যা বৰ্তমান এটা ভয়ংকৰ সমস্যাৰূপে চিহ্নিত হৈছে। গঁড়ৰ খড়্গৰ ওপৰত আন্তৰ্জাতিক পৰ্যায়ৰ এটা লাভজনক ব্যৱসায় চলি আছে। এনেদৰে গঁড় হত্যা চলি থাকিলে বিশ্বৰ আপুৰুগীয়া এটা খড়্গযুক্ত গঁড় নিঃশেষ হ'বলৈ সৰহ দিন নালাগিব। অন্ধবিশ্বাস আমাৰ সমাজত বৰ্তি থকালৈকে প্ৰাণীৰ অঙ্গৰ ওপৰত লালসা চলিয়েই থাকিব। সেয়ে অন্ধবিশ্বাসমুক্ত এখন সমাজ প্ৰতিষ্ঠাৰ হকে সকলো লোক আগবাঢ়ি আহিব লাগে। গঁড়ক ৰক্ষা কৰাৰ উদ্দেশ্য ২২ ছেপ্তেম্বৰ তাৰিখটো বিশ্ব গঁড় দিৱসৰূপে পালন কৰা হয়।

মানুহে প্ৰয়োজনত বা অধিক লোভত পৰি পৰিৱেশ ধ্বংস কৰাৰ ফলত বায়ুমণ্ডললৈ অধিক সেউজ গৃহ গেছ এৰি দিছে। পৰিৱেশ ধ্বংসৰ ফলত বায়ুমণ্ডললৈ নিক্ষেপ হোৱা এবিধ প্ৰধান সেউজ গৃহ গেছ হ'ল বিষাক্ত কাৰ্বন ডাই-অক্সাইড ($CO_2$)। তদুপৰি মানুহৰদ্বাৰা সৃষ্টি হোৱা আন সেউজ গৃহ গেছসমূহ হ'ল ক্লৰ'ফ্লৰকাৰ্বন (CFC), মিথেন ($CH_4$), নাইট্ৰাছ অক্সাইড ($N_2O$) আদি। ফলত বায়ুমণ্ডলৰ উত্তাপ বাঢ়ি এনে পৰ্যায় পায়ছেগৈ যে ছেপ্তেম্বৰ মাহতো গৰমৰ প্ৰকোপ কমা নাই।

---

*লেখক ধেমাজি মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞানৰ অধ্যাপক

সেইদৰে বায়ু, পানী, মাটি প্ৰদূষিত হোৱা প্ৰদূষকবোৰৰ সৃষ্টিৰ মূলতে হ'ল মানুহৰ অবিবেচক কাৰ্যকলাপ। নগৰ নিৰ্মাণ, উদ্যোগ স্থাপন, কৃষিকাৰ্যত ব্যৱহৃত ৰাসায়নিক সাৰ তথা কীটনাশক, অপতৃণনাশক আদি দ্ৰব্যৰ অপপ্ৰয়োগ, যান-বাহনে সৃষ্টি কৰা প্ৰদূষক, ইন্ধনৰ দহন, প্লাষ্টিক আৰু পলিথিনৰ অতি ব্যৱহাৰ, তেজষ্ক্ৰিয় পদাৰ্থৰ পৰা হোৱা প্ৰদূষণ আদিৰদ্বাৰা পৰিৱেশ দূষিত হয়। প্ৰদূষিত পৰিৱেশত জৈৱিক আৰু অজৈৱিক দুয়োবিধ কাৰকেই বেয়াকৈ প্ৰভাৱিত হয়।

গছে আমাক কি নিদিয়ে বুলি ক'লে তাৰ উত্তৰ পাবলৈ নাই। খাদ্য, কাপোৰ, আশ্ৰয়, ঔষধ আদি নানা দিশত গছে মানুহক প্ৰত্যক্ষভাৱে সহায় কৰে। গছৰ এইকেইটা উপকাৰ আমি চকুৰে দেখো। আমি চকুৰে নেদেখা আনকি উপলব্ধি কৰিবও নোৱাৰা আন এটা মহান শক্তি গছ-গছনিত নিহিত হৈ থাকে। ইয়াক জীৱনী শক্তি বুলিও কোৱা হয়। অক্সিজেন নামৰ এই জীৱনীশক্তিৰ অবিহনে কোনো প্ৰাণী জীয়াই থাকিব নোৱাৰে। গছে বায়ুমণ্ডলৰ বিষাক্ত কাৰ্বন ডাই-অক্সাইড গেছ শোষণ কৰি সূৰ্যৰ ৰশ্মি আৰু পানীৰ উপস্থিতিত ক্ল'ৰ'ফিলৰ সহায়ত কাৰ্বহাইড্ৰেটজাতীয় খাদ্য প্ৰস্তুত কৰে আৰু বিনিময়ত জীৱনদায়িনী অক্সিজেন গেছ বাহিৰ উলিয়াই দিয়ে। ফলত জীৱজগত বাচি থকাৰ এটা পৰিৱেশ সৃষ্টি কৰে।

পৰিৱেশ সুৰক্ষাৰ বাবে আমাৰ দেশত একাধিক আইন প্ৰচলিত হৈ আছে। তাৰে প্ৰধান কেইখনমান আইন হ'ল—

(১) বন্যপ্ৰাণী (সংৰক্ষণ) আইন ১৯৭২
(২) জল (প্ৰতিৰোধ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ) আইন ১৯৭৪
(৩) বনাঞ্চল (সুৰক্ষা) আইন ১৯৮০
(৪) বায়ু (প্ৰতিৰোধ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ) আইন ১৯৮১
(৫) পৰিৱেশ (সংৰক্ষণ) আইন ১৯৮৬

পৰিৱেশ সম্পৰ্কীয় আইনকেইখনৰ জৰিয়তে দেশৰ পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে সহায়ক হ'ব পাৰে। অৱশ্যে আইনৰ প্ৰকৃত প্ৰয়োগৰ ওপৰতহে আইনসমূহৰ উদ্দেশ্য সিদ্ধিৰ সফলতা নিৰ্ভৰ কৰে। দিল্লী মহানগৰীৰ পৰিৱেশ সুৰক্ষাৰ যিটো ৰূপ দেখা গৈছে তাৰ মূলতে হ'ল সকলো স্তৰতে আইনৰ সুপ্ৰয়োগ। কিন্তু অসমৰ ক্ষেত্ৰত আইনবোৰ উৰুখা পঁজাৰ দৰে।

ভাৰতৰ বনাঞ্চল আইনে (১৯৮০) পাহাৰীয়া অঞ্চলত শতকৰা ৬০ ভাগ আৰু ভৈয়াম অঞ্চলত ৩৩ ভাগ বনাঞ্চল থকাটো লক্ষ্য হিচাপে বান্ধি দিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত অৰুণাচল প্ৰদেশ, মণিপুৰ আৰু আন্দামান নিকোবৰৰ বাহিৰে আন ৰাজ্যই এই সীমা চুবগৈ পৰা নাই। প্ৰতি বছৰে বনাঞ্চলৰ পৰিমাণ ক্ৰমান্বয়ে কমি অহা বুলিহে সমীক্ষাত প্ৰকাশ পাইছে। প্ৰতি ছেকেণ্ডত একোখন ফুটবল পথাৰৰ সমান বনাঞ্চল পৃথিৱীৰ ক'ৰবাত নহয় ক'ৰবাত ধ্বংস হোৱা বুলি সমীক্ষাত প্ৰকাশ। ই নিশ্চয় শিহৰণকাৰী তথ্য। আমাৰ অসমখন বাহিৰৰ লোকৰ বাবে হাবি-জংঘলৰ ৰাজ্যৰূপে পৰিচিত হ'লেও অসমত বনাঞ্চলৰ পৰিমাণ ২৪ শতাংশতকৈ কম।

এখন সেউজীয়া পৃথিৱীৰ কল্পনা বৰ্তমান সকলো স্তৰতে কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। মানুহৰ সুচিন্তিত কাৰ্যব্যৱস্থাৰ ওপৰতে নিৰ্ভৰ কৰিছে ভৱিষ্যৎ পৃথিৱীৰ সুৰক্ষা তথা ইয়াত বসবাস কৰিবলগা জীৱজগতৰ নিৰাপত্তা। আনকি শান্তিৰ বাবে পৃথিৱীৰ সৰ্বোচ্চ ন'বেল বঁটাও দিয়া হৈছে এগৰাকী পৰিৱেশকৰ্মীক। ২০০৪ চনত কেনিয়াৰ ৱাংগাৰি মাথাই নামৰ মহিলা পৰিৱেশকৰ্মী গৰাকীক এই বঁটা দি ন'বেল সমিতিয়ে ঘোষণা কৰিছে যে পৃথিৱীলৈ শান্তি অহাটো নিৰ্ভৰ কৰিছে পৰিৱেশৰ সুৰক্ষাৰ ওপৰত। সেইদৰে ২০০৭ চনত আই পী চী চী-ক (Intergovernmental Penal for Climate Change) ন'বেল শান্তি বঁটাৰে পুনৰ সন্মানিত কৰা হৈছে। এই সংগঠনটোৱে গোলকীয় উত্তাপৰ ভয়াৱহতাৰ প্ৰতি ৰাইজক সজাগ কৰা তথা সচেতনতা বৃদ্ধিৰ প্ৰয়াস চলাই আহিছে। আই পী চী চীয়ে কৈছে যে বৰ্তমানৰ হাৰত ঘটনাক্ৰম চলি থাকিলে অহা ২০০ বছৰৰ ভিতৰত মেৰু অঞ্চলত গ্ৰীষ্ম কালত এটুকুৰা বৰফ বিচাৰি পাবলৈ নোহোৱা হ'ব। ইয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হ'ব। কিয়নো জলবায়ুৱে দেশ বা ৰাজ্যৰ সীমা নাজানে।

সাম্প্ৰতিক কালত বহনক্ষম বিকাশৰ ওপৰত পৰিৱেশবিদসকলে গুৰুত্ব আৰোপ কৰিছে। মানৱ সভ্যতাৰ উন্নয়ন সম্ভৱ হৈছে বিকাশৰ জৰিয়তেহে। বিকাশৰ অবিহনে উন্নয়নৰ গতি ৰুদ্ধ। কিন্তু বিকাশ হ'ব লাগিব বহনক্ষম পৰ্যায়ৰ। অৰ্থাৎ পৰিৱেশে বহন কৰিব পৰা বিকাশ হ'ব লাগিব। বহনক্ষম বিকাশে ভৱিষ্যৎ প্ৰজন্মৰ প্ৰয়োজনীয়তাৰ ওপৰত হেঙাৰ নোহোৱাকৈ বৰ্তমানৰ প্ৰয়োজন পূৰাব খোজে। পৰিৱেশৰ সম্পদৰ বিস্তৰ ক্ষয় নোহোৱাকৈ হোৱা উন্নয়ন বহনক্ষম বিকাশে সামৰি লয়। সেইদৰে সেউজ অৰ্থনীতিয়ে কাৰ্বনৰ নিৰ্গমন আৰু প্ৰদূষণ হ্ৰাস, সম্পদ আৰু শক্তিৰ দক্ষতা বৃদ্ধি, জীৱবৈচিত্ৰতা আৰু পৰিস্থিতি তন্ত্ৰৰ অৱক্ষয়ত বাধা প্ৰদান কৰা আদি সূচায়।

মানুহকে ধৰি সকলো জীৱ বাচি থাকিবলৈ হ'লে পৰিৱেশ সংৰক্ষণত প্ৰতিজন ব্যক্তিয়ে প্ৰত্যক্ষৰূপত অংশগ্ৰহণ কৰিব লাগিব। জীৱশ্ৰেষ্ঠ মানুহে পৃথিৱীখন ৰক্ষা কৰাটো প্ৰথম আৰু প্ৰধান দায়িত্ব হিচাপে ল'ব লাগে। প্ৰতিজন ব্যক্তিয়ে তেওঁৰ নিজৰ অঞ্চলটোৰ পৰিৱেশ ৰক্ষা কৰাৰ চেষ্টা কৰা মানেই গোটেই পৃথিৱীখন ৰক্ষা পৰা বুজায়। সেয়েহে কোৱা হয়— 'ভূমণ্ডলৰ কথা চিন্তা কৰা, কিন্তু কাম কৰা স্থানীয় স্তৰত' (Think globally, act locally)।

আজিৰ পৰা প্ৰায় ২০০০ বছৰৰো অধিক সময়ৰ আগতে ৰচিত কৌটিল্যৰ অৰ্থশাস্ত্ৰতো বনৰীয়া জীৱজন্তু সংৰক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে কৈ গৈছে। সম্ৰাট অশোকে জীৱজন্তু, বনাঞ্চল সংৰক্ষণৰ বাবে আইন প্ৰণয়ন কৰিছিল। তেওঁ পথচাৰীৰ সুবিধাৰ বাবে পথৰ দুয়োকাষে গছ-গছনি ৰোপণ কৰাইছিল। প্ৰকৃতিৰ লগত মিতিৰালি পাতি আত্মীয়তাৰে কাম কৰাৰ পৰম্পৰা আমাৰ প্ৰাচীন ঋষি-মুনিসকলে দেখুৱাই গৈছে। তেওঁলোকৰ আশ্ৰম, গুৰুকুলৰ শিক্ষা পদ্ধতি তাৰ উৎকৃষ্ট উদাহৰণ। বনৰীয়া জীৱজন্তুৰ প্ৰতি দয়া, মমতা, প্ৰেম আদি ভাৰতীয় পৰম্পৰাৰ এটা উজ্জ্বল চানেকি। পঞ্চতন্ত্ৰৰ সাধুবোৰত চৰাই-চিৰিকটি, পশুবোৰে স্থান লাভ কৰিছিল। প্ৰকৃতিৰ অমূল্য সম্পদ নৈ, জান-জুৰি, পাহাৰ-পৰ্বত, গছ-বিৰিখ, পশু-পক্ষী আদিৰ গুণানুকীৰ্তনে সেইসমূহৰ প্ৰয়োজনীয়তাৰ সপক্ষে যুক্তি দৰ্শায়। তেনেদৰে গৌতম বুদ্ধ আৰু মহাবীৰে প্ৰৱৰ্তন কৰা ক্ৰমে বৌদ্ধ আৰু জৈন ধৰ্মৰ মূলমন্ত্ৰ হ'ল অহিংসা। ই সকলো ধৰণৰ জীৱক ৰক্ষণাবেক্ষণ তথা সংৰক্ষণ কৰাটো বুজায়। আমাৰ প্ৰাচীন কাব্য, মহাকাব্য, বেদ, উপনিষদ আদিতো পৰিৱেশ ৰক্ষাৰ সুন্দৰ উপদেশ পোৱা যায়।

পৰিৱেশে মানুহক জীয়াই থাকিবলৈ সকলোখিনি উপহাৰ দিছে। সেয়েহে আমি পৰিৱেশক ভাল পাবলৈ আৰু সন্মান কৰিবলৈ শিকিব লাগে। পৃথিৱীত সকলো জীৱৰে জীয়াই থকাৰ অধিকাৰ আছে। জীৱন-জন্তুৰ অধিকাৰ খৰ্ব কৰি সিহঁতৰ বিলুপ্তি সাধন কৰাৰ অধিকাৰ আমাৰ নাই। মানুহে প্ৰাকৃতিক সম্পদসমূহক অধিক শোষণ কৰাও অনুচিত। প্ৰাকৃতিক সম্পদৰ জৰিয়তে ব্যক্তিগত লাভালাভৰ কথা চিন্তা পৰিহাৰ কৰা উচিত। মানুহে পৰিৱেশতন্ত্ৰৰ স্বাভাৱিক কাম-কাজত কোনো ধৰণৰ হস্তক্ষেপ কৰা উচিত নহয়।

বৰ্তমান পৰিৱেশ আৰু পৰিৱেশৰ সম্পদসমূহৰ যেনে ধৰণে দ্ৰুতগতিত অৱক্ষয় হৈছে তাৰ পৰিপ্ৰেক্ষিতত পৰিৱেশ ভিত্তিক আন্দোলনৰ প্ৰাসঙ্গিকতা অতি আৱশ্যক হৈ পৰিছে। গ্ৰীণ বেল্ট আন্দোলন, ছিপ্‌কো আন্দোলন, ছাইলেণ্ট ভেলী আন্দোলন, বিষ্ণয় আন্দোলন, নৰ্মদা বচাও আন্দোলন, এপ্পিকো আন্দোলন আদি কেইটামান পৰিৱেশ-ভিত্তিক আন্দোলন। এনেধৰণৰ আন্দোলন যিমানেই হয় সিমানেই পৰিৱেশ তথা জীৱ জগতৰ সুৰক্ষাৰ বাবে মঙ্গলজনক। বেদখলকাৰী তথা চোৰাং চিকাৰীৰ পৰা অসমৰ বনাঞ্চলসমূহক সুৰক্ষিত হ'বৰ বাবে এটা ব্যাপক আন্দোলনৰ প্ৰয়োজনীয়তা আহি পৰিছে। অসমৰ গৌৰৱ গঁড় হত্যা ৰোধ কৰাৰ বাবেই সৰ্বস্তৰৰ লোক ওলাই আহিবৰ হ'ল।

বিশ্ব পৰিৱেশ দিৱস (৫ জুন), ধৰিত্ৰী দিৱস (২২ এপ্ৰিল), বন্যপ্ৰাণী সপ্তাহ (১-৭ অক্টোবৰ), বিশ্ব গঁড় দিৱস (২২ ছেপ্তেম্বৰ), বন মহোৎসৱ (১-৭ জুলাই) আদিবোৰ কেৱল শ্লোগানধৰ্মী হ'ব নালাগে। তাৰ পৰিৱৰ্তে সেই নিৰ্দিষ্ট দিনত পৰিৱেশৰ বিষয়ে চিন্তা-চৰ্চা কৰি অভিজ্ঞ বিশেষ ব্যক্তিৰ সান্নিধ্য লাভ কৰি উপকৃত হ'ব পাৰে।

পৰিৱেশ সুৰক্ষাৰ বাবে কেৱল চৰকাৰী প্ৰচেষ্টাই যথেষ্ট নহয়। বিভিন্ন স্বেচ্ছাসেৱী সংগঠন তথা প্ৰতিজন ব্যক্তিৰ অন্তৰত পৰিৱেশ সচেতনতাৰ ভাব জাগ্ৰত হোৱা দৰকাৰ। পৰিৱেশৰ প্ৰতি নিজে সচেতন হোৱাই নহয়, আন দুই-এজনকো সচেষ্ট হ'বলৈ বাট দেখুৱাব লাগে। জনসাধাৰণৰ সংক্ৰিয় সহযোগ নহ'লে চৰকাৰে অকলে পৰিৱেশ সুৰক্ষিত কৰিব নোৱাৰে।

পৰিৱেশ নৈতিকতাৰ মূলমন্ত্ৰ হোৱা উচিত— "মানুহে প্ৰকৃতিৰ এটা অংশ হিচাপে বাস কৰিবলৈ শিকিব লাগে, প্ৰকৃতিৰ মালিক হিচাপে নহয়।" ❐


## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

▯ 'পয়োভৰা'ৰ প্ৰতিখনৰ মূল্য ২২.০০ টকা আৰু বিশেষ সংখ্যাৰ মূল্য ৩০.০০ টকা। আনহাতে এবছৰৰ বাবে গ্ৰাহক মূল্য হ'ব ২৩০.০০ টকা, দুবছৰৰ বাবে ৪৩০.০০ টকা আৰু তিনি বছৰৰ বাবে ৬১০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

## আপুনি জানেনে?

# ভূ-ৰেখাঙ্কন



'টপ'গ্ৰাফি' বা 'ভূ-ৰেখাঙ্কন' পৃথিৱী পৃষ্ঠৰ বিষয়ে বিতং অধ্যয়নৰ বিষয়ে বৰ্ণনা কৰাৰ বাবে ব্যাপক অৰ্থত ব্যৱহাৰ কৰা হয়। ই হ'ল ভূমি এলেকাৰ ভৌতিক বৈশিষ্ট্যৰ বিষয়। ইয়াত পৰ্বত, উপত্যকা, নদী, হ্ৰদ, সাগৰ, মহাসাগৰৰ লগতে পথ, দলং, বান্ধ, ৰে'ল পথ আৰু মহানগৰসমূহৰ দৰে মানৱ নিৰ্মিত পৰিৱৰ্তনসমূহ অন্তৰ্ভুক্ত হৈছে।

'ভূ-ৰেখাঙ্কন'ৰ উদ্দেশ্য হ'ল, দ্ৰাঘিমাংশ, অক্ষাংশ আৰু উচ্চতা আদিৰ স্থিতি নিৰ্দ্ধাৰণ কৰা। ই জৰীপ কাৰ্যৰ লগত নিবিড়ভাৱে জড়িত আৰু দুয়োটাই পৰস্পৰ সম্পৰ্কিত। ভূ-ৰেখাঙ্কন মানচিত্ৰ অসামৰিক অভিযন্তা, পাৰিৱেশিক ব্যৱস্থাপক আৰু নগৰ পৰিকল্পনাকাৰীৰ লগতে বহি উদ্যমী ব্যক্তি, জৰুৰীকালীন সেৱা সংস্থা আৰু ইতিহাসবিদসকলে ব্যৱহাৰ কৰে। এখন ভূ-ৰেখাঙ্কন মেপ হ'ল ত্ৰিমাত্ৰিক ভূমি পৃষ্ঠৰ দ্বিমাত্ৰিক প্ৰতিনিধিত্ব। ৰূপৰেখা, বৰণ, প্ৰতীক, লেবেল আৰু আন ৰৈখিক প্ৰতিনিধিত্বৰে, ভূ-ৰেখাঙ্কন মানচিত্ৰই ভূ-পৃষ্ঠত প্ৰাকৃতিক আৰু মানৱ নিৰ্মিত বিষয়ৰ আকাৰ আৰু স্থিতি অঙ্কন কৰে।

ভূ-ৰেখাঙ্কনৰ ব্যাপকভাৱে ব্যৱহৃত কৌশল হ'ল প্ৰত্যক্ষ জৰীপ। এই প্ৰক্ৰিয়াত থীঅড্'লাইট যন্ত্ৰ দূৰত্ব আৰু কোণ জুখিবলৈ ব্যৱহাৰ কৰা হয়। ই ডিজিটেল ইমাজিং ছিষ্টেমকে ধৰি সকলো ভূ-ৰেখাঙ্কন মানচিত্ৰত মৌলিক তথ্য সৃষ্টি কৰে। এই তথ্য নিৰ্দিষ্ট পৃষ্ঠ বা এডোখৰ ভূমিৰ সম্পূৰ্ণ ছবি পাবলৈ আকাশী আলোকচিত্ৰ বা উপগ্ৰহ চিত্ৰকল্প (ছেটেলাইট ইমজেৰি) আদি আন ব্যৱস্থাৰদ্বাৰা একত্ৰীকৰণত ব্যৱহাৰ কৰিব পাৰি। ছ'নৈৰ্ (প্ৰতিধ্বনিৰ সহায়ত পানীৰ তলৰ বস্তুৰ অৱস্থিতি ধৰা পেলোৱা যন্ত্ৰ) মেপিঙৰদ্বাৰা মহাসাগৰ জোখা হয় যিটোৰদ্বাৰা পানীৰ জৰিয়তে শব্দৰ স্পন্দন আন্ডৰ ৱাটাৰ স্পীকাৰৰ পৰা প্ৰেৰণ কৰা হয়। মহাসাগৰৰ তলী, প্ৰবাল ভেটি বা ছাবমেৰিন আদি পানীৰ বস্তুবোৰৰ প্ৰতিফলনেই হ'ল শব্দটো। এই শব্দবোৰ মাইক্ৰ'ফোনৰদ্বাৰা জোখা হয়। প্ৰতিধ্বনি ঘূৰি আহিবলৈ লোৱা সময়খিনি প্ৰতিফলিত বস্তুৰ দূৰত্ব হ'ল এটা অনুপাত। এই তথ্যই আন্ডৰ ৱাটাৰৰ ভূমিভাগৰ মানচিত্ৰকৰণৰ পৰিৱৰ্তনত অনুমোদন জনায়।

নেভিগেইশ্বনেল ছেট্‌লাইটৰ সুপ্ৰতিষ্ঠিত নেটৱৰ্কৰদ্বাৰা সমৰ্থিত বৰ্তমানৰ উন্নত প্ৰযুক্তিৰ গ্ল'বেল পজিশ্বনিং ছিষ্টেম (জী পী এছ)এ ক্ষেত্ৰ জৰীপকাৰীসকলক কেইফুটমানৰ ভিতৰতে আনকি অতি দুৰ্গম ভূমিভাগতো য'ত পৰম্পৰাগত জৰীপ কৌশল অসম্ভৱ তেনে ঠাইতো অনুভূমিক স্থিতি সঠিকভাৱে নিৰ্দ্ধাৰণ কৰিবলৈ অনুমতি দিয়ে। কম্পিউটাৰ ছফ্‌টৱেৰ ব্যৱহাৰ কৰি ত্ৰিমাত্ৰিক আৰ্হি সৃষ্টি কৰিবলৈ থ্ৰি-ডীএ ছেট্‌লাইট বা আকাশী চিত্ৰকল্প ব্যৱহাৰ কৰে। আকাশী আলোকচিত্ৰ আৰু ফ'টগ্ৰেমিট্ৰিয়ে বিভিন্ন কোণৰ পৰা আলোকচিত্ৰ একেলগ কৰে আৰু উপদানটোৰ স্থিতি নিৰ্ণয় কৰাৰ বাবে ত্ৰিকোণ পদ্ধতি ব্যৱহাৰ কৰে। বিভিন্ন ছে'নছৰ কঢ়িয়াই অনা আন ছেট্‌লাইটবোৰে মানচিত্ৰ প্ৰস্তুতকৰণত আকাশী আলোকচিত্ৰ পদ্ধতি সোনকালে পৰিহাৰ কৰিব। এই তাৎপৰ্যপূৰ্ণভাৱে মানচিত্ৰ প্ৰস্তুত আৰু আপডেইট কৰা কামত প্ৰয়োজন হোৱা সময় হ্ৰাস কৰিব আৰু সামগ্ৰিক সঠিকতা উন্নত কৰিব। ❐